
# বাঙ্ময়

সৰুপথাৰ মহাবিদ্যালয়ৰ আলোচনী

ত্ৰয়স্ত্ৰিংশ সংখ্যা, ২০২১-২২ বৰ্ষ

সম্পাদক

## ৰাশি শইকীয়া




***BANGMOI***

*Annual magazine of Sarupathar College Students' Union, Edited by Rashi Saikia, printed at Ramdhenu Printing, Dibrugarh-786004. 33rd Issue, 2021-2022 Academic Session.*

# বাঙ্ময়

সৰুপথাৰ মহাবিদ্যালয়ৰ আলোচনী

ত্ৰয়স্ত্ৰিংশ সংখ্যা, ২০২১-২২ বৰ্ষ

**প্ৰকাশকাল ঃ** ২০২২

## সম্পাদনা সমিতি ঃ

**মুখ্য উপদেষ্টা ঃ**
ড° প্ৰাপ্তি ঠাকুৰ

**উপদেষ্টা ঃ**
মণিপ্ৰভা বৰা
ড° ৰীতা বৰা

**তত্ত্বাৱধায়ক ঃ**
ড° অমৰ শইকীয়া

**সহঃ তত্ত্বাৱধায়ক ঃ**
ৰিণি বেনাৰ্জী

**সম্পাদিকা ঃ**
ৰাশি শইকীয়া

**শিক্ষক সদস্য/সদস্যা ঃ**
ড° প্ৰেমকান্ত বৰা, ড° ববিতা গগৈ

**ছাত্ৰ সদস্য/সদস্যা ঃ**
বিনোদ ৰায়, অভিৰাম খাখলাৰী, বিতুল গড়

**বেটুপাত ঃ** সঞ্জীৱ বৰা
**অলংকৰণ পৰিকল্পনা ঃ** তন্ময় মিশ্ৰ
**অংগজ্জা তথা ৰঙীন পৃষ্ঠা সজ্জা ঃ** ৰিতু বৰগোহাঁই
**সামগ্ৰিক পৰিকল্পনা ঃ** ড° অমৰ শইকীয়া, ৰাশি শইকীয়া
**আৰ্হিনিৰীক্ষণ ঃ** স্নাতকোত্তৰ মহলা, সৰুপথাৰ মহাবিদ্যালয়
**অক্ষৰ বিন্যাস ঃ** যুগল মেধি, কল্পজ্যোতি
**প্ৰকাশক ঃ** সৰুপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা
**মুদ্ৰণ ঃ** ৰামধেনু প্ৰিণ্টিং, দুলিয়াজান, ডিব্ৰুগড়, পিন-৭৮৬০০৪, **দূৰভাষ ঃ** ৭০০২৯০৮২৬২

# মহাবিদ্যালয় সংগীত

**কথা ঃ** অৰুণ চন্দ্ৰ দুৱৰা, প্ৰাক্তন উপাধ্যক্ষ, সৰুপথাৰ মহাবিদ্যালয়
**সুৰ ঃ** তৰুণ শৰ্মা পূজাৰী, প্ৰাক্তন ছাত্ৰ, সৰুপথাৰ মহাবিদ্যালয়

*বহুজনৰ ঘামেৰে জীপাল*
*দৈয়াঙৰ পৃষ্ঠভূমি*
*অজ্ঞতা নাশি জ্ঞানৰ বন্তি*
*জ্বলোৱাৰ প্ৰতিশ্ৰুতি,*
*সোণালী আশা বুকুত লৈ*
*তীৰ্থ তোমাৰ জন্ম।*

*স্ৰষ্টাই তোমাক সজালে-পৰালে*
*প্ৰজন্মক দিবা জ্যোতি।*
*তোমাৰ বুকুতেই সৃষ্টি হ'ব*
*সমন্বয়ৰ কৃষ্টি।।*
*তোমাৰ কণ্ঠত নিনাদি উঠক*
*'কুশল'ৰ মুকুতি মন্ত্ৰ।*

*তোমাৰ চৌদিশে আছে জিলিকি*
*ইতিহাসৰ মাণিক-মুকুতা।*
*ধনশিৰি-ৰেংমাৰ তৰঙ্গ ৰাশিয়ে*
*প্ৰচাৰে গুণ-গৰিমা।।*
*সমাজৰ অতন্দ্ৰ প্ৰহৰী তুমি*
*যাত্ৰা অসীম, অনন্ত...*

# বিশেষ কৃতজ্ঞতা

- অধ্যক্ষ, সৰুপথাৰ মহাবিদ্যালয়
- উপাধ্যক্ষ, সৰুপথাৰ মহাবিদ্যালয়
- মণিপ্ৰভা বৰা, প্ৰাক্তন অধ্যক্ষ তথা সহযোগী অধ্যাপক, সমাজতত্ত্ব বিভাগ, সৰুপথাৰ মহাবিদ্যালয়
- সমূহ লেখক-লেখিকা, যাৰ চিন্তাই সমৃদ্ধ কৰিছে এই আলোচনীৰ চ'ৰাঘৰ
- ৰামধেনু প্ৰিন্টাৰ্চ, ডিব্ৰুগড়



প্ৰয়াত মাণিক চন্দ্ৰ শৰ্মা



প্ৰয়াত শৈলেন কুমাৰ নেওগ

# উছৰ্গা

সৰুপথাৰ মহাবিদ্যালয় পৰিয়ালৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ মাণিক চন্দ্ৰ শৰ্মা আৰু বাণিজ্য শাখাৰ প্ৰতিষ্ঠাকালৰ অধ্যাপক তথা অৱসৰপ্ৰাপ্ত বিভাগীয় প্ৰধান শৈলেন কুমাৰ নেওগৰ পৱিত্ৰ স্মৃতিত 'বাঙ্ময়'ৰ এই সংখ্যাটি উছৰ্গা কৰা হ'ল।




**ড° প্ৰাপ্তি ঠাকুৰ**
অধ্যক্ষ



**অঞ্জন গোস্বামী**
উপাধ্যক্ষ (প্ৰশাসনিক)



**ড° ৰীতা বৰা**
উপাধ্যক্ষ (শৈক্ষিক)

# সম্পাদনা সমিতি



ড° প্ৰাপ্তি ঠাকুৰ
মুখ্য উপদেষ্টা



মণিপ্ৰভা বৰা
উপদেষ্টা



ড° ৰীতা বৰা
উপদেষ্টা



ড° অমৰ শইকীয়া
তত্ত্বাৱধায়ক



ৰিণি বেনাৰ্জী
সহ-তত্ত্বাৱধায়ক



ড° প্ৰেমকান্ত বৰা
শিক্ষক সদস্য



ড° ববিতা দত্ত
শিক্ষক সদস্য



ৰাশি শইকীয়া
সম্পাদক



বিনোদ ৰায়
ছাত্ৰ সদস্য



অভিৰাম খাখলাৰী
ছাত্ৰ সদস্য



বিতুল গড়
ছাত্ৰ সদস্য

# ২০২১-২০২২ বৰ্ষৰ সৰুপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল


বিনোদ ৰায়
সভাপতি


চাহিতা ৰায়
উপসভাপতি


অভিৰাম খাকলাৰী
সাধাৰণ সম্পাদক


বিতুল গড়
সহকাৰী সাধাৰণ সম্পাদক


ৰাশি শইকীয়া
আলোচনী সম্পাদক


জয়শ্ৰী হাজৰিকা
সাংস্কৃতিক সম্পাদক


হৰিশ বড়ো
ক্ৰীড়া সম্পাদক


বিনন্দ বসুমতাৰী
ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদক


অমিষা ৰায়
ছাত্ৰী-জিৰণি কোঠাৰ সম্পাদক


পাৰ্শ্বজ্যোতি বুঢ়াগোহাঞি
তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক


পৰন বড়ো
সমাজ সেৱা বিভাগৰ সম্পাদক


দিপাঞ্জলি হাজোৱাৰী
উৎসৱ বিভাগৰ সম্পাদক

# সূচীপত্ৰ


সম্পাদকীয় ▌ ৪৫-৪৮
অধ্যক্ষৰ একলম ▌ ৪৫-৪৮
মুখসন্ধি ঃ সৰুপথাৰ মহাবিদ্যালয় আৰু বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ ক্ৰীড়া চৰ্চা ▌ ৪৫-৪৮


## কথোপকথন ঃ


ড° ৰুবুল মাউতৰ সৈতে সৰুপথাৰ মহাবিদ্যালয়ৰ আলোচনী 'বাঙ্ময়'ৰ তত্বাৱধায়ক ড° অমৰ শইকীয়াৰ কথোপকথন ▌ ৪৫-৪৮


## গল্প ঃ


বৰশী ❑ *চয়নিকা চেতিয়া* ▌ ১৭-১৯
ৰহস্যৰ সিপাৰে ❑ পৰশ হাজৰিকা ▌ ৪৫-৪৮
সাম্প্ৰতিক সময় দিক্‌ভ্ৰান্ত ❑ সান্ত্বনা বড়া ▌ ৪৫-৪৮
'বাঙ্ময়'ৰ পাতত এমুঠি কবিতা ❑ ড° ৰীতা বৰা ▌ ৪৫-৪৮


## কবিতা ঃ


আঘোণীয়া ❑ অৰ্পণা হাজৰিকাৰ ▌ ৪৫-৪৮
নাৰী ❑ অৰ্পণা হাজৰিকাৰ ▌ ৪৫-৪৮
আত্মপাঠ ❑ অচ্যুত কুমাৰ বৰা ▌ ৪৫-৪৮
নৈ কথা ❑ প্ৰিয়াংশু প্ৰাঞ্জল ▌ ৪৫-৪৮
ফাগুন ❑ শিৰাশীষ শৰ্মা ▌ ৪৫-৪৮
শ্বহীদ বেদীৰ পৰা ❑ বিষ্ণু বৰা ▌ ৪৫-৪৮
মানৱতাৰ সন্ধিক্ষণ ❑ অনুপম কলিতা ▌ ৪৫-৪৮
শ্বহীদ প্ৰণামো তোমাক ❑ আকাশী গগৈ ▌ ৪৫-৪৮
ফাগুন ❑ সান্ত্বনা বৰা ▌ ৪৫-৪৮
মানৱতা আজি ক'ত ❑ যতিন গগৈ ▌ ৪৫-৪৮
মানৱতা ❑ পৰশ হাজৰিকা ▌ ৪৫-৪৮
বসন্ত আহিছে ❑ দুলুমণি সন্দিকৈ ▌ ৪৫-৪৮

**বসন্তৰ চিঠি** ❑ দীপজ্যোতি বৰা ▌ ৪৫-৪৮
**বসন্ত** ❑ আকাশী গগৈ ▌ ৪৫-৪৮
**মোৰ দেউতা** ❑ প্ৰিয়া শুৰ ▌ ৪৫-৪৮
**হৃদয়ত থকা মৰম** ❑ সুশীল বৰা ▌ ৪৫-৪৮
**জীৱন** ❑ নেহা গড় ▌ ৪৫-৪৮
**সপোনত তুমি** ❑ নুৰিস্মিতা গগৈ ▌ ৪৫-৪৮
**কোনে ৰাখিলে তোমাৰ নাম?** ❑ তেলিছ্মান পুলামী ▌ ৪৫-৪৮

## লিমাৰিক ঃ

আকাশী গগৈ ▌ ৪৫-৪৮
পৰশ হাজৰিকা ▌ ৪৫-৪৮
দীপশিখা ডেকা ▌ ৪৫-৪৮
বিষ্ণু বৰা ▌ ৪৫-৪৮
যতীন গগৈ ▌ ৪৫-৪৮

## গীত ঃ

**আহিন** ❑ আকাশী গগৈ ▌ ৪৫-৪৮
**আহিন মহীয়া কঁহুৱা ফুলিলে** ❑ প্ৰণতি হেমৰম ▌ ৪৫-৪৮

## ৰম্য ৰচনা ঃ

**ৰম্য ৰচনা** ❑ বৰষা বড়া ▌ ৪৫-৪৮

## প্ৰবন্ধ ঃ বিষয় ঃ সমাজ

**সাম্প্ৰতিক সময়ত স্বৰ্গদেউ চ্যুকাফাৰ আদৰ্শৰ প্ৰাসংগিকতা** ❑ পাহাৰী গগৈ ▌ ৪৫-৪৮
**বিজ্ঞান, অন্ধবিশ্বাস আৰু একবিংশ শতিকাৰ অসমীয়া সমাজ ঃ এক সমাজতাত্বিক চিন্তা** ❑ কৃষ্ণ কোঁৱৰ ▌ ৪৫-৪৮

## চিন্তন ঃ

**কেৰিয়াৰ সচেতনতা, ব্যক্তিত্ব বিকাশ আৰু যুৱসমাজ** ❑ ড° প্ৰণৱ ঢেকিয়াল ফুকন ▌ ৪৫-৪৮
**সাম্প্ৰতিক জাতীয় জীৱনৰ প্ৰেক্ষাপটত বৰ অসমৰ খনিকৰ চাওলুং চ্যুকাফাৰ আদৰ্শৰ প্ৰাসংগিকতা** ❑ মহেশ্বৰ বসুমতাৰী ▌ ৪৫-৪৮
**Constructivist Learning and Teaching Process** ❑ Dr. Archana Gogoi ▌ ৪৫-৪৮

## ভাষা ঃ

**অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ ঃ এটি চমু আলোচনা** ❑ ড° অমৰ শইকীয়া ▌ ৪৫-৪৮

## সাহিত্য-সংস্কৃতি ঃ

সোণোৱাল কছাৰীসকলৰ হাইদাং গীত ঐতিহ্য আৰু পৰম্পৰা ❑ ড° ববিতা দত্ত ▌ ৪৫-৪৮

শঙ্কৰী সংস্কৃতিৰ শ্ৰেষ্ঠ সৃষ্টি খোল আৰু তাল ঃ এক চমু বিশ্লেষণ ❑ সুশীল শইকীয়া ▌ ৪৫-৪৮

চুতীয়াসকলৰ খাদ্যাভ্যাস ❑ চয়নিকা গোহাঁই ▌ ৪৫-৪৮

**Influence of Oral Traditions in some of the poems of Temsula Ao** ❑ Rini Banerjee ▌ ৪৫-৪৮

**Role of lullabies in Karbi folklore** ❑ Jerry Timungpi ▌ ৪৫-৪৮

## ইতিহাস ঃ

মহাবীৰ লাচিত বৰফুকন ❑ নয়ন মণি ৰাজখোৱা ▌ ৪৫-৪৮

স্বাধীনতা সংগ্ৰামলৈ ডিমাছা জনগোষ্ঠীৰ অৱদান ঃ এক অধ্যয়ন ❑ ড° সত্যজিৎ দাস ▌ ৪৫-৪৮

**Women In Ancient Assam A Study in A Historical Perspective** ❑ Bipul Das ▌ ৪৫-৪৮

## বিশ্লেষণাত্মক প্ৰবন্ধ ঃ

সৰুপথাৰ অঞ্চলৰ দেৱাল লিখন, বেনাৰ, হৰ্ডিং, বিজ্ঞাপন, সূচনা লিখনত ব্যৱহৃত অসমীয়া ভাষা ❑ যুগল মেধি ▌ ৪৫-৪৮

**Value Education And Life Skill** ❑ Miss Barasha Rani Gogoi ▌ ৪৫-৪৮

## জীৱন আৰু ব্যক্তিত্ব ঃ

**Lata Mangeshkar, the Voice of the Millennium** ❑ Pranjal Dutta ▌ ৪৫-৪৮

## গ্ৰন্থ আলোচনা ঃ

**A P J Abdul Kalam's – 'Indomitable Spirit' : A Fountain of solace and Inspiration** ❑ Moniprova Bora ▌ ৪৫-৪৮

"তৃতীয় আকাশ" - এমুঠি নিৰ্বাচিত চুটিগল্প ঃ প্ৰসংগ এলজিবিটিকিউ মোৰ সামান্য অনুভৱ ❑ দীপালি বেজবৰুৱা ▌ ৪৫-৪৮

জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথমগৰাকী অসমীয়া কবিৰ জীৱন আৰু সাহিত্য বিষয়ক গ্ৰন্থখন ❑ ............................ ▌ ৪৫-৪৮

ভাৰতৰ কনিষ্ঠতম লেখক অয়ন গগৈ গোঁহাইৰ সদ্য প্ৰকাশিত গ্ৰন্থ বামুল বি (Bumble bee) ❑ পৰশ হাজৰিকা ▌ ৪৫-৪৮

**Marginalized Indians at Home and Abroad: Reading Anita Desai's Fasting Feasting from Subaltern Perspective** ❑ Trishmita Borah ▌ ৪৫-৪৮

মটৰ চাইকেল যাত্ৰাৰ দিনলিপি ঃ মৰতৰ ভূ-স্বৰ্গ জুকুভেলী ❑ ঋতুৰাজ বসন্ত ▌ ৪৫-৪৮

## নীলা খামৰ চিঠি ঃ

এজন জোৱানে পত্নীলৈ বুলি লিখা 'নীলা খামৰ চিঠি' ❑ আকাশী গগৈ ▌ ৪৫-৪৮
'সোঁৰণী পৃষ্ঠাৰ মৰম' (এখন চিঠি) ❑ দুলুমণি সন্দিকৈ ▌ ৪৫-৪৮
চিঠি ❑ প্ৰিয়মপলা চুতীয়া ▌ ৪৫-৪৮


## অন্যান্য ঃ

এটি কলি দুটি পাত (চাহ বাগিচাৰ ডায়েৰী) ❑ ৰাখী দত্ত শইকীয়া ▌ ৪৫-৪৮
সংবাদ মাধ্যমো হ'ব পাৰে আকৰ্ষণীয় কেৰিয়াৰ ❑ দ্বীপেন কুমাৰ বৰা ▌ ৪৫-৪৮
কবিতা হওক এটা জাতিৰ সত্ত্বা ❑ প্ৰাৰ্থনা শইকীয়া ▌ ৪৫-৪৮
গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা ❑ যতীন গগৈ ▌ ৪৫-৪৮

## প্ৰতিবেদন ঃ

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ▌ ৪৫-৪৮
ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ▌ ৪৫-৪৮
সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ▌ ৪৫-৪৮
তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ▌ ৪৫-৪৮
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ▌ ৪৫-৪৮

## লেখক পৰিচিতি ঃ





# সম্পাদকীয়

"সাহিত্যই জীৱনৰ অমিয়া।" সচাঁকৈয়ে সাহিত্যই এটা জাতিৰ ৰূপ প্ৰতিফলন কৰে। সাহিত্যৰ যোগেদিয়ে কোনো এটা জাতিয়ে চিনাকি লাভ কৰে। এটা জাতিৰ ভাব-ভাষা, আবেগ-অনুভূতি, মান-মৰ্যাদা, লোকাচাৰ, ঐতিহ্যৰ নিদৰ্শন সেই জাতিৰ সাহিত্য। এটা জাতিৰ সাহিত্যত প্ৰতিফলিত হয় জাতিটোৰ বৌদ্ধিক জীৱনৰ প্ৰতিচ্ছবি। এক কথাত ক'বলৈ গলে সাহিত্য হৈছে বৌদ্ধিক চিন্তাৰে সমাজ, সংস্কৃতি তথা সাম্প্ৰতিক সময়ক মানৱ জাতিৰ সন্মুখত দাঙি ধৰিব পৰা এক সবল প্ৰচেষ্টা।

বিজ্ঞানৰ দানেৰে পৰিপুষ্ট আজিৰ মানৱ কিংকৰ্তব্যবিমুঢ় হৈ পৰিছে। উগ্ৰবাদ, ধৰ্মীয় গোড়ামি, অন্যায়, সাম্প্ৰদায়িক সংঘৰ্ষ, অনৈতিকতা, হিংসা আদিয়ে বৰ্তমান সমাজখনক গ্ৰাস কৰি পেলাইছে। বহু লোকে মানৱতাক নেওচি বিপথে পৰিচালিত হৈছে। সেয়ে একবিংশ শতিকাত ভৰি দিয়া সমাজখনে যুৱশক্তিৰ ওপৰত অন্য এক প্ৰভাৱ পেলাইছে।

শিক্ষাৰ্থী বা ছাত্ৰ-ছাত্ৰীৰ মৌলিক কৰ্তব্য হ'ল অধ্যয়ন। সমাজখনৰ ক্ৰমবৰ্দ্ধমান বিশৃংখলতাক নিৰাময় কৰিব পৰা অন্যতম শক্তি হৈছে অধ্যয়ন। অধ্যয়নৰ জৰিয়তে শিক্ষিত হৈ নতুন প্ৰজন্মই সমাজখনক নৱ আলোকেৰে অংকিত কৰাৰ চেষ্টা কৰিব লাগিব। সাহিত্য চৰ্চাৰ যোগেদি বিপথগামী হোৱা যুৱক-যুৱতীসকলক পুনৰ মূল সুঁতিলৈ উভতাই আনিব পাৰি। সাহিত্যৰ দ্বাৰা মানুহ এক নতুন গতিত অগ্ৰসৰ হয়। সাহিত্যই এখন সমাজৰ সৈতে আন এখন সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, কলা-

সংস্কৃতি, ভাৱধাৰাৰ আদান প্ৰদানত সহায় কৰি মানৱ শক্তিক ঐক্যবদ্ধ কৰি ৰখাত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

সাহিত্য আৰু শিক্ষা একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। শিক্ষাই যেনেকৈ জ্ঞান দিয়ে ঠিক তেনেকৈ সাহিত্যই জ্ঞানৰ পৰিধি বিকশিত কৰে। ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰিবৰ বাবে বিদ্যালয়ৰ বা মহাবিদ্যালয়ৰ আলোচনী এখন অতিকে প্ৰয়োজনীয়। বিদ্যালয় বা মহাবিদ্যালয় এখনৰ বিদ্যায়তনিক আৰু বৌদ্ধিক বিকাশৰ অন্যতম আহিলা হৈছে আলোচনী বা মুখপত্ৰখন। আলোচনী এখন হ'ল নানা বিষয় সম্বলিত জনসাধাৰণৰ মাজত প্ৰচলিত এক অতি গুৰুত্বপূৰ্ণ দলিল অৰ্থাৎ শিক্ষাৰ মাধ্যম। আলোচনী এখন প্ৰকাশ কৰা হয় প্ৰবন্ধ, কবিতা, গল্প আদি সাহিত্য অংগৰ মাজেৰে। মহাবিদ্যালয় এখনৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মাজতেই সাহিত্যৰ প্ৰতিভাৰ বীজ সুপ্ত হৈ থাকে। গভীৰ অধ্যয়ন, সাধনা আৰু অধ্যৱসায়ৰ দ্বাৰা তেওঁলোক হৈ উঠিব পাৰে একো একোটা উজ্জ্বল নক্ষত্ৰ ৰূপে।

আলোচনী বিভাগটোৰ প্ৰতিটো ক্ষেত্ৰত দায়িত্বসমূহ আগবঢ়াই নিবলৈ বিভিন্ন ধৰণৰে সাহস, পৰামৰ্শ দিয়া আলোচনী বিভাগৰ উপদেষ্টা শ্ৰদ্ধাৰ ড° অমৰ শইকীয়া ছাৰক অশেষ ধন্যবাদ জনালোঁ। তেওঁৰ এই দিহা পৰামৰ্শৰ বাবে মই চিৰকৃতজ্ঞ হৈ ৰ'ম। লগতে মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰুক আৰু কৰ্মচাৰীক এই চেগতে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই সংখ্যাৰ 'বাঙ্ময়'য়ে পূৰ্ণাংগ ৰূপ পাইছে মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় শিক্ষাগুৰু আৰু ছাত্ৰ একতা সভাৰ সকলো সদস্যকে প্ৰমুখ্য কৰি ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, অগ্ৰজ, অনুজসকলৰ সহায় সহযোগত । নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়োৱাৰ পৰা বৰ্তমানলৈকে যিসকলে মোক বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগ আগবঢ়ালে তেওঁলোক সকলোলৈ আৰু ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যকে বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো। সদৌ শেষত আলোচনীখন সকলোৰে আঁকোৱালি ল'ব বুলি আশা ৰাখিলো।

বহু নমস্য ব্যক্তিৰ কষ্টত গঢ়ি উঠা হে সৰুপথাৰ মহাবিদ্যালয়, জ্ঞান সাগৰৰ মুকুতা বুটলি তুমি গাঁথি যোৱা জীৱন পৰিক্ৰমাৰ সাফল্যৰ সুগন্ধি মালা। এই ইতিবাচক গৌৰৱ ধ্বজাৰ প্ৰাচুৰ্য্যৰে তুমি উজ্জীৱিত হৈ মানৱতাৰ উত্তৰণত নিজকে খোদিত কৰি ভৱিষ্যত প্ৰজন্মৰ পথ আৰু পাথেয় হৈ ৰোৱা। তাৰেই কামনাৰে........মোৰ সম্পাদকীয় সামৰিছোঁ।

"জয়তু সৰুপথাৰ মহাবিদ্যালয়।"

ৰাশি শইকীয়া

# অধ্যক্ষৰ একলম

২০২২ চনৰ ১ ছেপ্তেম্বৰ তাৰিখে দৈয়াং-ধনশিৰি উপত্যকাত অৱস্থিত উচ্চ শিক্ষাৰ সবাতোকৈ পুৰণি শিক্ষানুষ্ঠান সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰোঁ। মাত্ৰ কেইমাহমান পূৰ্বে এই মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পৰত আৰু অধ্যক্ষ হিচাপে আজি প্ৰথমবাৰলৈ একলম লিখাৰ সময়ত, ১৬ বছৰৰ পূৰ্বে এই মহাবিদ্যালয়ত শিক্ষক হিচাপে যোগদানৰ প্ৰাকমুহূৰ্তত মোৰ প্ৰয়াত পিতৃয়ে কোৱা কথাষাৰেই মনলৈ আহিছে — *"সেইখন কুশল কোঁৱৰৰ ঠাই, তেনে ঠাইত কাম কৰিবলৈ পোৱাটো অত্যন্ত সৌভাগ্যৰ কথা!"* দেশৰ বাবে আত্ম বলিদান দিয়া অমৰ শ্বহীদ কুশল কোঁৱৰৰ আদৰ্শৰে মহিমামণ্ডিত সৰুপথাৰ অঞ্চলৰ উচ্চ শিক্ষাৰ পীঠস্থান, পঞ্চাছোৰ্ধৰ দুৰন্ত তৰুণ, আমাৰ প্ৰাণৰো প্ৰাণৰ জ্ঞানবৃক্ষ সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰতি সৰ্বপ্ৰথমে মোৰ প্ৰণিপাত জনাইছোঁ। এই মহান অনুষ্ঠানটিত এগৰাকী শিক্ষক হিচাপে আৰু শেহতীয়াকৈ অধ্যক্ষ হিচাপে সেৱা আগবঢ়াবলৈ পোৱাটো মোৰ পৰম সৌভাগ্য তথা গৌৰৱৰ বিষয় আৰু জীৱনৰ সৰ্বোত্তম উপলব্ধি।

সৰুপথাৰ মহাবিদ্যালয় মানেই আমাৰ সকলোৰে জীৱনৰ এছোৱা স্বৰ্ণিল সময় — সেয়া ইয়াত অধ্যয়ন কৰি যোৱা ছাত্ৰ-ছাত্ৰীয়েই হওক বা কৰ্মৰত বা অৱসৰী শিক্ষক-কৰ্মচাৰীয়েই হওক! ইয়াতেই শিক্ষকতাৰে যৌৱনৰ প্ৰৌজ্জ্বল দিন অতিক্ৰমি ক্ৰমে প্ৰৌঢ়ত্বৰ দিশে আগবাঢ়িছো, আৰ্জিছো জীৱনৰ অনন্য সুখ আৰু প্ৰাপ্তি। মোৰ মন-মগজুক চিৰদিন আচ্ছন্ন কৰি ৰাখিছে উত্তৰণমুখী এক সৰুপথাৰ মহাবিদ্যালয়ৰ স্বপ্নই।

অধ্যক্ষৰ দায়িত্বভাৰ এই স্বপ্নপূৰ্তিৰ বাবে বহল পৰিসৰত কাম কৰাৰ সোণালী সুযোগ হিচাপে গ্ৰহণ কৰিছো। পঞ্চাছ বছৰৰ অনন্য অভিজ্ঞতাৰে আমি পৰিপূৰ্ণ, তথাপি একবিংশ শতিকাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ মহাবিদ্যালয়খনে এতিয়াও বহুখিনি আগবাঢ়িবলৈ আছে। আমাৰ ছাত্ৰ-ছাত্ৰীসকল যাতে সময়ৰ গতিত পিছ পৰিবলগীয়া নহয়, অসম তথা ভাৰতৰ আন কোনো উন্নত শিক্ষানুষ্ঠান এখনত শিক্ষাগ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে যাতে খোজত খোজ মিলাই আগবাঢ়ি যাব পাৰে তাৰ বাবে সকলো সীমাবদ্ধতাৰ মাজতো আমি সৰ্বোচ্চ প্ৰয়াস কৰিব লাগিব। মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ এখন শ্ৰেষ্ঠ মহাবিদ্যালয় হিচাপে সৰুপথাৰ মহাবিদ্যালয়ক উপনীত কৰোৱাৰ সপোন, সকলো সময়তে কৰা তেওঁলোকৰ অহোপুৰুষাৰ্থ, বৃহত্তৰ সৰুপথাৰ অঞ্চলৰ সদাশয় ৰাইজ, অৱসৰী শিক্ষক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ঐকান্তিক সহায়-সহযোগিতা, পৰামৰ্শ আৰু দিকদৰ্শন, অভিভাৱকসকলৰ আন্তৰিক সহযোগ; এই সকলোপক্ষই এক হৈ এটা সামূহিক স্বপ্নৰ বাবে সৰ্ব্বোচ্চ প্ৰয়াস কৰিলে এখন শ্ৰেষ্ঠ সৰুপথাৰ মহাবিদ্যালয়ৰ স্বপ্ন নিশ্চয় বাস্তৱায়িত হ'ব।

বহুজনৰ অপৰিসীম শ্ৰম, অদম্য সাহস আৰু ত্যাগৰ ফলশ্ৰুতিত ১৯৭০ চনত প্ৰতিষ্ঠা হৈছিল সৰুপথাৰ মহাবিদ্যালয়। তেতিয়াৰ পৰাই দৈয়াঙৰ পৃষ্ঠভূমিত, ধনশিৰিৰ জীপাল বুকুত এক স্বৰ্ণিল

শৈক্ষিক ইতিহাস বহন কৰি মহাবিদ্যালয়খনে সমগ্ৰ অঞ্চলটোতে জ্ঞানৰ পোহৰ বিলাই আহিছে। দৈয়াং-ধনশিৰি উপত্যকাৰ বৌদ্ধিক আন্দোলনৰ নেতৃত্ব দি অহা সৰুপথাৰ মহাবিদ্যালয়ে প্ৰজন্মৰ পিছত প্ৰজন্মৰ স্বপ্ন আৰু প্ৰত্যাশা কঢ়িয়াই লৈ গৈছে। ধনশিৰি মহকুমাৰ লগতে অসমৰ বিভিন্ন ঠাই, দাঁতিকাষৰীয়া কাৰ্বি আংলং জিলা আৰু নগাভূমিৰ পৰা আহি সমবেত হোৱা শত-সহস্ৰ তৰুণ শিক্ষাৰ্থীক বিগত অৰ্দ্ধশতাব্দীকাল সমাজ আৰু দেশৰ বাবে উপযোগী মানৱ সম্পদৰূপে গঢ়ি তোলাত মহাবিদ্যালয়খনে অৰিহণা যোগাইছে। বৌদ্ধিক ক্ষেত্ৰখনলৈ মননশীল অৱদান আগবঢ়োৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক ব্যক্তিত্ব বিকাশৰ অৰ্থে ক্ৰীড়া-সংগীত সকলো দিশতে উত্তৰণৰ বাবে প্ৰচেষ্টা চলাই অহা হৈছে। স্থানীয় ৰাইজৰ সদিচ্ছা আৰু ভিন্নজনৰ সহযোগত ১৯৭০ চনত প্ৰতিষ্ঠিত সৰুপথাৰ মহাবিদ্যালয়ে ইতিমধ্যে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। কভিডকালীন পৰিস্থিতিৰ বাবে ২০২০ বৰ্ষত সোণালী জয়ন্তী বৰ্ষটি উদ্‌যাপন কৰিব পৰা নগ'ল যদিও ২০২২-২৩ বৰ্ষটিক সোণালী জয়ন্তী উদযাপন বৰ্ষ হিচাপে ধৰি ইতিমধ্যে প্ৰাৰম্ভিক অনুষ্ঠানৰ লগতে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে।

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ সৈতে সংগতি ৰাখি সৰুপথাৰ মহাবিদ্যালয়ে শৈক্ষিক ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। দুই সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কৰি থকা সৰুপথাৰ মহাবিদ্যালয়ত কলা আৰু বাণিজ্য শাখাৰ লগতে টি মেনেজমেণ্ট, যোগ আদি বৃত্তিমুখী পাঠ্যক্ৰম অন্তৰ্ভুক্তিকৰণৰ ব্যৱস্থা কৰা হৈছে। তাৰ লগে লগে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৮ টা অতিৰিক্ত পাঠ্যক্ৰমৰ লগতে অসমীয়া বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমো ইতিমধ্যে আৰম্ভ কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক তথা সামগ্ৰিক উত্তৰণৰ বাবে কাজিৰঙা বিশ্ববিদ্যালয়, বোকাখাতৰ জে.ডি.এচ.জি. মহাবিদ্যালয়, মৰিয়নি মহাবিদ্যালয়ৰ সৈতে বুজাবুজিৰ স্বাক্ষৰ (MOU) সম্পন্ন কৰি বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। ২০২২ বৰ্ষৰ ছেপ্তেম্বৰ আৰু অক্টোবৰ মাহত সৰুপথাৰ মহাবিদ্যালয়ে দুখনকৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ সফলতাৰে অনুষ্ঠিত কৰিছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাখনো কৰ্মশালাও অনুষ্ঠিত কৰা হৈছে। লগতে বিভিন্ন শিতানত ভালসেংখ্যক কাৰ্যসুচী সততে ৰূপায়িত হৈ আহিছে।

সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰো বিভিন্ন দিশত উত্তৰণৰ দিহা কৰা হৈছে। এইক্ষেত্ৰতে সৰুপথাৰ সমষ্টিৰ সন্মানীয় বিধায়ক বিশ্বজিৎ ফুকনৰ সদিচ্ছা-সহযোগিতা আৰু তৎপৰতাৰ বাবে মহাবিদ্যালয় পৰিয়ালৰ হৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়খনক এক নতুন ৰূপত উজ্জ্বলাই তোলাত বিধায়ক ডাঙৰীয়াৰ লগতে কেইবাটাও পৰিয়ালৰ বদান্যতাৰ বাবে আমি চিৰকৃতজ্ঞ হৈ ৰ'লোঁ। মহাবিদ্যালয়খনৰ বাবে অতি সুখৰ খবৰ যে যোৱা ২১ এপ্ৰিল ২০২৩ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱে মহাবিদ্যালয়ৰ পুনৰ নিৰ্মিত 'মুহিকান্ত তামুলী প্ৰেক্ষাগৃহ'টি আনুষ্ঠানকভাৱে উন্মোচন কৰি মহাবিদ্যালয় পৰিয়ালক কৃতাৰ্থ কৰে।

ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন উত্তৰণৰ ক্ষেত্ৰত একো একোখন আলোচনীয়ে সুদূৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰে। সুদীৰ্ঘ কাল ধৰি 'বাঙ্ময়'ৰ জৰিয়তে সৰুপথাৰ মহাবিদ্যালয়ে সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়ি তুলিছে, যাৰ বাবে মহাবিদ্যালয় বাকৰিত সাহিত্য সৃষ্টিৰ আদিপাঠ গ্ৰহণ কৰি পৰৱৰ্তী সময়ত বহুতে সু-লেখক হিচাপে খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান এখন উচ্চ শিক্ষানুষ্ঠানৰ আলোচনীয়ে শিক্ষানুষ্ঠানখনৰ লগতে দেশৰ অন্যান্য উন্নয়ণমূলক কাৰ্যতো অৰিহণা যোগাব পাৰে। আলোচনীখনত সন্নিবিষ্ট বিষয়বস্তুৱে কেৱল ৰাজ্য বা অঞ্চলতে আৱদ্ধ নাথাকি আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক সমস্যা, দেশৰ অৰ্থনৈতিক পৰিস্থিতি, বিশ্বৰ বিভিন্ন প্ৰান্তৰ উদ্ভাৱন, সৃষ্টি আৰু পৰিৱৰ্তনৰ দিশতো আলোকপাত কৰে। ২০২২ বৰ্ষৰ সৰুপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'বাঙ্ময়'এ এক নতুন বাৰ্তা কঢ়িয়াই আনিব বুলি মই আশাবাদী। এই আলোচনীখনৰ সৈতে জড়িত সন্মানীয় শিক্ষক, ছাত্ৰ-লেখকবৃন্দ সকলোলৈকে মোৰ ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিলো; এই ছাত্ৰ-লেখকসকলৰ মাজৰ পৰাই অনাগত ভৱিষ্যতত পুনৰ একো একোজন প্ৰতিভাশালী লেখকৰ সৃষ্টি হ'ব বুলি মই আন্তৰিকতাৰে আশা কৰিলোঁ। আলোচনীখনৰ সম্পাদক ৰাশি শইকীয়া আৰু তত্ত্বাৱধায়কৰ দায়িত্বত থকা ড° অমৰ শইকীয়া আৰু সহঃ তত্ত্বাৱধায়ক ৰিণি বেনাৰ্জীলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

প্ৰাপ্তি ঠাকুৰ
অধ্যক্ষ, সৰুপথাৰ মহাবিদ্যালয়

**মুখসন্ধি ঃ**

# সৰুপথাৰ মহাবিদ্যালয় আৰু বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ ক্ৰীড়া চৰ্চা

২০২০ চনৰ টকিঅ' অলিম্পিকত লাভলীনা বৰগোহাঁয়ে পদক জয় কৰি ভাৰতবৰ্ষক গৌৰৱান্বিত কৰাৰ লগতে অসমৰ সৰুপথাৰ নামৰ অঞ্চলটোক বিশ্বৰ ক্ৰীড়া ক্ষেত্ৰখনত সুকীয়া পৰিচয় লাভ কৰাবলৈ সক্ষম হৈছে। ইয়াৰ পৰৱৰ্তী সময়ত ২০২২ বৰ্ষত কমনৱেলথ গেমচত লন বল প্ৰতিযোগিতাত সৰুপথাৰৰ জীয়ৰী নয়নমণি শইকীয়াই পদক জয়েৰে এই অঞ্চলৰ ক্ৰীড়া প্ৰতিভাৰ উমান পুনৰ বিশ্ববাসীৰ সন্মুখত দাঙি ধৰে। অতীতৰে পৰা সৰুপথাৰে ক্ৰীড়া ক্ষেত্ৰখনত বিশেষ স্থান লাভ কৰাৰ মূলতে স্থানীয় প্ৰশিক্ষক তথা বাসিন্দাসকলৰ অৱদান আছে। এই অঞ্চলত প্ৰতিবছৰে ৰাজ্যিক তথা অঞ্চলভিত্তিত বিভিন্ন খেল-ধেমালি অনুস্থিত হৈ আহিছে। ১৯৭০ চনত গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ দৈয়াং-ধনশিৰি উপত্যকাত প্ৰতিস্থা লাভ কৰা সৰুপথাৰ মহাবিদ্যালয়খনে বিদ্যায়তনিক ক্ষেত্ৰৰ লগতে ক্ৰীড়াৰ ক্ষেত্ৰখনতো অৰিহণা আগবঢ়াই আহিছে। বিগত ২০২১-২০২২ বৰ্ষত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে ক্ৰীড়াৰ জগতখনত কেইবাটাও ৰাজ্যিক তথা ৰাষ্ট্ৰীয় সন্মান বুটলিবলৈ সক্ষম হৈছে।

সমৰ কলা PENCAK SILAT ৰ ৰাজ্যৰ এগৰাকী প্ৰতিভাবান খেলুৱৈ শ্ৰীমতী প্ৰেৰণা হাজৰিকা। গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ চুঙাজানৰ এই প্ৰতিভাবান খেলুৱৈ গৰাকীয়ে ২০২০ বৰ্ষত মহাৰাষ্ট্ৰৰ নাচিকত অনুষ্ঠিত হোৱা 4th PENCAK SILAT FEDERATION CUP CHAMPIONSHIP ২০২০ অংশগ্ৰহণ কৰি সোণৰ পদক বুটলিবলৈ সক্ষম হৈছে। সৰুপথাৰ মহাবিদ্যালয়ত অসমীয়া বিভাগত অধ্যয়নৰত প্ৰেৰণা হাজৰীকাই বৰ্তমান দেশৰ আগশাৰীৰ বিশ্ববিদ্যালয় LOVELY PROFESSIONAL UNIVERSITYত অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিছে।

১০ ৰ পৰা ১৬ নৱেম্বৰলৈ শ্বিলঙত অনুষ্ঠিত North-East Olympic Games, ২০২২ ত যমুনা থাপাই উশ্বু শাখাত ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

২০২২ বৰ্ষৰ অনুষ্ঠিত হোৱা অসম যুৱ অলিম্পিকত গোলাঘাট জিলাক প্ৰতিনিধিত্ব কৰা সৰুপথাৰ মহাবিদ্যালয়ৰ কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে পদক অৰ্জন কৰিবলৈ সক্ষম হয়। উশ্বু (Wushu) খেলত ক্ৰমে মিলন লিম্বুয়ে ৬০ কেজি শাখাত ৰূপৰ পদক, হৰিমায়া চুচুলিঙে ৪৮ কেজি শাখাত ব্ৰঞ্জৰ পদক আৰু Tang Soo Do ত কল্যাণী তুৰুং ৬৫ কেজি শাখাত ব্ৰঞ্জ পদক অৰ্জন কৰে। বক্সিং (boxing )ৰ ৫৪ কেজি শাখাত হিমাদ্ৰী বৰাই ব্ৰঞ্জৰ পদক অৰ্জন কৰে। Weightlifting (ভাৰোত্তোলন) খেলত নাং দোনখামছেং তুৰুঙে ৭১ কেজি শাখাত ৰূপৰ পদক অৰ্জন কৰে। সৰ্বমুঠ পাঁচটা পদক লাভ কৰা সৰুপথাৰ মহাবিদ্যালয়ৰ মিলন লিম্বু আৰু হৰিমায়া চুচুলিঙ বাণিজ্য শাখাৰ স্নাতক দ্বিতীয় যাণ্মাসিকৰ, কল্যাণী টুৰুং আৰু হিমাদ্ৰী বৰা কলা শাখাৰ স্নাতক দ্বিতীয় যাণ্মাসিকৰ আৰু নাং ডুখামচেং টুৰুঙ উচচতৰ মাধ্যমিক কলা শাখাৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী। আটাইকেইগৰাকী খেলুৱৈয়ে লাভ সফলতাত সৰুপথাৰ মহাবিদ্যালয়ে গৌৰৱবোধ কৰাৰ লগতে তেওঁলোকৰ উজ্জল ভৱিষ্যত কামনা কৰিছে।

২০২২ চনত হিমাচল প্ৰদেশৰ চিমলাত অনুষ্ঠিত ৰাষ্ট্ৰীয় কাৰাটে চেম্পিয়নশ্বিপত সৰুপথাৰ মহাবিদ্যালয়ৰ পৰা অসমক প্ৰতিনিধিত্ব কৰা ছাত্ৰ-ছাত্ৰীৰ দলটিয়ে বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। দলটোত মহাবিদ্যালয়ৰ পৰা অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকল আছিল ৰাজ পুলামি, বিজয় বিশ্বকৰ্মা, ৰজনীশ কুমাৰ শ্বাহ, চিলা ৰায়, দীপক কুমাৰ শ্বাহ, তুলসী পিথাকাটে আৰু কল্যানী টুৰুং। এই চেম্পিয়নশ্বিপত মহাবিদ্যালয়ৰ পঞ্চম যাণ্মাসিকৰ ছাত্ৰ ক্ৰমে বিজয় বিশ্বকৰ্মা আৰু দীপক শ্বাহে ৰূপ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

২০২২-২০২৩ বৰ্ষৰ গুৱাহাটীত অনুষ্ঠিত আন্তঃজিলা উশ্বু চেম্পিয়নশ্বিপত হৰিমায়া চুচুলিঙে ৰূপৰ আৰু কল্যানী টুৰুঙে সোণৰ পদক অৰ্জন কৰে।

২০২১-২০২২ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাসমূহতো সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বহুকেইটা পদক জয় কৰিবলৈ সক্ষম হয়। বিশেষকৈ উশ্বু খেলত পুৰুষ আৰু মহিলা উভয় শাখাতে মহাবিদ্যালয়ে শ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰে। উশ্বুত অংশগ্ৰহণ কৰা দলটোৰ খেলুৱৈসকলৰ ভিতৰত অতি লিম্বু, ইন্দ্ৰ ঘোলে আৰু যমুনা থাপাই সোণৰ, বাসন্তী ভূমিজে ৰূপৰ, কল্যানী টুৰুং, অভিৰাম খাখলাৰী, মিলন লিম্বু, কৃষ্ণা বসুমতাৰী আৰু পাপু গগৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰ উপৰিও ভাৰোত্তোলন আৰু শক্তি উত্তোলনত তুলিকা মেছে দুটা সোণৰ, দীপশিখা বড়োৱে এটা সোণৰ আৰু এটা ৰূপৰ, কৃষ্ণা খাখলাৰীয়ে এটা সোণৰ আৰু নিশামণি বৰাই এটা ব্ৰঞ্জৰ পদক জয় কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। দিপশিখা বড়োৱে সেই বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শক্তিশালী মহিলা (Strong Women) খিতাপ লাভ কৰাৰ লগতে অতি লিম্বুতে শ্ৰেষ্ঠ যুজাৰু (Best Fighter) খিতাপ লাভ কৰে।

সৰুপথাৰ মহাবিদ্যালয়ত যোৱা ৩০ ছেপ্তেম্বৰ, ২০২২ তাৰিখে প্ৰথমবাৰৰ বাবে এন.চি.চি কেডেটসকলৰ 'ৰেংক চেৰিমনী'ৰ আয়োজন কৰা হয়। ৭৪ অসম গাৰ্লছ এন.চি.চি, গোলাঘাটৰ অন্তৰ্গত সৰুপথাৰ মহাবিদ্যালয়ৰ এন.চি.চি কেডেটসকলৰ মাজৰ বাৰগৰাকী কেডেটক এন.চি.চিৰ সন্মানীয় ৰেংক প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত দিল্লীত অনুষ্ঠিত হোৱা 'থল সেনা কেম্প, ২০২২' ত এন.চি.চিৰ নৰ্থ ইষ্টাৰ্ণ ৰিজনৰ হৈ অংশগ্ৰহণ কৰিবলৈ সক্ষম হোৱা সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী ছাৰ্জেণ্ট হমুনখাম টুৰুঙক সম্বৰ্দ্ধনা জনোৱা হয় আৰু আণ্ডাৰ অফিচাৰ ৰেংক প্ৰদান কৰা হয়। লগতে এগৰাকী কেডেটক ছাৰ্জেণ্ট, তিনিগৰাকীক কৰ্পৰেল আৰু ছগৰাকীক লেন্স কৰ্পৰেল ৰেংক প্ৰদান কৰা হয়।

সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী বৰ্তমান Assam Rifle ত কৰ্মৰত Sunita Limbu ই গুজৰাটত ৬ অক্টোবৰৰ পৰা ১২ অক্টোবৰলৈ অনুষ্ঠিত 36th National Games, Wushu Competitioং ত 60Kg Catagory ত Qualify হবলৈ সক্ষম হয়।

২০২৩ বৰ্ষৰ ৩১ জানুৱাৰীৰ পৰা ১১ ফেব্ৰুৱাৰীলৈ মধ্যপ্ৰদেশত অনুষ্ঠিত হ'বলগা The Khelo India Youth Games 2022 ত অতি লিম্বু, যমুনা থাপা, কল্যানী টুৰুঙে অংশগ্ৰহণৰ বাবে যোগ্যতা অৰ্জন কৰিছে। তিনিওগৰাকী বৰ্তমান সৰুপথাৰ মহাবিদ্যালত অধ্যয়নৰত ছাত্ৰী।

সৰুপথাৰ মহাবিদ্যালয় আৰু অঞ্চলটো ক্ৰীড়া প্ৰতিভাৰ সম্ভাৱনাৰে ভৰপূৰ। সৰুপথাৰ অঞ্চলৰ স্থানীয় ৰাইজ তথা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে শিক্ষক-শিক্ষয়ত্ৰীসকলেও এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক উৎসাহ তথা অনুপ্ৰেৰণা যোগাই আহিছে। অৰ্থনৈতিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীসকলক সকাহ দিব পৰাকৈ আঁচনি প্ৰস্তুত কৰিব পাৰিলে ভৱিষ্যতে ক্ৰীড়াৰ ক্ষেত্ৰখনত লুকাই থকা বহু প্ৰতিভা এই অঞ্চলৰ পৰা যে ওলাই যাব সেয়া ধ্ৰুৱপ।

# কথোপকথন ঃ

**ৰুবুল মাউত**, হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়, কেমব্ৰিজ, মাচাচুচেটচ, মাৰ্কিন যুক্তৰাষ্ট্ৰ




## ড° ৰুবুল মাউতৰ সৈতে সৰুপথাৰ মহাবিদ্যালয়ৰ আলোচনী 'বাঙ্ময়'ৰ তত্ত্বাৱধায়ক ড° অমৰ শইকীয়াৰ কথোপকথন

➢ সৰুপথাৰ মহাবিদ্যালয় পৰিয়ালবৰ্গৰ হৈ আপোনাক আন্তৰিক শ্ৰদ্ধা আৰু নমস্কাৰ জনাইছোঁ।

➲ নমস্কাৰ। সৰুপথাৰ মহাবিদ্যালয় পৰিয়ালবৰ্গলৈ শুভেচ্ছা জনাইছোঁ।

➢ মহাশয়, আপোনাৰ কৰ্মই আপোনাৰ পৰিচয়। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আপুনি জনপ্ৰিয় আৰু আপোনাৰ 'মোৰো এটা সপোন আছে' গ্ৰন্থখন প্ৰায় সকলোৱে প্ৰেৰণাৰ সমল হিচাপে গ্ৰহণ কৰি ভৱিষ্যতৰ সপোন সাকাৰ কৰিব বিচাৰিছে। আমাৰ মহাবিদ্যালয়খন গ্ৰামাঞ্চলত অৱস্থিত। আৰু আমাৰ মহাবিদ্যালয়ৰ অধিকাংশ ছাত্ৰ-ছাত্ৰী দৰিদ্ৰ পৰিয়ালৰ পৰা অহা। তেওঁলোকৰ শৈক্ষিক উত্তৰণৰ বাবে আপুনি কেনেধৰণৰ পৰামৰ্শ আগবঢ়াব বিচাৰে।

➲ মই সকলো ছাত্ৰ-ছাত্ৰীকে সাধ্যানুসাৰে কষ্ট কৰি নিজৰ জীৱনৰ লগতে সমাজৰ সামগ্ৰিক উন্নয়নৰ বাবে চেষ্টা চলাই যাবলৈ আহ্বান জনাইছো। কাৰণ আমাৰ বৰ্তমান প্ৰজন্মৰ উত্তৰণে নিৰ্ণয় কৰিব আমাৰ ভৱিষ্যত প্ৰজন্মৰ উত্তৰণ। আমাৰ কৰণীয়খিনি যদি আমি কৰি নাযাওঁ তেন্তে আমাৰ উত্তৰ প্ৰজন্মই প্ৰতিবন্ধকতাৰ সন্মুখীন হ'ব। আমি সকলোৱেই সফলতাৰ শীৰ্ষ আৰোহণ কৰিব লাগে বুলি কথা নাই, মাত্ৰ নিজৰ সাধ্যানুসাৰে জীৱনৰ অৰ্থ আৰোপ কৰিব পাৰিলেই হ'ল।



➢ চকুত অযুত সপোন লৈ সীমিত সুবিধাৰে অধ্যয়ন কৰি থকা আমাৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবন্ধকতা (মানসিক, আৰ্থিক, সামাজিক) ক আওকান কৰি জীৱনৰ লক্ষ্যপ্ৰাপ্তিত উপনীত হ'বলৈ কেনেদৰে আগুৱাব লাগিব।

➲ কষ্ট, মনোবল আৰু ধৈৰ্য্যৰ অবিহনে প্ৰতিবন্ধকতা অতিক্ৰম কৰা কঠিন। ছাত্ৰ-ছাত্ৰীসকলে অসীম প্ৰতিবন্ধকতাৰ সন্মুখতো যেন ধৈৰ্য আৰু মনোবল নেহেৰুৱাই।

➢ এখন গ্ৰামাঞ্চলৰ মহাবিদ্যালয়ত কলা আৰু বাণিজ্য শাখাত সীমিত সুবিধাৰে শিক্ষা গ্ৰহণ কৰি থকা এমুঠিমান ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বৃদ্ধিৰ বাবে আমি কেনেদৰে আগবাঢ়িব লাগিব বুলি আপুনি ভাবে?

➲ মই আগতে উল্লেখ কৰাৰ দৰে নিজৰ সাধ্য অনুসাৰে সীমিত সুবিধাৰ মাজতো সপোন দেখিবলৈ যাতে ছাত্ৰ-ছাত্ৰীসকলে এৰি নিদিয়ে। কাৰণ কৈছোৱেই - আমি কষ্ট নকৰিলে, আমি সপোন নেদেখিলে আমাৰ উত্তৰ প্ৰজন্মই কষ্ট পাব। আমাৰ সপোনৰ বোকোচাত উঠিয়েই তেওঁলোকে সপোন দেখিব লাগিব। মাত্ৰ ভৱিষ্যতৰ স্বাৰ্থতেই আমি সংগ্ৰাম কৰি যাব লাগিব।

➢ দৰিদ্ৰ তথা অসমৰ গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বৰ্হিৰাষ্ট্ৰীয় জলপানি আছে নেকি? এই বিষয়ে অলপমান কওকচোন।

➲ ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে বৰ্হিৰাষ্ট্ৰত গৱেষণা কৰিবৰ বাবে বিভিন্ন জলপানি আছে যিটো ভাৰত চৰকাৰে প্ৰদান কৰে। ইয়াৰ ভিতৰত উল্লেখযোগ্যবোৰ হ'ল — Khorana Scholar যিটো কলেজীয়া ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হয়; Fulbrigh Fellowship, যিটো Ph.D কৰি থকা অথবা Ph.D শেষ হোৱা ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হয়।

➢ আপোনাৰ 'মোৰো এটা সপোন আছে' গ্ৰন্থখনিয়ে ইতিপূৰ্বে প্ৰভূত জনপ্ৰিয়তা লাভ কৰাৰ লগতে বহুল পৰিসৰত সমাদৃত হৈছে। এই প্ৰেৰণাদায়ক গ্ৰন্থখন লিখিবলৈ আপোনাক কোনবোৰ কথাই অনুপ্ৰাণিত কৰিছিল?

➲ নতুন প্ৰজন্মক যাতে এটা সঠিক দিশেৰে আগুৱাই লৈ যাব পাৰি তেনে এক চিন্তাও আছিল কিতাপখন লিখোতে। কিন্তু সচাঁ কবলৈ হ'লে এই কিতাপখন লিখা হৈছিল একেবাৰে স্বত্বঃস্ফূৰ্তভাৱে নিজৰ ভিতৰত অতদিনে সোমাই থকা কথাবোৰ যেন হঠাৎ উদ্‌গীৰণ হৈ ওলাই আহিছিল।

➢ বৰ্তমাৰ আপোনাৰ কৰ্মক্ষেত্ৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰকচোন? আপোনাৰ দৰে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে কৰ্মক্ষেত্ৰত সংযোজিত হ'বলৈ কেনেদৰে আগবাঢ়িব লাগিব?

➲ মই বৰ্তমান হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত মানুহৰ তেজৰ কোষৰ নিৰ্মানত গৱেষণা কৰি আছো। মোৰ গৱেষণাত ইতিমধ্যে জিন এডিটিং, প্ৰটিন ডিজাইন সম্বন্ধীয় বহুতো পদ্ধতি নিৰ্মান কৰা হৈছে। এইবোৰ গৱেষণাই চিকিৎসা বিজ্ঞানত প্ৰভুত অৰিহণা যোগাব পাৰে।

মই ভাবো ছাত্ৰ-ছাত্ৰী সকলে কম সময়তে (Short -term) ফলাফল নিবিচাৰি দীঘলীয়া (long-term)কোনো বিষয়ত মনোনিৱেশ কৰিলে ভৱিষ্যতে অধিক সাফল্য লভিব।

➢ আপোনাৰ বহুমূলীয়া সময় দি আমাক কৃতাৰ্থ কৰাৰ বাবে সৰুপথাৰ মহাবিদ্যালয় পৰিয়ালবৰ্গৰ হৈ ধন্যবাদ জনাইছোঁ। ভৱিষ্যতে আপোনাক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে ডিজিটেল মাধ্যমেৰে সংযোজিত হৈ লগ পোৱাৰ আশা থাকিল। ধন্যবাদ।

➲ ধন্যবাদ।

**গল্প ঃ**



# বৰশী

চয়নিকা চেতিয়া

চিপচিপকৈ দি থকা বৰষুণজাকৰ মাজতে বৰশীটো লৈ সি জানৰ পাৰ পালেগৈ। নামদাঙৰ বুকুলৈ বৈ যোৱা এই জানটো সিহঁতৰ প্ৰাণৰ আপোন। নামটো ৰূপজান। মাছ পুঠি দি পাৰৰ মানুহখিনিক সহায় কৰাৰ লগতে খৰালি পথাৰত পানীৰ যোগান ধৰা, বৰষুণৰ অভাৱ আঁতৰাই কঠিয়া পৰাত সহায় কৰালৈকে জানটোৱে দাঁতিকাষৰীয়া মানুহবোৰক কম সহায় কৰি অহা নাই। ৰূপজানে আজিলৈকে কাকো বিপদত পেলোৱা নাই। বাৰিষা ওফন্দি উঠিলেও বিশেষ একো ক্ষতি নকৰে ৰাইজৰ। বৰঞ্চ দিহে যায়। বহাগৰ বিহুটোত গাঁৱৰ ৰাইজে গৰু গা ধুৱাই ৰং ৰহইচ কৰাৰ থলি ৰূপজান, উৰুকাৰ ভোজ ভাত খোৱা আৰু মাঘৰ মেজি জ্বলাই আনন্দ কৰাৰ থলি ৰূপজানৰ পাৰ। ৰূপজানৰ পানীতেই সাঁতুৰি নাদুৰি যৌৱনপ্ৰাপ্ত হয় শিশু, কিশোৰ। এই ৰূপজানৰ পাৰৰ মুকলি ঠাইতে সৰু সৰু ল'ৰা ছোৱালীবোৰে খেলে কাবাডী, দৌৰ, এঠেঙীয়া আৰু যে কত কি...। জানটোৰ পাৰত ঠায়ে ঠায়ে জাৱনি, বেতনি। শৰত কালত কঁহুৱা ফুলৰ শুভ্ৰতা আৰু বসন্ত কালত আজাৰ ফুলৰ বেঙুনীয়াৰে জিলিকি উঠে ৰূপজানৰ ইপাৰ সিপাৰ। জাৱনিৰ মাজত ডাউক, ডঁৰিয়লি চৰায়ে কণী পাৰে। বেতগুটি আনিবলৈ যাওঁতে কাঁইটে বিন্ধি তেজ উলিয়ালেও কাৰো খবৰ নাথাকে। জেতুলীপকা, হেলচৰ গুটিৰে পেণ্টৰ জেপ ভৰে। শীত কাল বাবে এতিয়া শুকাই আছে ৰূপজানৰ বুকু। কিছু কিছু অংশত চিলচিলীয়া পানীৰ ধাৰ। দ হৈ আছে ডুবিবোৰহে। আজাৰজোপাৰ তলত সদায় বহা ঠাইডোখৰতে লাহেকৈ বহি ল'লৈগৈ সি। দ ডুবিটোত যথেষ্ট মাছ আছে। ৰমেন খুড়াকে বৰশীটো সাজি দিয়াৰ পাছত মাছ ধৰাৰ নিচাটো এনেকৈ লাগিল যে স্কুলৰ পৰা আহি কিতাপৰ বেগটো দলিয়াই বৰষুণ দি থকা স্বত্বেও ইয়াত পালেহি সি । আগতে সি ৰূপ, ধনটিহঁতৰ লগত বল খেলে, সেউজীয়া বৰটেঙাটো ক'লা হৈ নপৰালৈকে সিহঁতৰ ভৰিৰ তলে তলে ইফালৰ পৰা সিফাললৈ দৌৰে। মাকে আজিকালি তাক খেলিবলৈ বৰকৈ আহিবলৈ নিদিয়ে। আজিও ৰূপ আৰু ধনটিয়ে কৈছিল তাক ডাউক চৰাইৰ কণী বুটলিবলৈ যোৱাৰ কথা। কিয় জানো সেইবোৰ ভাল নালাগে তাৰ আজিকালি। ঘৰতে থাকি মাকক কামত সহায় কৰে সি। দিনটো কামলৈ ওলাই যোৱা মাকক আবেলি আহি পাওঁতে ভাগৰে

হেঁচা মাৰি ধৰে। সি বুজি পায়। খৰি গোটোৱা, পানী গোটোৱা,চাউল পাত ধোৱা কামকেইটা সিয়ে কৰি থৰলৈ ল'লে।

কিন্তু আজি কেইদিনমানৰ পৰা মাছ ধৰা চখটোহে বেছিকৈ লাগিল তাৰ। কেইদিনমানৰ আগত খৰি গোটাই থাকোঁতে ৰমেন খুড়াকে লগ ধৰি লৈ গৈছিল তাক জানৰ পাৰলৈ। সি চাই আছিল তেওঁ বৰশী টোপোৱা। কিমান যে ভাল লাগিছিল দেখি। মাক আহি পোৱাৰ আগেয়ে ঘৰলৈ আহিছিল সি দুজনী চেনীপুঠি লৈ। ৰাতি ভাতৰ পাতত মাকে সুধিছিল তাক ক'ত মাছ পালে বুলি। কৈছিল সি। মাকে মানা কৰিছিল তাক বৰশী টোপাবলৈ যাবলৈ। বৰষুণে জেকাই পেলোৱা ঠাইখিনিত ঘৰৰ পৰাই লৈ অনা আধা কটা ঢকুৱাডোখৰ পাৰি আৰামত বহি ল'লে সি। পলিথিনত ভৰাই অনা টোপকেইটা চাই ল'লে এবাৰ।

মুখখন পোহৰ হৈ উঠিল তাৰ। বৰলৰ টোপ। ৰমেন খুড়াকেই আনি দিছে। স্কুলৰ পৰা আহি থাকোঁতে ৰাস্তাতে পাই দি পঠিয়াইছে তেওঁ। মাছে খাই ভাল পাই বৰলৰ টোপ। আজি কেইটামান মাছ সৰহকৈ পাব যেন লাগিছে মনটোতে। বৰষুণৰ বতৰত মাছে বৰকৈ নোখোটে। কিন্তু বৰলৰ টোপ পালে নেৰিব সিহঁতে। বেছিকৈ মাছ পালে ৰমেন খুড়াককো দিব লাগিব দুটামান। টোপটো বৰশীটোত সিঁ মুখেৰে থুঁ থুঁ কৰি ডাঁৰিকী ডালত ধৰি বঁতীয়াডাল পানীত পেলাই দিলে সি। পানীত ওপঙি থকা বঁতীয়াডালত গাঁঠি দি থোৱা পুঙাতোতেই সোমাই আছে সকলোবোৰ উৎকণ্ঠাৰ উৎস। ফলি পেঞ্চিলডালৰ নিচিনা কুঁহিলাডোখৰৰ পুঙাটোত দৃষ্টি নিবদ্ধ কৰিলে সি এইবাৰ। পচা পাতত বৰষুণ পৰি ওলোৱা গোন্ধ এটা নাকত লাগিছেহি তাৰ। শেঙেনুনাকী বগীজনীৰ ফ্ৰকটোও তেনেকুৱাই গোন্ধায় কেতিয়াবা। মাকজনী লেতেৰী যে জীয়েকজনীকো লেতেৰীকৈ ৰাখে। তাৰ মাকজনী ইমান চাফা। সিহঁতৰ ঘৰৰ সন্মুখত তাৰ লগতে স্কুললৈ যাবলৈ ৰৈ থকা বগীজনীৰ মাকজনীক অকণো ভাল নালাগে তাৰ আজিকালি। আগতে মৰম কৰিছিল তাক। আজিকালি বেয়া পায় তেওঁ তাক। লেতেৰী হ'লেও মৰমলগা বগীজনীক কিন্তু বেয়া নাপায় সি। ৰমেন খুড়াকে তাক দিয়া মৰ্টন লৈ যায় সি তাইলৈ। সেইদিনাখন তাইৰ মাকে সি দিয়া মৰ্টন খোৱা বুলি জানি খুব পিটিলে তাইক। বগী তালৈ ৰৈ নথকা দেখি সি স্কুলত সুধিছিল তাইক । মাকে তাইক মৰাৰ কথা কৈ তাৰ লগত কথা পাতিলেও পিটিব বুলি আঁতৰি গ'ল তাই। দুদিনমানৰ আগতে ৰমেন খুড়াকে বাটত পাই চাইকেলত উঠাই লৈ আহিছিল তাক। চাইকেলত উঠিবলৈ পাই বগীক এৰি থৈ আহিল সি। সেইটো কাৰণতে তাক দেখিব নোৱাৰা হ'ল চাগৈ বগীৰ মাকে। মনটো বৰ বেয়া লাগিছিল। খঙতে সি সেইদিনা সিঁহতৰ ঘৰৰ টিং ফুটি যোৱাকৈ শিলগুটি মাৰি থৈ আহিলগৈ দুটামান। কুঁহিলাৰ পুঙাটো লৰচৰ কৰি উঠা দেখি পোনকৈ বহি ল'লে সি। খুঁটিলেই মাছে । চকুদুটা উজ্জ্বল হৈ উঠিল তাৰ।

লাহে লাহে ইলুটি সিলুটি কৰি থকা পুঙাটো ৰৈ গ'ল থৰ হৈ পুনৰ। দাঙি চালে সি। টোপটো আধা এৰুৱাই লৈ গ'ল মাছটোৱে। ততাতৈয়াকৈ টোপ এটা সিঁ আকৌ বৰশীতো পানীত পেলাই দিলে সি।

নাই, খোটা নাই আকৌ।

আজাৰজোপাত আঁউজি ভালকৈ বহোঁতেই পিঠিটো চেকচেকাই উঠিল তাৰ। অথনি স্কুলত বৰনেওতা মুখস্থ কৰি নিনিয়াৰ বাবে অংকৰ ছাৰে তাক পিঠিতে কেইবাচাটো দিলে বেতেৰে।

শ্ৰেণীৰ প্ৰথম সি। পঢ়াত ভাল।

কিন্তু কেইদিনমানৰ পৰা বৰশী বোৱাৰ নিচাত পঢ়া শুনাও গৈছে তাৰ। মাৰ খাই মনতে ভাবিছিল সি গৈ পায়েই নেওতা মুখস্থ কৰিব। ৰমেন খুড়াকৰ হাতত বৰলৰ টোপ দেখি সি পাহৰি থাকিল মাৰকেইচাট। ৰাতি পঢ়িবগৈ লাগিব। নহ'লে কাইলৈ আকৌ মাৰ খাব লাগিব। অংকৰ ছাৰেও গোচৰ দিমহি কৈছে তাতে মাকৰ আগত। মাকেও তাক গালি দিছে বৰশী টোপাবলৈ অহাৰ কাৰণে। কিন্তু সিহে মাকৰ কথাও আওকাণ কৰিছে।

এই যে সি ইয়াত মাছৰ বাবে জোপ পাতি আছেহি ইয়াৰ কাৰণ হ'ল মাছ খাই জুতি পোৱা তাৰ জিভাখন আৰু তাৰ মাক। মাকে তাৰ বাবে কমখন কষ্ট কৰে নে! যাৰে তাৰে ঘৰত ৰোৱা তোলাত মাকক লাগেই। তাঁত এখন লগালেও মাক যাব লাগে। কিন্তু সকাম, নামঘৰ আদিৰ কামত মাকক যোৱা দেখা নাই সি আজিলৈকে! দিনৰ দিনটো আৰ ঘৰে তাৰ ঘৰে কাম কৰি ফুৰা মাকজনীয়ে ৰাতি শুদা ভাতকেইটা খোৱাতকৈ মাছ এজনী থাকিলে খায়ো ভাল পাব; গাতো জোৰ পাব। তদুপৰি শুদা ভাতগাল খাবলৈ মন নাযায় তাৰ। মাকৰ গালি খায়ো আহে সি সেইবাবেই। গাঁওখনৰ একেবাৰে মূৰত আছুতীয়াকৈ সিহঁতৰ ঘৰটো। তাৰ মোমায়েক, আইতাকহঁতক আজিলৈকে দেখা নাই সি। মাকক সোধোতে কৈছিল, তেওঁ সৰু থাকোঁতেই তাৰ ককাক আইতাক ঢুকাইছিল। মোমায়েকৰ ঘৰত থাকি ডাঙৰ হৈছিল। দেউতাকৰ পছন্দ হ'ল মাকক। দেউতাকৰ ঘৰৰ মানুহে মানি নল'লে। নীচ জাতৰ আছিল যে মাক।

ব্ৰহ্মপুত্ৰ পাৰ হৈ নিজৰ গাঁও এৰি ৰূপজানৰ পাৰত মাটি ভাঙি দেউতাকে ঘৰ সাজিলেহি। ইয়াতে দেউতাকৰ ঘৰত সৰুৰে পৰা কাম কৰি থকা গোবিন্দৰ ঘৰ আছিল। তাৰ ভৰসাতে লৈ আহিছিল তেওঁ ইয়ালৈ তাৰ মাকক। সকলোৱেই এৰি দিছিল

তেওঁলোকক। অ'ত ত'ত হাজিৰা কৰি পোৱা পইচাৰে ঘৰখন চলিছিল। সি জন্ম হোৱাৰ পিছৰে পৰাই হাঁহ; পাৰ, ছাগলীৰে নদন বদন হৈ পৰিছিল ঘৰখন। মাকৰ কথাবোৰ তধা লাগি শুনিছিল সি।

দেউতাক ঢুকাওঁতে তাৰ ছয় বছৰমান হৈছিল। এদিন দেউতাক ওলাই গৈছিল ৰমেন খুড়াকহঁতৰ গছ এজোপা কাটিবলৈ। গছ কাটি থাকোঁতে তলত পৰিছিলহি দেউতাক। চিঞৰৰ বাখৰ হুলস্থূল হৈছিল। কোনোবাই চিঞৰি চিঞৰি খবৰ দিছিলহি। মাক ঢপলিয়াইছিল তাক হাতত টানি টানি। জুম পাতি থকা মানুহবোৰৰ মাজত মাটিত পৰি থকা দেউতাকৰ শৰীৰটো দেখি সি একো বুজি পোৱা নাছিল। মাকে সাৰটি ধৰি কন্দা দেখি সিও কান্দিছিল চিঞৰি চিঞৰি। হস্পিটেললৈ নিছিল যদিও কাম নহৈছিল।

গাঁৱৰ ৰাইজে ৰূপজানৰ দাঁতিৰ হাবিখনলৈ লৈ গৈছিল সাঙীত তুলি দেউতাকক। তাকো লৈ আনিছিল গাওঁবঢ়া ককাই কোঁচত তুলি। কোনোবাই জোৰ কৈ খেৰ এমুঠি আগত দি বন্ধা মাৰি এডালত জুই লগাই তাক ধৰাই নিয়ম কৰি দেউতাকক মাজত ভৰাই শুৱাই থোৱা খৰিৰ জাপখিনিত লগাই দিছিল। দেউতাকক পুৰিব পুৰিবকৈ কমখন কান্দিছিল নে সি! গাঁওবুঢ়া ককাকে কোঁচত তুলি লৈ আনিছিল তাক তাৰপৰা। তৰাৰ দেশলৈ গুচি যোৱা দেউতাক আহিব আহিবকৈ ৰৈ থকা বহুদিন হ'ল। প্ৰথম শ্ৰেণীত পঢ়ি থকা সিও এতিয়া পঞ্চম শ্ৰেণী পালেগৈ। হিচাপত সি সপ্তম শ্ৰেণী পাবগৈ লাগে। দেউতাকৰ লগত ঘটা ঘটনাটোৰ পাছত মাকৰ কি হৈছিল জানো! তাকো স্কুললৈ নপঠিওৱা হৈছিল। পৰীক্ষা নিদিয়াকৈ ৰৈ গৈছিল সি ঘৰতে। এদিন স্কুলৰ হেডছাৰে গৈ বুজালতহে আকৌ যাবলৈ লৈছিল সি স্কুললৈ।

সি এতিয়া বুজে দেউতাকৰ মৃত্যু হৈছে। মৰা মানুহ ঘূৰি নাহে। দেউতাকৰ লগত পাৰ কৰা সময়বোৰে তাক আমনি কৰে। সকলোবোৰ কথা মনত নাথাকিলেও বৰষুণৰ বতৰত কাগজৰ নাওঁ সাজি পানীত উটুৱা, দেউতাকৰ পিঠিত উঠি ঘোঁৰা ঘোঁৰা খেলা খেলৰ কথা মনত পৰে।

মাকৰ হাতৰ মুঠি, দেউতাকৰ হাতৰ মুঠি আৰু তাৰ হাতৰ মুঠি ইটোৰ ওপৰত সিটো থৈ খেলা খেলটোও সজীৱ হৈ আছে মনত।

দেউতাকে কয়, এইটো কাৰ দ'ল?
মাকে কয়, এইটো "আমাৰ দ'ল।
দেউতাকে আকৌ সোধে, ভাঙিমনে নাভাঙিম?
মাকে কয়, নাভাঙিবা।
কলী কুকুৰক মাতিম নে নামাতিম?
নামতিবা।
কলি ঔচ, বগী ঔচ ধেকেচ।

দেউতাকে হাতৰ মুঠিকেইটা আঁতৰাই ভাঙি পেলাইছিল দ'লটো।

ঘেটঘেটাই হাঁহিছিল সি।

সঁচাকৈয়ে দেউতাকৰ মৃত্যুত ভাগি গৈছিল যেন সিহঁতৰ সোণৰ দ'লটো!

হঠাতে লৰচৰ কৰি উঠা পুঙাটো দেখি সম্বিৎ হৈ উঠিল সি। চাই থাকোঁতেই সাউতকৈ পানীৰ তললৈ সোমাই গ'ল পুঙাটো। চিপ মাৰি উঠালে সি বৰশীটো।

নাই!

ক্ষন্তেকৰ বাবে পোহৰ হৈ উঠা মুখখন আকৌ ম্লান পৰি আহে তাৰ। টোপটো লৈ গুচি গ'ল মাছটো।

নতুনকৈ টোপ এটা খুৱাই থুঁ মাৰি পুনৰ পেলাই দিলে সি বৰশীটো। বৰশী বোৱাৰ এই নিয়মবোৰ সি ৰমেন খুড়াকৰ পৰাই শিকিছে। ডিফেন্সত চাকৰি কৰিছিল ৰমেন খুড়াকে। কাণৰ কাষেদি গুলি যোৱাত চাকৰি এৰি দি গুচি অহা এবছৰমান হৈছে। বিয়া বাৰু নকৰালে। ককায়েক নবৌয়েকৰ লগতে থাকে। তাৰ দেউতাক তেওঁলোকৰ গছ কাটোতেই পৰিছিল তলত। মাকে দেখিব নোৱাৰে সেইকাৰণে তেওঁক। কিন্তু তাক বাটত পালেই ৰমেন খুড়াকে মৰ্টন দিয়ে, পইচা দিয়ে আৰু বিবিধ বস্তু দিয়ে। কিছুমান কথা সি মাকক গালি খোৱাৰ ভয়তে নকয়। কিন্তু ৰমেন খুড়াক যে ভাল মানুহ সেই কথাটো সি ক'বলৈ চেষ্টা কৰে পাকে প্ৰকাৰে। সিদিনা মাকৰ গা বেয়া হৈছিল। তাৰ মুখত শুনি ৰমেন খুড়াকেই দৰৱ আনি দি থৈ গৈছেহি। কেনেকৈ বেয়া হ'ব পাৰে এই মানুহটো! আজিকালি ৰমেন খুড়াক আহিবলৈ লৈছে মাজে মাজে তাৰ লগতে স্কুলৰ পৰা আহোঁতে। পঞ্চম শ্ৰেণীলৈ পোৱাত তাৰ নতুন স্কুলখনো দূৰ হ'ল। ৰমেন খুড়াকে চাইকেলত উঠাই থৈ আহে তাক আধাবাটৰ পৰা। কেতিয়াবা ঘৰত থৈয়ো যায়হি। বগীৰ মাকৰ তাতেই হিংসা লাগিল। বৰশী বাবলৈও সিহঁতৰ ঘৰৰ কাষৰ গো বাটেদি প্ৰায়ে জানখনলৈ আহে তেওঁ। সিও শিকি ল'লে আদৱ কায়দাবোৰ। তেওঁ নাহিলেও অকলে আহিব পৰা হ'লগৈ সি। মাক আহি পোৱাৰ আগতে মাছকেইজনীমান লৈ সদায়েই ঘৰ সোমাইগৈ সি। প্ৰায় এঘণ্টা হৈ গ'ল। আজিহে এটা মাছো নাই পোৱা সি। যোৱাগৈয়ে ভাল হ'ব ভাবি উঠিবলৈ লওঁতেই সি দেখিলে লৰিছে পুঙাতো।

উৎকণ্ঠাবোৰ বাঢ়িল তাৰ। সেপ এটা গিলি ৰৈ গ'ল সি সাৱধানে শব্দ নোহোৱাকৈ। সাউতকৈ তললৈ সোমাই যোৱা পুঙাটো দেখি জোৰেৰে চিপ মাৰিলে সি এইবাৰ। পাৰ নাপাওঁতেই বৰশীৰ পৰা শূন্যতে এৰাই মাছজনী পৰি গৈছিল

পানীত। মনটো একেবাৰে মৰি গ'ল তাৰ। টোপকেইটা লৈ আহোঁতে বলোৰাম বুঢ়াই দেখিছিল।

মুখেই লাগিল চাগৈ।

আজি আৰু নহ'ব।

টোপো শেষ হ'লগৈ।

মাকো কামৰ পৰা আহি পাবৰ হ'ল।

বৰশী সামৰি খোজ ল'লে সি ঘৰলৈ নিৰাশ মনেৰে।

বৰষুণজাক এৰিছিল কেতিয়াবাই। ঘৰত থাকি কাম দুই এখন কৰা হলেই ভাল আছিল। ভাগৰে জুগৰে অহা মাকজনীয়ে ভাল পালেহেঁতেন মনটোতে। এনেয়ে গ'ল সময়বোৰ। ঘৰৰ সন্মুখ পাই দেখিছিল সি খোল খাই আছিল জপনাখন।

মাক আহিল চাগৈ!

গালি খোৱাৰ ভয়তে সি পাছফালে মাকৰ তাঁতশালৰ ওচৰতে বৰশীটো থৈ চুচুক-চামাককৈ ভিতৰলৈ আহিবলৈ লওঁতেই ৰৈ গ'ল হঠাতে। ভিতৰৰ পৰা ভাঁহি আহিছিল মাকৰ কণ্ঠ ....

কাৰোবাক গালি পাৰিছে মাকে।

ঠাইতে ৰৈ কাণ ওনাইছিল সি।

"তোক আগতো কৈছোঁ, নাহিবি মোৰ ঘৰলৈ। বাঁৰী হ'ব পাৰোঁ চৰিত্ৰহীন নহয় মই। ল'ৰাটোক তই মৰ্টন, চানা খুৱাই হাত কৰি মোৰ গাত হাত লগাবলৈ আহিছ? মই চিঞৰাৰ আগতে ওলাই যা, নিধক।"

মাকে কাক তেনেকৈ কৈছে বাৰু!

বেৰৰ জলঙাত চকু থৈছিল সি।

আস! কি দেখিছে সি এইবোৰ।

চকুৰ ওপৰতে বিশ্বাস হেৰাই গৈছিল তাৰ।

থৰ হৈ গৈছিল সি।

ৰমেন খুড়াকে মাকক জপটিয়াই ধৰিছিল।

মাকে চিঞৰিছিল পাৰ্যমানে।

উফ! আৰু এক ছেকেণ্ডো ৰ'ব নোৱাৰি।

মগজটোৱে কাম নকৰা হৈছিল তাৰ।

হাতত নিবলৈ একো বিচাৰি নাপাই বৰশীৰ ডাঁৰিকীডাল একে আজোঁৰে টানি আঁঠুৰ মূৰত লৈ ভাঙি দুডোখৰ কৰি দুৱাৰ থেলি ভিতৰ সোমাই গৈছিল সি।

মাকে দেখিছিল তাক।

আঙুলি এটা মুখত দি মাকক ইংগিত দিছিল সি অহাৰ উমান নিদিবলৈ।

চকু কাণ মুদি দাঁত কৰচি বৰশীৰ ডাঁৰিকীডালেৰে গাৰ সমস্ত শক্তিৰে কোবাই দিছিল সি জোৰকৈ ৰমেন খুড়াকৰ পিঠিত। জাৰৌপ কৈ শব্দ এটা হৈছিল।

পাছফালৰ পৰা কাণে মূৰে জপটিয়াই মৰা কোবটো খাই ৰৈ গৈছিল অসুৰটো।

মাকে সেই সুযোগতে চৰিত্ৰহীনটোৰ হাতৰ মুঠিৰ পৰা এৰাই দাখন তুলি লৈছিল।

তাক ঠেলা মাৰি পেলাই থৈ দৌৰ মাৰিছিল ৰমেন খুড়াক।

কঁপনিত দাঁতে দাঁতে লগা মাকক সাৱটি ধৰিছিল সি।

কান্দিছিল মাকে।

সিও।

তোক নাযাবলৈ কওঁ নহয় ওলাই। নুশুন। এই দগাবাজটোক বিশ্বাস নকৰাকৈ আছিলোঁ ভালেই হৈছিল। তোক মৰম কৰা দেখিহে ভাল বুলি ভাবিবলৈ লৈছিলোঁ। তাক সাৱটি কান্দি কান্দি কৈছিল মাকে।

অপৈণত মগজুৰে সি বহুত কথাই বুজিছিল যেন।

বহু দেৰিকৈ ভাত ৰান্ধিছিল মাকে। গহীন হৈ আছিল মাক। সিও সহায় কৰি দিছিল। ভাতৰ পাতত বহি শুদা ভাতগৰাহ মুখলৈ নিওঁতে মনত পৰিছিল তাৰ অথনি বৰশীৰ পৰা এৰাই যোৱা মাছটোলৈ।

দুখ লগা নাছিল তাৰ মাছটো ধৰিব নোৱাৰি।

বৰঞ্চ মাছটো এৰাই যোৱাৰ বাবে ভাল লগা ভাব এটাই আৱৰি ধৰিছিল তাক সেইমুহূৰ্ত্ততে...

মাছ নথকাকৈয়ে নিমখ এজেবা সানি খোৱা ভাতখিনিতে সোৱাদ পাইছিল আজি সি।

খাই উঠি মেলি লৈছিলহি সি নেওতাখন।

মুখস্থ নোহোৱালৈকে আওঁৰাইছিল সি।

মাকে খুচি দিয়া ফটা আঁঠুৰাটোৰ তলত সোমাই শুবলৈ লোৱা সি দেখিছিল বাকচৰ পৰা মাকে দেউতাকৰ ফটোখন উলিয়াই সেৱা এটা কৰি ভৰাই থৈছিল পুনৰ। জনা নজনা ভাৱেৰে বুকুখন ভৰি আহিছিল তাৰ। এইজনী মাকক একো বিপদত পৰিবলৈ নিদিয়ে সি। ডাঙৰ হৈ সকলো সুখ দিব মাকক। আৰু কোনো দিন কেতিয়াও ৰমেন খুড়াকৰ দৰে বেয়া মানুহৰ টোপ নিগিলে সি। সংকল্প লৈছিল সি মনত।

টিপচাকিতো নুমুৱাই ভগৱানৰ নাম লৈ তাৰ কাষত আহি শুই পৰা মাকজনীৰ গাত এহাতেৰে মেৰিয়াই ভৰিটো তুলি টোপনি যাবলৈ চেষ্টা কৰিছিল সি...

পুৰণি বগীতামৰ জলঙা আৰু জালিকটা বেৰেদি সোমাই অহা জোনৰ পোহৰেও যেন আদৰণি জনাইছিল তাৰ সংকল্পক।



# ৰহস্যৰ সিপাৰে

পৰশ হাজৰিকা

ৰাতি ১০ মান বাজিছে। মই ৰাতিৰ আহাৰ গ্ৰহণ কৰি টি.ভি.টোৰ সন্মুখত বহি নিউজ চেনেলটো অন কৰি চালো আৰু তাত ডাঙৰ ডাঙৰ আখৰেৰে এটা খবৰ বাৰে বাৰে দি আছে। ঘটনাটো আমাৰ স্থানীয় চহৰখনৰ। এগৰাকী নৱবিবাহিতা মহিলাই যোৱা ৰাতি নিজৰ ৰূমতেই আত্মহত্যা কৰিলে। তাক লৈ সকলোফালে চিঞৰ-বাখৰ। অৱশ্যে বৰ্তমান সময়ত নিউজ চেনেলবোৰত মাত্ৰ এইবোৰ খবৰেই বেছিকৈ দেখা পোৱা যায়। ময়ো নিউজটো অলপ ওপৰে ওপৰে চাই টি.ভি.টো বন্ধ কৰি শুবলৈ লৈছিলোহে, ঠিক তেনেকুৱাতে ফোনটো বাজি উঠিল। নাম্বাৰটো চেভ কৰা নাছিল, ফোনটো নুঠাও ভাবিছিলো যদিও কোনোবাই বিপদত পৰি ফোন কৰিছে বুলিয়ে ফোনটো ৰিচিভ কৰিলোঁ। ফোনটো ৰিচিভ কৰাৰ লগে লগে সিফালৰ পৰা কোনোবা নাৰীৰ কণ্ঠস্বৰ ভাহি আহিল.....

হেল্ল....! এইটো অনির্বাণ শইকীয়াৰ নাম্বাৰ হয়নে? ..... মাততো শুনি এনেকুৱা লাগিছে যেন তেওঁ এইমাত্ৰ কান্দি উঠিছে নতুবা কান্দিয়ে আছে। গতিকে মইয়ো যিমান পাৰোঁ সহজ হৈ ক'লো......

হয়..... কিন্তু আপুনি? ..... লগে লগে আনফালৰ পৰা কন্দাৰ শব্দ ভাহি আহিল।

বহুত কষ্ট কৰি আপোনাৰ নাম্বাৰটো যোগাৰ কৰিলোঁ। বহুত আশাত ফোন কৰিলো। আপুনিহে আমাক সহায় কৰিব পাৰিব।

ৰ'বচোন আপুনি অলপ....। ধৈৰ্য ধৰক। আচলতে কি হৈছে গোটেই কথাখিনি কওক মোক। কি বিপদত পৰিছে আপুনি?

মোৰ বায়ে আত্মহত্যা কৰা নাই। তাইক হত্যা কৰা হৈছে। নিজৰ স্বামীয়ে হত্যা কৰিছে মোৰ বাক।

ঠিক আছে, কিন্তু আপুনি কাৰ কথা কৈছে? মই ঠিক ধৰিব পৰা নাই।

'জোনাকী বৰুৱা'। যি যোৱা ৰাতি আত্মহত্যা কৰিলে বুলি বাতৰিত প্ৰকাশ পাই আছে। মই তেওঁৰ ভগ্নী জোনালী বৰুৱা। মোৰ বায়ে আত্মহত্যা কৰিব নোৱাৰে। তাইক হত্যা কৰা হৈছে। অনুগ্ৰহ কৰি মোক ন্যায় দিয়ক। পুলিচৰ ওপৰত মোৰ বিশ্বাস নোহোৱা হৈছে। সেইবাবে আপোনাক ফোন কৰিলোঁ। বহুত কথা আছে, যি আছে, যিবোৰ আপোনাক লগ পাহেহে ক'ব পাৰিম।

বাৰু বাৰু; মোক তোমাৰ ঘৰৰ ঠিকনাটো পঠিয়াই দিয়া, আৰু মই নিশ্চয় কাইলৈ যাম।

ধন্যবাদ ছাৰ। ...... বুলিকৈ ছোৱালীজনীয়ে ফোনটো কাটি দিলে। ময়ো বিচনাতে পৰি পৰি ছোৱালীজনীয়ে কোৱা কথাটোকে ভাবিবলৈ ধৰিলো। নিউজত প্ৰকাশ কৰা মতে বা স্বামীৰ কথা আৰু ঘৰখনৰ কথামতে জোনাকী বৰুৱাই আত্মহত্যা কৰিছে। কিন্তু এতিয়া দেখোন কথাটো অন্য এটা ৰূপলৈছে। বাৰু যি হওঁক, কাইলৈ সকলোকে লগ কৰিলে নিশ্চয় গম পাম। নিজক অলপ নিজেই বুজনি দি শুই পৰিলোঁ।

পিছদিনা পুৱা ১০ মান বজাত অফিচৰ কামবোৰ শেষ কৰি জোনালীয়ে দিয়া ঠিকনা মতে তেওঁৰ ঘৰত উপস্থিত হ'লোগৈ। ঘৰৰ মানুহবোৰৰ মনবোৰ বেজাৰত একেবাৰে অস্থিৰ হৈ আছে। তেনে পৰিস্থিতিত যিকোনো কথা বেছিকৈ সুধি থকাটোও বেয়া লাগে।

যিমান পাৰো জোনালীৰ পৰাই কথাবোৰ জানিবলৈ ইচ্ছা কৰিলোঁ। জোনাকী বৰুৱাৰ বিয়া হৈছিল মাত্ৰ ৪ মাহৰ আগতে। মাক-দেউতাকৰ মতে সুখৰ সংসাৰ তেওঁলোকৰ। কোনো হাই-কাজিয়া নাই। কিন্তু জোনালীৰ মুখৰ ভাষ্য একেবাৰে ওলোটা। বহুতো কিবা-কিবি ক'ব বিচাৰি আছে। কিন্তু মাক-দেউতাকে ক'বলৈ দিয়া নাই। গতিকে বেছিকৈ ইয়াত থকা আৰু কথা পাতি ভাল ন'হব বুলি ভাবিয়েই মই মাজতে মাত লগালোঁ... বাৰু মই জোনাকী বৰুৱাৰ ফটো এখন চাব পাৰিম নেকি?

ৰ'ব, মই এতিয়াই লৈ আহিছোঁ বুলি জোনালীয়ে ভিতৰৰ পৰা ধুনীয়াকৈ ফ্ৰেমত সজাই থোৱা এখন ফটো আনি দিলে। ফটোখন চাইহে চকু কপালত উঠিল। কাৰণ জোনাকী আৰু জোনালী দেখিবলৈ প্ৰায় একেই। মই আচৰিত হোৱা দেখি জোনালীয়ে নিজেই ক'লে... "আমি দুইজনী যমজ ভগ্নী"। মাত্ৰ ৩-৪ মিনিট ব্যৱধানত আমাৰ জন্ম।

চিনিপোৱাত সকলোৰে খেলি মেলি হোৱা বাবেই জোনাকী বায়ে বেছিভাগ ৰঙাকাপোৰ পিন্ধি থাকে আৰু এটা সৰু ক'লা ফোট লৈ থাকে। কিন্তু মই বেছিকৈ হালধীয়া কাপোৰ পিন্ধো। তেতিয়াহে ভালকৈ আকৌ ফটোখন চাই ধৰিব পাৰিছো। বেছিদেৰি নকৰি জোনাকীৰ বিবাহিত ঘৰখনৰ পৰা এবাৰ গৈ আহিবলৈ মন গ'ল আৰু বহু প্ৰশ্নই আমনি কৰিলে আৰু তাকে ভাবি জোনালী আৰু তেওঁৰ মাক-দেউতাকৰ পৰা বিদায় লৈ, বাহিৰলৈ ওলাই আহি গাড়ীখনৰ ওচৰ পাইছিলোহে। তেনেতে পাছফালৰ পৰা কোনোবাই মাত দিয়া শুনি ঘুৰি চাই দেখিলোঁ, জোনালী আহি ওচৰ পাইছেহি।

আহিয়ে লৰালৰিকৈ মোতকৈ আগতেই মোৰ গাড়ীৰ আগৰ চিটত বহি ক'লে... সোনকালে ব'লক। বহুত কথা ক'বলৈ আছে, কিন্তু ঘৰত মা-দেউতাৰ কাৰণে ক'ব নোৱাৰো। ভয় কৰে বহুত, কথাবোৰ ক'বলৈ। "ময়ো দেৰি নকৰি গাড়ীখন চহৰৰ পৰা বাহিৰৰ দিশে লৈ গুচি গ'লো। চহৰৰ পৰা অলপ বাহিৰ হোৱাৰ পাছতে জোনালীয়ে গাড়ীখন ৰখাই দিবলৈ কোৱাত ৰাস্তাৰ অলপ কাষলৈ নি ৰখাই দিলোঁ। ৰখোৱাৰ ৫, ৬ মিনিট পাছতেই দীঘলকৈ উশাহ এটা লৈ জোনালীয়ে ক'বলৈ আৰম্ভ কৰিলে......... "চাৰিমাহৰ আগতে এইখন চহৰৰে ব্যক্তি উজ্জ্বল বৰুৱাৰ লগতে জোনালী বাৰ বিয়া হৈছিল। ঘৰৰ পৰা চাই ঠিক কৰা বিয়া। দুয়োখন ঘৰে কথা পাতি সকলো ঠিক কৰি দিন বা'ৰ চাই বিয়া ঠিক কৰিছিল। বিয়াৰ আগৰ পৰা বিয়া হৈ যোৱা ৩ মাহমানলৈকে সকলো ঠিকেই কিন্তু ৩ মাহৰ পাছৰ পৰাই বাৰ জীৱনৰ সকলো সলনি হৈ গৈছিল। উজ্জ্বল বৰুৱাৰ আচল স্বৰূপ তেতিয়াহে ধৰা পৰিছিল আমাৰ ঘৰত ছোৱালী দুজনী দেখা পাই মাত্ৰ সম্পত্তিৰ লালসাত হে জোনাকী বাক বিয়া কৰাছিল তেওঁ। প্ৰথমতে কামৰ কিবা দৰকাৰত লাগে বুলি অলপ, বেছিকৈ পইচা বিচাৰিবলৈ ধৰিলে। লাহে লাহে ১, ২ লাখকৈ বহুতো টকা ল'লে। এবাৰ একো নিদিওঁ বুলি কোৱাত

সৰুৰ পৰা টানকৈ কথা শুনি নোপোৱা জোনাকী বাৰ গাত প্ৰথম বাৰ হাত তুলিছিল উজ্জ্বল বৰুৱাই। সেইদিনা ৰাতিয়েই বায়ে কান্দি কান্দি সকলো কথা কৈছিল মোক। মই সেইদিনা ঘৰলৈ ঘুৰি আহিবলৈ কৈছিলো, কিন্তু মা-দেউতাৰ সন্মানৰ কথা ভাবি ঘুৰি নাহিল আৰু মোকো ঘৰত কথাবোৰ ক'ব লৈ মানা কৰিলে।

তাৰ পাছৰ পৰাই বাৰ গাত হাত উঠোৱাটো উজ্জ্বল বৰুৱাৰ দৈনিক কামৰ দৰে হৈ পৰিছিল। বায়ে মোক কথাবোৰ খুলি নক'লেও মই বাৰ মাততে গম পাইছিলো। মাৰ গৰ্ভৰে পৰা একেলগে ডাঙৰ হোৱা আমি বা'ৰ কথাবোৰত সকলো বুজি পাওঁ মই। কিন্তু তাইক বহুত বুজাইয়ো ঘুৰি আহিবলৈ মই কিন্তু মান্তি কৰাব নোৱাৰিলোঁ। টকা এৰি শেষত উজ্জ্বল বৰুৱাই আমাৰ ঘৰৰ আধা সম্পত্তি খুজিবলৈ জোনাকী বাক জোৰ দিছিল, কিন্তু বায়ে মৰি গ'লেও সেই কাম নকৰোঁ বুলি বুজাই দিয়াত সেইদিনা ৰাতি ঘৰত কোনো নথকাৰ সুযোগ লৈ ৰুমৰ ভিতৰত প্ৰেট্ৰল ঢালি...." কৈয়ে জোনালীয়ে হুক হুকাই কান্দি উঠিল। কি বুলি সান্ত্বনা দিম মই নিজেই একো ভাবিকে নাপালো। আজিকালি বহু মানুহ মাত্ৰ দেখিবলৈ হে মানুহৰ দৰে, কিন্তু কামবোৰ নৰপিশাচৰ দৰে। জীৱন্ত এজনী ছোৱালীক জ্বলাই দিয়াৰ কথা ভাবিব কেনেকৈ পাৰে। সেই পৰিস্থিতিৰ কল্পনা কৰিয়েই বুকুখনে হাহাকাৰ কৰি উঠিছিল। কিমান যে যন্ত্ৰণা সহিছিল, সেইয়া কোনোবাই কল্পনা কৰাও কঠিন। গাড়ীত থকা বেগটোৰ পৰা পানী বটল এটা উলিয়াই জোনালীৰ ফালে আগবঢ়াই দিলো। ..... "ধৈৰ্য ধৰা জোনালী, তোমাৰ বাৰ আত্মাই শান্তি নাপাব নহ'লে। জোনালীয়ে বটলৰ পৰা পানী অলপ খাই সুস্থিৰ হৈ কন্দা কন্দা মাতেৰেই ক'লে...... আপুনি দোষীক শাস্তি দিব পাৰিবনে? নহ'লে মোৰ বাৰ আত্মাই কেতিয়াও শান্তি নাপাব। আপোনাক কি লাগে সকলো লৈ লওক। টকা, পইচা মোৰ সন্মান কনো লৈ লওক দৰকাৰ হ'লে, কিন্তু মোৰ বাৰ আত্মাক শান্তি দিয়ক ছাৰ........" কৈ জোনালী পুনৰ কান্দি উঠিল।

"পাব দোষীয়ে নিশ্চয় শাস্তি পাব। একো নালাগে মোক। তুমি মাথো অলপ ধৈৰ্য ধৰা, মোক কিছু সময় দিয়া। নিজক দুৰ্বল নকৰিবা। দোষীক মই উচিত শাস্তি দিম। কথা দিলোঁ মই তোমাক।" ...... এইদৰে বহু বুজনিৰ অন্তত জোনালীয়ে কিছু শক্তি ঘুৰাই পাইছিল। গতিকে দেৰি নকৰি মই পুনৰ গাড়ীখন চহৰৰ ফালে ঘুৰাই আনিলো। আহোতে কান্দি কান্দি ভাগৰি জোনালী গাড়ীৰ চিটতে শুই পৰিছিল। আহি থাকোঁতে তাই কোৱা কথাবোৰ চিন্তা কৰি আছিলো। আজিকালি মানুহক বিশ্বাস কৰিবলৈ বহুত কঠিন। কোনো মতে মনটোক বুজালো। জোনালীক ঘৰত নমাই মই গুচি গ'লো জোনাকী অৰ্থাৎ উজ্জ্বল বৰুৱাৰ ঘৰৰ অভিমুখে। উজ্জ্বল বৰুৱাৰ ঘৰ পাইহে সকলো খেলি মেলি হ'ল। কাৰণ জোনালীয়ে কোৱা কথাবোৰতে প্ৰমাণ পোৱা যায় তাইৰ কথাবোৰ মিছা নহয় বুলি। তাই পাছতো উজ্জ্বল বৰুৱাৰ ভাষ্য একেবাৰে ওলোটা। জোনাকীৰ মৃত্যুত তেওঁ যেন নিজকে মৃত বুলি ঘোষণা কৰি দিছে। শোকত ভাগি পৰা অৱস্থা। কিবা প্ৰশ্ন কৰিলেও যেন কিঞ্চিৎমানহে উত্তৰ দিয়ে। সকলো সুন্দৰভাৱে সুখেৰে সংসাৰ চলি থকাৰ পাছতো জোনাকীয়ে কিয় এনেকুৱা এটা সিদ্ধান্ত ল'লে নাজানে তেওঁ এই বিষয়ে। বৰুৱাৰ মতে জোনাকীৰ মৃত্যুৰ সময়ত তেওঁ চহৰতে নাছিল। কিন্তু তেওঁৰ কথা বোৰ মিছা কথা বুলি সুৰতে বুজি পাইছিলো। সকলো কাহিনী তেওঁ আগতেই সজাই পৰাই থৈছে। গতিকে প্ৰতি বাৰে একেখিনি কথাই পুনৰাবৃত্তি কৰি গৈছে। বহু সোধাপোছা কৰিও একো প্ৰমাণ নাপাই ঘৰলৈ উভটি আহিলো। ঘৰলৈ আহি বৰুৱাৰ কিদৰে প্ৰমাণ গোটাব পাৰো তাকে চিন্তা কৰিবলৈ ধৰিলো। বহু কষ্ট কৰিলো। কিন্তু একোৱেই শক্তিশালী প্ৰণাণ নাপালো। যাতে প্ৰমাণ

কৰিব পাৰোঁ জোনাকী বৰুৱাই আত্মহত্যা কৰা নাই। এদিন দুদিনকৈ ৬ টা দিন পাৰহৈছিল। কিন্তু মই উজ্জ্বল বৰুৱাৰ বিপক্ষে একো ভাল প্ৰমাণ গোটাব নোৱাৰিলো। মাজে মাজে জোনালীয়ে ফোন কৰি সোধে, কিন্তু মই বহুত বুজনি ধৈৰ্য ধৰিবলৈ কৈ থাকো। মই কথা দিছিলো দোষীক শাস্তি দিম বুলি। এতিয়া কিদৰে কওঁ যে মই কোনো ধৰণৰ প্ৰমাণ গোটাব পৰা নাই। যমৰ যন্ত্ৰণা দি হত্যা কৰা ছোৱালীজনীৰ হত্যাকাৰীক সন্মুখত দেখিও মই অসহায় হৈ আছো। বহুত বিশ্বাস কৰি মোৰ ওচৰলৈ সহায় বিচাৰি আহিছিল। মই পৰা নাই একো কৰিব। ঠিক তেনেতে ম'বাইটো বাজি উঠাত চালো জোনালীয়ে ফোন কৰিছে। ফোনটো উঠাই দোষী দোষী ভাবেৰেই কৈছিলো মোক ক্ষমা কৰিবা জোনালী, তোমালোকৰ দোষীক মই এতিয়ালৈকে শাস্তি দিব পৰা নাই। প্ৰমাণৰ অভাৱত তোমাক দিয়া কথাও মই ৰাখিব পৰা নাই....!" কিন্তু জোনালীয়ে একেবাৰে সাধাৰণ ভাৱেই উত্তৰ দিলে..... নাই, নাই..... আপোনাক মই বেয়া পোৱা নাই। প্ৰমাণ দিব পাৰো আপোনাক, কিন্তু তাৰ বাবে মোৰ লগত যাব লাগিব। ...... আগৰ দিনতকৈ আজি কথাবোৰ অলপ বেলেগ যেন লাগিছিল জোনালীৰ। যেন মৃত্যু হোৱা বায়েকৰ দুখৰ পৰা উপশম হৈছে। মাতটোও আগতে কান্দি উঠাৰ পৰা মাত দিয়া যেন লাগে, কিন্তু আজি স্বাভাৱিক একেবাৰে। কেচটোৰ কথাও জানিবলৈ বিচৰা নাই। আটাইতকৈ আচৰিত কথাটো হ'ল জোনালীৰ ওচৰত হত্যাৰ প্ৰমাণ কেনেকৈ ওলাল। আৰু যদি প্ৰমাণ আছিলেই, আজিলৈকে মোক জানিবলৈ নিদিলে কিয়? আচলতে সকলো প্ৰশ্নৰ উত্তৰ জোনালীয়েহে দিব পাৰিব। গতিকে, এবাৰ লগ পোৱাই ভাল হ'ব বুলি ভাবিলো। সেই কাৰণে সুধিলো? ক'ত যাব লাগিব মই...?

আজি ৰাতি ৯ মান বজাত আহিব, উজ্জ্বল বৰুৱাৰ ঘৰ যাব লাগিব। তাতেই প্ৰমাণ পাব আপুনি।"..... ইমানকে কৈ ফোনৰ সংযোগ বিচ্ছিন্ন কৰিলে। মই কিবা সুধিব লৈও সময় নিদিলে। মইয়ো কথাটো বেছিকৈ নাভাবি যোৱাটোৱে উচিত হ'ব বুলি ভাবিলো। দোষীয়ে শাস্তি পোৱাতো মইয়ো বিচাৰো। গতিকে ৰাতি ৯ মান বজাত জোনালীৰ ঘৰৰ সন্মুখত উপস্থিত হ'লোগৈ। জোনালী নিজৰ ঘৰৰ বাহিৰতে ৰৈ আছিল। মই গৈ পোৱাৰ লগে লগে এটা হাঁহিৰে সম্ভাষণ জনাই গাড়ীৰ ভিতৰত বহিল। জোনালীয়ে একেবাৰে ৰঙা সাজ আৰু ক'লা ফোট এটা লৈ আহিছিল। প্ৰথম দিনা কথা পাতোতে ৰঙা আৰু ক'লা ফুট জোনাকীয়ে হে পৰিধান কৰে বুলি কৈছিল তেনেস্থলত আজি জোনালীয়ে কিয় ৰঙা সাজ পৰিধান কৰি আহিছে। কথাটো সুধিম বুলি ভাবিছিলো যদিও নুসুধিলো, সুধিলে কি বুলি ভাবে? এইবোৰ ভাবি থাকোতেই জোনালীয়ে মাত দিলে.....

কি হ'ল অ; কি ভাবি আছে দাদা। ব'লক আকৌ। ...... তেতিয়াহে মোৰ সম্বিৎ ঘূৰি আহিল।

অ' ব'লা.... বুলি কৈ উজ্জ্বল বৰুৱাৰ ঘৰৰ ফালে গাড়ীখন লৈ গুচি গ'লো। জোনালীৰ মাতটোও কিছু বেলেগ লাগিছিল সেইদিনা। সকলো ক্ষেত্ৰতে অলপ পৰিবৰ্তন হ'ল। আজি গোটেই ৰাস্তাটোত এবাৰো মাত দিয়া নাই। সেইকাৰণে ময়ো কথাবোৰ সুধিম বুলি সুধিব পৰা নাই।

তেনেদৰে কিছুসময়ৰ পাছত আমি আহি উজ্জ্বল বৰুৱাৰ ঘৰৰ গেটৰ সন্মুখত আহি উপস্থিত হ'লোহি। মই গাড়ীৰ পৰা নামি যোৱাৰ আগতেই জোনালী গাড়ীৰ পৰা নামি উজ্জ্বল বৰুৱাৰ ঘৰলৈ সোমাই গ'ল।

জোনালী অকলে নাযাবা,ময়ো আহিছো বুলি কোৱা শুনিলেনে নুশুনিলে নাজানো। মই খৰ খেদাকৈ গাড়ীখন ৰাস্তাৰ পৰা অলপ কাষলৈ নি ৰখাই দি নামি গ'লো। কিন্তু তেতিয়ালৈকে জোনালী গৈ ঘৰৰ ভিতৰ পালেগৈ। তাৰ পাছত ময়ো দৌৰ মাৰিলো ঘৰৰ ভিতৰলৈ। কাৰণ ভিতৰত কি পৰিস্থিতি হয় ক'ব নোৱাৰি। মই যিটো অনুমান কৰিছিলো তাকেই হ'ল। বৰুৱা মদ্যপান কৰাত ব্যস্ত। জোনাকীৰ সাজত জোনালীক দেখিয়ে তাৰ হাতৰ মদৰ গিলাচ পৰি গৈছিল। ভূত ভূত কৰি কৰি ভিতৰ ফালে দৌৰ মাৰিব লৈছিল যদিও ফ্লৰত পৰি থকা মাদক দ্ৰব্যত পিছলখাই তাতেই পৰি গ'ল।

ত-তই কোন? তোক মই নিজ হাতেৰে মৰাৰ পাছতো কেনেকৈ আহিলি? মই দুৱাৰমুখৰ পৰা চাই আহিছো আৰু বৰুৱাই কোৱা সকলো কথাই শুনিলো।

তোক নমৰালৈকে মই শান্তি নেপাওঁ, মোক মাৰি কি ভাবিছিলি, তই বাচি যাবি। কি ভুল আছিল মোৰ, মোৰ ঘৰখনৰ? সকলো থান-বান হৈ গ'ল আজি তোৰ কাৰণে। মই একে ঠাইতে নিথৰ হৈ মাত্ৰ শুনি আছিলোঁ, আচলতে মোৰ সন্মুখত এইজনী জোনালী নে জোনাকী? কি কৈছে তাই? এইবোৰ কিদৰে সম্ভৱ? কিন্তু বৰুৱাই হয়টো কথাবোৰ উপলব্ধি কৰিলে। গতিকে প্ৰস্তুত হৈ উত্তৰ দিছিল — জোনাকীয়ে আত্মহত্যা কৰিছে, কি প্ৰমাণ আছে মই হত্যা কৰাৰ? তই জোনাকী নহয়, জোনালী। মোক মিছা কৈ ঠগিব নোৱাৰিবি।

প্ৰমাণ...... প্ৰমাণ এতিয়াও আছে, প্ৰমাণ হ'ল মোক হত্যা কৰাৰ আগতে মোৰ ডিঙিচেপি ধৰা ৰছিডাল। যি এতিয়াও ষ্টৰ ৰূমত পৰি আছে। প্ৰথমতে নিজৰ ৰূমত ডিঙিচেপি হত্যা কৰা, তাৰ পাছত বাহিৰলৈ আনি এইখিনি ঠাইতে মোৰ শৰীৰত তেল ঢালি জ্বলাই দিয়া নাছিলি জানো? কৈ গৰজি উঠিছিল জোনালী।

কথাবোৰ শুনি মোৰ লগতে উজ্জ্বল বৰুৱাও আচৰিত হৈ

পৰিছিল। জোনালীয়ে এইবোৰ কথা গম পালে কেনেকৈ? তাৰমানে...... একো তলকিবই নাপাওঁতেই উজ্জ্বল বৰুৱাই ড্ৰয়াৰৰ পৰা পিষ্টলটো উলিয়াই জোনালীৰ ফালে টোৱাই চিঞৰি উঠিল..... আগবাঢ়িবৰ চেষ্টা নকৰিবি, ইয়াতেই গুলীয়াই শেষ কৰি দিম।" কিন্তু জোনালীয়ে অলপো ভয় কৰা নাই, ওলোটাই জোৰেৰে চিঞৰি উঠিল......

মাৰ....., শক্তি আছে যদি গুলি চলা তাই আজি। মোক আজি তই মাৰিব নোৱাৰ। আজি তোৰ মৃত্যুৰ হে সময় আহিছে।

কি..... মোৰ মৃত্যু, তই মাৰিবি, তোকেই আজি শেষ কৰি দিও, চাওঁচোন কোনে বচাই আৰু মোক কোনে শাস্তি দিয়ে। বৰুৱাই গুলিচলাবলৈ উদ্যত হওঁতেই মই দৌৰি গৈ বৰুৱাৰ হাতত এটা গোৰ মাৰিলো আৰু উজ্জ্বল বৰুৱাৰ হাতৰ পৰা পিষ্টলটো এৰাই গৈ দূৰত পৰিল। সন্মুখত মোক দেখা পাই এবাৰ তেওঁ......

তই আহিছ....., তোকো আজি শেষ কৰি দিওঁ বুলি কৈ মদৰ বটলটো হাতত তুলি ল'লে। কিন্তু মদৰ বটল ল'বলৈ টনা-আজোৰা কৰি থাকোতেই গুলিৰ শব্দ হ'ল "গুৰুম" আৰু লাহে লাহে তললৈ ঢলি পৰিল উজ্জ্বল বৰুৱা। পাছলৈ ঘূৰি চাই দেখিলো জোনালীয়ে হাতত পিষ্টললৈ আমাৰ পৰা কিছু আঁতৰত থিয়হৈ আছে। বৰুৱাৰ শৰীৰৰ পৰা তেজবৈ গৈছিল। মই কি কৰিম একো ঠিৰাং কৰিব নোৱাৰি মাত্ৰ তেজৰ পৰা কেইখোজমান পিছুৱাই আহিছিলো।

জোনালীৰ ফালে চোৱাত জোনালীয়ে নিজেই লাহে লাহে আহি পিষ্টলটো মোৰ ফালে আগুৱাই দি ক'লে ক্ষমা কৰিব, প্ৰমাণ দিব নোৱাৰিলো মই, কিন্তু এতিয়া প্ৰমাণৰ কোনো প্ৰয়োজন নাই। আজি মই নিজেই হত্যাকাৰী হৈ পৰিলো। এতিয়া আপুনি যি শাস্তি দিয়ে তাকে মানি ল'ম।

মই একো নকৈ মাত্ৰ ৰুমালখলেৰে জোনালীৰ হাতৰ পৰা পিষ্টলটো লৈ বৰুৱাৰ হাতত পিষ্টলটো গুজি দিলো আৰু জোনালীক লগত লৈ ঘৰৰ পৰা ওলাই আহিলো। দুয়ো আহি গাড়ীত বেগেৰে ঘৰৰ দিশে গাড়ী আগুৱাই নিলো। আহি জোনালীৰ ঘৰৰ সন্মুখত গাড়ী ৰখাই দিলো। গাড়ীৰ পৰা নামি যোৱাৰ আগে আগে জোনালীয়ে সুধিছিল.... "এইয়া আপুনি উচিত কৰিছে জানো? সন্মুখত হত্যা কৰা দেখিও মনে মনে আছে এইদৰে। এইটো কথাই কষ্ট দিব আপোনাক ভৱিষ্যতে।

উচিত কৰিছো নে নাই নাজানো ময়ো। কিন্তু সময়ত যি মনলৈ আহিল কৰিলো। এজনী নিৰপৰাধী ছোৱালীক হত্যা কৰিছো বুলি সন্মুখত স্বীকাৰ কৰাৰ পাছতো একো কৰিব নোৱাৰিলো। এইটোৰেই গোটেই জীৱন অশান্তি দিলেহেঁতেন। আজি যিবোৰ হৈ গ'ল কৰবাত ভুল যেন লাগিলেও কৰবাত শুদ্ধ হ'ল অনুভৱ হয়। সকলো হত্যাকাৰীক শাস্তি দিব নোৱাৰো কেতিয়াও। যি হ'ব লগা আছিল হৈ গ'ল। এতিয়া যোৱা; সকলো পাহৰি ভালদৰে থাকিবলৈ চেষ্টা কৰিবা। কিবা অসুবিধা পালে মোক জনাবা।

বাহিৰৰ পৰাই ক'লে তাই.... 'ধন্যবাদ, বৰ্তমান সমাজত আপোনাৰ দৰে চিন্তাৰ প্ৰয়োজন আছে। আকৌ লগ পাম। কৈ..... জোনালী ঘৰলৈ গুচি গ'ল। মইয়ো নিজৰ ঘৰলৈ আহি কেতিয়া শুই পৰিলো গমকে নাপালো। ৰাতিপুৱা ৪ মান বজাত সাৰ পালো। যোৱাৰাতি হৈ যোৱা কথাবোৰ ৰাতিপুৱা সপোনৰ দৰে লাগিছিল। শোৱাপাটিৰ পৰা উঠি টি.ভি.টো অন কৰি নিউজ চেনেলটো লগাই দিওঁতেই চেনেলটোৱে চিঞৰি উঠিছিল.... ৰাতিপুৱাৰ বিগ ব্ৰেকিং নিউজ জোনাকী বৰুৱাৰ হত্যাকাণ্ডৰ নতুন মোৰ। জোনাকী বৰুৱাৰ স্বামী উজ্জ্বল বৰুৱাই যোৱাৰাতি নিজৰ ৰিভলভাৰেৰেই গুলিয়াই আত্মহত্যা কৰে। তেওঁ আত্মহত্যাৰ কাৰণ এতিয়াও ৰহস্যজনক। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও এতিয়ালৈকে মৃত্যুৰ কাৰণ জানিব পৰা হোৱা নাই। টি.ভি.টো বন্ধ কৰি বাহিৰলৈ ওলাই আহিলো। বতৰটো ডাৱৰীয়া, হয়তো বৰষুণ দিব পাৰে।

# সাম্প্ৰতিক সময় দিক্‌ভ্ৰান্ত

**সান্ত্বনা বড়া**

ৰাতি গভীৰ হৈ আহিছে। চৌদিশে নিজম-নিতাল পৰিৱেশ। কাৰো কেনিও কোনো সাৰ-সুৰ নাই। ঘড়ীৰ কাটাকেইডালৰ শব্দ স্পষ্টকৈ শুনা গৈছে। বাহিৰত কুঁৱলীৰ ডাঠ ছামিয়ানা। ঠাণ্ডাও যথেষ্ট পৰিছে। এমে ঠাণ্ডাতো সাৰে আছে সুনীতা। সকলো টোপনিত লাল-কাল। ইমান এটা ডাঙৰ চিন্তা লৈ তাই শোৱেনো কেনেকৈ। তাই মাথোঁ ডেৰবছৰৰ আগৰ কথাবোৰ ভাবি ভাবি তন্ময় হৈ পৰিছে।

তেতিয়া তাই বহুত সুখী। ৫ বছৰীয়া ল'ৰা আৰু কণমানি ছোৱালীজনীৰে সৈতে সুখৰ সংসাৰ। গিৰিয়েক ৰাতুলে অসমৰ বাহিৰত কাম কৰে। বছৰেকৰ মূৰত ঘৰলৈ আহে। তাই ঘৰতে চিলাই কাম কৰে। তেনেকৈয়ে দুপইচা অৰ্জন হয়। ঘৰখন চলি থাকে। এদিন তাই গাঁৱৰে চুবুৰীয়া মহিলাসকলৰ সৈতে এটা কৰ্পৰেচন গোটত সোমাইছিল। তেনেদৰেই তাই চলি গৈছিল। তাইক বায়েক আৰু গিৰিয়েকে গোটৰ পৰা বেছি টকা নলবলৈ বা পাৰিলে আঁতৰত থাকিবলৈ বাৰে বাৰে সকীয়াই আছিল। তথাপিও তাই কাণসাৰ কৰা নাছিল। সময়ত লৈ সেইখিনি চিলাইৰ সামগ্ৰী আনি কামত খটুৱাই পুনৰ ওভতাই দিছিল সময়মতে। কোনো অসুবিধাত তাই পৰা নাছিল। সময়ত টকা লৈ সময়ত ঘুৰাই দিছিল।



সমস্যাটো হৈছে এতিয়া। আজিকালি মানুহবোৰে তাইৰ ওচৰত চিলাইৰ বাবে বেছিকৈ নহা হৈছে। কিবা বোলে 'অনলাইন'ত বয়-বস্তু কিনে। তাইৰ উপাৰ্জনো কমি গৈছে। এইবাৰ তাই অলপ সৰহকৈ টকা লৈছিল। কিন্তু  ইমান টকা এতিয়া ঘুৰাবলৈ পায় ক'ত? তাই দিব নোৱাৰাৰ বাবেই কেইবাটাও কিস্তি তাইৰ লগৰ দুজনীমানে মিলি দি দিলে। কিন্তু এইবাৰ বোলে সিঁহতে আৰু দিব নোৱাৰে। ইফালে ল'ৰা-ছোৱালীহালকো চাব লাগে। ওপৰৰ পৰা মানুহ আহি সিদিনা গোটৰ সকলোকে কৈ গৈছে - সময়ত টকা ঘূৰাব লাগিবই। তাইৰ যে বৰ ভয় লাগিছে। তাইৰ ঘৰৰ অলপ আঁতৰৰ সিখন গাঁৱত বোলে টকা দিব নোৱৰাৰ বাবে ঘৰৰ পৰা প্ৰথমে চকীখন, তাৰ পিছত টেবুলখন এনেকৈ নি নি আল্‌না, পালেংখনো নিলে। পিছে ওপৰৰ পৰা অহা গোটৰ মানুহে নহয়, গোটত থকা ওচৰৰ মানুহবোৰেহে। সিঁহতে যে তাইৰ টকাবোৰ অতদিনে দি আছিল। লোকৰ টকানো কোনে কিমানদিন দি থাকিব। এতিয়াও শুনিবলৈ পোৱা মতে, টকা যদি দিব নোৱাৰে ঘৰৰ চালৰ টিনপাত কেইখনকে লৈ যাব। সুনীতাৰ সেইটো কাৰণতে ভয় বেছি হৈছে। গিৰিয়েকেও টকা পঠিয়াব পৰা নাই কেইবা মাহেও।

"অ' মা কি কৰিছ" - সৰু ল'ৰাটোৰ মাততহে তাইৰ তন্ময়তা ভাগিল। ইমান তন্ময় হৈ তাই কথাবোৰ ভাবি আছিল।

দুটামান দিন গৈছে। তাই বহুত চিন্তা কৰিছে। ক'ৰ পৰা তাই ইমান টকা দিব, ক'ত পাব। তাইৰ বাৰে বাৰে বায়েকৰ আৰু গিৰিয়েকৰ সকীয়নিলৈ মনত পৰিছে। কিমান যে দুখ পাইছে তাই, তাইৰ সোমাই যোৱা বিষাদগ্ৰস্ত চকু কেইটাতে ধৰিব পাৰে। গৰু কেইটা উলিয়াই নিওঁতে ৰাতিপুৱাই তাই পদূলিমুখত স্কুটীত অহা কাৰোবাক দেখি মূৰৰ ওপৰেদি  এসোঁতা তেজ বৈ গ'ল। তাই ভাবিলে—

"আৰে, গোটৰ মানুহজনী ইমান ৰাতিপুৱাই কিয়া আহিছে।"

হেলমেট পিন্ধাৰ বাবে তাই ধৰিব পৰা নাছিল তাই আচলতে কোন। সেয়া যে তাইৰ বান্ধৱীয়েকৰ জীয়েকহে। ফুৰিবলৈ ৰাতিপুৱাই আহিল।

তাই বহুত সাহস গোটাই লৈ গোটৰ লগৰ কেইগৰাকীক নিজৰ অৱস্থাটোৰ কথা বিৱৰি ক'লে। সিহঁতেও বুজি পালে। সিহঁতেও সিহঁতৰ নিজৰ কিস্তিকেইটা যেনে তেনেহে দিছে। গোটটোৰ শীৰ্ষ দুগৰাকীমান ওপৰত গৈ কথাটো জনাম বুলি ক'লে। প্ৰয়োজনত অনুনয়-বিনয় কৰিম বুলি ক'লে।

গোটটোৰ মানুহকেইগৰাকীয়ে আহি তাইক জনালেহি যে ওপৰত 'ওপৰৱালা অফিচাৰে' কি ক'লে। সিহঁতে কোৱা এষাৰ কথাই তাইৰ কাণত বাজি থাকিল— ".....দৰকাৰ হ'লে কিড্‌নী বেচি বা দেহ বিক্ৰী কৰি হ'লেও টকা শোধাব লাগিব....."।

সিদ্ধান্ত ল'লে তাই সিহঁতৰ খেতি মাটিখিনিকে বিক্ৰী কৰি দিব, যিখিনি আছে সেয়াও বেছি নাই। ঘৰৰ তামোল পাণৰ বাৰীখনো যে বেচিব লাগিব। পিছে তাই এইটো সিদ্ধান্ত অকলে ল'ব পাৰিব। এইখনতো ৰাতুলৰো ঘৰ। গিৰিয়েকৰ অনুমতি নোলোৱাকৈ তাইতো ইমান ডাঙৰ এটা সিদ্ধান্ত ল'ব নোৱাৰে। কিদৰে জনাব তাই গিৰিয়েকক ইমান এটা ডাঙৰ সিদ্ধান্ত। নাই নাই গিৰিয়েকক সুধিবই।  ভয়ে ভয়ে তাই বাংগালুৰত কাম কৰি থকা গিৰিয়েকলৈ ফোন লগলে। সিফালৰ পৰা গিৰিয়েক ৰাতুলৰ কণ্ঠস্বৰ স্পষ্টভাৱে ভাঁহি আহিল— "হেল্ল, হেল্ল সুনীতা।"

*এটা সময় আছিল কবিতাত প্ৰধানকৈ ঠাই পাইছিল কবিৰ কল্পনা আৰু আবেগ অনুভূতিয়ে। ক্ৰমশঃ কবিতাত আবেগ অনুভূতিৰ লগতে জ্ঞানৰ কথাটো জড়িত হৈ পৰিল। কবিৰ কল্পনাৰ লগতে কবিৰ বুদ্ধিদীপ্ততাই কবিতাত স্থান লাভ কৰিলে। কবিৰ বৌদ্ধিক চাতুৰ্যৰ লগত কবিৰ কল্পনা বিলাসক প্ৰকাশ কৰিবলৈ সহায় ল'লে উপমা, প্ৰতীক, চিত্ৰকল্পৰ। কবিতা কবিৰ স্বতঃস্ফূৰ্ত সৃষ্টি নহৈ কবিতা নিৰ্মাণ হ'বলৈ ধৰিলে। ফলত কবিতা বুজি পাবলৈ পাঠকৰ দৰকাৰ হ'ল মন আৰু মগজু উভয়ৰে।*

# 'বাঙ্ময়'ৰ পাতত এমুঠি কবিতা

**ড° ৰীতা বৰা**

কবিতা মূলত আবেগৰ বস্তু হলেও ইয়াত আৰু দুটা দিশৰ ওপৰত গুৰুত্ব দিব লাগে সেয়া হ'ল বৌদ্ধিকতা আৰু কল্পনা। এটা সময় আছিল কবিতাত প্ৰধানকৈ ঠাই পাইছিল কবিৰ কল্পনা আৰু আবেগ অনুভূতিয়ে। ক্ৰমশঃ কবিতাত আবেগ অনুভূতিৰ লগতে জ্ঞানৰ কথাটো জড়িত হৈ পৰিল। কবিৰ কল্পনাৰ লগতে কবিৰ বুদ্ধিদীপ্ততাই কবিতাত স্থান লাভ কৰিলে। কবিৰ বৌদ্ধিক চাতুৰ্যৰ লগত কবিৰ কল্পনা বিলাসক প্ৰকাশ কৰিবলৈ সহায় ল'লে উপমা, প্ৰতীক, চিত্ৰকল্পৰ। কবিতা কবিৰ স্বতঃস্ফূৰ্ত সৃষ্টি নহৈ কবিতা নিৰ্মাণ হ'বলৈ ধৰিলে। ফলত কবিতা বুজি পাবলৈ পাঠকৰ দৰকাৰ হ'ল মন আৰু মগজু উভয়ৰে। সুন্দৰ চিত্ৰকল্প আৰু ব্যঞ্জনাময় শব্দ বিন্যাসেৰে নতুন কবিতাসমূহে পাঠকক এক নান্দনিক সোৱাদ দিবলৈ সক্ষম হ'ল। কবিতা সৃষ্টি হ'বলৈ স্বতঃস্ফূৰ্ত আৰু নিৰ্মাণ কৌশল এই দুয়োটাৰ প্ৰয়োজন হ'ল। কবিতাৰ নিৰ্মাণ কৌশল অথবা সংজ্ঞাৰ বিষয়ে আলোচনা কৰাৰ কোনো প্ৰয়াস আমি ইয়াত কৰা নাই। মাথো সৰুপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'বাঙ্ময়'ৰ পাতত এইবাৰ প্ৰকাশিত হোৱা এমুঠি কবিতাৰ অধ্যয়ন কৰিবলৈহে ইয়াত

যত্ন কৰা হৈছে। ইয়াৰে প্ৰথমটো কবিতাৰ নাম 'আত্মপাঠ', কবি অচ্যুত কুমাৰ বৰা। বাঙ্ময়ৰ তেওঁ আলহী কবি, অচ্যুত কুমাৰ বৰা এগৰাকী প্ৰতিভাৱান যুৱ কবি। শব্দৰ ব্যঞ্জনাৰে এখন নান্দনিক জগত সৃষ্টি কৰিব পৰাটো কবিৰ কাব্য সৃষ্টিৰ শ্ৰেষ্ঠ গুণ। তেওঁ আশাবাদী কবি। 'আত্মপাঠ' নামৰ তেওঁৰ কবিতাটো তেওঁ নিজৰ কোনো নিকটাত্মীয়ক উদ্দেশ্য কৰি লিখা। তেওঁৰ সেই বিশেষজনক সুখী কৰিবলৈ সকলো চেষ্টা কৰিব পাৰে কিন্তু সাধ্যাতীত প্ৰতিশ্ৰুতিৰে আভুৱা ভাৰিব নোৱাৰে। প্ৰাত্যাহিক জীৱনৰ প্ৰতিটো খোজত সেয়া দুখৰ অথবা সুখৰ তেওঁ প্ৰিয়জনৰ কাষতে থাকিব আস্থা, সাহস আৰু উৎসাহ হৈ। তেওঁৰ কবিতাত অনুভূতিৰ উমাল স্পৰ্শ অনুভৱ কৰা যায়।

'আঘোণীয়া' আৰু 'নাৰী' নামৰ কবিতা দুটা অৰ্পণা হাজৰিকাৰ। তেওঁৰ কবিতাত উপলব্ধি কৰা যায় গভীৰ জীৱনবোধ। জীৱনৰ তুচ্ছতাৰ মাজতো কেতিয়াবা মহত্বৰ সুখ অনুভৱ কৰা যায়। তেওঁৰ 'আঘোণীয়া' কবিতাটোত তেনে এক ভাৱৰ ব্যঞ্জনা ফুটি উঠিছে। কৃষিজীৱি মানুহৰ সপোন আঘোণৰ পকা পথাৰখন আৰু ঘৰৰ গুটি ধানৰ মেটমৰা ভৰাঁল। এইখিনি লৈয়ে গাঁৱৰ চহা জীৱনবোৰৰ সুখ আৰু সন্তুষ্টি। তেওঁৰ আন এটা কবিতা হ'ল 'নাৰী'। 'নাৰী' শব্দটো সংবেদনশীল হ'লেও কবিয়ে নাৰীৰ নীলকণ্ঠী ৰূপটোকহে কবিতাটোত সুন্দৰকৈ প্ৰকাশ কৰিছে। এগৰাকী নাৰী এগৰাকী মাতৃ, যিগৰাকী মাতৃয়ে নিজৰ সমস্ত বেদনাক বুকুৰ ভিতৰত সামৰি হাঁহিৰ প্ৰলেপেৰে জীৱন জীয়াব পাৰে সেই ৰূপক প্ৰাঞ্জলকৈ প্ৰকাশ কৰিছে কবিতাটোত।

'নৈ কথা' নামৰ ছটা স্তৱকেৰে এটি কবিতা ৰচনা কৰিছে কবি প্ৰিয়াংশু প্ৰাঞ্জলে। কবিতাটো সৰু সৰু ছটা স্তৱকত কবিয়ে নিজৰ বিচিত্ৰ অনুভৱক ভাৱৰ বৈচিত্ৰতাৰে প্ৰকাশ কৰিছে। তাকে কৰিবলৈ যাওঁতে কবিয়ে কিছুমান সুন্দৰ চিত্ৰকল্প প্ৰয়োগ কৰিছে। কবিতাটোৰ প্ৰথমটো স্তৱক তেওঁৰ অনুভৱ প্ৰকাশ কৰিছে এনেদৰে—

*"নৈ খনকো লগ এটা লাগে*
*শিলত কটা পুৰুষেই হওক*
*বা খেৰেৰে খেৰিওৱা জুমুঠিয়েই হওক।"*

নিৰবধি প্ৰৱাহিণী চিৰন্তন গতিৰে বৈ থকা নৈখনিকো লগ এটা লাগে। ইয়াত 'নৈ খনকো' কথাষাৰে বুজাইছে যে এই পৃথিৱীত প্ৰত্যেকেই নিজৰ নিসংগতা দূৰ কৰিবলৈ একোজন সংগী বিচাৰে, সেই সংগীজন শিলৰ দৰে কঠিন অথবা ধানখেৰৰ জুমুঠিৰ দৰে দুৰ্বল যিয়েই নহওক। নৈৰ দৰে প্ৰেমো প্ৰবাহমান। কবিয়ে নদী, নাৰী, প্ৰেম এই শব্দবোৰ ব্যঞ্জনাময় ৰূপত প্ৰকাশ কৰাৰ প্ৰয়াস কৰিছে। কবিতাটোত প্ৰয়োগ কৰা কেইবাটাও চিত্ৰকল্প মন কৰিবলগীয়া। যেনে- *"যৌৱনৰ বেলিটো কাৰোবাৰ কপালত আছিল"*। যৌৱন মানেই শক্তি, যৌৱন পুৰঠ আৰু 'বেলিটো' যি সদায়ে মূৰ্তমান শৌৰ্য বীৰ্যৰে। আশা কৰিম প্ৰিয়াংশু প্ৰাঞ্জলে তেওঁৰ কাব্য চৰ্চাৰ ধাৰবাহিকতা ৰক্ষা কৰিবলৈ যত্ন কৰিব।

'ফাগুন' শিৰাশীষ শৰ্মাৰ এটা আবেগ ভৰা কবিতা। কবিতা হ'ল কবিৰ ভাৱ-অনুভূতিৰ স্ফূৰণ। কবিৰ হৃদয়ত দোলা দিয়া অথবা আমনি কৰা ভাৱবোৰ কল্পনাৰ মিশ্ৰণেৰে কবিয়ে শব্দত প্ৰকাশ কৰে। শিৰাশীষ শৰ্মা এজন প্ৰেমিক কবি। তেওঁৰ মনত প্ৰেমৰ আলফুল বাসনা গিজ খাই আছে। কিন্তু সকলো ঋতুতে মনৰ ভাৱবোৰ ওলাই নাহে কবিতা হৈ। ফাগুন যেন চঞ্চল প্ৰেমিকৰ মনৰ তলি উদঙাই দিয়া সময়। পলাশ, শিমলুৰে ৰঙীন হৈ পৰা এই প্ৰেমিকৰ বাসনাৰ সময়। পলাশ-শিমলুৰ ৰঙৰ দৰে কবিয়ে নিজৰ প্ৰেমিক সত্বাক ৰঙীন কৰিবলৈ বিচাৰিছে প্ৰিয়জনৰ সান্নিধ্যত। ৰোমাণ্টিক ভাৱ চেতনাৰে পৰিপূৰ্ণ হৈ তেওঁ প্ৰিয়জনক বিচাৰিছে এটি বিশেষ আবেলিত, যিটো এটা শনিবৰীয়া আবেলি য'ত আদা-ইলাচিৰে প্ৰস্তুত কৰা একাপ চাহ লৈ সন্মুখত বাঞ্চিতজনক লৈ প্ৰেম বিলাসত মগন হ'ব তেওঁ। কাৰণ শনিবাৰৰ আবেলিটোত সময়ৰ বাধ্যবাধকতা নাই কিয়নো পিছদিনা যে দেওবাৰ। কিন্তু কবি ভয়াতুৰ কাৰণ কিজানিবা তেওঁৰ প্ৰেম ফাগুনৰ পছোৱাতকৈ দুৰ্বল হয়। ফাগুন প্ৰকৃততে কবিৰ বাসনাক প্ৰকাশ কৰিব পৰা এটা ভাল লগা কবিতা। জটিল উপমা বা চিত্ৰকল্পক কবিয়ে প্ৰয়োগ নকৰাকৈ প্ৰাঞ্জল ভাষাৰে ৰচনা কৰা এটা কবিতা।

এই সংখ্যাতে প্ৰকাশ হৈছে 'ফাগুনক' লৈ ৰচনা কৰা আন এটা কবিতা, কবি সান্ত্বনা বড়া। কোনেও অস্বীকাৰ কৰিব নোৱাৰে প্ৰকৃতিৰ লগত মানুহৰ মন ভাৱনাৰ নিবিড় সম্পৰ্কৰ কথা। প্ৰকৃতিৰ বিচিত্ৰৰূপে মানুহৰ ভাৱ কল্পনাক সলনি কৰে। প্ৰতিটো ঋতুতে মানুহৰ চেতনাত উঠলি উঠে বৈচিত্ৰ্যপূৰ্ণ ভাৱৰ সমাহাৰ। ফাগুন এটা চঞ্চল মাহ, এই সময়ে কবিৰ সত্বাত মৃদু কঁপনিৰ সৃষ্টি কৰে। সেই কঁপনি প্ৰেমৰ, ভালপোৱাৰ। কাৰণ ফাগুন মানেই প্ৰেম, ফাগুন মানেই বিচিত্ৰতা, ফাকু, পলাশ, মদাৰ, শিমলুৰ মন উতনুৱা ৰূপ, প্ৰাণৰ ৰূপ। ফাগুন যেন উৎসৱ আৰু উলাহৰ সমাহাৰ। কবিতাটোত হয়তো এনে ভাৱৰ ব্যঞ্জনাকে কবিয়ে প্ৰকাশ কৰিছে। দুলুমণি সন্দিকৈয়ে 'বসন্ত আহিছে' নামৰ কবিতাটিত অসমৰ বিনন্দীয়া প্ৰকৃতিৰ ছবি এখন অংকন কৰিছে। লগতে অসমীয়া জাতিৰ বাপতি সাহোন ৰঙালী বিহুৰ আগমনৰ বাতৰিও প্ৰকাশ কৰিছে। কবিতাটোত ভাৱৰ জটিলতা নাই, প্ৰতীক চিত্ৰকল্পৰো পয়োভৰ নাই। আছে মাথো কবিৰ নিজৰ সংস্কৃতিৰ প্ৰতি নিভাঁজ ভাল পোৱা আৰু বসন্তৰ এখন সুন্দৰ ছবি।

বসন্ত ঋতুয়ে সকলোকে আপ্লুত কৰে, ৰোমাঞ্চিত কৰে। 'বসন্তৰ চিঠি' এই নামেৰে আৰু এটা কবিতা প্ৰকাশ হৈছে এই সংখ্যা বাঙ্ময়ত কবি দীপজ্যোতি বৰাৰ। কবিতাটোত কবিয়ে নিজৰ অনুভৱ প্ৰকাশ কৰাৰ চেষ্টা কৰিছে। ফাগুনৰ সৰাপাতে বসন্তক আদৰণি জনাই। বসন্ত আশা সম্ভাৱনা ঐশ্বৰ্যৰ পয়োভৰৰ সময়। কবিয়ে হয়তো বসন্তৰ সেই কথাকেই কবিতাটোত ক'বলৈ বিচাৰিছে। দীপজ্যোতিয়ে কবিতা চৰ্চাৰ ধাৰাটো অক্ষুন্ন ৰাখক, নিশ্চয় এদিন সুন্দৰ কবিতা সৃষ্টি হ'ব তেওঁৰ হাতত।

'বসন্ত' এই বিষয়বস্তুৰে আৰু এটা কবিতা ৰচনা কৰিছে আকাশী গগৈয়ে। বসন্ত ঋতুৰ এটা স্বকীয় মাদকতা আছে, এই মাদকতা অসমীয়া জাতি সংস্কৃতিৰ লগত সম্পৰ্কিত। কবিতাটোত অসমৰ প্ৰকৃতিৰ চিৰন্তন ৰূপ আৰু বসন্তৰ লগত নিবিড়ভাৱে সংপৃক্ত হৈ থকা অসমীয়া মানুহৰ স্বাভিমান, আবেগ, আনন্দ সকলো কবিতাটোত ফুটি উঠিছে।

'দেউতা' প্ৰতিজন সন্তানৰ, প্ৰতিখন ঘৰৰ এক প্ৰভাৱশালী সত্বা। সাহস, মৰম, আশ্ৰয়, নিৰ্ভয়, আদি সকলোৰে অস্তিত্ব অনুভূত হয় এই দেউতা নামৰ সত্বাটোত। সন্তানৰ সুখৰ বাবে সকলো কষ্ট স্বীকাৰ কৰিব পৰাজনেই হ'ল দেউতা। এনে উপলব্ধিক কাব্যিক প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে কবি প্ৰিয়া শুৰে তেওঁৰ— 'মোৰ দেউতা' নামৰ কবিতাটিত।

দেউতাকৰ অস্তিত্বই বুকুত সাহস যোগাই সন্তানৰ। দেউতা এই শব্দটোতে আছে জীৱন যুঁজত যুঁজি জিকিবলৈ অদম্য সাহ। কিন্তু যদি কোনো দুৰ্ভগীয়াই সেই পাৰ্থিৱ অস্তিত্বক হেৰুৱাই পেলাই, তেতিয়া শয়নে-সপোনে তেওঁ সেই অস্তিত্ব বিচাৰি ব্যাকুল হয়, সপোনতে দেউতাকৰ হাতৰ মৰমৰ পৰশ পাবলৈ ব্যাকুল হয়। এনে এক কৰুণ ভাৱনা প্ৰকাশ কৰিবলৈ যত্ন কৰিছে নুৰিস্মিতা গগৈয়ে তেওঁ 'সপোনতে তুমি' নামৰ কবিতাটিত।

'মানৱতাৰ সন্ধিক্ষণ' নামৰ কবিতাটো ৰচনা কৰিছে অনুপম কলিতাই। কবিতাটোত ক্ৰমশঃ মানৱতা শূণ্য এখন ক্ষয়িষ্ণু সমাজৰ ছবি আঁকিবলৈ তেওঁ যত্ন কৰিছে।

'মানৱতা আজি ক'ত' নামৰ আন এটা কবিচা ৰচনা কৰিছে যতিন গগৈয়ে। ইয়াতো কবিয়ে ক্ৰমশঃ হত্যা-হিংসা, অপহৰণৰ দৰে সমাজৰ দুৰাৰোগ্য ব্যাধি সদৃশ কাৰ্যবোৰ আৰু ৰাজনীতিৰ পাকচক্ৰত মানুহৰ আচল পৰিচয় হেৰুৱাৰ শংকাবোৰ প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে।

সাহিত্যত সৃষ্টি হয় সমাজক লৈ, সমাজত ঘটা ঘটনাবোৰেই সাহিত্যৰ সমল। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ যি কাব্য চৰ্চা তাত সাম্প্ৰতিক সমাজ ব্যৱস্থা ও প্ৰতিফলিত হৈছে।

মানৱতা নামৰ আন এটা কবিতা ৰচনা কৰিছে পৰশ হাজৰিকাই। কবিতা হ'ল কবিৰ হৃদয়ৰ বৰ্হি প্ৰকাশ। কবিয়ে মানুহৰ সেইসমূহ গুণৰ কথা ক'বলৈ বিচাৰিছে য'ত সমাজৰ প্ৰত্যেকজনৰে উপকাৰ হয়। তেওঁ মানুহৰ সৎ গুণবিলাকেৰে কাম কৰিবলৈ আনকো উৎসাহিত কৰিছে। কবিৰ এয়া সৎ প্ৰয়াস কিন্তু কবিতাটোত কাব্যিক ভাৱনাতকৈ নীতি শিক্ষাৰ প্ৰকাশ বেছি আছে। ভাল কবিতা লিখিবলৈ তেওঁ নিশ্চয় চেষ্টা কৰিব আৰু আন কবিৰ কবিতা পঢ়িব লাগিব।

'হৃদয়ত থকা মৰম' নামেৰে কবিতা ৰচনা কৰিছে সুশীল বৰাই। কবিতাটোত ৰোমান্টিক ভাৱ-বিলাসৰ পয়োভৰ আছে। কাৰোবাৰ চকু, হাঁহি, ওঁঠ, মিঠা কথা সকলোৱে কবিক ব্যাকুল কৰিলেও সেয়া কেৱল কবিৰ কল্পনা। কবিৰ 'তোমাৰ' আৰু 'তুমি' প্ৰকৃততে কোন সেয়া স্পষ্ট নহয় কবিতাটোত। তথাপি তেওঁৰ কাব্য চৰ্চাৰ প্ৰয়াসক শলাগিছো।

যান্ত্ৰিক সভ্যতাৰ দ্ৰুত উত্তৰণে এতিয়া সকলো কথাকে সহজ কৰিছে। সমগ্ৰ বিশ্বক হাতৰ মুঠিত লৈ মানুহে জীৱন চৰ্চা কৰিব পৰা হ'ল। যান্ত্ৰিক সভ্যতাৰ যোগাত্মক আৰু ঋণাত্মক সকলো গুণেই আছে। এই যন্ত্ৰ যুগৰ অভিনৱ উদ্ভাৱন মোবাইল ফোনৰ বিষয়ে নিজৰ অনুভৱ ব্যক্ত কৰিছে তেলিছমান পুলামীয়ে— 'কোনে ৰাখিলে তোমাৰ নাম' নামৰ কবিতাটোত। কবিতাৰ মাধ্যমেৰেও যিকোনো বিষয়ৰ জ্ঞান প্ৰকাশ কৰিব পাৰি তাকে কবিতাটোৱে প্ৰতিপন্ন কৰিছে। অৱশ্যে পুলামীৰ এয়া এটা কবিতা ৰচনা কৰাৰ সাধু প্ৰচেষ্টা। এই চেষ্টা অব্যাহত ৰাখক এদিন তেওঁলোকে কবিতা লিখিব পাৰিব সুন্দৰকৈ।

আমাৰ এই সংখ্যা বাঙ্ময়ত দুটিমান লিমাৰিক প্ৰকাশ পাইছে। লিমাৰিকৰ জন্ম অসমীয়া সাহিত্যত নহয়। অসমীয়া সাহিত্যত এইবিধ কবিতা আছিল আলহী কবিতা। সম্ভৱতঃ ড° মহেন্দ্ৰ বৰাই আমাৰ কাব্য ঘৰলৈ এইবিধ কবিতা আমন্ত্ৰণ কৰি আনিছিল। বৰ্তমান প্ৰজন্মৰ কাব্য-চৰ্চাৰ লগত জড়িত কিছু সংখ্যকে লিমাৰিক চৰ্চাত কিছু মনোনিৱেশ কৰিছে। Oxford dictionary ৰ মতে লিমাৰিক হ'ল — A kind of humorous vers, especially five line from often epigrammatic, or indecent with shymes aabba.

ড° মহেন্দ্ৰ বৰাই লিমাৰিক বিষয়ে কৈছে — "নিৰ্দোষ আমোদ, অলপ হাঁহি আৰু কিছু উদ্ভট - এইখিনিয়েই লিমাৰিকৰ প্ৰাণ।" 'বাঙ্ময়' পাতৰ আটাইকেইগৰাকী কবিয়ে লিমাৰিক লিখাৰ চেষ্টা কৰিছে যদি লিমাৰিকৰ বিষয়বস্তু, ৰচনাশৈলী আৰু লিমাৰিকৰ মূল উদ্দেশ্যৰ বিষয়ে অলপ অধ্যয়ন কৰি লিমাৰিক চৰ্চা কৰিলে ভাল। আশা কৰিম তেওঁলোকৰ কলমেৰে সাৰ্থক লিমাৰিক সৃষ্টি হ'ব। ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যতৰ কামনাৰে 'বাঙ্ময়'ৰ দীৰ্ঘায়ু কামনা কৰিলো।

## কবিতাঃ



# আঘোণীয়া

**অৰ্পণা হাজৰিকা**

পকাধানৰ মাজত নাচি-বাগি
চৰাইজাক
নোহোৱা হ'ল ৰ'দৰ চকুত

নিয়ৰত গা নোৱাই
নাচি নাচি সোণগুটি ঘৰমুৱা হ'ল
কাঁচিৰ আগত হাঁহে
বিৰীয়াৰ ভাৰত নাচে আঘোণৰ পথাৰ

প্ৰাণৰ ফচল চপাই বুকুত
মুঠি মুঠি সপোনৰ ভিৰ

আহ, হেঁপাহৰ মৰণা পকাই
মেৰঘৰ ওপচাই
সাঁচি লওঁ দুয়ো সুখৰ শইচ।



# নাৰী

**অৰ্পণা হাজৰিকা**

জলঙাই সৰকা ৰ'দত বুকুৰ ঘাঁ সেকি
তামোলৰ পিকেৰে ওঁঠত আইৰ
হাঁহিৰ বিজ্ঞাপন

সুখৰ সূচক হ'লেও
হাঁহি মানেই জানো সুখ
হাঁহিৰে ঢাকিব পাৰিনে দুখৰ কুটীৰ
ই এক সাঁথৰ

হতাশাত হাউলি পৰা নিশা
আইৰ মুখত দেখিছিলোঁ
সতীত্ব মানে কি
অত্যাচাৰ নিন্দা নিপীড়ণৰ নিৰ্যাতন তিৰ্যকতা
পি খোৱা এক ৰোগ।



# আত্মপাঠ

**অচ্যুত কুমাৰ বৰা**

মই তোমাক জোনটো আনি দিব নোৱাৰোঁ
কিন্তু তুমি জোন হৈ হাঁহিবলৈ
মই বেলিৰ দৰে দহিব পাৰোঁ।


আকাশখন আনি তোমাৰ হাতত দিব নোৱাৰোঁ
কিন্তু হেঁপাহ পলুৱাই মুকলিকৈ ডেউকা কোবাই
উৰিবলৈ দিব পাৰোঁ বিনা সংকোচেৰে।

মই তোমাক একোৱেই দিব নোৱাৰোঁ মোৰ
আত্মাটোৰ বাদে.....

এটা কথা দিব পাৰোঁ

শেষৰ টোপাল চকুলোৰ পাছত তোমাৰ ওঁঠতে
সদায় এটা হাঁহি হৈ ওমলিম
শেষৰটো গান শুনাৰ পাছত
এখিনি নিজান হৈ সদায়ে তোমাক আৱৰি ৰাখিম
বৰষুণৰ শেষত এছেৰেঙা ৰ'দ হৈ মই তোমাৰ
মুখত পৰিম।

ধুমুহা শেষৰ আবেলিবোৰত তোমাৰ দীঘল ছাঁত
জুমি চাবা।
মই থাকিম।



# নৈ কথা

প্ৰিয়াংশু প্ৰাঞ্জল

১।
নৈখনকো লগ এটা লাগে
শিলত কটা পুৰুষেই হওক
বা খেৰে মেৰিওৱা জুমুঠিয়েই হওক।

২।
বেলিয়ে যি ক'লে নৈক
তাকে থাপ মাৰি জেপত থ'লোঁ !

উশাহবোৰ ঘন হৈ ব'ঠাৰ আগ পালে
পানীবোৰ জী উঠিল !!

৩।
নাৰীৰ বুকুত ঘৰ
কোনে সাজিব পাৰে?
নৈৰ বাদে,
সোনোৱালী ঢৌ খেলি...

নদীৰ প্ৰেম, বেলিৰ প্ৰেম
সঁচা-মিছাৰ কিবা এটা !
নদী সঁচা, বেলি সঁচা
নাৰৰীয়াজন সঁচা....


৪।
গতিময় জীৱন নদীৰ দৰে
প্ৰাণময় যৌৱন বেলিৰ দৰে,
যৌৱন-জীৱন যেন বেলি আৰু নদী

৫।
যৌৱনৰ বেলিটো কাৰোবাৰ কপালত আছিল
নৈখনেই চাদৰ হৈ তেওঁক আৱৰিছিল।
প্ৰেমৰ কি যে মায়া
ঢলপুৱাতে বেলি জগা চোৱা
আবেলি নৈখন গৈ থকা....

৬।
নৈত উপঙে বেলি
উমলে জাকৰুৱা পখী
প্ৰেমে আনকো কৰি ৰাখে সুখী

আইমন অ',
আহ প্ৰেম কৰোঁ
নদীৰ বুকুত বেলিয়ে ঘৰ সজাৰ দৰে
তোৰ সেওঁতাটো ৰঙাকৈ আঁকো

(কবিতাটো বন্ধু অম্লানদ্বীপৰ সৈতে হোৱা এক নাটকীয় আড্ডাত সৃষ্টি হোৱা)



# ফাগুন

**শিৰাশীষ শৰ্মা**

এতিয়া আকৌ আহিব ফাগুন
মানে আদৰৰ ফাগুন
এইবাৰ ফাগুন অহা বাটে পলাশ ফুলিব
ফাগুনৰ শনিবৰীয়া আৰেলি এটাত
আদা-ইলাচিৰ সৈতে একাপ গাখীৰ চাহৰ জুতি লম
আপুনি উতনুৱা ফাগুনৰ পলাশ হৈ ৰ'ব
আৰু সেই ৰঙেৰে মই ৰাঙলী হম।।
ফাগুনৰ দূৰন্ত পছোৱাত সুহুৰিৰ সুৰ হৈ
আপুনি নাযাব
শিমলু ৰঙৰ দৰেই কলিজাটো ৰাঙলী কৰি
উশাহত শিপাই থাকিব ওৰে জীৱন ।।
এইবেলি ফাগুনত আহিম বুলি
যদি আপুনি কথা দিয়ে
আপুনি কোৱাৰ দৰেই আপোনাক বিচাৰি চাম
মোৰ সিৰাৰ স্পন্দনৰ মাজত।
ফাগুনৰ সন্ধিয়াটো মধুৰ কৰিবলৈ আহিব আপুনি
দিগন্ত বিদাৰী বৈ যাবলৈ ইচ্ছুক হব
মনৰ মাজৰ এহেজাৰ হেঁপাহ।।
নাজানো মই! হেঁপাহবোৰ ইমান গধুৰ কিয় ?
এটি ফাগুনৰ সন্ধ্যাত,
আপোনাক পোৱাৰ আপোনাক চোৱাৰ !

# শ্বহীদ বেদীৰ পৰা

**বিষ্ণু বৰা**

হে শ্বহীদ শতবাৰ প্ৰণামো তোমাক
মাজ নিশা আমি সাৰে আছো
পোহৰো যেন শুইছে আন্ধাৰত
শুব পৰা নাই
ক্ষমতাৰ ঘুণপোকে দেশৰ চাল কুটাৰ
শব্দত শুনিছো
নৈপৰীয়া হুমুনিয়াহ সাৰটি উচুপি উঠা
পাহাৰৰ আৰ্তনাদ
বিদেশীৰ ৰণচালিত
আপোন পঁজাতে ভৰিষ্যত গৃহহীন হোৱাটো
আমাৰ সপোনৰ অগোচৰ
আমাৰ সপোন আছিল
সমৃদ্ধিশালী শইচৰ
সোণাৰুৱঁী ভৰিষ্যতৰ
সেউজ ফুলোৱা পলসৰ
যাৰ বাবে অগ্নিত আহুতি দিলো বৰ্তমান
এতিয়া সপোনৰ মৰিশালিত দেও নাচিছে
ভোগ লৈছে
দুৰ্যোগ নেওচি আকাশলৈ চোৱা গজালিৰ
আমাৰ সন্তানে পোৱা নাই ভোকৰ ভাত
মৰহা গদ্যত সঞ্জীৱনী ঢলা চৰকাৰী মাত
কেনেকৈ আমি টোপনি যাম ?



এইখন আমাৰ জন্মভূমি
য'ত পাতিবলৈ আনন্দৰ দিপান্বিতা
আইৰ বুকু উদং কৰি
আমাৰ তেজেৰে জ্বলালো শলিতা
অথচ
আমাৰ শিলৰ সন্তানে
আমাৰ নামত আজি
দাপোনৰ সন্মুখত আখৰা কৰে
জিনিবলৈ ভাতৃৰ মাটিৰ হৃদয়
দুৰ্নীতিৰ আজি অমাৱস্যা
আমি শ্বহীদ বেদীৰ পৰা কৈছো,
জাগা অসমীয়া
আকৌ নতুন প্ৰভাত হ'ব
পুণ্যৱতী জননীৰ সন্তান
হাতত তুলি লোৱা হেংদাং।

# মানৱতাৰ সন্ধিক্ষণ

**অনুপম কলিতা**

মই তোৰ সপোন পূৰাব নোৱাৰিলো অ' মা
তই যে কৈছিলি
বোপাই, সদায় বটবৃক্ষৰ দৰেই হ'বি
যাৰ ছত্ৰছায়াত জিৰাব পাৰে সহস্ৰজনে,
নহলে পদুমৰ দৰে বোকাত জন্মি
চাৰিওফালে জাতিস্কাৰ হৈ পৰিবি।

দেউতাকো ক'বি
ইমান কৰ্তব্য আৰু দায়িত্বৰ আবেষ্টনীৰ মাজতো
প্ৰতিশ্ৰুতিৰে ভৰা চকুহালি মোক লৈ দেখা
সপোনবোৰো আধৰুৱা হৈ ৰ'ল।



তহঁতে সৰুতে শিকোৱা মানৱতা
নাই অ' দেউতা।
প্ৰত্যেক খোজে খোজে
হিংসা-প্ৰতিহিংসাৰ কাঁইটীয়া দলিছা।
ক্ৰমাৎ হেৰাইছে মানৱতা
চাৰিওফালে লাঞ্ছিতজনৰ হাঁহাকাৰ
শোষকৰ হাতোৰাত সাম্প্ৰদায়িকতাৰ তেজ
এইখন সমাজত কোনোবা আজি পতিতা
কোনোবা আকৌ ধৰ্ষিতা
ইহঁতবোৰ হেনো উন্নয়নৰ বিৱৰ্জিত আৱৰ্জনা।
এমুঠি অন্নৰ বাবে মুখলৈ চাই থকা
দৰিদ্ৰ কৃষকৰ আবেগ কোনোজনৰ বাবে
ৰাজনীতিৰ আহিলা।
অৱনমিত এই নৈতিকতা আৰু মানৱতাৰ মাজত
থাকিবনে সততাৰ শব্দ।
নে হৈ ৰ'ব নৈশব্দ।

# শ্বহীদ প্ৰণামো তোমাক

আকাশী গগৈ




কোনে কয়
তুমি নিঃশেষ হ'লা
তুমি আঁতৰি গ'লা
স্বদেশ স্বজাতি ৰক্ষাৰ বাবে কৰা
তুমুল সংগ্ৰামৰ পৰা
অকলে অকলে
গোপনে গোপনে
আজিও আছে তোমাৰ জয়গান
চলিছে স্বদেশ স্বজাতি ৰক্ষাৰ ৰণ
ডেকা-বুঢ়াৰ মুখত মাথোঁ
এটাই শ্ল'গান...... সংগ্ৰাম
মাথো সংগ্ৰাম
স্বদেশ স্বজাতি ৰক্ষাৰ বাবে।
মাতৃৰ উকা হৃদয়ে দিয়ে
তুমি নথকাৰ সাক্ষী
সংগ্ৰাম কৰি তুমি আঁতৰি গ'লা
জগতৰ প্ৰণয় নাশি...
এতিয়া তুমি নাই,
তথাপি অসমীয়া জাতিৰ শিৰাই শিৰাই
অসমীয়া জাতিৰ প্ৰতিবিন্দু তেজত
কেৱল তুমি
তুমি আৰু তুমি
হে' বীৰ শ্বহীদ
তোমাৰ আদৰ্শৰে জিলিকিছে
স্বদেশ স্বজাতিৰ নাম
সুউচ্চ আজি মাতৃৰ সন্তান।
শ্বহীদ প্ৰণামো তোমাক
এটি ভাষাহীন কবিতাৰে
এগছি পোহৰবিহীন বন্তিৰে
জনাচো শ্ৰদ্ধাঞ্জলী
তোমাৰ পূণ্যাত্মাই চিৰশান্তি লভক।।

**বি.দ্ৰ.ঃ** নাগৰিকত্ব সংশোধনী বিধেয়ক বিৰোধী আন্দোলনত শ্বহীদ হোৱা পাঁচজন ছাত্ৰৰ পৱিত্ৰ স্মৃতিত এই কবিতাটি উৎসৰ্গিত।

# ফাগুন

**সান্ত্বনা বৰা**



ফাগুন, মন উতলা কাৰ ফাগুন
হিয়াত মৃদু জোকাৰণি তোলা ফাগুন
ফাগুনৰ পছোৱা, পলাশ ফুলাৰ সময় ফাগুন
বিহুৰ বাতৰি দিয়ে, নিয়ে এই ফাগুনৰ পছোৱাই

ফাগুনৰ ধূলিয়ৰি বাটত
এটি পদচিহ্ন ৰৈ যায়
ফাগুনতো প্ৰত্যেকবাৰেই আহে
প্ৰত্যেকবাৰেই এইদৰে
ফাগুনৰ ধূলিয়ৰি বাটত
এটি এটি কৰি পদচিহ্ন ৰৈ যায়।

দৌল উৎসৱ, ফাকুৱা
এই ফাগুনতে আহে
লুগাওৰ ঐনিতমৰ এটি সুৰ
ৰিণি ৰিণি কৰি মোৰ কাণত বাজে
ফাকুৱাৰ, দৌলোৎসৱৰ ৰঙা ৰং
মোৰ হিয়াত ফাগুনেহে যে সানে।

ফাগুন, মন উতলা কৰা ফাগুন
হিয়াত মৃদু জোকাৰণি তোলা ফাগুন
মন-প্ৰাণ উন্মনা কৰা ফাগুন
মন-প্ৰাণ পুলকিত কৰা ফাগুন।

# মানৱতা আজি ক'ত

যতিন গগৈ



মেঘাচ্ছন্ন বৰ্ণিল আকাশৰ সীমনাত
উৰলা ৰামধেনুৰ আবেগ,
উদং কত নিচলা আইৰ বুকু
শুদা কত ভগ্নীৰ হৃদয়
ক্ষোভত জ্বলে এতিয়া ককাদেউতাৰ ৰঙা চকু।

নাই, এতিয়া মানৱতা নাই
হত্যা-হিংসা, বিদ্বেষ সকলোতে
মুখা পিন্ধা মানুহৰ অভাৱ নাই
খোজে প্ৰতি সংশয় জনতাৰ
সেই দিনা সন্ধিয়া চহৰলৈ যোৱা বকুলী
আজিলৈকে ঘূৰি অহা নাই।

নিষ্পেষিত জনতাক শাসকে শোষণ কৰে
ভাতৃয়ে সম্পত্তিৰ লালসাত
তেজৰ ফাকু খেলে
এয়াই আমাৰ সমাজ, নাই শান্তি য'ত
হায়, মানৱতা আজি ক'ত?

# মানৱতা

**পৰশ হাজৰিকা**

ভাল কাম সৎ গুণৰ
যদি তুমি হোৱা
বিপদত পৰা লোকক
যদি সহায় কৰা
ভোকাতুৰ লোকক
খাদ্য দিবা
অসুখত পৰা লোকক
লবা যত্ন
শজনে গুণ গাব
তোমাৰ মানৱতাক।



হিংসা আঁতৰি
অহিংসাক ল'বা আদৰি
সকলোকে নিজৰ
বুলি কৰিবা মৰম
দি যাব পাৰা যদি
মহৎ অৱদান
সকলোৱে গাব
তোমাৰ মানৱতাৰ গান
থাকিবা সত্যত
আনৰ কৰিবা উপকাৰ
কত যে আহিব মানুহ
কত যে মৰিব
যদিহে তোমাৰ মানৱতা
গুণ সত্য সৎ গুণৰ হয়
তোমাৰ মানৱতাৰ বাটত
ভাই ভনী সকলোৱে
আগুৱাব।

জীৱনটো সফল হ'ব
প্ৰকৃতিয়েও কৈ ৰ'ব
মানুহৰ মহৎ গুণ
মানৱতাই শ্ৰেষ্ঠ।।

# বসন্ত আহিছে



**দুলুমণি সন্দিকৈ**

ফাগুনে লঠঙা কৰা বিৰিখে
চতুৰা ৰ'দত এতিয়া,
গা-টঙাই উঠিছে।
বৰষুণে ধুই পেলোৱা পৃথিৱীয়ে এতিয়া
সেউজীয়া আভৰণ পিন্ধি,
ন-ৰূপে নিজকে সজাই তুলিছে।
ভৰ যৌৱনা প্ৰকৃতিৰ অপৰূপা ৰূপত
বিভোৰ হৈ,
কুলি, কেতেকীয়েও প্ৰাণ ঢালি
সুমধুৰ গীত জুৰিছে।
বৰহমথুৰি বুলোৱা চেনেহীৰ
দুটি ওঁঠ,
জেতুকা বুলোৱা দুখনি
হাতৰ ৰাঙলী বোলে, চেনেহীৰ মন উন্মনা কৰি তুলিছে।
সৌ দূৰৈৰ বৰৰ তলৰ
চেনাইৰ ঢোল-পেপাৰ
ৰিণিকি ৰিণিকি সুৰে,
আনন্দত মন চঞ্চলা কৰি তুলিছে।
আখলত খুড়ীদেউ, পেহীদেউৰ
হাঁহিৰ ৰোলে, বৰঘৰ কঁপাই তুলিছে।
তাঁতশালত মাকোৰ খিট্‌খিট্‌নি বাঢ়িছে।
হয় এইয়া বসন্ত আহিছে।
কুলি কেতেকীৰ সুৰীয়া মাতে,
বসন্ত অহাৰ জাননী দিছে।
চোতালৰ আগত ফুলি ৰোৱা
কপৌফুল কেইপাহেও.
বসন্ত অহাৰ বাতৰি দিছে।
হয়, এইয়া বসন্ত আহিছে।

# বসন্তৰ চিঠি

**দীপজ্যোতি বৰা**

বসন্তৰ কোমল বতাহজাকত
ন-কুঁহিয়ে মেঘালী চুলিটাৰি মেলে,
কুলিৰ সুঁৰদী মাতত যৌৱনৰ
লেলিহান শিখা উন্মাদনাত জ্বলে।।
যাৰ পৰশত, সপোনবোৰ হৈ পৰিছিল
হৃদয়ৰ ৰঙা দস্তাৱেজ।

হেঁপাহৰ বতাহজাকে ভগা কোঠালীৰে আহি
আৰ কাপোৰক নচুৱাই,
আচম্বিতে ৰঙা সূৰুযেও তাতে
তোৰ প্ৰতিচ্ছবি দেখুৱাই।।
আজি এখন ৰ'দালি চিঠি আহিছিল
"তই হেনো গামোচাত
মিচিকিয়া হাঁহিৰে বোল সানি ফুল বাচিছ ?"
অ'ই শুনচোন
বেয়া নাপাবি কথা এটা কওঁ,
এইবাৰ বিহুত ৰঙা ৰিহাযোৰ নিপিন্ধিবি
মোৰ এলান্ধুকলীয়া যৌৱনে দেখিলে
এই ৰঙ যে বিষাদৰ পাহৰি যাওঁ।।

অতীতক বাৰু পাহৰি যা
নতুন বছৰৰ শুভেচ্ছা যাচিলোঁ
ইতি-ফাগুনৰ সৰাপাত।




# বসন্ত

আকাশী গগৈ

ফাগুনৰ শেষৰটো নিশায়ো
বিদায় মাগিলে,
বসন্ত নিচেই কাষ চাপিলে।

কুলি-কেতেকীৰ প্ৰভাতী সুৰত
ন-কুঁহিপাতৰ সেউজী পৰশত,
গছৰ ডালত কপৌপাহিৰ প্ৰাণচঞ্চলা হাঁহিত
থমকি ৰৈছে মোৰ পদূলিত
বসন্ত।

গাঁৱৰ বৰতলত বিহুৰ আখৰা,
ৰিণিকি ৰিণিকি শুনিছো ঢোলৰ চেও।
ধনশিৰিপৰীয়া ডেকা-গাভৰুৰ থৌকি-বাথৌ মন
শুনচোন সৰুভনী, 'টঙালী এখন বৈ দিবি'
সৰুভনীৰ দুহাতত জেতুকাৰ বোল।



আয়ে বিহুৱান এখন বৰপুতেকলৈ বুলি
আৰু সাতামপুৰষীয়া ৰিহা-মেখেলাযোৰ
সৰু ভনীলৈ বুলি,
পুৰণি বৰপেৰাটোৰ তলত সযতনে সাঁচি থৈছে।

কোনোবা চেনায়ে চেনেহীৰ খোপাত
আলফুলে গুজি দিহে মৰমৰ কপৌপাহি।

বসন্ত সকলোতে বিয়পিছে
মনত,
বনত,
আৰু প্ৰতিজন অসমীয়াৰ
দেহত।।

# মোৰ দেউতা


**প্ৰিয়া শুৰ**




দেউতা! তিনিটি আখৰৰ সংমিশ্ৰণৰ
এটি মাথোন শব্দ নহয়।
ই এগৰাকী নিস্বাৰ্থ প্ৰেমিক
যাৰ আঁৰত লুকাই থাকে
হাজাৰ কষ্ট আৰু ত্যাগ।
হাজাৰ ধুমুহা নেওচি
বুকু ডাঠি আগুৱাই লৈ
যোৱাজনেই হ'ল
মোৰ দেউতা।
আমাৰ চকুৰ পানী মচি
নিজৰ শৰীৰৰ ঘাম
বোৱাই নিয়াজনেই হ'ল
মোৰ দেউতা।
বাৰিষাৰ বৰষুণ, গ্ৰীষ্মৰ তাপ
শীতৰ হাড় কঁপা জাৰ
সকলো আওকান কৰি
নিজৰ কৰ্ম পালন কৰোতাজনেই হ'ল
মোৰ দেউতা।
আৱেগ আৰু বিবেকৰ সতে যুঁজি
সকলোকে আগুৱাই লৈ যোৱাজনেই
মোৰ দেউতা।
আমাৰ হাঁহিতে, জীৱনৰ সুখ বোটলাজনেই
মোৰ দেউতা
সেই নিস্বাৰ্থ প্ৰেমিকজনেই
মোৰ দেউতা।

# হৃদয়ত থকা মৰম

**সুশীল বৰা**



হৃদয়ত থকা মৰম
তোমাৰ সেই মিঠা হাঁহি
তোমাৰ সেই মিঠা লগন।
তোমাৰ সেই অতি শুৱলা কথা।
তোমাৰ সেই সুন্দৰ চকুজুৰি
তোমাৰ সেই মৰমৰ হৃদয়খন।
তোমাৰ সেই জিলিকা ওঁঠটি
ওঁহ কিমান যে ক'ম,
ভাগৰে লাগিছে?
তোমাৰ সেই জিলিকা ওঁঠটি
দেখিলে এনে লাগে যেন,
স্পৰ্শ কৰিম।
কিন্তু কি কৰিম কোৱাচোন।
প্ৰকৃতিয়ে মোক কৰিছে তেনেকুৱা।
জীৱনৰ প্ৰতিটো স্তৰত তোমাক মনত পেলাওঁ
তুমি যদি ডাঙৰ হোৱা মই নুমলীয়া হওঁ।
তুমি যদি সঁচা প্ৰেমিক হোৱা
(মই)
তেন্তে মই জগতক বাদ দিম।
কোন হ'ব পাৰে সেইজন
হ'ব পাৰে পাঠক হ'ব পাৰে কবি....



# জীৱন

নেহা গড়


জীৱন যাত্ৰাৰ ৰংবোৰে
কি যে খেল দেখুওৱাই
কেতিয়াবা সুখ আহে
আৰু কেতিয়াবা দুঃখ
কোনেনো জানে আজি কি হ'ব
কালি কি হ'ব ?
সদায়ে নতুন নতুন এই
জীৱনৰ ৰাস্তা দেখুওৱাই
বাট বিচাৰি বিচাৰি যেন
কতবা হৈ পাওঁ
জীৱনৰ যাত্ৰাত।



# সপোনত তুমি

**নুৰিস্মিতা গগৈ**

মই যেতিয়া শুই যাম
তুমি আহিবা,
মোৰ কাষতে বহিবা
মৰমৰে তোমাৰ হাতেৰে
মোৰ মূৰত আলফুলেৰে
হাত বোলাই দিবা।
মই তেতিয়া গভীৰ
টোপনিত থাকিম,
তোমাৰ উপস্থিতিৰ
অনুভৱত বিলীন হৈ থাকিম,
তোমাক চুব খুজিও
চুব নোৱাৰিম।
মাতিব খুজিও মাতিব নোৱাৰিম,
তুমি লাহে-লাহে
মোৰ পৰা আঁতৰি যাবা,
মই অশেষ চেষ্টা কৰিলেও
ৰখাব নোৱাৰিম।
তুমি গুচি যাবাগৈ
আকৌ এবাৰ,
মই অপেক্ষা কৰি ৰম
আকৌ নিদ্ৰা অহালৈ
তুমি অহালৈ দেউতা।




# কোনে ৰাখিলে তোমাৰ নাম ?

**তেলিছ্মান পুলামী**

তুমি সৰু হ'ব পাৰা!
জন্ম তোমাৰ সৌ সিদিনা
কোনে ক'ব পৰা নাছিল।
তোমাৰ জনপ্ৰিয়তাত মুগ্ধ হৈ
সৰ্বাংগীন তোমাক
উচৰ্গা কৰিব বুলি।
তোমাক সকলোৰে আদৰি
আতিথ্য স্বীকাৰ কৰিছে আজিৰ সমাজে।
বহুগুণি প্ৰতিভা তোমাৰ বুকুত লৈ
প্ৰয়োজন সাপেক্ষে মানৱক
জ্ঞান বিলাইছা নিস্তব্ধতাৰে......।
তোমাৰ গুণগত শিক্ষাই আজি
মানৱৰ পৰা মহামানৱ হৈছে।
তোমাৰ কু-দৃষ্টিত প্ৰভাৰ পৰি
মহামানৱও পশু তুল্য হৈছে।
তোমাৰ অলৌকিক শক্তিয়ে
নিবিড় সমন্ধ গঢ়ি
ঘনিষ্ঠতা বৃদ্ধি কৰাৰ লগতে
আপোনজনক নিশ্চয়
কাষতে থিয় কৰাইছা।
তুমি এই যুগৰ মহান দুষ্প্ৰাপ্য
তুমি সকলোৰে জনপ্ৰিয়তা
কোনে ৰাখিলে তোমাৰ নাম
মোবাইল বুলি।

# লিমাৰিক

**আকাশী গগৈ**

**লিমাৰিক - ১**

ইলেকচনৰ আগত বৰ বৰ কথা
ইলেকচন জিকিলে সকলো বৃথা,
কণ্ট্ৰলৰ এটকীয়া পোক লগা চাউল,
ৰাস্তাত নপৰিল এটাও বালি-শিল
ৰাইজলৈ দিয়া আশা সকলো বৃথা।

**লিমাৰিক - ২**


আজিৰ ছাত্ৰক বোলে নালাগে জ্ঞান
নম্বৰৰ পাছত দৌৰাই মাথোঁ কাম,
মাকে কব, এশ নম্বৰ দিবি আনি,
বাপেৰে দিব বাইক কিনি.....
আজিৰ প্ৰজন্মৰ এয়াই ধ্বংসৰ প্ৰমাণ।

# লিমাৰিক

**পৰশ হাজৰিকা**

**(১)**

মাছৰ তেলেৰেই মাছ ভজাৰ মন
সেয়ে লৈছো মই যৌতুক লোৱাৰ পণ
কাম কৰো চৰকাৰী
ঘোচ খোৱা দৰকাৰী
বিয়াপাতি পাম কিছু ফকতীয়া ধন।



**(২)**

দিব টি.ভি, ফ্ৰীজ আৰু নিউ কাৰ
বিচাৰিছোঁ এনে ধনীক, এক জী যাৰ
বিয়া পাতি হ'ম সুখী
শহুৰো নহয় দুখী।
ক'লা নে বগা কইনা চিন্তা নাই তাৰ।

**(৩)**

সামাজিক মহাব্যাধি নামটি যৌতুক
কোৱানাই তোমাক মই কোনো কৌতুক
যৌতুকৰ আতংক
সমাজৰ কলংক
নকৰিবা দুখ তুমি কাকো অহেতুক।

# লিমাৰিক

**দীপশিখা ডেকা**

১

নামজ্বলা ডাক্তৰ তেওঁ মিষ্টাৰ শইকীয়া
গ্ৰহৰত্ন পিন্ধিবলৈ ঠাই আৰু নাইকিয়া
বৰদোৱাত বৰশৰাই
কামাখ্যাত পাৰ চৰাই
মজিয়াত পৰিল জেঠী, পাকঘৰত নাইপিয়া।



২

মহাৰাজ বাবৰৰ কফ, বাট বিষ গাত
সেনাপতিক চিঞৰিলে — 'কবিৰাজক মাত'
এজনেই কবিৰাজ
ভৱানী ভৰদ্বাজ
তেওঁৰ আকৌ অথন্তৰ খৰ খহু গাত।

৩

স্মৃতিবোৰে উক দিয়ে দেখিলে তোমাৰ হাঁহি
প্ৰতিনিশা শুনো মই সুৰ তুমি বজোঁৱা বাঁহী
তুমি দিলা আশাৰ পথাৰত কঠিয়া সিঁচি
জোনাকী কাৰেঙত সপোন ৰচি
প্ৰেম প্ৰেয়সী মই যেন সন্ধিয়াৰ এটি বালিমাহী।





# লিমাৰিক

**বিষ্ণু বৰা**

১

কিনো হৈছে দেশখনত চাৰিওফালে জুই
হিংসা বিদ্বেষৰ ফাঁকু কোনে দিলে ছটিয়াই
মাথোঁ হিংসাৰ দাবানল
আতংকিত জীৱন
কেতিয়ানো ফুলিব এই বধ্যভূমিত খৰিকাজাঁই।

২

নুসুধিবা তুমি মোৰ কি ধৰ্ম, কি জাতৰ
নহয় মই হিন্দু, খ্ৰীষ্টান, নহয় মুছলমানৰ
নাই মনত মোৰ
ঠেক গণ্ডীৰ ধৰ্মৰ
মানৱতা মোৰ ধৰ্ম, সন্তান মই মানৱৰ

৩

সৰুতে পঢ়িছিলো আমি সত্যৰ সদায় জয়
এতিয়াচোন অসত্যৰহে সকলোতে বিজয়
পেপাৰৰ হেডলাইন
মানৱীয় প্ৰমূল্যবোধৰ আজি পৰাজয়।

# লিমাৰিক

**যতীন গগৈ**

ভণ্ড নেতা, ভণ্ড শাসক কথাৰ ফুলজাৰি মাৰে
দুখীয়া জনতা, নিচলা মানুহক শোষণ কৰে,
ইলেক্সন আহিব, ভোট খুজিব এগাল প্ৰতিশ্ৰুতি দিয়ে
ক্ষমতা পালে কাকোৰেই নিচিনে কোনে কাক পাত্তা দিয়ে
গণতন্ত্ৰ আজি অৰ্থহীন বৰমূৰীয়াৰ ৰাজ চলে।



# আহিন

আকাশী গগৈ



আহিনৰ পদূলিত শেৱালী সৰিলে,
চোতালৰ দূবৰিত মুকুতা জিলিকে......

মেঘমুক্ত আকাশৰ জিলমিল জোনাকত
গাখীৰতী ধাননি হালি জালি নাচিছে
তোমাৰ আগমনে শীলত জাৰত দেহা কঁপাইছে

নিয়ৰেও সপোন দেখিছে
তোমাৰ বুকুৰ তপত উশাহত
দুৱৰিৰ সৈতে আলিংগন কৰাৰ......
শেৱালীৰ সুবাসে শৰতক আদৰিছে
শাৰদী আইও ধৰালৈ নামছে......

আহিনৰ পদূলিত শেৱালী সৰিলে,
চোতালৰ দূবৰিত মুকুতা জিলিকে......

দোকমোকালিত মোৰ পদূলিত
পৰি ৰয় আহিন
শেৱালীৰ সুবাস লৈ
বৈ যায় এখনি লৈ......।
মোৰ বুকুলৈ শৰতৰ বতৰা লৈ,
আকৌ আহে আহিন।

আহিনৰ পদূলিত শেৱালী সৰিলে,
চোতালৰ দূৱৰিত মুকুতা জিলিকে।।



# আহিন মহীয়া কঁহুৰা ফুলিলে

**প্ৰণতি হেমৰম**

আহিনমহীয়া কঁহুৰা ফুলিলে অ'
লুইতৰ পাৰতে হালিছে-জালিছে
লুইতৰ পাৰতে হালিছে-জালিছে
দুচকুত মিঠা হাঁহি লৈ ঐ ঐ
দুচকুত মিঠা হাঁহি লৈ।

আহিনৰ শেৱালি ফুল লৈ সৰিলে
নিয়ৰে চুমা দি গ'ল অ'
নিয়ৰে চুমা দি গ'ল
দুচকুত মিঠা হাঁহি লৈ ঐ ঐ
দুচকুত মিঠা হাঁহি লৈ।

সেউজীয়া ধাননি সঁজালে ধৰিলে
কৃষকৰ আশা পূৰণ হ'ল অ'
কৃষকৰ আশা পূৰণ হ'ল
দুচকুত মিঠা হাঁহি লৈ ঐ ঐ
দুচকুত মিঠা হাঁহি লৈ।

আহিনমহীয়া কঁহুৰা ফুলিলে অ'
লুইতৰ পাৰতে হালিছে-জালিছে
দুচকুত মিঠা হাঁহি লৈ ঐ ঐ
দুচকুত মিঠা হাঁহি লৈ।

# ৰম্য ৰচনা

বৰষা বড়া

এজনী দুজনীকৈ তিনিজনীক বিয়া পাতি ৰসেশ্বৰে ভাবিছিল — ৰজাৰ দৰে খাব, শুব আৰু হুকুম দিব। কিন্তু কালৰো কাল বিপৰীত কাল হৰিণাই চেলেকে বাঘৰ গাল। তিনিজনীয়ে ইজনীয়ে সিজনীক দিনটোত ইমানেই চুলি মৰ ঘটালি ওকণী চায় যে ওকণিৰ সলনি ৰসেশ্বৰেহে পলাই পত্ৰং দিয়ে। ঘৰত চাহপানী দিয়াৰ সম্ভাৱনা নেদেখি নবৌয়েকৰ ঘৰলৈকে গৈ চিঞৰি কয়, "অ' নবৌ, চাহত চেনী কমকৈ দিব, এহঃ আৰু গুৰু এচপৰাও আনি দিব।" নবৌয়েকে উপায়ন্তৰ হৈ আনি দিয়ে।

নবৌয়েক খুৰীয়েকৰ ঘৰৰ লগতে পেহীয়েকৰ ঘৰতো চাহ, ভাত মোকলোৱাৰ একেই পদ্ধতি। ৰসেশ্বৰৰ পেটৰ কেঁচু কুমতিয়ে নাচিলে ইদিনা ইঘৰত, সিদিনা সিঘৰত মাত লগাই কয়, অ' খুৰী, ভাততো আজি ইয়াতে খাম, অলপ আগতে বনাই থকা জিকাশাক অলপমানো দিব, ইমান ধুনীয়া গোন্ধাই আছে। অ' আপোনাৰ হাতেৰে বনোৱা শাক-ভাত অন্নপূৰ্ণাও পাট্টা নাপাব।" খুৰীয়েকে কয়, "ৰান্ধনিক উচতাই জোল খোৱাটো, ভালকে কিবা এটা ৰান্ধিলেও জাপ মাৰি আহি ওলাবহি, খা-খা বাৰু ভালকৈয়ে খা, পিছে আজি ঘৰত ভাত নিদিলে কিয় ? ৰসেশ্বৰে মাথো কয়, "আজি সিহঁতৰ মূৰবোৰৰ ওকণিৰ লগতে মূৰকেইটাও ঘটালি শেষ নহ'ব যেন পাইছো।

খুৰীয়েকে হাঁহিমুখেৰে কয়, বোলো তোৰ দেখোন সেই কথাযাৰিৰ নিচিনাহে দশা হ'ল —

এক তিৰী লোদোৰ পোদোৰ
দুই তিৰী গাঁতৰ এন্দুৰ
তিনি তিৰী নাপায় ভাত
চাৰি তিৰী মূৰত হাত।

কথাষাৰ জানো মিছা ?



**প্ৰবন্ধ ঃ** **বিষয় ঃ সমাজ**



# সাম্প্ৰতিক সময়ত স্বৰ্গদেউ চ্যুকাফাৰ আদৰ্শৰ প্ৰাসংগিকতা

**পাহাৰী গগৈ**

আজিৰ পৰা প্ৰায় ৮০০ বছৰ পূৰ্বে ত্ৰয়োদশ শতিকাৰ ১২২৮ খ্ৰীষ্টাব্দৰ ২ ডিচেম্বৰৰ দিনা সুদূৰ চীন দেশৰ য়ুনান প্ৰদেশৰ পৰা এখন নতুন ৰাজ্য প্ৰতিষ্ঠা কৰাৰ সপোন বুকুত বান্ধি আহোম ফৈদৰ ৰাজকোঁৱৰ চাওলুং চ্যুকাফাই পাটকাই পৰ্বত অতিক্ৰম কৰি সেই সময়ৰ সৌমাৰপীঠত পদাৰ্পন কৰিছিল। এখন নতুন দেশৰ সন্ধানত অহা টাই আহোম ফৈদৰ যুৱকজনে সংঘৰ্ষৰ পথ পৰিহাৰ কৰি সকলো স্থানীয় জনগোষ্ঠীক ভাতৃত্ববোধ আৰু মৰম চেনেহেৰে আঁকোৱালি লৈ 'সাতৰাজ সামৰি এক ৰাজ' কৰি বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰনেৰে 'বৰ অসম'ৰ ভেটি স্থাপন কৰিছিল আৰু এইদৰে তেওঁ অতি বিচক্ষণতাৰে আৰু কৌশলপূৰ্ণভাৱে সকলো জনগোষ্ঠীৰ মানুহক একত্ৰিত কৰি এখন নতুন ৰাজ্য গঠন কৰিবলৈ সক্ষম হৈছিল। 'টাই' গোষ্ঠীৰ লোকসকলৰ স্বভাৱ, চৰিত্ৰ তথা কৰ্মৰাজিৰ লগতে চ্যুকাফাই হাতত লোৱা উন্নয়নমূলক আঁচনি আৰু ৰাজকীয় কাম কাজত বাৰুকৈ সন্তোষিত হৈ থলুৱা বাসিন্দাসকলে চ্যুকাফাৰ লগত অহা 'টাই' জনগোষ্ঠীৰ লোকসকলক 'আও-হুম' বা 'আহোম' (অৰ্থাৎ এওঁলোকৰ সমান কোনো নাই) বুলি আখ্যা দিছিল। চ্যুকাফাই টাই আহোম, বৰাহী-কছাৰী, মৰাণ, চুতীয়া, মটক আদি বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণত সৃষ্টি কৰা নতুন জাতিটো 'আহোম' নামেৰে জনাজাত হৈ পৰৱৰ্তী কালত অসমীয়া জাতি নামেৰে পৰিগণিত হয়। সুদক্ষ প্ৰশাসক, বিচক্ষণ ৰাজনীতিবিদ স্বৰ্গদেউ চ্যুকাফা হৈছে বৃহত্তৰ অসমীয়া জাতিৰ শৌৰ্য-বীৰ্য আৰু সমন্বয়ৰ উজ্জ্বল পটন্তৰ। তেওঁ আহোমৰ প্ৰথমখন ৰাজধানী চহৰ চৰাইদেউক আটোমটোকাৰিকৈ সজাই তুলিছিলি। ৬০০ বছৰীয়া গৌৰৱোজ্জ্বল আহোম ৰাজত্বৰ প্ৰথমজনা স্বৰ্গদেউ চাওলুং চ্যুকাফাই ১২২৮ চনৰ পৰা ১২৬৮ খ্ৰীষ্টাব্দলৈ সুদীৰ্ঘ চাৰি দশক কাল নিজৰ সপোনৰ দেশ 'ম্যুং দ্যুন চুন খাম' (অৰ্থাৎ সোনালী শস্যৰ দেশ) শাসন কৰি ১২৬৮ খ্ৰীষ্টাব্দত ইহলীলা সম্বৰণ কৰে। চ্যুকাফাই দেখুৱাই যোৱা মহান আদৰ্শৰে পথ অনুসৰন কৰি পৰৱৰ্তী কালত ইন্দ্ৰবংশীয় আহোম স্বৰ্গদেউসকলে ৬০০ বছৰকাল মহাপৰাক্ৰমেৰে অসমত ৰাজত্ব কৰিছিল।

চাওলুং চ্যুকাফাৰ সন্দৰ্ভত বিশিষ্ট বুৰঞ্জীবিদ হিতেশ্বৰ বৰবৰুৱাই 'আহোম দিন' গ্ৰন্থত এইদৰে লিখিছিল — *"ন ভাত খাই নাকুৰি দেওৰ ওচৰৰ সৰু পৰ্বত খনিতেই চ্যুকাফাই নগৰ কৰি থাকিল। আত পাচে বৰাহীবোৰে আলচী শাকপাত খৰি যোগান দিবলৈ ধৰিলে আৰু বোলে ই সকল আনৰ বঙহৰ নহয়, দেও মানুহ বুলি যি কয় সেয়ে হয়।"*

চাওলং চ্যুকাফাই সেই আহোম ৰাজত্বৰ আধাৰ। তেওঁ জানিছিল ৰাজনীতি কি। আজিৰ ৰাজনৈতিক


দলবোৰে ভাগ ভাগ কৰি ক্ষুদ্ৰ স্বাৰ্থত ভোট বিভাজন কৰাৰ বিপৰীতে চ্যুকাফা আৰু আহোমৰ পৰৱৰ্তী স্বৰ্গদেউসকলে সকলোকে আকোঁৱালি লৈ বৃহৎ অসমীয়া জাতি আৰু বৰ অসম গঢ়িছিল। আহোম ৰাজ্য স্থাপন কৰাৰ বাবে তেওঁ যি ৰাজনৈতিক দক্ষতাৰ প্ৰমান দি গৈছে সেয়া সৰ্বকালৰ বাবে জিলিকি ৰ'ব।

কিন্তু পৰিতাপৰ কথা যে চ্যুকাফাই গঢ়া সেই বৰ অসম এতিয়া সংকটৰ গৰাহত। বৃহত্তৰ অসমীয়া জাতি আজি থানবান হৈ যোৱাৰ পথত। অসমীয়া জাতিক লৈ দেখা তেওঁৰ সপোনবোৰ যেন ক্ৰমাৎ ধূসৰ হৈ পৰিছে।

স্বৰ্গদেউ চ্যুকাফাই যেতিয়া কামৰূপ ৰাজ্যত প্ৰৱেশ কৰিছিল তেতিয়া ইয়াৰ বিস্তৃতি আছিল পশ্চিমে কৰতোৱা আৰু পূবে শদিয়া। ইয়াৰ উপৰিও গোৱালপাৰাৰ সমীপৱৰ্তী ৰংপুৰ জলপাইগুৰি আৰু ময়মনসিঙো এই কামৰূপ ৰাজ্যৰ অন্তৰ্ভূক্ত আছিল। চ্যুকাফাই এই কামৰূপ ৰাজ্যৰ বাসিন্দাসকলৰ মন জয় কৰিবলৈ সক্ষম হৈছিল। তেওঁ টাই মংগোলীয় ভাষা কৃষ্টি-সংস্কৃতিৰ লগত থলুৱা ভাষা-কৃষ্টি-সংস্কৃতিৰ সমন্বয় ঘটাত উৎসাহ যোগাইছিল। তেওঁ বুজি উঠিছিল যে এটা জাতিক আন এটা জাতিৰ ওচৰ চপাই আনিবলৈ হ'লে তেওঁলোকৰ মাজত ভাষা-কৃষ্টি- সংস্কৃতিৰ আদান-প্ৰদান হোৱাৰ লগতে এটা জাতিয়ে আনটো জাতিৰ ভাষা সংস্কৃতিক সন্মান জনাবই লাগিব। সেই গতিকে তেওঁ জোৰ কৰি ভূমিপুত্ৰসকলৰ ওপৰত টাই ভাষা সংস্কৃতি জাপি দিব বিচৰা নাছিল। তেওঁ বিচাৰিছিল সমন্বয়। এই দূৰদৰ্শী বদান্যতাৰ ফলতেই টাই ভাষাৰ ঠাইত এক নতুন সমন্বয়ৰ ভাষা 'অসমীয়া ভাষা' ৰাজকীয় ভাষা হৈ পৰিছিল। তদুপৰি তেওঁ সমসাময়িক অসমত ৰাজ্যশাসন কৰা মৰাণ, বৰাহী, কছাৰী, নগা, চুতীয়া আদি সকলো জাতি জনগোষ্ঠীক একত্ৰিত কৰি পৰস্পৰৰ মাজত বিবাহ আৰু খোৱা বোৱাৰ ব্যৱস্থা কৰি দিছিল। স্বৰ্গদেও গৰাকীৰ এই দূৰদৰ্শিতা আৰু বিচক্ষনতাৰ বাবেই তেওঁৰ ৰাজশাসন কাৰ্য সুচল হৈ পৰিছিল। তেওঁ এই কথা উপলব্ধি কৰিছিল যে অৰ্থনৈতিক সমতা অবিহনে জাতি-জনগোষ্ঠীসমূহক একত্ৰিত কৰি ৰখাটো সম্ভৱ নহয়। সেয়েহে তেওঁ প্ৰতিটো জাতি-জনগোষ্ঠীৰ অৰ্থনৈতিক স্বাৱলম্বিতাৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ সূচনা কৰা কৃষি পদ্ধতিয়ে অৰ্থনৈতিক ক্ষেত্ৰত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰিছিল। চ্যুকাফাৰ 'সাম্য আৰু মৈত্ৰী' নীতিয়েও সকলো জাতি-জনগোষ্ঠীক তেওঁৰ আনুগত্য স্বীকাৰ কৰাত সহায় কৰিছিল। তেওঁ জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলো জাতি জনগোষ্ঠীক একত্ৰিত কৰি বৃহত্তৰ অসমীয়া জাতি গঠন কৰি থৈ গ'ল।

চ্যুকাফাই সৌমাৰপীঠত ৰাজ্য প্ৰতিষ্ঠা কৰা আজি প্ৰায় ৮০০ বছৰ হ'ল। প্ৰায় ৬০০ বছৰ কাল আহোম ৰাজত্ব চলিল। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসম বৃটিছৰ অসমখন চূৰ্ণ-বিচূৰ্ণ হৈ এতিয়াৰ সৰু অসমখন হ'ল। এই ক্ষুদ্ৰ অসমখনত বসবাস কৰা জাতি-জনগোষ্ঠীৰ মাজত এতিয়া অবিশ্বাসৰ ভাৱে গা-কৰি উঠিছে। ৰাজনৈতিক স্বাৰ্থপৰতা, সামাজিক অসমতা, অৰ্থনৈতিক পেলাইছে। বিচ্ছিন্নতাবাদে গা কৰি উঠিছে অসমত। জাতি-বৰ্ণ-ধৰ্মৰ নামত হোৱা ৰাজনীতিয়ে বৃহত্তৰ অসমীয়া জাতিটোকে ভাঙি থানবান কৰিছে। বিদেশীৰ আগ্ৰাসনত খিলঞ্জীয়া লোকসকল ভগনীয়া হোৱাৰ উপক্ৰম হৈছে। খিলঞ্জীয়াসকলৰ অধিকাৰ ৰক্ষাৰ বাবে আন্দোলন হৈছে। এতিয়া এনে এটা সময় আহি পৰিল অসমীয়াৰ সংজ্ঞা নিৰ্ধাৰণ কৰাৰ। অসমীয়া কোন ? কাৰ অধিকাৰ সুৰক্ষিত হ'ব ইয়াক লৈও ৰাজনীতি আৰম্ভ হৈছে। অৰ্থনৈতিক অনগ্ৰসৰতাই ৰাজ্যখনক কোঙা কৰি পেলাইছে। নিবনুৱা সমস্যা, উগ্ৰপন্থী আদিকে ধৰি এশ এবুৰি সাংস্কৃতিৰ ক্ষেত্ৰত দেখা গৈছে বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত অসহিষ্ণুতাৰ ভাৱ।

অসমৰ এনে এক পৰিস্থিতিত চ্যুকাফাৰ ৰাজনৈতিক দৰ্শন তথা আদৰ্শ পুনৰাই আলোচনা কৰাৰ প্ৰয়োজন আহি পৰিছে। অসমীয়া কেৱল এটা জাতি নহয়, ই বিভিন্ন জাতি-জনগোষ্ঠীৰ সন্মিলিত এক বৃহত্তৰ জাতিসত্বা। এনে এক বৃহত্তৰ জাতিসত্বাক আগুৱাই নিব পৰাকৈ চ্যুকাফাৰ দৰে দূৰ দৃষ্টি সম্পন্ন দাৰ্শনিক ৰজাৰ (দাৰ্শনিক নেতৃত্বৰ) খুবেই প্ৰয়োজন আজিৰ অসমত। ন্যায়, সমতা, ভ্ৰাতৃত্ববোধ কেৱল সংবিধানৰ ভাষা হ'লে নহ'ব। ই সঁচা অৰ্থত বাস্তৱয়িত হ'ব লাগিব। কেৱলমাত্ৰ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ বাবে নহয় প্ৰকৃত অৰ্থত জনকল্যানমূলক আঁচনি গ্ৰহণ কৰিব লাগিব। কৃষি প্ৰধান ৰাজ্যখনৰ কৃষিৰ উন্নতিৰ বাবে উন্নত কৃষি আঁচনিৰ খুবেই প্ৰয়োজন আজিৰ অসমত। আহোমৰ দিনৰ সকলো ক্ষেত্ৰতে স্বাৱলম্বী অসমীয়া জাতিটো আজি নিষ্কৰ্মা হ'ল। আমি প্ৰত্যেকেই স্বাৱলম্বীতাৰে ৰাজ্যখনৰ অৰ্থনৈতিক বুনিয়াদ গঢ়িব লাগিব। ৰাজনৈতিক ন্যায়, অৰ্থনৈতিক তথা সামজিক সমতা, ভাষা- কৃষ্টি- সংস্কৃতিৰ উন্নতিৰ জৰিয়তে অসমীয়া জাতিক আগুৱাই নিবলৈ চ্যুকাফা আমাৰ আদৰ্শ হিচাপে থিয় দি আছে। মাত্ৰ আমাৰ অসমীয়াৰ আত্মসমালোচনা আৰু জাতিটোক নেতৃত্ব দিয়া নেতাসকলৰ দূৰদৰ্শিতাৰ প্ৰয়োজন। তেতিয়াহে পুনৰ অসমীয়া জাতিৰ শৌৰ্য-বীৰ্য প্ৰতিষ্ঠা হ'ব। অন্যথা অসমীয়া এক পংগু জাতি হিচাপে জীয়াই থাকিব লাগিব বিশ্ব সমাজত। শেষত ড° ভূপেন হাজৰিকাৰ ভাষাৰে ক'বলৈ গ'লে - *"বিশ্বৰ শৰীৰত পংগু অংগ হ'লে বিশ্বই জানো ভাল পাব পৃথিৱীত জননী সচেতন নহ'লে প্ৰাপ্যও থিতাতে হেৰাব।"*

# বিজ্ঞান, অন্ধবিশ্বাস আৰু একবিংশ শতিকাৰ অসমীয়া সমাজ ঃ এক সমাজতাত্বিক চিন্তা

**কৃষ্ণ কোঁৱৰ**

বৰ্তমান সময়ত সমগ্ৰ বিশ্বই বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত আকাশচুম্বী সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। বিজ্ঞানৰ নিত্য নতুন আৱিষ্কাৰে মানৱ সমাজক স্তম্ভিত কৰি তুলিছে। বিজ্ঞানৰ চমকপ্ৰদ উদ্ভাৱনে সমগ্ৰ বিশ্বক নতুন দিগন্তৰ সন্ধান দিয়াৰ বিপৰীতে বিশ্বত এতিয়াও এনে কিছুমান সমাজ আছে যিয়ে বিজ্ঞান আৰু বৈজ্ঞানিক দৃষ্টিভংগী বিকাশত হেঙাৰ হিচাপে থিয় দিছে। যুক্তিবাদী সমাজ গঢ় লোৱাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা কাৰকসমূহৰ ভিতৰত অন্ধবিশ্বাস হৈছে অন্যতম।

অন্ধবিশ্বাস বুলি কলে সাধাৰণ অৰ্থত বৈজ্ঞানিক দৃষ্টিভংগী অবিহনে যুক্তিহীনভাৱে মানি লোৱা বিশ্বাস তথা পৰম্পৰাকে বুজা যায়। অন্ধবিশ্বাস হৈছে লোকবিশ্বাসৰে এক অংগ। অন্ধবিশ্বাস সম্পৰ্কে The Oxford english Dictionary' ত উল্লেখ কৰিছে— *"It is an irrational or unfounded belief in general."* মনস্তত্ত্ববিদ Gustar Johoda ৰ গ্ৰন্থ "The Psychology of superstition" ত উল্লেখ কৰিছে যে *"At any rate, hereafter the word superstition will be used in the sense the kind of belief and action that a reasonable man in present day western society would regard as being supertition."* ঠিক একেদৰেই 'হেমকোষত' অন্ধবিশ্বাস সম্পৰ্কে এইদৰে উল্লেখ কৰিছে — *কণাৰ দৰে, অৰ্থাৎ বিবেচনা নকৰাকৈ কৰা বিশ্বাস।* গতিকে ক'ব পাৰি যে অন্ধবিশ্বাস হৈছে সমাজত প্ৰচলিত এক লোক-বিশ্বাস যাৰ কোনো বৈজ্ঞানিক ভিত্তি নাই বা বিজ্ঞানসন্মতভাৱে গ্ৰহণযোগ্যহীন বিশ্বাস।

বিশ্বৰ প্ৰায়বোৰ সমাজতে অতীজৰে পৰা পৰম্পৰাগতভাৱে কিছুমান লোকবিশ্বাস পালন কৰি অহা দেখা যায়। এইবোৰৰ সীমিত সংখ্যকৰ বৈজ্ঞানিক ভিত্তি কিছু আছে যদিও অধিকাংশই অন্ধবিশ্বাসৰে অংশ। ভাৰতীয় সমাজৰ লোকসকলৰ মাজতো বহু পৰিমানে এনে লোকবিশ্বাস প্ৰচলন হৈ আহিছে যিবোৰৰ গৰিষ্ঠ অংশকে অন্ধবিশ্বাস আখ্যা দিব পাৰি। এনে পুৰণিকলীয়া যুক্তিহীন বিশ্বাসে দেশ আৰু সমাজৰ প্ৰগতিত বাধাৰ সৃষ্টি কৰি অৰ্থনৈতিক উন্নয়নৰ পথ স্থবিৰ কৰি তোলে। বিভিন্ন জাতি জনগোষ্ঠীৰে ভৰা অসমৰ লোকসকলৰ মাজতো এনে কিছুমান অন্ধবিশ্বাস পৰম্পৰাগতভাৱে চলি আহিছে যিয়ে অসমীয়া সমাজৰ গৰিষ্ঠসংখ্যক লোকৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ় লোৱাত প্ৰত্যাহ্বান হিচাপে দেখা দিছে।

আদিম সমাজৰ মানুহৰ অজ্ঞতা আৰু অসহায় অৱস্থাৰ পৰাই সমাজত অন্ধবিশ্বাসৰ জন্ম হোৱা বুলি ধাৰণা কৰিব পাৰি। পৰৱৰ্তী সময়ত বহু হাজাৰ বছৰৰ বিৱৰ্তন তথা পৰিৱৰ্তনৰ ফলস্বৰূপে অন্ধবিশ্বাসৰ ৰূপ কিছু সলনি হ'ল তথা নতুন নতুন কিছুমান অন্ধবিশ্বাসৰ জন্ম হ'ল। পুৱাই দৈনিক ৰাশিফল পঢ়ি দিনটোৰ আৰম্ভ কৰা বহুলোকে

এতিয়াও বতাহ ধুমুহাৰ পৰা ৰক্ষা পাবলৈ আদিম অসহায় মানুহৰ দৰে নাহৰৰ পাতত সংস্কৃতৰ শ্লোক লিখি অট্টালিকাৰ চুকত গুজি থোৱা একবিংশ শতিকাৰ লোকসকলৰ বিশ্বাস পৰম্পৰাগত মানসিকতাৰে ফলশ্ৰুতি। অসমীয়া সমাজ জীৱনৰ লগত সততে সংপৃক্ত হৈ বহু অন্ধবিশ্বাস আছে যদিও তাৰে কিছুমানৰ বিষয়ে চমুকৈ আলোচনা কৰা হৈছে যিবোৰে আমাৰ সমাজৰ সবল অৰ্থনৈতিক ভেটি গঢ় দিয়া প্ৰত্যাহ্বান হিচাপে থিয় দিছে।

অসমীয়া সমাজত এনে বিশ্বাস আছে যে ৰাতিপুৱা শুই উঠি যদি খালী পাত্ৰ দেখে তেন্তে দিনটো শুভ নহব বুলি বিশ্বাস কৰে। ঠিক সেইদৰে যাত্ৰা কৰিবলৈ ওলাই যাওঁতে সন্তানহীন বা স্বামীহীন মহিলাৰ মুখামুখি হ'লে যাত্ৰা সফল নহ'ব বুলি বিশ্বাস কৰে অথবা কেতিয়াবা যাত্ৰা বাতিলো কৰে। এনেধৰণৰ অন্ধবিশ্বাস মাত্ৰ হাস্যকৰে নহয় মানসিক দৈন্যতাৰো পৰিচয়। ঠিক একেদৰেই বৰষুণ আনিবৰ বাবে ভেকুলীৰ বিয়া পতা, ফেঁচাই নিউ নিউ কৰিলে বা বাৰীত শিয়াল-শগুন প্ৰৱেশ কৰিলে গৃহস্থৰ বাবে অশুভ তথা বিপদৰ সংকেত বুলি গণ্য কৰা বিশ্বাসো বৈজ্ঞানিক মানসিকতাৰ পৰিপন্থী। যাত্ৰা কালত পথেদি মেকুৰী অতিক্ৰম কৰিলে যাত্ৰা নষ্ট হয় বা বিপদৰ আগজাননী বুলি আমাৰ সমাজৰ অজ্ঞ বিদ্বান সকলে সগৌৰৱেৰে বিশ্বাস কৰে। অৱশ্যে এইক্ষেত্ৰত মেকুৰীটো ৰঙেও বিপদৰ পৰিমান কিমান হ'ব তাক নিৰ্দ্ধাৰণ কৰে। ইয়াৰ পৰা বিপদমুক্ত হোৱাৰ উপায় হিচাপে বহুতেই বাহনখন ৰখাই পুনৰ ষ্টাৰ্ট দি যাত্ৰা আৰম্ভ কৰে। যঁজা তামোল বা তেনে ফল খালে যমজ সন্তান জন্ম হয় বুলি বিশ্বাস কৰা অসমীয়া সমাজৰ লোকসকলে এনে মানসিকতা ত্যাগ নকৰিলে বৈজ্ঞানিক দৃষ্টিভংগী উত্তৰণ কেতিয়াও সম্ভৱ নহয়।

নানা ধৰণৰ বৰ্জন-সংযোজনৰ মাজেৰে বিকশিত হোৱা অন্ধবিশ্বাসসমূহ অহৰহ কম্পিউটাৰত বিশ্ব চলাথ কৰি থকা যুৱক-যুৱতীসকলেও স-সন্মানে গ্ৰহণ কৰা দেখা যায়। সাৰ-জাৰৰ দিয়া সত্বেও ফল নিদিয়া অমিতাজোপাক ফটা মেখেলা বান্ধি ফল লাভৰ আশাত বন্দী অসমীয়া লোকসকল পশ্চিমীয়া সমাজতকৈ কিমানগুণ আৰু কিমান বছৰ পিছপৰি থাকিব সেয়া সহজে অনুমেয়। একবিংশ শতিকাৰ মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া ভূত দেখিবলৈ আৰম্ভ কৰে তেতিয়াই অন্ধবিশ্বাসে আৰু উৎসাহেৰে গতি কৰি সমাজৰ অধিকাংশ লোককে গ্ৰাস কৰিবলৈ চেষ্টা কৰে। সমাজ নৃতত্ববিদ মেক্সমূলাৰৰ প্ৰকৃতিবাদ সিদ্ধান্তক আজিও জীয়াই ৰাখিবৰ বাবে অসমৰ লোকসকলে শিল, নদী, চন্দ্ৰ-সূৰ্য্য, পাহাৰ-পৰ্বত আদিক সগৌৰৱে পূজা-অৰ্চনা কৰে। ঠিক একেদৰেই ৰক্ত প্ৰবালৰ মুকুতা পিন্ধি শনি-ৰাহু-কেতুৰ পৰা পৰিত্ৰাণ পাবলৈ চেষ্টা কৰা যুৱক-যুৱতীও অসমত সুলভ। উপযুক্ত চেষ্টা আৰু কষ্টৰ অবিহনে সফল নহৈ ভাগ্য বা কপালক দোষ জাপি দিয়া লোকসকলৰ এনে মানসিকতাই আমাৰ সমাজখনক কিমান কৰ্মোদ্যমী কৰিব তাক স্পষ্টৰূপত ধাৰণা কৰিব পাৰি।

দুৰ্যোগ আৰু দুৰ্ঘটনাৰ ভয়ত মানুহ বেছিকৈ অন্ধবিশ্বাসী হৈ পৰা দেখা যায়। বিশ্বকৰ্মাক ধ্যান কৰি বাহন চলোৱা, নতুনকৈ বাহন কিনি সেন্দুৰৰ ফোট দি অপায় অমঙ্গল দূৰ কৰিবৰ বাবে পূজা কৰা, বাহন ষ্টাৰ্ট কৰি ষ্টিয়েৰিং ডালত সেৱা কৰা আদিবোৰ প্ৰধানকৈ দূৰ্ঘটনাৰ লগত জড়িত অন্ধবিশ্বাস। এনেধৰণৰ বিশ্বাসসমূহ পালন কৰিও যেতিয়া দূৰ্ঘটনাত পতিত হয় তেতিয়া ছাগৈ তেওঁলোকৰ সেই বিভাগৰ দেৱতাজনলৈ কিছু পৰিমাণে বিশ্বাস কমি যায়। সঁচাকৈয়ে আমাৰ সমাজৰ লোকসকলৰ চিন্তাৰ পৰিসৰ বৃদ্ধি হ'বলৈ আজিও বহুদূৰ।

ভূত-প্ৰেতৰ বিশ্বাসৰ ক্ষেত্ৰতো অসমীয়া সমাজ যথেষ্ট আগবঢ়া। সাধাৰণ অসুখ-বিসুখত বেজ মাতি অপদেৱতা খেদোৱা সৰিয়হ আৰু জলকীয়াৰ দ্বাৰা ভূত খেদোৱা, মৃত আত্মাক সন্তুষ্ট কৰিবলৈ পূজা অৰ্চনা কৰা, ভূত বা অপদেৱতাই লম্ভিলে বুলি তাবিজ তথা ৰচী লোৱা আদিবোৰ অসমীয়া সমাজৰ এৰাব নোৱাৰা অন্ধবিশ্বাস। কোনো কোনো লোকে আকৌ নৰবলি দিয়ো নিজক বিপদৰ পৰা মুক্ত কৰাৰ চেষ্টাৰ উদাহৰণ অসমত বিৰল নহয়। বৰ্তমান সময়ত বহুতেই আকৌ ভূত আৰু ভগৱান ভিত্তিক ছবি নিৰ্মাণ কৰি জনপ্ৰিয় অন্ধবিশ্বাসবোৰ বাণিজ্যিক লাভৰ বাবে ব্যৱহাৰ কৰা দেখা গৈছে। ধৰ্মীয় স্থানসমূহো ভাৰত তথা অসমত ক্ৰমান্বয়ে বাণিজ্যিক কেন্দ্ৰলৈ ধাৱমান হৈছে। এনেবোৰ কাৰণতেই সম্ভৱ স্বাধীনতাৰ অমৃত মহোৎসৱৰ সময়লৈকে ভাৰত আৰু অসমবাসীয়ে অনুন্নত অৰ্থনৈতিক অৱস্থাৰ সৈতে সহৱস্থান কৰিব লগা হৈছে। সাপে খুটিলে চিকিৎসকৰ ওচৰলৈ যোৱা মানুহতকৈ বেজৰ ওচৰলৈ যোৱা মানুহ যেতিয়ালৈকে অধিক থাকিব, ছাগলী বিক্ৰী কৰি পোৱাৰ টকাৰে চিকিৎসকৰ ওচৰলৈ যোৱা ব্যক্তিতকৈ যেতিয়া ছাগলী বলি দি ৰোগ নিৰাময়ৰ বাবে ভগৱানক কাতৰ কৰা লোক অধিক হ'ব, কৰ্ম অবিহনে শৰাই-মাহ প্ৰসাদ উপঢৌকন হিচাপে ভগৱানক আগবঢ়াই যেতিয়া সফল হোৱাৰ বাবে কাতৰ কৰা ব্যক্তি বৃদ্ধি হ'ব তেনে প্ৰেক্ষাপটত অসমীয়া সমাজৰ উৰ্দ্ধমুখী যাত্ৰা কিমান হ'ব সেয়া সহজে অনুমেয়। অনুশীলন অবিহনে খেলুৱৈয়ে খেলপথাৰ স্পৰ্শ কৰি প্ৰৱেশ কৰিলেও সফল হোৱাৰ সম্ভাৱনা যিদৰে ক্ষীন ঠিক একেদৰেই প্ৰতিযোগী শিল্পীয়ে মঞ্চক সেৱা কৰি অনুষ্ঠান পৰিৱেশন কৰিলেও পুৰস্কাৰ পাবৰ বাবে যে নিয়মীয়া অনুশীলনৰ প্ৰয়োজন সেই সম্পৰ্কে জ্ঞাত হ'ব লাগিব। নিয়মীয়াকৈ অধ্যয়ন নকৰা ছাত্ৰ-ছাত্ৰীয়ে সৰস্বতী পূজাত দামী ধূপ-চাকি জ্বলায় পূজা কৰি পৰীক্ষাহলত প্ৰশ্নকাকতখন সেৱা কৰি বিপদমুক্ত হ'বলৈ কৰা চেষ্টা কিমান সফল হ'ব সেইয়া তেওঁলোক নিশ্চয়কৈ জ্ঞাত। এনে প্ৰেক্ষাপটত অসম তথা অসমীয়াৰ মানসিক দৃষ্টিভংগীৰ


গভীৰতা অতি স্পষ্ট।

আত্মাত গভীৰ বিশ্বাসী আমাৰ সমাজৰ লোকসকলে আত্মা বুলি বিশ্বাস কৰে। অতীজৰে পৰা আত্মাবাদী সমৰ্থকসকলে বিশ্বাস কৰে যে আত্মা মৃত্যুৰ পাছত ধোৱাৰ দৰেই ওলাই যায় আৰু জীৱনকালত যদি সৎকৰ্মত ব্ৰতী হৈছিল তেন্তে ঈশ্বৰ প্ৰাপ্তি বা পৰমাত্মাৰ সাক্ষাৎ পাব পাৰি। অন্যথা নৰক যাত্ৰা কৰি শাস্তিৰ সন্মুখীন হ'ব লগা হয়। ধোৱাৰ দৰে শৰীৰৰ পৰা ওলাই যোৱা আত্মাৰ পৰা যি ধুঁৱলী-কুঁৱলী অৱস্থা সৃষ্টি হ'ব লাগে তেনে দৃশ্য কিন্তু দুৰ্ঘটনাত পতিত বাহন এখনৰ সকলো যাত্ৰীৰ মৃত্যু হ'লেও দেখা নাযায়। হয়তো আত্মাৰ সম্পৰ্কেও ই এটা প্ৰচলিত অন্ধবিশ্বাস। কোনো কোনো জনগোষ্ঠীয়ে পৰিয়ালৰ সদস্যৰ মৃত্যু হলে শ্মশানলৈ নিওঁতে অকোৱা-পকোৱা বাটেৰে নিয়ে যাতে আত্মাটো পুনৰ ধূৰি আহি তেওঁলোকক অসুবিধাৰ সৃষ্টি কৰিব নোৱাৰে। সেইদৰে আত্মাৰ আক্ৰমনৰ পৰা ৰক্ষা পাবলৈ আমাৰ কিছুমান জনজাতীয় সমাজত সম্পৰ্কীয় লোকসকলে নানা ৰঙ মুখত সানি নিজকে লুকুৱাই ৰাখিবলৈও যত্ন কৰিছিল। হিন্দুসকলৰ মাজত প্ৰচলিত 'চুলি খুৰোৱা' বিশ্বাসটোও আত্মাৰ কৱলৰ পৰা বাচি থাকিবলৈ আমাৰ উপৰিপুৰুষে গ্ৰহণ কৰা এক আদিম কৌশল যাক অন্ধবিশ্বাসৰে অংশ বুলি বহু সমাজ-নৃতত্ববিদে ধাৰণা কৰিছে। কোনো মৃত ব্যক্তিক যদি সপোনত দেখা পোৱা যায় সেয়া মৃত ব্যক্তিজনৰ আত্মাই বিচৰণ কৰি ফুৰা বুলি বিশ্বাস কৰে তথা তেনে আত্মাক সন্তুষ্টি প্ৰদানৰ বাবে পূজা পাতলো কৰা দেখা যায়। একেদৰেই পৰিয়ালৰ কোনো সদস্যৰ চেহেৰা যদি উপৰিপুৰুষৰ চেহেৰাৰ সৈতে সাদৃশ্য থাকে তেন্তে তেওঁৰ আত্মাই পুনৰ জনম লোৱা বুলিয়েই বেছি সংখ্যক লোকে বিশ্বাস কৰে। এইক্ষেত্ৰত 'জিন'ৰ প্ৰভাৱ আৰু 'বংশগতি'ৰ ধাৰণাটোৱে বহু দূৰতেই অৱস্থান কৰিব লগা হয়। ইয়াৰ উপৰিও আমাৰ সমাজৰ বহুতো লোকে নিজৰ সন্তানৰ অসুখ ঘনাই হৈ থাকিলে মৃত ব্যক্তি বা উপৰিপুৰুষৰ আত্মাৰ প্ৰভাৱ বুলিয়েই বিশ্বাস কৰি উপযুক্ত চিকিৎসা নকৰি বেলেগলৈ বিক্ৰী কৰা অভিনয় কৰি তেনে আত্মা বা অপদেৱতাক মতিভ্ৰম কৰিবলৈ চেষ্টা কৰা বিশ্বাসো বিৰল নহয়। ৰোগৰ লগত জড়িত অন্ধবিশ্বাসৰ বাবে অসমত দৈনিক বহুলোকৰ মৃত্যু হয়। এক সমীক্ষা অনুসৰি উপযুক্ত তথা বিজ্ঞানসন্মত চিকিৎসাৰ অভাৱত ভাৰতবৰ্ষত দৈনিক ২৪ হাজাৰৰো অধিক লোকৰ মৃত্যু হয়। ইয়াৰ মূলতে পৌৰাণিক লোকবিশ্বাস তথা অন্ধবিশ্বাস।

বৰ্তমান তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বই আগুৱাই গৈছে। তথ্য প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ এই সন্ধিক্ষণতো আমাৰ সমাজখনক পুৰণিকলীয়া অন্ধবিশ্বাসে আজিও গ্ৰাস কৰি ৰাখিছে। আজিও ৰ ৰ নামৰ অত্যাধুনিক প্ৰযুক্তিসম্পন্ন জাহাজেৰে যোৰহাটৰ নিমাতী ঘাটৰ পৰা মাজুলীৰ কমলাবাৰী বা অফলামুখ ঘাটলৈ পাৰাপাৰ হোৱা যাত্ৰীসকলে যাত্ৰাৰ সময়ত অপায় অমঙ্গল নহবৰ বাবে ব্ৰহ্মপুত্ৰৰ বুকুত ধাতুৰ মুদ্ৰা বা কাগজী নোট পেলাই দিয়া দেখা যায়। ই এখন দেশৰ অৰ্থনীতিৰ বাবে কিমান ক্ষতিকাৰক হ'বপাৰে সেইয়া অসমীয়া লোকসকলে উপলব্ধি কৰা উচিত। যি সময়ত ছফিয়া নামৰ ৰবট সাজি এটা হংকঙৰ কোম্পানীয়ে কৃত্ৰিম বুদ্ধিমত্ৰাৰ প্ৰদান কৰি সমগ্ৰ বিশ্বক চমক দেখুৱাইছে ঠিক তেনে সময়তে 'ডাইনী হত্যাৰ' দৰে অন্ধবিশ্বাসে অসমক ছানি ধৰিছে। এই বিশ্বায়নৰ যুগত তথ্য প্ৰযুক্তিৰ নিত্য নতুন আৱিষ্কাৰে পৃথিৱীখনক সৰু গাঁৱলৈ ৰূপান্তৰ কৰাৰ সময়তে উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণ কৰিবলৈ বেজে জাৰি দিয়া ৰচী পিন্ধা লোকো অসমত অতি সুলভ। মঙ্গল গ্ৰহত বাস কৰিবলৈ বিশ্ববাসীয়ে যো-জা কৰাৰ সময়ত আমাৰ অসমত যাত্ৰাৰ ক্ষেত্ৰত শনিবাৰ-মঙ্গলবাৰ বিচাৰ কৰা, পূৰ্ণিমা-আউসী, একাদশীত কৃষিকাৰ্যৰ পৰা বিৰত থকা অথবা মংগল চোৱাই কোনো শুভকামৰ আৰম্ভ কৰা আদি চিন্তাবোৰ পৰিৱৰ্তন হ'বলৈ আজিও বহুদূৰ। ধৰ্ম আৰু বিশ্বাসৰ নামত থকা এনেবোৰ পৰম্পৰাই আমাৰ দুৰ্বল, মুক্তিহীন তথা পুৰণিকলীয়া দৃষ্টিভংগীকেই প্ৰতিফলিত কৰে।

অন্ধবিশ্বাস সমাজৰ বিকাৰস্বৰূপ। ইয়াক প্ৰতিকাৰ কৰিব নোৱাৰিলে আমিবোৰ বিশ্ববাসীৰ লগত হাত মিলাই আগবাঢ়ি যাম বুলি ভবাৰ ধাৰণাটো অলীক কল্পনা মাথো। একবিংশ শতিকাতো অসমীয়া সমাজ আৰু সভ্যতাত প্ৰাচীৰ ৰূপে থিয় দিয়া এনেবোৰ অন্ধবিশ্বাস আমি ত্যাগ কৰিবই লাগিব। এখন সুস্থ সবল তথা প্ৰগতিশীল সমাজ গঢ় দিবৰ বাবে আমাৰ মানসিক দৃষ্টিভংগীৰ যথেষ্ট পৰিৱৰ্তনৰ প্ৰয়োজন আছে। বৈজ্ঞানিক দৃষ্টিভংগী তথা বিশ্লেষণ আৰু যুক্তিবাদী চিন্তাধাৰাইহে এনেধৰণৰ বিকাৰসমূহ সমাজৰ পৰা নিৰ্মূল কৰা সম্ভৱ। ইয়াৰ বাবে সমাজৰ লোকসকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰাৰ অতি প্ৰয়োজন। গতানুগতিক শিক্ষা ব্যৱস্থা, চাকৰিমুখী শিক্ষা, নৈতিক জ্ঞানৰ অভাৱ আদি দিশবোৰ পুনৰ বিশ্লেষণ কৰি কৰ্মমুখী আৰু যুক্তিবাদী চিন্তা তথা মানসিকতা বিকাশত শিক্ষা ব্যৱস্থাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰিব লাগিব। এনে পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰী সকলৰ ভূমিকাও সবল আৰু প্ৰগতিমুখী হ'ব লাগিব। তেওঁলোকে নিৰক্ষৰ লোকসকলৰ মাজত সজাগতা সৃষ্টি কৰি মানসিক দৃষ্টিভংগীৰ পৰিৱৰ্তনত গুৰু দায়িত্ব পালন কৰিব লাগিব। প্ৰচাৰ মাধ্যম সমূহেও বাণিজ্যিক লাভালাভৰ মাজতে সীমাবদ্ধ নাথাকি সামাজিক দায়বদ্ধতাৰে সমাজৰ লোকসকলৰ চিন্তাৰ উৎকৰ্ষ সাধন কৰিব পাৰিব লাগিব। তেতিয়াহে এনেধৰণৰ পৰম্পৰা আৰু বিশ্বাসসমূহ লাহে লাহে লুপ্ত হ'ব আৰু এখন যুক্তিবাদী সমাজৰ জন্ম হ'ব। অন্যথা অসমীয়া মানুহে ভৱিষ্যতেও একো দোষ নথকা ১৩ সংখ্যাটোক 'Unlucky Thirteen' বুলিয়েই বিশ্বাস কৰি থাকিব।

**চিন্তন ঃ**



# কেৰিয়াৰ সচেতনতা, ব্যক্তিত্ব বিকাশ আৰু যুৱসমাজ

**ড° প্ৰণৱ ঢেকিয়াল ফুকন**

এজন ব্যক্তিৰ সাধাৰণতে দুই ধৰণৰ পৰিচয় থাকে। এক শাৰীৰিক পৰিচয় আৰু দ্বিতীয়তে ব্যক্তিত্বৰ পৰিচয়। সমাজত ব্যক্তিত্বশালী মানুহৰ সমাদৰ অধিক। সুব্যক্তিত্ব এজন ব্যক্তিৰ অলংকাৰ স্বৰূপ। সুব্যক্তিত্বৰ বাবেই এজন মানুহে সমাজত সম্ভ্ৰৰেৰে আগুৱাই যাব পাৰে। এটা কেৰিয়াৰ গঢ়িবলৈও এটা সুব্যক্তিত্বৰ অধিকাৰী হ'ব লাগিব। সেয়ে ছাত্ৰাৱস্থাৰে পৰাই ব্যক্তিত্ব গঢ়িবলৈ অনুশীলন আৰু অধ্যৱসায়ৰে আগুৱাব লাগিব।

ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ এটা লক্ষ্য স্থিৰ কৰি নিৰ্দিষ্ট প্ৰস্তুতিৰে আগুৱাই যাব লাগিব। ইয়াৰ লগতে যুৱসমাজৰ আৰু এটি প্ৰয়োজনীয় দিশ হ'ল ব্যক্তি ত্ব বিকাশ। যুৱসমাজৰ উন্নয়নৰ এক প্ৰধান আধাৰ হ'ল এক সবল ব্যক্তিত্ব। এক সবল ব্যক্তিত্ব অবিহনে বিভিন্ন ক্ষেত্ৰত সফল হ'বলৈ কঠোৰ সংগ্ৰাম কৰিব লাগিব। প্ৰতিভা থাকিলেও তাক তুলি ধৰিব পৰা ব্যক্তিত্বৰ অধিকাৰী হ'ব লাগিব। সদাচাৰ, মিতাচাৰ গুণৰ অধিকাৰী হ'বলৈ ব্যক্তিত্ব সম্পন্ন হ'ব লাগিব। ব্যক্তিত্ব বিকাশৰ বাবে কিছুমান গুণৰ অধিকাৰী হ'ব লাগিব তথা জীৱনত সদগুণৰ কৰ্ষণ কৰিব লাগিব। ব্যক্তিত্ব গঢ় দিবলৈ আয়ত্ব কৰিব লগা কেইটামান গুণৰ আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ল ।

**অধ্যয়নশীলতা ঃ**

কেৱল পাঠ্যপুথিৰ অধ্যয়ন ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানাৰ্জনৰ বাবে যথেষ্ট নহয়। অধ্যয়নশীল ব্যক্তিয়ে সকলো কথা যুক্তিৰে বিচাৰ কৰিবলৈ গ্ৰন্থই বাট দেখুৱায়। সেয়ে ছাত্ৰাৱস্থাৰ পৰাই গল্প, উপন্যাস, কবিতা আৰু মহৎ গ্ৰন্থসমূহৰ লগতে নৈতিক, আধ্যাত্মিক জ্ঞান দিব পৰা গ্ৰন্থ অধ্যয়নৰ অ ভ্যাস গঢ়ি তুলিব লাগে। তাৰ উপৰিও এটা নিৰ্দিষ্ট কেৰিয়াৰৰ গঢ়াৰ উদ্দেশ্য আগত ৰাখি সেই বিষয়ক কেৰিয়াৰ গঢ়িব পৰা বিভিন্ন গ্ৰন্থ অধ্যয়ন কৰিব লাগে।

**সময়ৰ অপচয় ৰোধ আৰু অনাহক নিৰৰ্থক আলোচনা পৰিহাৰ কৰা ঃ**

সময়ৰ সৎ ব্যৱহাৰ সকলো উন্নতিৰ মূল অস্ত্ৰ। ইয়াৰ লগতে time management কৰিব জানিব লাগিব। আড্ডা মাৰি, অৰ্থহীন কথা-বতৰা পাতি সময়ৰ অপচয় কৰিব নালাগে। সেয়ে দিনটোৰ চৌৱিছ ঘণ্টা সময় এক ক্ৰম অনুসৰি আগবাঢ়িব লাগে। মোবাইল, ফেচবুক, হোৱাটচ্এপ আদিৰ লগতে বিনোদনৰ নামত সময়ৰ অপব্যৱহাৰ কৰিব নালাগে।

**সদাচাৰ আৰু আৰু মিতভাষ ঃ**

মিষ্টভাষী আৰু সদাচাৰী লোক সকলোৰে প্ৰিয়ভাজন হোৱাৰ লগতে এনে লোকে আনৰ পৰা সততে সহায় সহযোগ লাভ কৰে। অধিক কথা কোৱা লোকে বহুসময়ত আনক বিৰক্ত কৰে। সেয়ে সজ আচাৰ ব্যৱহাৰৰ অনুশীলন কৰিব লাগে আৰু বহুবক্তিতা এৰাই চলিব লাগে। ছাত্ৰ-ছাত্ৰীসকলে ধ্যান আৰু যোগাসনৰ জৰিয়তে মিষ্টভাষী আৰু মিতভাষী হোৱাৰ সাধনা কৰিব লাগে। সজ আচৰণ গঢ় দিবলৈ আৰু মিষ্টভাষী হ'বলৈ সৰুৰে পৰাই অনুশীলন কৰিব লাগে।

**দায়িত্ববোধ সম্পন্ন ঃ**

সৰুৰে পৰা দায়িত্ববোধসম্পন্ন ৰূপত নিজক গঢ়ি তুলিব লাগে। দায়িত্ব লব পাৰিব লাগিব। নিজৰ দুৰ্বলতা ঢাকি আনক দোষাৰোপ কৰিব নালাগিব। দায়িত্ব লব পৰা গুণেহে সকলোৰে প্ৰিয়ভাজন তথা আস্থাশীল কৰি তুলিব। জীৱনৰ বিভিন্ন সময়ত সংঘাত আৰু সমস্যাৰ সন্মুখীন হ'ব লগা হ'ব পাৰে সেয়ে সৰুৰে পৰা দায়িত্ব কান্ধ পাতি ল'ব পৰাৰ সাহস থাকিলেহে তাক হেলাৰঙে অতিক্ৰম কৰিব পৰা যাব। দায়িত্ববোধসম্পন্নসকলেহে কেৰিয়াৰৰ জখলা আগুৱাবলৈ সুবিধা লাভ কৰে।

**সৰলতা গুণ ঃ**

আনৰ অন্তৰ জয় কৰিবলৈ হ'লে সৰল হ'ব লাগিব। অহংকাৰ বৰ্জন কৰিব লাগিব। বিশেষকৈ অবিশ্বাসী আৰু মৰ্যাদাহীন মানুহে আনৰ পৰা সহায় আৰু সহযোগিতা লাভ নকৰে। ইংৰাজীত এষাৰ কথা আছে, Simplicity is the sign of greatness and meekness is the of stength। সৰলতাই মানুহক বিনয়ী কৰি তোলে আৰু বিনয়ী গুণে মানুহৰ চিন্তাধাৰাৰ মাজলৈ গভীৰতা আনে। এজোপা ফল ধৰা গছ তললৈ হাউলি থাকে অৰ্থাৎ যিমানেই জ্ঞান বাঢ়িব সিমানেই সৰল আৰু বিনয়ী হ'ব।

**সাধুতা আৰু সততা ঃ**

ব্যক্তিত্বসম্পন্ন মানুহৰ চৰিত্ৰৰ এক প্ৰধান অলংককাৰ হ'ল সাধুতা আৰু সততা। সাধুতা আৰু সততাই মানুহৰ জীৱনলৈ সামাজিক প্ৰতিষ্ঠা আৰু সন্মান কঢ়িয়াই আনে। সততাৰ বাবে লোভক দমন কৰিব পাৰিব লাগিব। ত্যাগৰ ভাবত থাকিলেহে সাধুতা আৰু সততা গুণৰ অধিকাৰী হ'ব পৰা যায়।

**সৌজন্যতাবোধ ঃ**

সকলো স্তৰৰ লোকৰ প্ৰতি সৌজন্যতা প্ৰদৰ্শন কৰিব লাগে। সৌজন্যতা প্ৰকাশ কৰা মানুহৰ প্ৰতি সকলোৰেই সহনশীলতা প্ৰদৰ্শন কৰে। কিয়নো সৌজন্যতা প্ৰদৰ্শন কৰাটো বিনয়ী গুণৰ পৰিচায়ক। বিভিন্ন অসুবিধা হ'লেও কোনোবাই কিবা সুধিলে সৌজন্যতা প্ৰদৰ্শন কৰিব লাগে। সহায় ভিক্ষা কৰা ব্যক্তিক সহায় কৰিব নোৱাৰিলেও সৌজন্যতাসূচক এষাৰ মাত দিব লাগে।

**ধনাত্মক দৃষ্টিভংগী ঃ**

সকলো ক্ষেত্ৰতে এটা যোগাত্মক দৃষ্টিভংগীৰে কৰ্মক্ষেত্ৰত আগুৱাই যাব লাগে। নিৰাশাক প্ৰশ্ৰয় দি পিছ হুহকি আহিব নালাগে। কাৰণ যোগাত্মক দৃষ্টিভংগীয়েহে কৰ্মপ্ৰেৰণা জগাই তোলে। যোগাত্মক দৃষ্টিভংগীৰ গৰাকীকহে সকলোৰে আশ্বাসত লয়। ইংৰাজীত এযাৰি আপ্তবাক্য আছে, সি হ'ল Where there is a will there is a way। এই কথাত বিশ্বাস ৰাখি আগুৱাই যাব লগে।

**হাস্যৰসিক ঃ**

হাঁহিমুখৰ গৰাকী হ'ব লাগে। হাঁহিমুখীয়া মানুহ সকলোৰে প্ৰিয় হয় আৰু গোমা পৰিৱেশ পাতল কৰি কৰ্মৰ প্ৰতি উৎসাহ আনি দিয়ে। হাঁহিমুখৰ মানুহ সততে আনৰ প্ৰিয়পাত্ৰ হয়। বহুসময়ত আনৰ আকৰ্ষণৰ পাত্ৰ হ'ব পাৰিলে কঠিন কামো সহজ হৈ যায়। মুখত এটা স্মিত হাঁহি লাগি থাগিব লাগে। হাঁহিৰেই মানুহৰ হৃদয় কৰিব পাৰি।

**শব্দ চয়ন ঃ**

কথাত কটা যায় কথাত বঁটা পায়। কথা কওঁতে সদায় সাৱধানতা অৱলম্বন কৰা উচিত। পৰিস্থিতি তথা ঔচিত্য চাই কথা ক'ব লাগে। ভুল শব্দৰ ব্যৱহাৰে ব্যক্তিৰ মৰ্যাদা হানি কৰে আৰু আনে ভুল বুজে। বিশেষকৈ ধৰ্ম, জাত-পাত, ৰীতি-নীতি আদিৰ প্ৰসংগত সদায় শব্দৰ ব্যৱহাৰত সংযমী আৰু সাৱধান হ'ব লাগে।

**বন্ধুসুলভ গুণ আৰু সকলোৰে সদভাৱ ঃ**

সকলোৰে প্ৰতি থকাৰ লগতে বন্ধুবৎসল ব্যৱহাৰ কৰিব লাগে। কেৱল নিজৰ স্বাৰ্থ কথাকে চিন্তা পৰৰ কথাও ভাবিব লাগে। তেতিয়াহে বিপদৰ সময়ত আনৰো সহায় লাভ কৰা হয়। বন্ধু হ'বলৈ প্ৰথমে আমি আনৰ বন্ধু হ'ব লাগিব। অহংকাৰ, স্বাৰ্থপৰতাই বন্ধুত্ব গঢ়াত হেঙাৰ হৈ দেখা দিয়ে। আনক সহায় কৰিলেহে নিজেও সহায় পায়।

**সদা উৎসাহী হ'ব লাগে ঃ**

উৎসাহ সফলতাৰ এক আমোঘ অস্ত্ৰ। সকলো কাম উৎসাহেৰে কৰিব লাগে। যিকোনো পৰিৱেশত নিজৰ উৎসাহ হেৰুৱাব নালাগে। সপ্ৰতিভ গুণৰ অধিকাৰী হ'বলৈ প্ৰয়াস কৰিব লাগে। সপ্ৰতিভ বা স্মাৰ্ট লোকেহে আগভাগ ল'বলৈ সুবিধা লাভ কৰে।

**প্ৰতিশ্ৰুতি পালন ঃ**

সকলোৱে সততে কোৱা এষাৰ কথা হ'ল — "কথা দি কথা ৰাখিব পাৰিব লাগে"। কথা দি কথা ৰাখিব নোৱাৰিলে মানুহৰ বিশ্বাস হেৰাই যায় আৰু তেনে মানুহক পৰৱৰ্তী সময়ত মানুহে আস্থাত নলয়। জীৱনৰ সকলো ক্ষেত্ৰতে কথা দি কথা ৰাখিবলৈ প্ৰয়াস কৰাটো প্ৰগতিৰ লক্ষণ।

**সহানুভূতিশীলতা ঃ**

সহানুভূতিহীন মানুহে পৰৰ দুখ-কষ্ট অনুভৱ কৰিব নোৱাৰে। পৰৰ দুখ-কষ্ট অনুভৱ কৰিব নোৱাৰিলে আনক সহায় কৰাৰ মানসিকতাও গঢ় লৈ নুঠে। সেয়ে সহানুভূতিশীল মনৰ গৰাকী হ'ব লাগে। অৰ্থ বা সম্পদেৰে আনক বিপদৰ সময়ত সহায় কৰিব নোৱাৰিলেও আমি সহানুভূতিশীলতা প্ৰদৰ্শন কৰিব পাৰো।

**চৌদিশৰ প্ৰতি সচেতন দৃষ্টি ঃ**

সততে চাৰিওফালৰ পৰিৱেশ আৰু পৰিস্থিতিৰ প্ৰতি সচেষ্ট হোৱাটো বাঞ্ছনীয়। সকলোৰে প্ৰতি সংবেদনশীলতাৰে আচৰণ কৰিব লাগে। প্ৰত্যেক মানুহে আনৰ পৰা যুক্তিসংগত আচৰণ আশা কৰে যদিও নিজৰ বেলিকা আৱেগ অনুভূতিক অগ্ৰাধিকাৰ দিয়ে। আনক সৌজন্যতা দেখুৱালে প্ৰতিদান হিচাপে আনেও নম্ৰতাৰে ব্যৱহাৰ কৰে। তেতিয়া পৰিৱেশ মধুৰ হয়।

**ভাল শ্ৰোতা হোৱাৰ লগতে আনৰ কথা বুজাৰ অভ্যাস**

বহুসময়ত দেখা যায় কিছুমান মানুহে কেৱল নিজৰ কথা কয় কিন্তু আনৰ কথা শুনিব নিবিচাৰে। আনহাতে কিছুলোকে আনৰ কথা শুনিলেও মনোযোগ নিদিয়ে বা সহানুভূতিশীলতাৰে

শুনিব নিবিচাৰে তেনে মানুহ আনৰ প্ৰিয়পাত্ৰ হ'ব নোৱাৰে। আনৰ কথা মনোযোগ দি শুনিব লাগে। তেনে কৰিলে কওঁতাজনে শ্ৰোতাৰ প্ৰতি বন্ধু বৎসল হয়। এজনে আনজনক বন্ধু বুলি গ্ৰহণ কৰিলে সকলো বৈষম্য নিমিষতে আঁতৰ হয়। ইয়াৰ লগতে আনৰ কথা বুজাৰ অভ্যাস থাকিলে আনৰ আনুগত্য লাভ কৰিব পাৰি। অনুগত লোকৰ সংখ্যা বাঢ়িলে কষ্ট লাঘৱ হোৱাৰ লগতে সম্পদৰ অপচয় ৰোধ কৰিব পাৰি।

**আনৰ প্ৰতি হেয়ভাৱ প্ৰদৰ্শন কৰিব নালাগে ঃ**

আনৰ প্ৰতি কেতিয়াও হেয়ভাৱ পোষণ কৰিব নালাগে লগতে কেতিয়াও আনক ঠাট্টা কৰিব নালাগে। আনৰ প্ৰতি হেয়ভাৱ দেখুৱালে বা আনক ঠাট্টা কৰিলে বন্ধুৰ সংখ্যা কমি যায় তাৰ বিপৰীতে শত্ৰুৰ সংখ্যা বাঢ়ি যায়।

**সমালোচনাৰ প্ৰতি ইতিবাচক দৃষ্টিভংগী ঃ**

সমালোচনাইহে নিজৰ ভুলবোৰ দেখুৱাই দিয়ে। সেয়ে সমালোচনা কৰসকলৰ প্ৰতি বেয়াভাৱ দেখুৱাই আৱেগিক হৈ হেয় কৰিবলৈ যাব নালাগে। তাৰ বিপৰীতে সমালোচনাক যুক্তিৰে বিচা কৰি নিজৰ ভুলবোৰ উপলব্ধি কৰি সেইবোৰ শুধৰাবলৈ প্ৰয়াস কৰিব লাগে। সমালোচনাইহে শুধৰণিৰ সুযোগ দিয়ে।

**যথাৰ্থ আৰু সাধু মূল্যায়ন ঃ**

বিভিন্ন সময়ত পদমৰ্যাদা অনুসৰি মানুহৰ প্ৰতি আমাৰ মূল্যায়ন তথা ব্যৱহাৰ ভিন্ন হয়। যিহেতু সকলো মানুহৰ সম পৰ্যায়ৰ নহয় তথা চিন্তা-মেধাও একে নহয় সেয়ে আনৰ কথা আৰু কামৰ প্ৰতি প্ৰতিক্ৰিয়া দৰ্শাওতে মানুহজনৰ কামৰ যথাৰ্থ মূল্যাংকন সাধু ভাষাৰে প্ৰকাশ কৰিব লাগে। চাটুকাৰিতাক এৰাই চলিব লাগে।

**ত্ৰুতি স্বীকাৰ ঃ**

ভুল কৰিলে ভুল স্বীকাৰ কৰাৰ সৎ সাহসৰ অধিকাৰী হ'ব লাগে। আনহাতে দোষ কৰিলে ক্ষমা খুজিব লাগে। এনে কৰিলে দোষ কৰা ব্যক্তিজন আনুগত্য হৈ থাকে। তাৰ উপৰিও ক্ষমা খুজিব পাৰিলে নিজৰ অহমিকা দূৰ হয়। অহমিকাই মানুহক অন্ধ কৰি ৰাখে। অহমিকাৰ বাবে মানুহে নিজৰ দুৰ্বলতাখিনি দখা নাপায়। ক্ষমা খুজিব পাৰিলে নিজৰ দোষ-দুৰ্বলতা উপলব্ধি কৰি তাক দূৰ কৰাৰ সুবিধা পোৱা যায়।

**অনাহক তৰ্ক পৰিত্যাগ কৰিব লাগে ঃ**

তৰ্কই মানুহক উত্তেজিত কৰি তোলে আৰু সম্পৰ্কৰ মাজত ভাঙোন সৃষ্টি কৰে। কোনো কথা বা বিষয় চৰ্চা কৰোতে তৰ্ক কৰিব নালাগে কেৱল নিজৰ বক্তব্যখিনি উপস্থাপন কৰিব লাগে। বিভিন্ন সাক্ষাৎকাৰ আদিতো বিতৰ্কলৈ যাব নালাগে। নিজৰ মতক আনৰ ওপৰত জাপি দিবলৈ চেষ্টা কৰাৰ পৰা বিৰত থাকিব লাগে।

**ক্ষমাপৰায়ণতা ঃ**

কোনোবাই দোষ কৰিলেও ক্ষমা কৰিব পাৰিব লাগে। আৱেগিক হৈ কাজিয়া কৰিবলৈ যাব নালাগে। লগতে বহু সময়ত বিভিন্নজনৰ লগত আমি বিভিন্ন ক্ষেত্ৰত পৰাজিত হওঁ আমাক পৰাজিত কৰসকলৰ প্ৰতি প্ৰতিহিংসা-পৰায়ণ হ'ব নালাগে। আৱেগপৰায়ণ হ'লে যুক্তিনিষ্ঠ বিচাৰ কৰাৰ ক্ষমতা হ্ৰাস পায়।

**আনুগত্য ঃ**

আনৰ প্ৰতি আনুগত্য প্ৰকাশ কৰাৰ অৰ্থ এইটো নহয় যে নিজৰ স্বকীয়তাক বিসৰ্জন দিয়া। পৃথিৱীত আমি সকলো কাম নিজে কেতিয়াও কৰিব নোৱাৰো। সেয়েহে বন্ধু-বান্ধৱ আৰু পৰিয়ালৰ সদস্যসকলৰ প্ৰতি আমি অনুগত হৈ তেওঁলোকৰ ভৰসাৰ পাত্ৰ হ'ব লাগে।

**কৃতজ্ঞতা প্ৰকাশ ঃ**

উপকাৰ কৰা সকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাটো এক সুব্যক্তিত্বৰ পৰিচায়ক। সেয়ে সহায়ৰ প্ৰতিদান স্বৰূপে আন একো দিব নোৱাৰিলেও 'ধন্যবাদ' সূচক এষাৰ কথাৰে আনৰ মন জয় কৰিব পাৰি। সৰু সুৰা সহায়ৰ বাবেও আমি কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ শিকিব লাগে। আনকি আমি যে এটা সুন্দৰ জীৱন লাভ কৰিছো তাৰ বাবে পিতৃ-মাতৃ, ভগৱানৰ ওচৰত কৃতজ্ঞ হ'ব লাগে। অকৃতজ্ঞ লোকে আনৰ সহায় সহজতে লাভ নকৰে। সেয়ে আমি সকলোৰে ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ শিকিব লাগে।

আলোচিত গুণসমূহৰ বিকাশেৰে যুৱসমাজে ব্যক্তিত্বৰ বিকাশ ঘটাই সমাজত প্ৰতিষ্ঠিত হ'ব লাগে। সমাজত অনেক কেৰিয়াৰ বা কৰ্মক্ষেত্ৰ পৰি আছে। এই কৰ্মক্ষেত্ৰসমূহৰ পৰা মনপচন্দৰ কেৰিয়াৰ এটা বাচি কৰ্ম কৰি যাব লাগে। বৰ্তমান সময়ত আমাৰ সমাজত অৰ্থ আৰু সম্পতিৰ জোৰত বিভিন্ন দুৰ্নীতিপৰায়ণ, কেলেংকাৰীত জড়িত ৰাজনৈতিক নেতা, চৰকীৰ বিষয়া, হত্যাকাৰী, চোৰ-ডকাইত আদিয়েও বিভিন্ন আসন দখল কৰি থকা দেখা যায়। বিভিন্ন সংগঠন, ৰাজনৈতিক দলসমূহেও ন্যস্তস্বাৰ্থৰ বাবে বিভিন্ন অসৎ মানুহক সমাজত বৰপীৰা আগবঢ়াই দিয়াৰ বাবে এক অশুভ দিশত সমাজখন আগুৱাই গৈ আছে। আনকি বহু শিক্ষক, সাহিত্য-সংস্কৃতিৰ চৰ্চাকাৰীসকলেও ব্যক্তিত্বৰ সুনাম ধৰি ৰখাত বিফল হৈছে। জ্যেষ্ঠসকলে ব্যক্তিত্ব সুনাম অক্ষুণ্ণ ৰাখিলেহে ছাত্ৰ-ছাত্ৰীসকলে শিকিব এই কথাত সকলোৰে গুৰুত্ব আৰোপ কৰিব লাগে। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বিদ্যায়তনিক কেৰিয়াৰ গঢ়াৰ সমান্তৰাল ভাবে নিজৰ ব্যক্তত্ব বিকাশৰ বাবেও কষ্ট তথা ত্যাগৰ মাধ্যমেৰে আগুৱাব লাগিব তেহে এগৰাকী সফল ব্যক্তি হিচাপে সমাজত প্ৰতিষ্ঠা লাভ কৰিব পাৰিব।



# সাম্প্ৰতিক জাতীয় জীৱনৰ প্ৰেক্ষাপটত বৰ অসমৰ খনিকৰ চাওলুং চ্যুকাফাৰ আদৰ্শৰ প্ৰাসংগিকতা

**মহেশ্বৰ বসুমতাৰী**

বৰ অসমৰ প্ৰতিচ্ছবি এখন মানস পটত ভাঁহি আহিলেই পোন প্ৰথমে সকলোৰে মনত আহোম ৰাজত্বৰ কথা মনলৈ আহে, আৰু আহোম ৰাজত্বৰ কথা ক'লেই আমি সকলোতকৈ আগত স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ কথা ক'বই লাগিব। এই ভূখণ্ড অসম নাম লোৱাৰ বহু পূৰ্বেই আহোমৰ সৰ্বপ্ৰথম ৰজা স্বৰ্গদেউ চ্যুকাফাই সৌমাৰ ৰাজ্যত প্ৰৱেশ কৰি ক্ৰমান্বয়ে সমগ্ৰ অসমখনৰ মানচিত্ৰৰ যি নতুন ৰূপ প্ৰদান কৰিলে তাৰ পূৰ্বে ৰাষ্ট্ৰ বা ৰাজ্য বুলি ক'লে স্থানীয় মানুহৰ মাজত কেনে ধাৰণা আছিল স্পষ্টকৈ ক'ব পৰা নাযায়। সমগ্ৰ ভূখণ্ডত বহু জনগোষ্ঠীয় মহা প্ৰতাপী ৰজাই বহু সৰু সৰু ৰাজ্য পাতি নিজে শাসন কৰি ৰাজ্য পৰিচালনা কৰিছিল। ভিন ভিন জনগোষ্ঠী লোকসকলে নিজৰ নিজৰ বসবাসৰ ভূখণ্ডক প্ৰতিপক্ষৰ আগ্ৰাসনৰ পৰা সুৰক্ষা দিবৰ উদ্দেশ্যে আপোন বাসভূমিত একো একোখন গৃহভূমি গঢ়ি তুলিছিল। সেয়াই হয়তো সেই সময়ৰ একো একোখন ৰাজ্য আছিল। সংগঠিত সৰু সৰু নিজৰ অধীনত থকা সৈন্য সামন্তৰে পৰিৱেষ্টিত নিৰ্দিষ্ট এটা ভূখণ্ডত প্ৰভুত্ব খটুৱাই সাম্ৰাজ্যৰ সৃষ্টি কৰিয়েই হয়তো সেই ভূখণ্ডক ভিন্ন নামকৰণেৰে দেশ বা ৰাজ্য হিচাপে পৰিচালনা কৰিছিল। নিজ ৰাজ্যৰ অধীনৰ জনসাধাৰণক বিভিন্ন কৌশল অৱলম্বনেৰে শাসন কৰিছিল। সেই সময়ত বহু জ্ঞাত-অজ্ঞাত ৰজাই বিভিন্ন ৰাজ্যৰ শাসনভাৰ চলাই আছিল। এখন ৰাজ্যৰ ৰজা অথবা প্ৰজাৰ লগত অন্য ৰাজ্যৰ ৰজা অথবা জনসাধাৰণৰ মাজত সদভাৱ নাছিল। বিভিন্ন অৰাজকতাৰ মাজেৰে জীৱন নিৰ্বাহ কৰিব লগা হৈছিল সকলো ৰাজ্যৰ জনসাধাৰণ। কিন্তু এটা কথা ঠিক যে বহু ঠাইত বহু ৰজাই শাসন চলাইছিল যদিও আৰু চুবুৰীয়া ৰাজ্যৰ লগত মিলা-মিছা নাছিল যদিও সহজে আক্ৰমণাত্মক মনোভাৱ পোষণ কৰা নাছিল আৰু আগ্ৰাসনমূলক নীতি গ্ৰহণ কৰা নাছিল। যিখিনি ভূখণ্ডত নিজ নিজ ৰাজ্যৰ শাসন চলাইছিল সেইখিনি ঠাইৰ উৎপাদিত খাদ্য সমাগ্ৰী বা অন্যান্য সম্পদসমূহ নিজ ৰাজ্যৰ জনসাধাৰণৰ বাবে যথেষ্ট আছিল। সেয়েহে সহজে নিজ আওতাৰ বাহিৰত তেতিয়াৰ ৰজাসকলে সহজে আক্ৰমণ অথবা নিজ ৰাজ্যৰ পৰিসৰ

বৃদ্ধিৰ বাবে চেষ্টা চলোৱা নাছিল। অৱশ্যে সত্য আৰু বাস্তৱ পৰিঘটনাসমূহ জানিব পৰাকৈ তেতিয়া কোনো লিখিত বুৰঞ্জী বা ইতিহাস নাছিল। মুখে মুখে বাগৰি অহা কিছুমান অলৌকিক সদৃশ কথাবোৰহে প্ৰচলিত আছিল। আহোম স্বৰ্গদেউৰ আগমনৰ পিছতহে অসমৰ ইতিহাসৰ সম্পৰ্কত লিখা-মেলাৰ কাম আৰম্ভ হৈছিল। সেয়েহে আহোম শাসনৰ পূৰ্বৰ ঘটনা-পৰিঘটনাসমূহ অধ্যয়ন কৰি শুদ্ধভাৱে জানিবলৈ কোনো উপায় নাই। আহোম যুগৰ পিছতহে অসমৰ বুৰঞ্জী লিখাৰ কাম আৰম্ভ হোৱাৰ বাবে অসমৰ বুৰঞ্জীৰ জনক আহোমসকলক আখ্যা দিয়া হয়। কিন্তু বিভিন্ন জনগোষ্ঠীৰ ৰজাসকলে নিজ নিজ জনগোষ্ঠীৰ লোকসকলক লৈয়ে যে বিভিন্ন ভাগত বিভক্ত হৈ ৰাজ্যৰ চলাইছিল সেয়া নিশ্চিত। উক্ত সামন্তীয় যুগৰ 'অসম দেশৰ' অধিবাসী লোকসকলে গঢ়ি তোলা ভূখণ্ডবোৰক ঐক্যবদ্ধ কৰি স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ নেতৃত্বত এক প্ৰণালীবদ্ধ ৰূপ দি সংঘবদ্ধ পৰিয়ালৰ ৰূপ দিছিল। কালক্ৰমত বৰ অসমৰ সপোন দেখা চ্যুকাফাৰ মনোকামনা পূৰ্ণ হৈছিল।

অসমৰ ইতিহাস, ঐতিহ্য আৰু স্বাভিমানৰ ধ্বজ্জাবাহক স্বৰ্গদেউ চাওলুং চ্যুকাফাই ত্ৰয়োদশ শতিকাৰ ১২২৮ খ্ৰীষ্টাব্দৰ ২ ডিচেম্বৰৰ দিনা সুদূৰ চীন দেশৰ য়ুনান প্ৰদেশৰ পৰা এখন নতুন ৰাজ্য প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে বুকুত অযুত সপোন আৰু হেঁপাহ বান্ধি নিজ দেশৰ পৰা বহিঃৰাষ্ট্ৰৰ ফালে ধাৱমান হৈছিল। প্ৰবাদ অনুসৰি পাৰিবাৰিক অৰাজকতাৰ বাবে আইতাকৰ পৰামৰ্শমতে মহাপ্ৰতাপী ৰাজকোঁৱৰ চাওলুং চ্যুকাফাই মাওলুং দেশ এৰি ১৩ বছৰ কাল বহু ঘাত-প্ৰতিঘাতেৰে অতি দুৰ্গম আৰু কণ্টকময় পথেৰে পাটকাই পৰ্বত অতিক্ৰমি সেই সময়ৰ সৌমাৰপীঠৰ পূব দিশত পদাৰ্পণ কৰিছিল। তেতিয়া অসম বুলি কোনো ৰাজ্য বা দেশ নাছিল। লগত মাওলুং ৰাজ্যৰ পৰা আঠজন ডাঙৰীয়া আৰু বিষয়া, ৯০০০ জন পুৰুষ-তিৰোতা, দুটা হাতী আৰু ৩০০০ ঘোঁৰা লৈ তেওঁ অসম অভিমুখে ৰাওনা হৈছিল। ডিচেম্বৰ তথা আঘোণ মাহৰ সোণ বৰণীয়া পকা ধাননিৰ বিস্তৃত পথাৰ আৰু শস্য শ্যামলা প্ৰকৃতিৰ নৈসৰ্গিক ৰূপ দেখা পাই স্বতঃস্ফুৰ্তভাৱে চ্যুকাফাৰ মুখৰ পৰা এযাৰ কথা নিৰ্গত হৈছিল- 'ম্যুং দুন চুন খাম' অৰ্থাৎ এয়া দেখোন সোণালী শস্যৰ দেশ। চ্যুকাফা এনে এখন ঠাইৰেই সন্ধানত আছিল। সেই সময়ত এই ভূখণ্ডত কছাৰী, চুতীয়া, মৰাণ, নগা, খামতি, কাৰ্বি অন্যান্য জনগোষ্ঠীৰ লোকসকলে সৰু সৰু ৰাজ্য পাতি বাস কৰিছিল। বিশেষকৈ উজনি অসমৰ বেছিভাগ অঞ্চলতে কছাৰী ৰজাৰ সাম্ৰাজ্য আছিল। বৰ্তমানেও উজনি অসমৰ বিভিন্ন নদ-নদীসমূহৰ নাম আৰু ঠাইসমূহৰ নামে তাক প্ৰতীয়মান কৰে। চাওলুং চ্যুকাফাই ইয়াতে এখন সোণৰ দেশ গঢ়িবলৈ সংকল্পবদ্ধ হ'ল। তেওঁ বুঢ়ীদিহিঙৰ উপনৈ দিচাং নৈৰ পাৰৰ নাম-ৰূক (এতিয়া নামৰূপ)ত কিছুদিন কটায়। তাৰ পিছত নৈৰে ভটিয়াই আহি বিস্তৃত সমভুমি টিপামত প্ৰৱেশ কৰে। এখন নতুন দেশৰ সন্ধানত অহা টাই আহোম ফৈদৰ যুৱকজনে সংঘৰ্ষৰ পথ পৰিহাৰ কৰি সকলো স্থানীয় জনগোষ্ঠীক ভাতৃত্ববোধ আৰু মৰম-চেনেহেৰে আঁকোৱালি লৈ 'সাত ৰাজ মাৰি এক ৰাজ'কৰি বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণেৰে 'বৰ অসম'ৰ ভেটি স্থাপন কৰিবলৈ প্ৰয়াস কৰিছিল। সেই সময়ৰ অধিকসংখ্যক ৰজা-মহাৰজাৰে বুজাপৰাৰে সন্ধি হৈছিল যদিও ঠায়ে ঠায়ে কছাৰী ৰজাসকলৰ লগত সংঘাত হোৱা কথা আমি পঢ়িবলৈ পাওঁ। কিন্তু পৰৱৰ্তী সময়ত স্বৰ্গদেউ চ্যুকাফাই অতি বিচক্ষণতাৰে আৰু কৌশলপূৰ্ণভাৱে সকলো জনগোষ্ঠীৰ মানুহক একত্ৰিত কৰি এখন নতুন ৰাজ্য গঠন কৰিবলৈ সক্ষম হৈছিল। সেয়াই আছিল স্বৰ্গদেউ চ্যুকাফাৰ বৃহৎ সফলতা, যাৰ বাবে অনন্ত কাললৈ তেওঁ অসমৰ মানুহৰ অন্তৰত ঠাই দখল কৰিবলৈ সক্ষম হ'ল।

বুৰঞ্জীৰ পাতত পঢ়িবলৈ পোৱা মতে প্ৰৱল বানপানীৰ বাবে চ্যুকাফাই টিপামত স্থায়ী ৰাজধানী পাতিবলৈ সক্ষম নহ'ল। বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ আৰু মাৰি মৰকৰ বাবে টিপামত স্থায়ী ৰাজধানী পতাৰ সপোন পৰিহাৰ কৰি তেওঁ অনেক ঠাই ভ্ৰমি প্ৰত্যেকখন ঠাইতে কিছু বছৰ কটাই সেই ঠাইসমূহৰ মানুহৰ ৰীতি-নীতি, চলন-ফুৰণ প্ৰভৃতি বৈশিষ্টৰাজি পৰ্যবেক্ষণৰে সকলো শ্ৰেণীৰ মানুহৰ মন জয় কৰিবলৈ সক্ষম হৈছিল। তেখেতে প্ৰতিটো জনগোষ্ঠীৰ ৰীতি-নীতি, পৰম্পৰা, সংস্কৃতিক সমমৰ্যদা প্ৰদান কৰি আৰু নিজেও সেইবোৰক আন্তৰিকতাৰে গ্ৰহণ কৰিছিল বাবে সকলোৰে প্ৰিয় স্বৰ্গদেউ হ'ব পাৰিছিল। বহু এলেকাত বহু মানুহৰ সংস্পৰ্শত আহি সকলোৰে বিষয়ে হৃদয়ঙ্গম কৰি অৱশেষত ১২৫৩ খ্ৰীষ্টাব্দত বৰ্তমান শিৱসাগৰ জিলাৰ দক্ষিণফালে লাংকুৰি পাহাৰৰ সমীপত এটুকুৰা পাহাৰীয়া এচলীয়া ঠাইত বৰ্তামনৰ চৰাইদেও পাহাৰত আনুষ্ঠানিকভাৱে আহোম ৰাজ্যৰ স্থায়ী ৰাজধানী পাতিছিল আৰু চৰাইদেউৰ পৰাই ইতিহাস প্ৰসিদ্ধ আহোমৰ ছশ বছৰীয়া ৰাজত্বৰ পাতনি মেলিছিল।

ৰাজধানী চহৰখন দেখি স্থানীয় মানুহে 'চৰাইদয়' অৰ্থাৎ পাহাৰৰ ওপৰত জিলিকি থকা নগৰ বুলি কৈছিল। পিছলৈ ৰাজধানী চহৰখন চৰাইদেউ নামেৰে অভিহিত হয়। কিছুকাল চৰাইদেউত বাস কৰাৰ পিছত অসমত পূৰ্বৰে পৰা বসবাস কৰা বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ মাজত ঐক্য, সম্প্ৰীতি আৰু ভাতৃত্ববোধ গঢ়ি তুলিবৰ বাবেই সকলো জনগোষ্ঠীক সম মৰ্যদা দিবলৈ প্ৰয়াস কৰিছিল। অতি উদাৰমনা আৰু দূৰদৃষ্টিসম্পন্ন

প্ৰথমজনা আহোম স্বৰ্গদেউ চাওলুং চ্যুকাফাই প্ৰজাগণৰ ওপৰত ‘টাই’ভাষা জাপি নিদি অসমৰ ভূমিপুত্ৰসকলৰ ভাষা-ধৰ্ম-কৃষ্টি-সংস্কৃতিক আঁকোৱালি লৈ উদাৰতা আৰু দূৰদৰ্শিতাৰ উজ্জ্বল চানেকি দাঙি ধৰিছিল। যাৰ বাবে বিভিন্ন জনগোষ্ঠীৰ দোৱান (কথিত ভাষা)সমূহ একত্ৰিত কৰি নতুন অসমীয়া ভাষাৰ সৃষ্টি কৰাত মনোনিৱেশ কৰিছিল। অসমত বসবাস কৰা পূৰ্বৰ লোকসকলৰ লগত একাকাৰ হৈ যাবলৈকে নিজ ভাষা, সংস্কৃতি কিছু এৰা ধৰাৰ মাজেৰে অসমত বসবাস কৰা লোকসকলক একত্ৰিত কৰিবলৈ চেষ্টা কৰিছিল। স্বৰ্গদেউ চ্যুকাফাৰ যি সুদূৰপ্ৰসাৰী চিন্তা-চেতনা, দূৰদৰ্শিতা আৰু বিচক্ষণতা তাৰ সুফল আমি এতিয়াও ভোগ কৰি আছোঁ। চ্যুকাফাৰ নেতৃত্বতে ‘যদি সাতাৰাজ মাৰি এক ৰাজ’ প্ৰতিষ্ঠা কৰাৰ কথা চিন্তা নকৰিলেহেতেন পৰৱৰ্তী সময়ত হয়তো শতিকাৰ পিছত শতিকা ধৰি অসমৰ মানুহে আদিম বন্য চৰিত্ৰৰে বসবাস কৰি থাকিব লগীয়া হ’লহেঁতেন। মানুহৰ মাজত অৰাজকতা আৰু বিভেদকামী শক্তিয়ে গা কৰি উঠিলহেঁতেন। মানুহৰ মাজত নৈতিকতা, সৎ চৰিত্ৰৰ ধাৰণা সমূলি নাথাকিলহেঁতেন।


‘সাতৰাজ মাৰি এক ৰাজ’ প্ৰতিষ্ঠা কৰাৰ অৰ্থ এইটো নহয় যে চুবুৰীয়া অন্য ৰাজ্যসমূহৰ ৰজাক শক্তি প্ৰয়োগেৰে আৰু আক্ৰমণেৰে হত্যা কৰি নিজে ৰাজপাটত অধিস্থিত হোৱা। কোনোধৰণৰ শিক্ষাৰ পোহৰ নপৰা সেই সময়ৰ ৰাজ্যৰ জনসাধাৰণৰ মাজত বিভিন্ন নৈতিক শিক্ষাৰে সভ্য সমাজ গঢ়াটোহে আছিল মূল লক্ষ্য। সেই সময়ত বিভিন্ন জনগোষ্ঠীৰ মানুহৰ মাজত মানৱতাৰ প্ৰমূল্যবোধ নথকা, বিভিন্ন কুসংস্কৃতিৰে সহবাস কৰা মানৱ সমাজক সংস্কাৰমুখী কৰি একতাৰ ডোলেৰে বান্ধি মিলাপ্ৰীতিৰে একপ্ৰকাৰ সভ্যতাৰ পোহৰ বিলোৱাত তেওঁ গুৰুত্ব প্ৰদান কৰিছিল। চ্যুকাফাৰ নেতৃত্বতে অসমীয়া ভাষাকে নিজৰ ভাষা বুলি লৈ আহোমসকল খাটি অসমীয়া হৈ পৰিছিল। চাওলুং চ্যুকাফাৰ নেতৃত্বত অসম আগমন ঘটা আহোমসকলে বৃটিছৰ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম দখল কৰাৰ আগমুহূৰ্তলৈকে ক্ৰমান্বয়ে প্ৰায় সমগ্ৰ অসমখনেই আহোম শাসনৰ অধীন কৰিছিল যদিও কাছাৰৰ শেষৰজন কছাৰী ৰজা গোবিন্দ চন্দ্ৰৰ ৰাজ্য দখল কৰিব পৰা নাছিল। পিছলৈ আহোম ৰাজত্বৰ সমগ্ৰ অঞ্চল ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ‘ইয়াণ্ডাবু সন্ধি’ৰ জৰিয়তে বৃটিছৰ হাতলৈ যোৱাৰ সময়তে ৰজা গোবিন্দৰ শাসনৰ আওতাত থকা কাছাৰ ৰাজ্যও বৃটিছৰ দখললৈ গৈছিল।

অনৈক্যৰ মাজত ঐক্য আৰু সমন্বয়ৰ ধ্বজা উৰুওৱা এক তেজস্বী ব্যক্তিসত্তা, বিচক্ষণ ৰাজনীতিবিদ, দুঃসাহসিক যোদ্ধা, সুদক্ষ প্ৰশাসক তথা বৃহত্তৰ অসমীয়া জাতিৰ প্ৰতিষ্ঠাপক চ্যুকাফাই লুইতৰ দুয়োপাৰৰ সকলো জনগোষ্ঠীক একত্ৰিত কৰি বৃহৎ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। চ্যুকাফাই টাই-আহোম, কছাৰী, মৰাণ, চুতীয়া, মটক, কাৰ্বি আদি বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণত সৃষ্টি কৰা নতুন জাতিটোক সৰ্বকালৰ বাবে ‘আহোম’ নামেৰে পৰিচিত কৰি নাৰাখি পৰৱৰ্তী কালত ‘অসমীয়া’ জাতি নামেৰে পৰিচয় দিয়াইছিল। সুদক্ষ প্ৰশাসক, বিচক্ষণ ৰাজনীতিবিদ, অতি উদাৰ ভাৱাপন্ন স্বৰ্গদেউ চ্যুকাফাই ৰাজ্য গঠন কৰিয়েই ক্ষান্ত নাথাকি সমগ্ৰ জনসাধাৰণৰ সৰ্বাঙ্গীন বিকাশৰ বাবে আৰ্থ-সামাজিক-সাংস্কৃতিক পৰিকাঠামো নিৰ্মাণৰ উপৰি কৃষি, শিল্প, বাণিজ্য তথা সামৰিক শক্তিৰ উন্নয়ন সাধন কৰি যি এক স্বৰ্ণিল অধ্যায়ৰ সূচনা কৰি গ’ল তাৰ বাবে তেওঁ হৈ পৰিল অসমীয়া জাতিৰ পিতৃস্বৰূপ। সকলোৰে সুখ-শান্তি সমৃদ্ধি বিচৰা মানৱদৰদী স্বৰ্গদেউ চাওলুং চ্যুকাফা বৃহত্তৰ অসমীয়া জাতিৰ শৌৰ্য-বীৰ্য আৰু সমন্বয়ৰ উজ্জ্বল নিদৰ্শন। সেয়েহে আজি আহোম ৰাজত্বৰ অৱসান হোৱা প্ৰায় দুশ (২০০) বছৰ সমাগত হ’ল যদিও স্বৰ্গদেউ চ্যুকাফাৰ নীতি-আদৰ্শ, তেখেতৰ ৰাজনৈতিক বিচক্ষণতা, শাসন ব্যৱস্থাৰ আজিও মানুহৰ হৃদয়ৰ পৰা মচ খোৱা নাই অথচ তাৰ প্ৰাসংগিকতা আৰু অধিক তীব্ৰ ৰূপত উপলব্ধিহে কৰিছে। চীন দেশৰ পৰা আহি অসমত সিঁচৰতি হৈ থকা বিভিন্ন জনগোষ্ঠীয় ৰজাসকলৰ মাজত একতাৰ ভাৱধাৰাৰে ঐক্যৰ যি বীজ ৰূপন কৰি গ’ল সেয়া আমাৰ সকলোৰে বাবে অনুকৰণীয়। সাম্প্ৰতিক সময়তো সমগ্ৰ ৰাজ্যখনতে সময়ে সময়ে যিবিলাক অৰাজকতাই গা কৰি উঠে, বিভিন্ন জনগোষ্ঠীৰ মাজত যি বিভেদকামী শক্তিয়ে মূৰ দাঙি উঠিব বিচাৰে, বিচ্ছিন্নতাৰ মনোভাৱ, উৎপীড়ন, প্ৰৱঞ্চনা, শোষণ, বঞ্চনা আদি অপ্ৰীতিমূলক বাতাবৰণ সৃষ্টি হ’ব খোজে, এনে সময়ত স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ আদৰ্শ, নীতি আৰু ৰাজনৈতিক বিচক্ষণতাৰ যথেষ্ট প্ৰাসংগিকতা আছে বুলি কব পৰা যায়। অসমৰ জনসাধাৰণৰ মাজত স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ আদৰ্শক জীয়াই ৰাখিবৰ বাবে অসম চৰকাৰৰ লগতে জাতি-ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো জাতীয় দল সংগঠনৰো কৰণীয় আছে। বৰ অসমৰ খনিকৰ চাওলুং চ্যুকাফাৰ নীতি-আদৰ্শ, সামগ্ৰীক জাতীয় চেতনাক জীয়াই ৰাখিব পাৰিলেহে অনাগত দিনসমূহতো আমি সকলোৰে মিলা প্ৰীতিৰে চ্যুকাফাৰ সপোনৰ বৰ অসমৰ বাস্তৱ ভেটি গঢ়িব পাৰিম।

**সহায় লোৱা গ্ৰন্থ ঃ**


(১) A History of Assam by Sir Edward Gait

(২) Bhotan by David Field Rennie




# Constructivist Learning and Teaching Process

**Dr. Archana Gogoi**

Constructivism is a theory of learning in which the student uses prior understandings in concert with current experiences to construct, elaborate or restructure their knowledge. Learning is simply the process of adjusting our mental models to accommodate new experiences. Constructivist learning occurs when learners actively create their own knowledge by trying to make sense out of material that is presented to them. The teacher's role is to support that active process through exploration and dialogue. Constructivism refers to the idea that individuals, through their interaction with the environment, construct their own knowledge and meaning. Learning therefore, is constructing meaning. This theory emphases on the process rather than the product oflearning. In this approach, the students determine how much they have learned as well as the process by which they learned. It changes the dynamics of the traditional class room by empowering the learner as the focus and master builder of the learning process while redefining the role of the teacher to be a guide and helper, rather than the source and channel of knowledge.

Constructivist learning emerged in the 1980 and 1990s and was based on the study of human learning is an increasingly realistic setting. According to the theory of learning, the learner is a sense maker, whereas the teacher is a cognitive guide who provides guidance and modeling on genuine academic tasks. The teacher's role is to create environment in which the student interacts meaningfully with academic material, including swifting the learning process of selecting, organizing and integrating knowledge.

**Importance of Constructivism:**

Construction of-knowledge is an evolving process. It is also a process through which learners are preparing for their future adult role. Knowledge is not something that can be transferred easily from one generation to the other. As learning takes place with regard to the learner's socio-cultural context, learners should be given an important place in the process of learning. Knowledge is a product of learning and it is a systematically organized cluster of thoughts and idea. It varies from learner to learner as they all belong to different socio-cultural contexts. Of course, the older generation passed their thoughts and ideas to the younger generation at the same time the later also articulates and reorganizes the previous thoughts and ideas in their own socio-cultural context. Therefore, knowledge need to be socially, culturally. politically, psychologically and physically constructed by the individuals as part of their experiences in dailylife. So that 'cognitive' approaches are important rather than 'behaviorism' to look at the learning process. The primary concern of educational theory is to observe how student create knowledge. Schools and instructors in turn demonstrate what type of knowledge is important through the use of instructional strategies and content.

**Major Assumptions of the Constructivism:**

Students are distinct and unique. Their distinctiveness and uniqueness must he attended to and considered if learners are to engage in and take responsibility for their learning.

Learning is a constructive process that occurs best when what is being learned is relevant and meaningful to the learner and when the learner is actively engaged in creating own knowledge and understanding by connecting with prior knowledge and experience.

Learning takes place best in a positive environment. One that contains positive interpersonal relationships and interactions, comfort and order, and in which the learner feels appreciated, honored and validated.

Learning is a basically natural process. Learners are instinctively curious and interested in learning about and mastering their world.

**Teaching-Learning methods of Constructivist Learning:**

'Joyful learning' is a fruitful method which helps the child to discover own inmate potential for expressing and designing his/her inmate capacities and abilities. The learner should be encouraged to think and observe independently and the classroom should be the forum for interaction. Generally, in our traditional classroom, teacher use the chalk-

talk text method in which there is a very little scope for interactive and joy till learning. Therefore, to change these kinds of monotony the instructor should develop different kind of method ofteaching.

**(a) Child-centered activity-based approach:**

The activity-based approach expects a teacher to ensure that students are taught through a variety of activities, which encouraged both acquisition of information and learning. An important component of the balanced activity-based approach is the teacher's ability to be adoptable and flexible which makes a real-life difference between teaching and learning.

**(b) Multigrade Teaching Situation:**

In constructions of knowledge,Multigrade teaching situation handle children stating is more than one grade and at different age levels.

**(c) Co-operative learning:**

It involves a shift from a competitive individualized setting to learner working in groups in a co-operative manner. It enhances both social communicative skills, where every child gets a chance to participate and contribute and learn to listen to everyone and respect each other's opinion and ideas.

**(d) Questioning:**

Well formulated questions stimulate creative thinking of the learner. So, all types of questions involve higher order thinking skills.

Exploration/Discovery: In the construction of knowledge learners are encourage to develop and use the technique of exploration and discovery while teaching. It is particularly significant in the study of Science and of Environment.

Project approach, self-learning, demonstration, field trips and excursion also suitable methods in constructivists learning.

Supporting activities of the teacher in the construction of knowledge:

Teacher ensures alternative perspectives that are accessible readily to students.

Teachers establish a conductive environment and encourage the students to forcefully enter the alternative perspective.

Teacher access the student's development of knowledge through their constructivism.

Teacher create suitable social environment in which cognitive interaction and dialogic processes can evaluate the alternatives.

Teacher provides inciting questions to encourage learners to complete the knowledge construction process.

**Role of Constructive Teacher:**

Constructivist teachers engage learners in experiences that challenge previous conceptions oftheir existing knowledge.

Constructivist teacher provide complex and challenging learning activities that promote conceptual and analytic thinking.

Constructivist teacher use a variety of instructional strategies and methods to match student needs.

Constructivist teachers encourage and accept student autonomy and initiative, and gives student extending responsibility for their learning.

Constructivist teachers use raw data and primary sources along with manipulative, interactive and physical materials.

Constructivist teachers use cognitive

aspects such as classify, analyze, synthesize and create when constructing tasks.

Constructivist teachers allow learners responses to drive abrasions, shift instructional skill and alter content.

Constructivist teacher inquire about learner's understandings of concepts before sharing their own understandings of those concepts.

Constructivist teacher encourage students to engage in dialogue both with the teacher and with one another.

Constructivist teachers encourage student enquire by asking thoughtful, open-ended questions and encouraging students to ask questions of such other etc.

**Benefits ofConstructivism Learning:**

Learners learn more, and enjoy learning more when they are actively involved in the learning process.

Education works best when it concentrates on thinking and understanding, rather than on rote memorization. Constructivism concentrates on learning how to think and understand.

Constructivist learning is transferable, so that learners create organizing principles that they can take with them to other learning settings.

Constructivism gives learner ownership ofwhat they learn, since learning is based on learners' questions and explorations and often the learners have a hand in designing the assessments as well.

Constructivism motivates and engages learners in authenticated learning activities and real-life context.

Constructivism promotes social and interaction skill by creating a classroom environment that emphasizes collaboration and exchange of idea.

**Conclusion:**

In conclusion constructivist learning offers a strategy in which knowledge is created by the individual learners from traditional objectivist classroom strategies. The goal is for the learner to play an active role in assimilating knowledge for existing mental framework. The ability of students to apply their school-learned knowledge to the real world is valued over memorizing bits and pieces of knowledge that may seem unrelated to them. Clearly, the constructivist approach opens new passages for learning as well as challenges for the teacher trying to implement it.

# অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ ঃ এটি চমু আলোচনা

ড° অমৰ শইকীয়া

ভাষিক আৰু সাংস্কৃতিক দিশত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল অতি ঐশ্বৰ্যশালী। এই ঐশ্বৰ্যশালী উত্তৰ-পূব অঞ্চলত প্ৰচলিত থকা ভাষাসমূহৰ ভিতৰত অসমৰ ৰাজ্যভাষা অসমীয়াই আটাইতকৈ শক্তিশালী। আনহাতে ই ওচৰ-চুবুৰীয়া অৰুণাচল, নাগালেণ্ড আদি ৰাজ্যৰ বিভিন্ন ভাষা-ভাষী মানুহৰ মাজত সংযোগ আৰু সমন্বয়ৰ সেতু 'সংযোগী ভাষা' হিচাপেও কাম চলাই আছে।

বৰ্তমানৰ অসমীয়া ভাষাটো হাজাৰ বছৰৰ ক্ৰমপৰিৱৰ্তনৰ ফল। অসমীয়া ভাষাটোৰ আঁতি গুৰি বিচাৰিলে পৃথিৱীৰ সৰ্ববৃহৎ ইন্দো-ইউৰোপীয় ভাষা-পৰিয়ালৰ কাষ পাবগৈ পাৰি। ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ সতম আৰু কেন্টুম — এই দুটা শাখাৰ সতম শাখাৰ অন্তৰ্গত এটা উপশাখা 'ইন্দো-ইৰাণীয়' বা 'আৰ্য'। ইন্দো-ইৰাণীয়ৰ দুটা ঠাল হৈছে 'ইৰাণীয় আৰ্য' আৰু 'ভাৰতীয় আৰ্য'। ভাৰতীয় আৰ্য শাখাটোৱে খ্ৰীঃ পূঃ পঞ্চদশ শতাব্দীমানৰ পৰা বৰ্তমান পৰ্যন্ত বিভিন্ন ৰূপত পৰিৱৰ্তন লাভ কৰি ভাৰতৰ বিভিন্ন অঞ্চলত, বিশেষকৈ উত্তৰ ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন ভাষাৰ জন্ম দিছে। এই ভাৰতীয় আৰ্যভাষাৰ পৰাই বিকাশ লাভ কৰা এটা ভাষা হৈছে অসমীয়া ভাষা।

আৰ্যসকল ভাৰতলৈ আহে আনুমানিক খৃঃ পূঃ পঞ্চদশ শতিকাৰ পৰা। ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীনতম লিখিত নিদৰ্শন ঋকবেদৰ ৰচনাকাল আনুমানিক খৃঃ পূঃ দ্বাদশ শতিকাৰপৰাই ভাৰতীয় আৰ্যভাষাৰ ইতিহাস আৰম্ভ হৈছে। ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ ইতিহাসৰ পৰিৱৰ্তনৰ গতি-প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি ঘাইকৈ তিনিটা স্তৰত ভাগ কৰা হৈছে —

(১) প্ৰাচীন ভাৰতীয় আৰ্যভাষা

(২) মধ্য ভাৰতীয় আৰ্যভাষা

(৩) নব্য ভাৰতীয় আৰ্যভাষা

ভাৰতীয় আৰ্যভাষাৰ প্ৰতিটো স্তৰেই পূৰ্বৱৰ্তী স্তৰৰ পৰা ভাষাগত বিশেষত্বৰ ফালৰপৰা সলনি হৈ পৰিলেও ভাষিক তথা ঐতিহাসিক মূল্যৰ ফালৰপৰা প্ৰতিটো স্তৰৰেই মূল্য সমান। সময়ৰ

প্ৰবাহত ক্ৰমবিৱৰ্তন লাভ কৰা ভাৰতীয় আৰ্যভাষাৰ স্তৰসমূহক এটাৰ পৰা আনটোক আঁতৰাই আলোচনা কৰিব নোৱাৰি। প্ৰতিটো স্তৰেই এটা ৰূপৰেই পৰিৱৰ্তনমুখী ফল।


আনুমানিক খৃঃ পূঃ পঞ্চদশ শতিকাৰ পৰা খৃঃ পূঃ ষষ্ঠ শতিকা পৰ্যন্ত প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময় নিৰ্দ্ধাৰণ কৰা হৈছে। এই সময়ৰ ভাষাক প্ৰতিনিধিত্ব কৰিছে বেদ-ব্ৰাহ্মণ-উপনিষদ আৰু বিভিন্ন পুৰাণ কাব্যই। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সাহিত্যিক ৰূপ দুটা — এটা প্ৰাচীন আৰু আনটো নৱীন। প্ৰাচীন ৰূপটো হ'ল বৈদিক আৰু আনটো সংস্কৃত। বৈদিক সাহিত্যৰ ভাষা আছিল সপ্তসিন্ধু অঞ্চলত বসবাস কৰা আৰ্যসকলৰ ভাষাৰ সাহিত্যিক ৰূপ। আনহাতে সমান্তৰালভাৱে সৰ্বসাধাৰণ লোকৰ মাজত বৈদিক সংস্কৃতৰ এক লৌকিক বা কথ্য ৰূপ প্ৰচলিত হৈ আছিল। এই লৌকিক কথ্য ৰূপটো ক্ৰমাৎ পৰিৱৰ্তশীল হৈ অহাত খ্ৰীঃ পূঃ পঞ্চম শতাব্দীমানত এই ভাষাটোৰ সংস্কাৰ কৰি এটা সাধু বা সাহিত্যিক ৰূপ গঢ় লৈ উঠে আৰু সেই সাধুভাষাই ধ্ৰুপদী সংস্কৃত। এই সাধু বা শিষ্ট ৰূপটোকে খ্ৰীঃ পূঃ ৫ম শতিকামানত মহৰ্ষি পাণিনিয়ে সুনিৰ্দিষ্ট মান নিৰূপণ কৰি সৰ্বসাধাৰণৰ শিষ্ট ভাষাৰূপে স্বীকৃতি প্ৰদান কৰে। পাণিনিৰ দ্বাৰা মাৰ্জিত এই শিষ্ট ৰূপটোৱেই সংস্কৃত ভাষা। উল্লেখ্য যে সংস্কৃত কেৱল শিক্ষিত ব্যক্তিসকলৰ মাজত কঠোৰ নিয়মেৰে অনুশাসিত ভাষা। সেয়ে সংস্কৃত ভাষাৰ কথিত ৰূপে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰ অতিক্ৰম কৰি মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰলৈ গতি কৰিলে।

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰত প্ৰচলিত বৈদিক আৰু সংস্কৃত ভাষাৰ কথিত ৰূপৰ পৰাই মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰৰ ভাষাৰ বিকাশৰ ধাৰা আৰম্ভ হয়। এই স্তৰ আনুমানিক খৃঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খৃষ্টীয় দশম শতিকালৈকে প্ৰায় ১৬০০ বছৰ বিস্তৃত। এই সুদীৰ্ঘ সময়ছোৱাত ভাৰতীয় আৰ্যভাষাই অঞ্চল অনুসৰি সুকীয়া বৈশিষ্ট্যৰে আত্মপ্ৰকাশ কৰি বিভিন্ন দিশত পৰিৱৰ্তনমুখী গতি লাভ কৰে। ভাষিক পৰিৱৰ্তনৰ ধাৰালৈ লক্ষ্য কৰি এই সময়ছোৱাক মূলতঃ তিনিটা ভাগত ভগাব পাৰি। সেইকেইটা হৈছে — আদি স্তৰ বা আদি প্ৰাকৃত, মধ্য স্তৰ বা মধ্য প্ৰাকৃত আৰু অন্ত্য স্তৰ বা অন্ত্য প্ৰাকৃত। আদি স্তৰৰ সময় নিৰ্দ্ধাৰণ কৰা হৈছে খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্ট্ৰীয় প্ৰথম শতাব্দীলৈ, মধ্য স্তৰৰ সময় খ্ৰীষ্ট্ৰীয় প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্ট্ৰীয় ষষ্ঠ শতাব্দীলৈ আৰু অন্ত্য স্তৰৰ সময় খ্ৰীষ্ট্ৰীয় ষষ্ঠ শতাব্দীৰ পৰা দশম শতাব্দী পৰ্যন্ত। আদি স্তৰৰ ভাষাক প্ৰতিনিধিত্ব কৰিছিল পালি ভাষাই। এই স্তৰত ৰচিত উল্লেখযোগ্য সাহিত্যৰাজি হৈছে ত্ৰিপিটককে মুখ্য কৰি বৌদ্ধ ধৰ্মৰ পালি সাহিত্যৰাজি, অশোকৰ অনুশাসন, আৰু খ্ৰীষ্টপূৰ্ব শতাব্দীৰ প্ৰত্নলিপিসমূহ। মধ্য প্ৰাকৃতক প্ৰতিনিধিত্বকাৰী সাহিত্যৰ ভিতৰত মূলতঃ অশ্বঘোষৰ প্ৰাচীন সংস্কৃত নাটৰ 'সাৰিপুত্ৰ প্ৰকৰণ', ভৰতৰ নাট্যশাস্ত্ৰত উল্লিখিত 'ধ্ৰুৱা' গীতসমূহ, ভাষ-কালিদাসৰ পৰৱৰ্তী নাট্যকাৰসকলৰ সংস্কৃত নাটত ব্যৱহৃত প্ৰাকৃত, মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত বিবিধ কাব্য উল্লেখযোগ্য। অন্ত্য স্তৰৰ প্ৰাকৃতক অপভ্ৰংশ বুলিও কোৱা হয়। এই সময়ৰ নিদৰ্শন জৈনসকলৰ পৃষ্ঠপোষকতাত ৰচিত জৈন ধৰ্মীয় সাহিত্য, শৈৱ-নাথ তথা বৌদ্ধ বজ্ৰজানীসকলে ৰচনা কৰা ধৰ্মীয় গীতসমূহত পোৱা যায়।

নব্য ভাৰতীয় আৰ্যভাষা হৈছে ভাৰতীয় আৰ্যভাষাৰ শেষৰ স্তৰ। ভাৰতীয় আৰ্যভাষাৰ মধ্যস্তৰটোৱে সমাপ্তি লাভ কৰে খ্ৰীষ্টাব্দ দশম একাদশ শতিকামানত। ইয়াৰ পৰৱৰ্তী সময়ছোৱাৰপৰাই আধুনিক ভাৰতীয় ভাষাসমূহৰ বিকাশৰ স্তৰ আৰম্ভ হয়। ভাষাৰ বিকাশৰ স্তৰ যিহেতু সময়ৰ জোখেৰে স্পষ্টকৈ বান্ধিব পৰা নাযায়, সেয়ে নব্য ভাৰতীয় আৰ্যভাষাই ঠিক কোন সময়ৰ পৰা বিকাশ লাভ কৰিছিল সেই উত্তৰ স্পষ্টকৈ দিব নোৱাৰি। দৰাচলতে মধ্য ভাৰতীয় আৰ্যভাষা স্তৰত ভাৰতীয় আৰ্যভাষাই আঞ্চলিক ৰূপত বিকাশ লাভ কৰি প্ৰাদেশিক ৰূপ গ্ৰহণ কৰিছিল আৰু তাৰপৰাই পৰৱৰ্তী স্তৰত নব্য ভাৰতীয় আৰ্যভাষাসমূহে স্পষ্ট আৰু সুকীয়া সুকীয়া ৰূপ পাইছিল। মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰাকৃত স্তৰতে কথিত প্ৰাকৃত ভাষাৰ আঞ্চলিক ৰূপসমূহৰ ভিত্তিত পাঁচটা সাহিত্যিক প্ৰাকৃতৰ জন্ম হৈছিল। এই সাহিত্যিক প্ৰাকৃতবোৰ হৈছে — মহাৰাষ্ট্ৰী প্ৰাকৃত, শৌৰসেনী প্ৰাকৃত, মাগধী প্ৰাকৃত, অৰ্ধমাগধী প্ৰাকৃত আৰু পৈশাচী প্ৰাকৃত। পৰৱৰ্তী কালত মহাৰাষ্ট্ৰীৰ পৰা মাৰাঠী; শৌৰসেনীৰ পৰা পশ্চিমা হিন্দী, ৰাজস্থানী, গুজৰাটী, মাগধীৰ পৰা ভোজপুৰী, মৈথিলী, মগহী, অসমীয়া, বাংলা, ওড়িয়া; অৰ্ধ-মাগধীৰ পৰা পূৰ্বী হিন্দী আৰু শৌৰসেনীৰ পৰা হিমালয়ী বা পাহাৰী, পাঞ্জাবী আদি আধুনিক ভাৰতীয় ভাষাবোৰ গঢ় লৈ উঠিছে বুলি পণ্ডিতসকলে মত পোষণ কৰিছে।

খ্ৰীষ্টীয় দশম একাদশ শতিকামানতে অসমীয়াকে ধৰি নব্য ভাৰতীয় আৰ্যভাষাসমূহে বিকাশ লাভ কৰে। দশম একাদশ শতিকাতে নিজা ৰূপ পৰিগ্ৰহ কৰিলেও অসমীয়া ভাষাৰ প্ৰথম লিখিত নিদৰ্শন পোৱা যায় খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰপৰাহে। চতুৰ্দশ শতিকাৰ কবি হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিতেই অসমীয়া সাহিত্যৰ প্ৰাচীনতম লিখিত নিদৰ্শন। প্ৰাক শংকৰী যুগৰপৰা অসমীয়া ভাষাই সাহিত্যৰ মাধ্যমেৰে নানা বৈশিষ্ট্যৰে বিকাশ লাভ কৰি

বৰ্তমানে এটা শক্তিশালী ভাষাৰূপে প্ৰতিষ্ঠা লাভ কৰিলে। ৰেখাচিত্ৰৰ সহায়ত অসমীয়া ভাষাৰ জন্মৰ সামগ্ৰিক চিত্ৰ এখন এনেদৰে পাব পাৰি।




**অসমীয়া ভাষাৰ জন্ম আৰু ক্ৰমবিকাশ ঃ**

অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে বিভিন্ন পণ্ডিতে ভিন্ন মত পোষণ কৰিছে। অসমীয়া ভাষা নব্য ভাৰতীয় আৰ্যভাষাই বিকাশ লাভ কৰা সময়তে ভাৰতৰ পূব প্ৰান্তত যে স্বতন্ত্ৰভাৱে স্বীকৃতি লাভ কৰিছিল এই সম্পৰ্কে মতভেদ নাই। কিন্তু মধ্যভাৰতীয় আৰ্যভাষাৰ কোনটো আঞ্চলিক ৰূপৰ পৰা অসমীয়া ভাষাই বিকাশ লাভ কৰিলে এই সম্পৰ্কে কেইবাটাও মত পোৱা যায়। তলত এই মতকেইটা বিশ্লেষণ কৰা হৈছে —

অসমীয়া ভাষাৰ মৌলিক বিচাৰ' গ্ৰন্থত দেৱানন্দ ভৰালীয়ে অসমীয়া ভাষাৰ মূল কামৰূপী প্ৰাকৃত বা সৌমাৰ বুলি যুক্তি দৰ্শাইছে। কামৰূপী প্ৰাকৃতৰ পৰা অসমীয়া ভাষাই বিকাশ লাভ কৰিছে বুলি মত পোষণ কৰিছে ড° বেণীমাধৱ বৰুৱা আৰৰু ডিম্বেশ্বৰ নেওগে অসমীয়া ভাষাৰ জন্ম আৰু বিকাশ কামৰূপী প্ৰাকৃতৰ পৰা হৈছে বুলি বেণীমাধৱ বৰুৱাই 'Indian Historical Quatrly' ত মত পোষণ কৰিছে। ডিম্বেশ্বৰ নেওগে ড° বেণীমাধৱ বৰুৱাৰ এই মন্তব্যটো অধ্যয়ন কৰি প্ৰায় নিশ্চিত হৈছিল যে অসমীয়া ভাষা মাগধী প্ৰাকৃতৰ পৰা জন্ম পোৱা নহয়। অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাই "Assamese language : Origin and Development" নামৰ মনোগ্ৰাফত এই মতৰ সপক্ষে যুক্তি দৰ্শাইছে। উপেন্দ্ৰনাথ গোস্বামীয়েও 'অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ' গ্ৰন্থত এই মত মানি লোৱা যেন ধাৰণা হয়। কালিৰাম মেধিয়ে কৈছে যে অসমীয়া ভাষা প্ৰাচ্য আৰু পশ্চিমাৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে। ড° নাথান ব্ৰাউনে অসমীয়া ভাষাত প্ৰচুৰ পৰিমানে থকা অনা-আৰ্য উপাদানলৈ লক্ষ্য কৰি থলুৱা ভাষাৰ ওপৰত সংস্কৃত জাপি দিয়াৰ ফলতেই অসমীয়াৰ জন্ম বুলি মত প্ৰকাশ কৰিছে। কনকলাল বৰুৱাই অসমীয়া ভাষা পৈশাচী প্ৰাকৃতৰ পৰা উদ্ভৱ হৈছে বুলি উল্লেখ কৰিছে। ভাষা ভাৰতীয় আৰ্যভাষাৰ মাগধী প্ৰাকৃতৰ মাগধী অপভ্ৰংশৰ পৰা জন্ম আৰু বিকাশ হৈছে বুলি পোষণ কৰিছে জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্ছন, ড° সুনীতিকুমাৰ চেটাৰ্জী, ড° বাণীকান্ত কাকতি আদি পণ্ডিতসকলে। ড° বাণীকান্ত কাকতিয়ে "Assamese, Its Formation and Development" গ্ৰন্থত অসমীয়া ভাষা বিজ্ঞানসন্মত অধ্যয়ন কৰি এই সিদ্ধান্তত উপনীত হৈছে যে — *"অসমীয়া ভাষা বাংলা ভাষাৰ পৰা ওলোৱা নাই নাইবা ই বাংলা ভাষাৰ এটা মৃত্যুমুখী উপ-ভাষাও নহয়। অসমীয়া বাংলাৰ সৈতে সম্পৰ্ক থকা ই এটা সুকীয়া ভাষা। বাংলা আৰু অসমীয়া দুয়োটা ভাষাই এক মান্য মাগধী অপভ্ৰংশৰ উপভাষা।" (বাণীকান্ত কাকতি, অসমীয়া ভাষাৰ গঠন আৰু বিকাশ, ছেদ নম্বৰ- ১৬)*

অসমীয়া ভাষা সম্পৰ্কে সকলোবোৰ মত বিশ্লেষণ কৰি চালে এটা কথা ক'ব পাৰি অসমীয়া ভাষাত বহু পৰিমাণে অনাৰ্য ভাষাৰ উপাদানৰ প্ৰভাৱ আছে। যিহেতু অসমৰ জনগাঁথনি বিভিন্ন জনগোষ্ঠীয় ভাষা-ভাষী লোকেৰে পৰিপূৰ্ণ। গতিকে অনাৰ্য ভাষাৰ প্ৰভাৱ অসমীয়া ভাষাত পৰাটো স্বাভাৱিক। তথাপিও অনা-আৰ্য আৰু সংস্কৃত ভাষাৰ সংমিশ্ৰণত অসমীয়া ভাষাই জন্ম লাভ কৰাটো মানি ল'ব নোৱাৰি। অসমীয়া ভাষা মধ্যভাৰতীয় আৰ্যভাষাৰ বিকাশৰ স্তৰত আঞ্চলিক ৰূপ পোৱা প্ৰাকৃতসমূহৰ ভিতৰত মাগধী প্ৰাকৃতৰ ওচৰ চপা। সম্ভৱতঃ সেই মাগধী প্ৰাকৃতৰ অসমত প্ৰচলিত আঞ্চলিক ৰূপৰ সৈতে থলুৱা ভাষাৰ উপাদানৰ সংমিশ্ৰিত ৰূপেৰে অসমীয়া ভাষাই পূৰ্ণৰূপত বিকাশ লাভ কৰে।

অসমীয়া ভাষাই উৎপত্তিৰ সময়ৰে পৰা এতিয়ালৈকে কেইবাটাও স্তৰৰ মাজেৰে প্ৰায় হাজাৰোধিক বৰ্ষ অতিক্ৰম কৰিছে। অসমীয়া ভাষাৰ বিকাশৰ এই সময়ছোৱাক ভাষাবিদসকলে

সাহিত্যিক আৰু ভাষিক বৈশিষ্ট্যৰ ভিত্তিত যুগবিভাজন কৰিছে। ড° বাণীকান্ত কাকতিয়ে "Assamese, Its Formation and Development" গ্ৰন্থত অসমীয়া ভাষাৰ বিকাশৰ স্তৰক তিনিটা ভাগত ভগাই আলোচনা কৰিছে। প্ৰাচীন অসমীয়া, মধ্যযুগৰ অসমীয়া আৰু আধুনিক অসমীয়া। প্ৰাচীন অসমীয়াৰ সময় নিৰ্ধাৰণ কৰিছে চতুৰ্দশ শতিকাৰপৰা ষোড়শ শতিকাৰ শেষলৈ। ইয়াক আকৌ প্ৰাক বৈষ্ণৱ আৰু বৈষ্ণৱ এই দুটা উপযুগত ভগাইছে। মধ্যযুগীয় অসমীয়াৰ সময়সীমা সপ্তদশ শতিকাৰপৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈ। এইটো আহোম ৰজাসকলৰ বুৰঞ্জীৰ যুগ। ঊনবিংশ শতিকাৰ পাছৰ সময়ছোৱাক আধুনিক অসমীয়া হিচাপে নামকৰণ কৰিছে। ইয়াক অৰুণোদয় স্তৰ, জোনাকী স্তৰ আৰু যুদ্ধোত্তৰ স্তৰ এই তিনি ভাগত ভাগ কৰিব পাৰি।

এটা কথা উল্লেখযোগ্য যে ড° কাকতিয়ে অসমীয়া ভাষাৰ যুগবিভাজনৰ সময় নিৰ্ধাৰণ কৰিছে অসমীয়া ভাষাত ৰচিত পূৰ্ণ পৰ্যায় পুথি প্ৰহ্লাদ চৰিত ৰচনাৰ পাছৰ পৰা। কিন্তু প্ৰহ্লাদ চৰিতৰ ভাষাৰ সৌষ্ঠৱপূৰ্ণ আৰু শক্তিশালী প্ৰকাশিকা শক্তিলৈ লক্ষ্য কৰি ক'ব পাৰি যে আগৰ লিখিত নিদৰ্শন পোৱা নগ'লেও প্ৰহ্লাদ চৰিত এটা শক্তিশালী ভাষা-পৰম্পৰাৰ অধিকাৰী। গতিকে পূৰ্বস্তৰৰ প্ৰচলিত অসমীয়া ভাষাটোক উদ্ভৱ কালৰ অসমীয়া ভাষা নাম দি অসমীয়া ভাষাৰ যুগ বিভাজন কৰিব পাৰি। প্ৰসিদ্ধ অসমীয়া ভাষাবিদ ড° উপেন্দ্ৰনাথ গোস্বামী, ড° ৰমেশ পাঠকেও উদ্ভৱকালীন অসমীয়া ভাষাক যুগবিভাজনত অন্তৰ্ভুক্তি কৰিছে। সেয়ে ড° কাকতিৰ যুগবিভাজনৰ আগৰ সময়ছোৱাক ধৰি উদ্ভৱকালীন অসমীয়া বুলিও এটা স্তৰ চিনাক্ত কৰিব পাৰি। এই স্তৰৰ লিখিত সমল হৈছে তামৰ ফলি, চৰ্যাপদ, বঙলা অসমীয়া উমৈহতীয়া সাহিত্যৰ নিদৰ্শন আদি।

**অসমীয়া ভাষাত থলুৱা ভাষাৰ উপাদান ঃ**

খ্ৰীষ্টাব্দ ষষ্ঠ শতিকাত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙে মন্তব্য কৰিছিল যে কামৰূপৰ ভাষা মধ্য ভাৰতত প্ৰচলিত ভাষাতকৈ পৃথক আছিল। ইয়াৰপৰা স্পষ্টকৈ প্ৰমাণ হয় যে বৰ্তমান অসম প্ৰদেশত সেই সময়ত যি ভাষা প্ৰচলিত আছিল সেয়া আন অঞ্চলত প্ৰচলিত সংস্কৃতমূলীয় ভাষাৰপৰা পৃথক হৈ তেতিয়াই আত্মপ্ৰকাশ কৰিছিল। একে আৰ্যমূলীয় ভাষা হ'লেও জনজাতীয় বসতিপ্ৰধান কামৰূপত আৰ্যসকল প্ৰৱেশ কৰাৰ পাছত জনজাতীয় লোকসকলেও আৰ্যভাষা গ্ৰহণ কৰাত অসমীয়া ভাষাই তেতিয়াই থলুৱা ভাষাবোৰৰ মিশ্ৰণ হৈ সুকীয়া ৰূপ পৰিগ্ৰহ কৰিলে। এই সম্পৰ্কত ড° বাণীকান্ত কাকতিয়ে মন্তব্য কৰিছে — *"অসমীয়া ভাষাটো বিভিন্ন অনা-আৰ্য ভাষাৰ সাগৰৰ মাজত থকা এটা সৰু দ্বীপৰ নিচিনা।"* অসমীয়া ভাষাক প্ৰভাৱিত কৰা আৰ্যভিন্ন ভাষাগোষ্ঠীবোৰ হ'ল — অষ্ট্ৰিক ভাষাগোষ্ঠী, চীন-তিব্বতীয় ভাষাগোষ্ঠী আৰু দ্ৰাবিড় ভাষাগোষ্ঠী। বৰ্তমান অসমত বসবাস কৰা অষ্ট্ৰিক মূলৰ কোল জনগোষ্ঠীৰ অন্তৰ্গত চাহ জনগোষ্ঠীয় লোকসলে অসমীয়া ভাষাকেই প্ৰথম ভাষা হিচাপে আকোৱালি লৈছে। অসমীয়া ভাষাত ব্যৱহৃত কেতবোৰ শব্দ (যেনেঃ ককাই, বাই, টিপ, টিং, টিলা, দোং, লাটুম, আটোমটোকাৰি, ঠেঁটুৰৈ, গোহাৰি, ভোদা, আলাবাদু, চেলাউৰি, কাবৌ, কিংখাপ, খং জপা, জঞ্জাল, জহা, মেথোন, শালমন, নোদোকা ইত্যাদি) অষ্ট্ৰিক মূলৰ বুলি ধাৰণা কৰা হৈছে। ড° বাণীকান্ত কাকতিয়ে অসমৰ বহুতো ঠাইৰ নাম যেনে — কামাখ্যা, কামৰূপ, হাৰূপেশ্বৰ আদি অষ্ট্ৰিক মূলৰ বুলি অনুমান কৰিছে। ভাৰতীয় আৰ্যভাষাসমূহৰ ভিতৰত অসমীয়া ভাষাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল সম্বন্ধবাচক শব্দৰ পাছত পুৰুষ অনুসৰি সুকীয়া প্ৰত্যয়ৰ ব্যৱহাৰ। যেনে — মোৰ মা/পেহী, তোমাৰ মাৰা/পেহীএৰা, তোৰ মাৰ/পেহীয়েৰ, আপোনাৰ মাক/পেহীয়েক ইত্যাদি। ড° কাকতিয়ে এই বৈশিষ্ট্যৰ মূলতে অষ্ট্ৰিক ভাষাগোষ্ঠীৰ প্ৰভাৱ থাকিব পাৰে বুলি মত পোষণ কৰিছে।

পৃথিৱীৰ ভাষাগোষ্ঠীসমূহৰ ভিতৰত দ্বিতীয় বৃহৎ ভাষাগোষ্ঠী চীন তিব্বতীয় বা তিব্বত-চীনীয় ভাষাগোষ্ঠী। ভাৰতত প্ৰচলিত এই ভাষাগোষ্ঠীৰ অধিকাংশ ভাষা-ভাষীৰ লোক ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত বাস কৰে। অসমীয়া ভাষা অসমৰ লগতে নাগালেণ্ড আৰু অৰুণাচলৰ প্ৰদেশৰ উমৈহতীয়া ভাষা হোৱাৰ হেতু এই ভাষাসমূহৰ প্ৰভাৱ অসমীয়া ভাষাত সৰ্বাধিক। চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ দুটা ঠাল। এটা থাই-চীনীয় বা শ্যাম চীনীয় আৰু আনটো তিব্বতবৰ্মী। অসমত প্ৰচলিত ভাষাসমূহৰ ভিতৰত থাই চীনীয় উপশাখাৰ ভাষাসমূহ হৈছে টাই আহোম, খামতি, খাময়াং, আইতন ফাকে আৰু টুৰুং। তিব্বতবৰ্মীয় শাখাৰ ভাষাসমূহ হৈছে বড়ো, মিচিং. কাৰ্বি, ডিমাছা, ৰাভা, তিৱা, মিচিং, দেউৰী, দিমাচা আদি। ইয়াৰ উপৰিও অসমত ভালেমান নগা গাঁও আছে য'ত নগাভাষী লোক বাস কৰি আছে। আহোম ভাষা এসময়ত উজনি অসমৰ কথিত ভাষা আছিল। টাই আহোম ভাষাৰ ভালেমান শব্দ অসমীয়া শব্দভাণ্ডাৰত সোমাই পৰিছে। তেনে কিছুমান শব্দ হ'ল — খাং, ফাং, ফাউ, পাঙ, পিং, পুং, জান, জিন, বুৰঞ্জী, কাৰেং, ৰংঘৰ, ডোঙা, টুপ, লিকচৌ, চকলং, জাপ্, ফুট, থাপ, হাই, চিপ, চুপ্, খুতুৰা, চোক, আফু, কেৰু, খাপ, মৈদাম, খোৰোং, খাপ, মাইহাং, টাং-টিঙালি, টোকোন, পৈ, ফুকন, ফেঁহু, ৰাপ, ৰিং,

ৰিহা, লিগিৰী, হিলৈ, হেংদান ইত্যাদি। 'টি' বা 'তি' -ৰে গঠিত স্থানবাচক শব্দ কিছুমান টাই আহোম ভাষাৰ পৰা অসমীয়ালৈ আহিছে। যেনে — টিয়ক, টিপাম, টিৰাপ আদি। ড° বাণীকান্ত কাকতিয়ে 'অসম' শব্দৰ মূল 'টাই' ভাষাৰ 'শ্বাম্' ধাতু বুলি কৈছে।

তিব্বতবৰ্মী ভাষাগোষ্ঠীৰ উপাদানসমূহ অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দসম্ভাৰ — এই আটাইকেইটা দিশতে লক্ষ্য কৰা যায়। অসমীয়া ভাষা সংস্কৃতমূলীয় হ'লেও স্বৰ আৰু ব্যঞ্জনৰ উচ্চাৰণ সংস্কৃতৰ দৰে বা আন নব্য ভাৰতীয় আৰ্যভাষাৰ দৰে নহয়। সংস্কৃতত ৩৬ টা ব্যঞ্জন আৰু ১৪ টা স্বৰৰ ঠাইত অসমীয়াত কেৱল ২৩ টা ব্যঞ্জন (দুটা অৰ্ধস্বৰ 'য়' আৰু 'ৱ'কে ধৰি) আৰু ৮ টা স্বৰবৰ্ণহে পোৱা যায়। অসমীয়াৰ স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ হ্ৰাস হোৱাৰ মূলতে তিব্বতবৰ্মীয় ভাষাৰ প্ৰভাৱ বুলি ভাষাবিদসকলে মত পোষণ কৰিছে। একেদৰে অসমীয়া ভাষাত হ্ৰস্ব আৰু দীৰ্ঘ স্বৰৰ উচ্চাৰণৰ পাৰ্থক্য নাই, দন্ত্য আৰু মুৰ্ধন্য ধ্বনিৰ উচ্চাৰণো দন্তমূলীয় হিচাপেহে ব্যৱহাৰ হৈছে। এইসমূহৰ মূলতে আছে তিব্বতবৰ্মীয় ভাষাৰ প্ৰভাৱ। ৰূপগত (ব্যাকৰণগত) উপাদানৰ ভিতৰত বহুতো উপাদান এই ভাষাগোষ্ঠীৰ পৰা আহিছে বুলি ড° বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণাগ্ৰন্থত উল্লেখ কৰিছে। তাৰে কেইটামান হৈছে — অসমীয়া ভাষাৰ যৌগিক ক্ৰিয়াৰূপ যেনে — খামবান্ধ, গবামাৰ, বিৰ দি, থলামুৰি মাৰ আদি বড়ো ভাষাৰ পৰা অহা, ধাতুৰূপ — চেলেক্, জিৰা, ৰেপ্, গচক; '-মা' আৰু '-চা' গঠনমূলক প্ৰত্যয় (লোধোমা, ধেপেচা) আদিও বড়োমূলৰ। 'উৰা' প্ৰত্যয় (কান্দুৰা, খঁকুৰা) মিচিংমূলৰ। শব্দসম্ভাৰৰ ক্ষেত্ৰত — বড়োমূলীয়ঃ হাফলু, হাবাং, হামাহি, জখলা, বোন্দা, ডাউক, লফা, হাজো, হাকামা, বিহাম্পুৰ, দিচুপুৰ; চিয়াং, ৰিবিগাছেং, ঐনিতম, মিবু গালুক, লৃগাং, চিয়াং, চিচি, চিমেন, চিলুক আদি মিচিংমূলৰ; কাৰ্বিমূলৰঃ কাজিৰঙা, ডবকা, কাকডোঙা, কলং, কপিলী, লংকা, লংনিত, হৰলাং, চ'মাংকান; দেউৰীমূলৰঃ বিচু, কাই, কেটেঙা, চাপৰি, মেচেকা, হজুৰা, কুৰুৰা; ডিমাচা শব্দঃ ৰেচম, মহুৰা, জিঞ্জিৰি, ডিলাও, ডিমৰীয়া আদি।

**অসমীয়া ভাষাৰ চিন্তা-চৰ্চাৰ প্ৰাসংগিকতা ঃ**

ভাষা পৰিৱৰ্তনশীল। সাহিত্যৰ ভাষা বা লিখিত ৰূপত সংৰক্ষিত ভাষা এটা স্তৰত স্থিৰ হৈ থাকিলেও কথ্যভাষাই অতি সহজে পৰিৱৰ্তনমুখী গতি লয়। এনে পৰিপ্ৰেক্ষিততে মানুহৰ মুখে মুখে প্ৰচলিত অসমীয়া ভাষাই আঞ্চলিক ৰূপেৰে বিকাশ লাভ কৰিলে। ভাষিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি সেয়ে অসমীয়া ভাষাক উজনি অসমৰ উপভাষা আৰু নামনি অসমৰ উপভাষা হিচাপে ভাগ কৰা হ'ল। নামনি অসমৰ উপভাষাকো আকৌ কামৰূপীয়া, গোৱালপৰীয়া আদি ভাগত ভাগ কৰা হ'ল। আহোম ৰাজ্যৰ ৰাজধানীকেন্দ্ৰিক শিৱসাগৰ অঞ্চলৰ ভাষাই মান্যৰূপত অসমীয়া ভাষা হিচাপে দীৰ্ঘদিন ধৰি প্ৰচলিত হৈ আছে। কিন্তু সম্প্ৰতি পৰিৱৰ্তনৰ ধামখুমীয়াত মান্যৰূপত প্ৰচলিত অসমীয়া ভাষায়ো স্বকীয় ৰূপ হেৰুওৱাৰ দিশে ধাৱমান হৈছে বুলি ভাষাবিদসকল চিন্তিত হোৱা পৰিলক্ষিত হৈছে।

একবিংশ শতিকাৰ এই সময়ছোৱাত অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি এই শতিকাটোৰ ঘটনা-পৰিঘটনা, চিন্তাধাৰা, গোলকীকৰণ, বিজ্ঞান আৰু তথ্য-প্ৰযুক্তিৰ প্ৰভাৱেৰে প্ৰভাৱিত হৈছে। অসমীয়া ভাষা তথা সংস্কৃতিলৈ বিভিন্ন ধৰণেৰে প্ৰত্যাহ্বান আহি পৰাৰ লগতে ভাষিক আগ্ৰাসনো আহি পৰিছে। ইয়াৰ ফলত পৃথিৱীৰ সৰু সৰু জনগোষ্ঠীয় ভাষাসমূহ নিশ্চিহ্ন হোৱাৰ দৰে অসমীয়া ভাষা বৰ্তমান নহ'লেও অদূৰ ভৱিষ্যতে সংকটৰ গৰাহত পৰিব। বৰ্তমান অসমত বসবাস কৰি থকা অসমীয়াভাষীসকলৰ ভাষিক আবেগ অবিহনে অসমীয়া ভাষাৰ ভৱিষ্যত অকল্পনীয়। এনে পৰিপ্ৰেক্ষিতত সাম্প্ৰতিক সময়ৰ অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ গতি-প্ৰকৃতি, পৰিৱৰ্তন আৰু প্ৰভাৱ আদি ভিন্ন দিশৰ অধ্যয়ন, গৱেষণা আৰু আলোচনাৰ গুৰুত্ব অনস্বীকাৰ্য। লগতে বিশ্বৰ চিত্ৰপটত অসমীয়া ভাষা-সাহিত্যৰ স্থিতি সম্পৰ্কে অধ্যয়ন আৰু চিন্তা-চৰ্চাৰ প্ৰাসংগিকতা সাম্প্ৰতিক সময়ত অতিকৈ গুৰুত্বপূৰ্ণ বিষয়।

**গ্ৰন্থপঞ্জী ঃ**


কাকতি, বাণীকান্ত, হাজৰিকা, বিশ্বেশ্বৰ (অনু.), *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ,* বীণা লাইব্ৰেৰী, প্ৰথম প্ৰকাশ, ১৯৯৬

কোঁৱৰ, অৰ্পণা, *অসমীয়া ভাষা চিন্তন,* বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, মাৰ্চ, ২০১৬

গ্ৰীয়াৰ্ছন, *Linguistic Survey of India,* Vol-I & V, Motilal Banarsidass, Delhi, 1966

ভৰালী, দেৱানন্দ, *অসমীয়া ভাষাৰ মৌলিক বিচাৰ,* লয়াৰ্ছ বুক ষ্টল, তৃতীয় সংস্কৰণ, ১৯৯৩

মেধি, কালিৰাম, *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৮

গোস্বামী, উপেন্দ্ৰনাথ, *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ,* বৰুৱা এজেঞ্চি, দ্বিতীয় প্ৰকাশ- ১৯৯৪

সাহিত্য-সংস্কৃতি ঃ

# সোণোৱাল কছাৰীসকলৰ হাইদাং গীত ঐতিহ্য আৰু পৰম্পৰা

**ড° ববিতা দত্ত**

নৃতাত্বিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায় সোণোৱাল কছাৰীসকল বৃহত্তৰ কিৰাত জনগোষ্ঠীৰ অন্তৰ্গত। এওঁলোক অসমৰ পূৱ-পশ্চিম, উত্তৰ-দক্ষিণ, পাহাৰ পৰ্বত সকলোতে বসবাস কৰি আছে। কছাৰী ৰাজ্যৰ পৰা ফাটি অহাৰ আগতে সোণোৱালসকলৰ নিকটৱৰ্তী আন এটা ডাল আছিল ডিমাছা কছাৰীসকল। 'সোণোৱাল' নামটো ডিমাছা শব্দ 'সুনুৱাল' —অৰ্থাৎ সমৃদ্ধিশালীৰ পৰা সৃষ্টি হৈছে। মানুহৰ মুখ বাগৰি 'সুনুৱাল' শব্দটো সোণোৱাললৈ



পৰিৱৰ্তিত হয়। সোণোৱাল সকলৰ সম্পৰ্কত ‘The Tribes of Brahmaputra Valley’ গ্ৰন্থৰ লিখক A.A Wadel য়ে মন্তব্য কৰিছে যে, “সোণোৱাল বা শদিয়াল কছাৰীসকল যতদূৰ সম্ভৱ উজনি অসমৰ লক্ষীমপুৰ জিলাৰ সোণ কমোৱা সোণোৱাল সকলেই ” (The Sonowal or Sodial are mostly gold washer in Lakhimpur district in Upper Assam, P-45) প্ৰবাদ অনুসৰি সোণোৱাল কছাৰীসকলৰ পূৰ্বপুৰুষ নৰক ৰজা আছিল। সামাজিক পটভূমিলৈ মন কৰিলে দেখা যায় সোণোৱাল কছাৰীসকল সমাজপ্ৰিয়। সমাজ পাতি বাস কৰোঁতে তেওঁলোকে বিভিন্ন অনুষ্ঠান পালন কৰে। যুগ যুগ ধৰি লোক সংস্কৃতিয়ে মানুহৰ মাজত একক আৰু ধাৰাবাহিকভাৱে প্ৰৱহমান হৈ আহিছে। ঐতিহ্য আৰু পৰম্পৰা অনুসৰি সোণোৱাল সকলেও কিছু গীত-মাত, আচাৰ-অনুষ্ঠান পালন কৰে। অসমীয়া সংস্কৃতি টনকিয়াল কৰাত অসমৰ নৃ-গোষ্ঠীসমূহৰ অৱদান মন কৰিবলগীয়া।

লোক-সাহিত্যৰ অন্তৰ্গত লোকগীতসমূহ স্বভাৱতে সুন্দৰ। লোকগীতৰ মাজেৰে লোকমনৰ আৰু লোকজীৱনৰ সাৰ্থক প্ৰতিফলন ঘটে। সোণোৱাল কছাৰীসকলৰ লোকগীতৰ অন্তৰ্গত হাইদাং গীত, হুঁচৰি গীত, বিহুগীত, বিয়ানাম, আইনাম, গোসাঁই নাম, মৰণা মৰা গীত, ধাই নাম, নিচুকনি গীত, জনাগাভৰুৰ গীত, খেল-ধেমালিৰ গীত, মণিকোঁৱৰ, ফুলকোঁৱৰৰ গীত আদিয়ে লোক সংস্কৃতিত যথেষ্ট সমল যোগাইছে। হাইদাং গীতসমূহ সোণোৱালসকলৰ প্ৰাচীনতম লোকগীত। সোণোৱাল লোকসংস্কৃতিৰ স্বকীয়তা এই গীতসমূহে চিৰকাল বহন কৰি থাকিব। অসমত বসবাস কৰা অন্যান্য কছাৰীসকলৰ দৰে সোণোৱাল সকলেও শিৱ বা বাথৌ বা খিৰিং দেৱতাৰ পূজা পালন কৰে। বাইথ’ মন্দিৰত বগা কাপোৰ পৰিধান কৰি বয়োবৃদ্ধসকলে এই গীত পৰিৱেশন কৰে। মুঠ এঘাৰটা অধ্যায়ত বৰ্ণিত এই গীতে সৃষ্টি তত্ব, জীৱ-জগতৰ ৰহস্য প্ৰকাশ কৰে। হাইদাং গীতৰ অৰ্থ হৈছে বিশ্ব সৃষ্টিৰ স্তুতি গীত। অৰ্থাৎ হা-মাটি, বিশ্ব আৰু দাং-সৃষ্টি। সৃষ্টি তত্বৰ গূঢ়াৰ্থ এই গীতৰ মাজেৰে সুন্দৰকৈ প্ৰকাশ হৈছে।

**ঐতিহ্য আৰু পৰম্পৰা ঃ**

হাইদাং গীতসমূহ অসমীয়া ভাষা-সাহিত্যৰ এক আপুৰুগীয়া সম্পদ। ধৰ্মীয় বিশ্বাস, ঐতিহাসিক দৃষ্টিকোণৰ ফালৰ পৰা এই গীতসমূহ যুগ যুগ ধৰি সমাদৃত হৈ আহিছে। সোণোৱালসকলৰ অন্যান্য গীতৰ ভিতৰত হাইদাং গীতসমূহ পুৰণি। এঘাৰটা অধ্যায়ত সন্নিৱিষ্ট গীতসমূহত মানৱ জীৱনৰ সৃষ্টি ৰহস্যৰ লগতে জগতৰ সকলো প্ৰাণীৰ সৃষ্টিতত্ত্ব প্ৰকাশ কৰা হৈছে। এই গীতসমূহ সোণোৱাল সকলৰ একক ঐতিহ্যসম্পন্ন গীত।

**বাইথ’ পূজা আৰু হাইদাং গীত ঃ**

হাইদাং গীতসমূহক সোণোৱাল কছাৰী সমাজৰ ধৰ্মীয়, ঐতিহাসিক বেলাড আৰু বেদ স্বৰূপে মানিব পাৰি। বাইথ’ পূজাৰ লগত সংগতি ৰাখি এই গীতসমূহ গোৱা হয়। শিৱৰাত্ৰিৰ পাছত দৌল পূৰ্ণিমাৰ শুক্ল পক্ষৰ দ্বিতীয় সোমবাৰৰ আগদিনা দেওবাৰে আগবেলা ভুৰুলী শালৰ পৰা বালিকটা দা (মাণ্ডা)খন চাঙৰ পৰা নমাই আগলি কলপাত এখনত দক্ষিণ দিশে ধাৰটো কৰি ৰাখে। চাঙৰ পৰা নমাই আনি জাতীয় সুৰাৰে (চাউলৰ পৰা তৈয়াৰী) ধুই এগছি চাকি জ্বলাই এটা তামোল পাণৰ টোপোলা আগবঢ়াই এখন অস্ত্ৰেৰে এটি সৰু কুকুৰা বলি দিয়া হয়। বলিৰ মাংস ৰান্ধি প্ৰসাদ হিচাপে ব্যৱহাৰ কৰা হয়। এই কাম মূল মন্দিৰৰ পূজাৰীয়ে কৰে। পূজাৰী, দেওধাই, দা-ধৰাওতা, মজিন্দাৰ আৰু বাৰিক থাকে। মূল পূজাৰীয়ে প্ৰসাদ গ্ৰহণ নকৰে। ইয়াৰ পাছত নিশা মূল মন্দিৰত একুৰা জুই জ্বলাই জুইৰ চাৰিওফালে মূল পূজাৰী বা বাইথ’ কৰ্মীসকল বহি তাৰে এজন কৰ্মীয়ে গা ধুই তিতা কাপোৰেৰে সেৱা জনাই উলু খেৰৰ পাতেৰে টোপোলা বান্ধে। তাৰে দুটা টোপোলা পূজাৰীৰ বৰ ঘৰ চাঙত দি চাঙৰ পৰা হাইদাং গীতৰ সঁজুলিবোৰ নমাই আনি মন্দিৰত থয়। এটা টোপোলা বাইথ’ক, এটা আশীৰ্বদীয়াক আৰু এটা গীত ধৰাজনক দিয়ে। এই কাম হোৱা পাছত তিতা কাপোৰেৰে থকাজনে কাপোৰ সলনি কৰি লয়। পূজাৰীয়ে এটা ডাঙৰ মতা কুকুৰা জীয়াই জীয়াই সেই জুইতে ভাজি প্ৰত্যেককে জাতীয় সুৰাৰ লগত দিয়ে। ইয়াৰ পাছতে বৃদ্ধই কেইটামান যোজনা গায়। যোজনাৰ অৰ্থ ভাঙিব নোৱাৰিলে কোনেও প্ৰসাদ গ্ৰহণ কৰিব নোৱাৰে। এগৰাকী বৃদ্ধাই গুপুত মন্ত্ৰ উচ্চাৰণ কৰি ‘নমোঃ নমোঃ নমোঃ যেনিয়ে পোনাই তেনিয়ে চমু’ বুলি কোৱাৰ পাছত ‘দেৱতাৰ আৰ্জন মনুষ্যৰ ভোজন’ বুলি প্ৰসাদ গ্ৰহণ কৰে। কথা-বাৰ্তাৰ পাছত হাইদাং গীতৰ বাদ্য সামগ্ৰীসমূহ পুনৰ বাইথ’ৰ বৰঘৰৰ চাঙত থৈ দিয়ে। এই অনুষ্ঠানক দেও নমোৱা অনুষ্ঠান বুলি কোৱা হয়।

দেও নমোৱাৰ পিছদিনাখন সন্ধিয়াৰ পৰা সেৱকসকল আহি পূজাৰীৰ বৰঘৰত সুৰাৰ সৈতে চাউল পাতৰ এখন ভাৰ পাতি গাঁৱৰ বাৰিকে জমা দি মূল মন্দিৰত গোট খায়। পূজাৰ দ্বাৰা জাতিটো অজৰ অমৰ হ’বৰ বাবে বিভিন্নজনে অনা মাধপুৰুষৰ ৰস মিহলি কৰে। আৰৈ চাউল আৰু টংলতি পাতেৰে শান্তি জল তৈয়াৰ কৰে। পূজাৰ সামগ্ৰী কেৱল কৰ্মীসকলেহে চুব পাৰে।

প্ৰথমতে পূজাৰীৰ বৰঘৰৰ ভিতৰত চকালী, ভৰালী, কুবেৰ, কালিকা, দালি, ফলকোঁৱৰ স্বৰ্গপুৰী আৰু ন-ভনী লখিমীক পূজা দিয়া হয়। ইয়াৰ পাছত দুৱাৰ মুখত শুনা-নুশুনা দেউতা পূজা, ঢেঁকীত ডলা-চালনীৰ সৈতে বয় পূজা, পানী পটাত সোণক্ষেত্ৰীৰ পূজা, চালত চালকুঁৱৰী পূজা কৰি বৰঘৰৰ ওপৰ ফালেদি এপাট তাঁতৰ শালৰ চিৰি আৰু দাঁড মাৰি পঠিয়ায়। ইয়াৰ পাছত মূৰত এটা ভগা জাপি লৈ পূজাৰ কাম কৰে। পূজাত ক'লা কুকুৰা এটা মেলি দিয়ে। মূল মন্দিৰত ৰঙা আলুৰা কুকুৰা বলি দিয়া হয়। সেৱকসকলে পাণ তামোলৰ টোপোলা দি সেৱা কৰে।

সোমবাৰে সন্ধিয়াৰ পৰা প্ৰকৃতিশালৰ পূজা কৰে। গোটেই নিশা পূজা কৰি মঙ্গলবাৰে পুৱা পূজা সামৰি ৰাইজ ঘৰাঘৰি যায়। পূজাৰ প্ৰসাদেৰে পূজা বৰঘৰত ৰাইজৰ দ্ৰব্যৰে ভাত ৰান্ধি সাত খেলৰ সাতজন ভকতক বহুৱাই এসাঁজ ভাত খুৱায়। ইয়াক ৰাজহুৱা পুঢ়া-পোহা বুলি কয়। পাছদিনাখন হাইদাং গীতৰ বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি হাইদাং গীত গোৱা হয় আৰু নৃত্য কৰা হয়।

হাইদাং গীত সোণোৱালসকলৰ মাজত বেদৰূপে সমাদৃত হৈ আহিছে। ১৯৪৪ চনত এই গীতটো ডাঙৰিৰ গগণচন্দ্ৰ সোণোৱালে প্ৰকাশ কৰিছিল। এঘাৰটা অধ্যায়ৰ প্ৰথম অধ্যায়ত জগতৰ সৃষ্টিকৰ্তা নাৰায়ণক প্ৰণিপাত জনাইছে—

*হা ইয়হ নমো নাৰায়ণ*
*হা ইয়হ পৃথিৱী হোনো সৃজাইছে....*

বিশ্বব্ৰহ্মাণ্ডৰ আকাশ, বায়ু, উৰণ, বুৰণ, গজন, ভ্ৰমণ আদি গুৰু, অনাদি গুৰু আদি সকলোকে শিৱই সৃষ্টি কৰিছে। শিৱ হ'ল সৃষ্টিকৰ্তা সৰ্বমঙ্গলময় দেৱতা। সৃষ্টি ৰহস্যৰ ইংগিত প্ৰথম অধ্যায়ৰ বিশ্লেষণত পোৱা যায়।

হাইদাং গীতৰ দ্বিতীয় অধ্যায়ত পাৰ চৰাইৰ জড়িয়তে সৃষ্টিতত্বৰ ব্যাখ্যা দাঙি ধৰা হৈছে। পাৰৰ কণীৰ পৰাই মানৱ দানৱ, দেৱ-দেৱতাৰ সৃষ্টিৰ লগে লগে অলৌকিক ৰূপত বাইথ' দেৱতা, গজাই আৰু মনাই আৰু ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ সৃষ্টি হৈছে। শেষত 'হা ইয়হ আদি কছাৰী হায়দাং দে' বুলি গীত সামৰে।

তৃতীয় অধ্যায়ৰ গীতটো এনেদৰে গোৱা হয়—

*হা ইয়হ ডাঙৰ ডাঙৰ কোন ডাঙৰ*
*হা ইয়হ দেৱৰ ডাঙৰ খিৰিং ৰজা জে*
*হা ইয়হ দেৱী ডাঙৰ ভুৰুলী হাবুকী জে*
*হা ইয়হ কুলৰ ডাঙৰ লাই মিক্ৰি জে... ।*

সোণোৱাল কছাৰীৰ সাত খেল, চৈধ্য বংশ আৰু প্ৰৱজনৰ ফলত সাতঘৰ মিৰি আৰু ডফলাক নিজৰ অন্তৰ্ভুক্ত কৰি লোৱাৰ বৰ্ণনা আছে।

চতুৰ্থ অধ্যায়ত সোণোৱাল কছাৰীসকলৰ মাজত মদন, মাণিকীয়াল, হগ্ৰাল, মুক্তাল, বৰ হাজোৱাল, সৰু হাজোৱাল, এচমাল, ফৰমাল, কুমৰাল, ঢেকীয়াল, দংৰাল, ডিঙিয়াল, লাঠিয়াল, চেতিয়াল— এই চৈধ্য বংশৰ উৎপত্তিৰ বৰ্ণনা পোৱা যায়।

হাইদাং গীতৰ পঞ্চম অধ্যায়ত খ্ৰীং ৰজা দেৱতাই শংখদেউ ৰজাৰ কন্যাক বিবাহৰ বৰ্ণনা আৰু ষষ্ঠ অধ্যায়ত বিবাহৰ সকলো কাৰ্য শেষ হোৱাৰ পাছত সম্প্ৰদান কাৰ্যত বাধা দিয়া কিছু লোকৰ লগত যুদ্ধ কৰিবলগীয়া হয়। সেই যুদ্ধত বায়ু দেৱতাকে ধৰি অন্যান্য দেৱ-দেৱতাসকলে ভাগ লয়। যুদ্ধত যৌতুকৰ সামগ্ৰীকে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ বৰ্ণনা আছে।

সপ্তম অধ্যায়ত যুদ্ধ জয়ৰ পাছত খ্ৰীং ৰজাই প্ৰজাৰ লগত কৰা আনন্দৰ বৰ্ণনা আছে। অষ্টম অধ্যায়ত খ্ৰীং ৰজা দেৱতাই শংখদেউ ৰজাৰ দুই কন্যা 'লুৰপী' আৰু 'চুৰপী'ক বিবাহ কৰাই ঘৰলৈ লৈ আনিছে। আদৰ সন্মানেৰে কন্যাক ঘৰলৈ আনি নীতি-নিয়ম কৰাৰ পাছত দৰাঘৰত বৰভোজ পাতি আনন্দ-নৃত্য কৰাৰ সুন্দৰ বিৱৰণ হাইদাং গীতত পোৱা যায়।

নৱম অধ্যায়ত হাইদাং গীতৰ জড়িয়তে সোণোৱাল কছাৰীসকলে দেৱী-দেৱতাক প্ৰাৰ্থনা জনাইছে। সোণোৱাল কছাৰীসকলৰ মাজত খ্ৰীং ৰজাদেৱতা (শিৱ)ক শ্ৰেষ্ঠ বুলি মনা হয়। সোণোৱাল কছাৰী সমাজৰ সকলো বিপদ-বিঘিনি আঁতৰাই সুখে-শান্তিৰে থাকিবলৈ আৰাধ্য দেৱতা খ্ৰীং ৰজাদেৱতা, বায়ু, বৰুণ, মনাই, গজাই, চন্দ্ৰ, সূৰ্য, নভনী, লখিমী আদিক প্ৰাৰ্থনা জনায়।

কৃষিজীৱি সোণোৱাল কছাৰীসকলৰ উৎসৱৰ মূল উপজীব্য কৃষি। কৃষিৰ অধিষ্ঠাত্ৰী দেৱী হ'ল লখিমী । কৃষিজীৱি সমাজত লখিমী সবাহ, লখিমী আদৰা উৎসৱ আদি পতা হয়। হাইদাং গীতৰ দশম অধ্যায়ত লখিমীক বিভিন্ন নদ-নদীৰ পৰা তুলি আনি জামুকৰ খুটাত আসন দিয়াৰ কথা পোৱা যায়। কৃষিৰ অধিষ্ঠাত্ৰী দেৱী লখিমীক আসনত প্ৰতিষ্ঠা কৰি পূজা কৰা হয়। ঠাই বিশেষে সোণোৱাল কছাৰীসকলে লখিমী আদৰিবৰ বাবে বেলেগ নদী ব্যৱহাৰ কৰে।

হাইদাং গীতৰ একাদশ অৰ্থাৎ শেষ অধ্যায়ত আগৰ সময়ছোৱাত কৰা প্ৰাৰ্থনাত কিবা ভুল ভ্ৰান্তি হ'লে ক্ষমিবৰ বাবে

শিৱৰ ওচৰত প্ৰাৰ্থনা জনাইছে। জীৱনৰ মঙ্গলাৰ্থে বিভিন্ন দেৱ-দেৱীক কৰা প্ৰাৰ্থনাত কিবা আসোঁৱাহ থাকি গ'লে তেওঁলোকৰ খ্ৰীং দেৱতাই মাৰ্জনা কৰে বুলি বিশ্বাস কৰে।

সোণোৱাল কছাৰীসকলৰ হাইদাং গীতত তেওঁলোকৰ ঐতিহ্য চেতনা আৰু স্বকীয় বৈশিষ্ট্য প্ৰকাশ পাইছে। পৰম্পৰাগতভাৱে চৰ্চা কৰি অহা এই গীতসমূহে বৰ্তমানলৈকে ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। হাইদাং গীতসমূহ ইতিহাস সম্বলিত প্ৰচেষ্টা। গীতৰ বৰ্ণনাৰ মাজত সমাজৰ একক প্ৰচেষ্টা আৰু ঐকান্তিক আগ্ৰহ পৰিলক্ষিত হয়। একান্তভাৱে কৰা ঐশ্বৰিক ভক্তি প্ৰকাশৰ বাবেই এই গীতসমূহ পৰিৱেশন কৰা হয়। হাইদাং গীতসমূহত 'আদি যুগৰ কছাৰী হাইদাং দে' বুলি কোৱা কথাষাৰে হাইদাং গীতসমূহৰ প্ৰাচীনতাক সোঁৱৰাই দিয়ে।

অসমৰ বিভিন্ন প্ৰান্তত থকা সোণোৱাল সকলৰ মাজত পৰম্পৰাগতভাৱে হাইদাং গীতৰ প্ৰচলন আছে। ধৰ্মমূলক এই গীতসমূহ এক গৌৰৱোজ্জ্বল মৌখিক সাহিত্য। গীতসমূহৰ সৰল প্ৰকাশভংগী আকৰ্ষণৰ মূল কাৰণ। সামূহিক ভাৱ-অনুভূতিৰ প্ৰকাশ হিচাপেও গীতটোৰ মহত্ব আছে। গীতটোৰ সুৰৰ মাধুৰ্যত থলুৱা গীতৰ সন্মোহনী শক্তি দেখিবলৈ পোৱা যায়।

আধুনিক অসমৰ অৱসৰ বিনোদনৰ পৰা আঁতৰত সম্পূৰ্ণ ধৰ্মীয় পৰিৱেশত হাইদাং গীত পৰিৱেশন কৰা হয়। গীতৰ পৰিৱেশৰ মাজত শাৰীৰিক আৰু মানসিক আনন্দ লাভৰ লগে লগে ঐতিহাসিক পৰম্পৰা হৈছে। শৃংখলাৱদ্ধ সমাজ গঠনৰ বাবে ধৰ্মীয় বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। গীতৰ মাজত সোণোৱাল সকলৰ বিবাহৰ নীতি-নিয়ম, যৌতুকৰ ব্যৱহাৰ আদি সমাজৰ পৰম্পৰাৰো উল্লেখ আছে। খ্ৰীং ৰজাক তেওঁলোকে উচ্চ আসন দি পূজা অৰ্চনা কৰি আহিছে। বাইথ' পূজাৰ গুৰুত্ব আৰু বিশ্বাস সোণোৱালসকলে হ্ৰাস হ'বলৈ দিয়া নাই।

মূলত ঃ শিৱ পূজা কৰিলেও সোণোৱাল কছাৰীসকল বৈষ্ণৱ ধৰ্মৰ সৈতেও জড়িত আছিল বুলি অনুমান কৰিব পাৰি। হাইদাং গীতৰ তৃতীয় অধ্যায়ত 'কুলৰ ডাঙৰ লাই মিক্ৰজে' — গীত ফাঁকিৰ পৰা অনুমান কৰিব পাৰি যে কছাৰীসকলে বিষ্ণুৰপৰা এটা সোণৰ মেকুৰী পাইছিল। বিষ্ণুভক্ত বলিয়ে বৈষ্ণৱ ধৰ্মক ৰাজধৰ্ম কৰি গঢ়ি তুলিছিল। বামনৰূপী বিষ্ণুৰ চলনাত বলি সুতলপুৰীলৈ যাওঁতে বিষ্ণুপ্ৰদত্ত সোণৰ মেকুৰীটো লগত লৈ গৈছিল। তিনিটা মূৰযুক্ত এই মেকুৰীটো বৈষ্ণৱ ধৰ্মৰ প্ৰতীক। সোণৰ মেকুৰীটোক উপাসনা কৰিলে সৰ্বসিদ্ধি হয় বুলি বিশ্বাস আছিল। কছাৰীসকলৰ শ্ৰেষ্ঠ বংশত এই মেকুৰীটো আছিল। পৰৱৰ্তী সময়ত বিষ্ণুবংশীয় কছাৰীসকলেই সোণোৱাল কছাৰী নামেৰে পৰিচিত হ'ল।

নিটোল ছন্দসজ্জা, পৰিশীলিত প্ৰকাশভংগী আৰু মনোগ্ৰাহী বিষয়ে গীতৰ অধ্যায়সমূহক অনুপম কৰি তুলিছে। সমাজ সংস্কৃতি পৰিৱৰ্তনশীল। সময়ৰ সৈতে সমাজৰ গতিশীলতা বৰ্তি থাকে। পৰিৱৰ্তনশীল সময়ত হাইদাং গীতসমূহৰ আদৰ নৱ-প্ৰজন্মৰ মাজত কেনেদৰে থাকিব সেয়া সময়েহে ক'ব। গীতৰ চৰ্চা অব্যাহত থকাটো নিতান্তই প্ৰয়োজনীয়।

**প্ৰসঙ্গ পুথি ঃ**


অসমৰ জনজাতি— প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য (১৯৯১ )

মোহন সোণোৱাল—(সম্পাদনা) সোণোৱাল সৌৰভ,

সোণোৱাল কছাৰী সাংস্কৃতিক মহোৎসৱ, ২০০৭

# শঙ্কৰী সংস্কৃতিৰ শ্ৰেষ্ঠ সৃষ্টি খোল আৰু তাল ঃ এক চমু বিশ্লেষণ

সুশীল শইকীয়া

অসমৰ সমাজ জীৱনৰ দৈনন্দিন কাৰ্যসূচীত আধ্যাত্মিক আৰু আত্ম চেতনা প্ৰবাহিত কৰা সাৰ্থক সৃষ্টি খোল আৰু তাল। খোলৰ গুৰুগম্ভীৰ ধ্বনিয়ে আত্মা আৰু পৰমাত্মাৰ পৰিচয় কৰি, মনক সংযত কৰি, হৃদয়ত আধ্যাত্মিক ভক্তিভাৱৰ সঞ্চাৰ কৰে। তালৰ মৃদু আৰু গভীৰ গুঞ্জনে হৃদয়ত সাত্ত্বিক ভাৱৰ সৃষ্টি কৰি নান্দনিক আনন্দ দিয়ে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে 'চিহ্নযাত্ৰা' ভাওনাত খোল-তালৰ প্ৰথম ব্যৱহাৰ কৰিছিল। নিজে গায়ন বায়ন শিকাই সু-নিপুণ গানিকা দল গঠন কৰিছিল। জনা যায় যে শংকৰদেৱে একেলগে ন টা খোল বজাইছিল।

অঙ্কীয়া ভাওনা, গীত, নাচ আদিৰ মুখ্য বাদ্যটোৱেই হ'ল খোল। লগত সহযোগী বাদ্য ৰূপে থাকে তাল। অসমত এই বাদ্যযন্ত্ৰ প্ৰধানকৈ অঙ্কীয়া নাট ভাওনা, সত্ৰীয়া নৃত্য, বৰগীত, শঙ্কৰী নৃত্য, ঝুমুৰা, চালি, নাদুভঙ্গী, কৃষ্ণ নৃত্য আদিৰ লগতে নাম প্ৰসঙ্গ আৰু লোক সঙ্গীততো ব্যৱহাৰ কৰে। মণিপুৰৰ বসন্ত বিহাৰ (ৰাসলীলা) পুং চালম (খোল) আদিত খোল ব্যৱহাৰ হোৱা দেখা যায়। আনহাতে বেঙ্গলত এই খোলৰ ব্যৱহাৰ দেখা যায় কীৰ্তন, বাউল গীতসমূহত। অসম, মণিপুৰ, বেঙ্গল আদিৰ উপৰিও উৰিষ্যা প্ৰদেশতো কীৰ্ত্তনত খোলৰ ব্যৱহাৰ দেখা পোৱা যায়। ইচ্‌কনৰ কৃষ্ণ-ৰুক্মিনীৰ মন্দিৰত (আমেৰিকা) হৰেকৃষ্ণ; হৰে ৰাম, ৰাম ৰাম হৰে হৰে আদি সংকীৰ্তনত কেইবাযোৰা খোল তালৰ ব্যৱহাৰ কৰা দেখা যায়। অসমত প্ৰথমাৱস্থাত মৃদঙ্গৰ ব্যৱহাৰ আছিল। বৰ্তমানেও দিহিঙ্গিয়া সত্ৰ আদিত মৃদঙ্গৰ ব্যৱহাৰ আছে। উত্তৰ ভাৰতটো পাখোৱাজ আৰু মৃদঙ্গৰ ব্যৱহাৰ আছিল। মৃদঙ্গৰ দৰে মাদল নামৰ বাদ্যযন্ত্ৰও প্ৰচলিত আছিল। প্ৰবাদ আছে যে পাখোৱাজৰ জন্ম বৃত্তান্তও ত্ৰিপুৰাসুৰক বধ কৰি শিৱই আনন্দৰে পাখোৱাজ বজাই নৃত্য কৰিছিল। সেই নৃত্যত বজাবৰ বাবে ব্ৰহ্মাই মৃদঙ্গৰ পৰা পাখোৱাজ সৃষ্টি কৰে। শিৱৰ পুত্ৰ গনেশে প্ৰথমে এই বাদ্য বজাইছিল।

মৃৎ শব্দৰ পৰা মৃদঙ্গ শব্দৰ উৎপত্তি হৈছে। মাটিৰ ডিমা গঢ়ি সজা এইবিধ বাদ্যৰ নাম মৃদঙ্গ। আজিকালি মাটিৰ ডিমাতকৈ কাঠৰ ডিমাৰ প্ৰচলন অধিক হৈছে। খোল মৃদঙ্গৰ সংস্কৰণ নাইবা মহাপুৰুষৰ দিনত মৃদঙ্গকে খোল বোলা হৈছিল। (বায়ন বিদ্যাৰ পাঠ্য 'খোল বাদ্য' দ্ৰষ্টব্য) প্ৰাচীন গ্ৰন্থত খোলৰ নাম পোৱা নাযায়। মৃদং নামহে পোৱা যায়। খোল আৰু মৃদং দুয়োবিধৰে আকৃতি একে। মৃদঙ্গৰ আকৃতি তিনিপ্ৰকাৰৰ। যৱাকৃতি, হৰিতকী আৰু গোপুচ্ছাকৃতি। খোল হৰিতকী আকৃতিৰ। মহাপুৰুষ শংকৰদেৱে কপিলীমুখত বাস কৰা কুমাৰৰ হতুৱাই খোলৰ ডিমা গঢ়াই লৈছিল। চৰিত পুথিত উল্লেখ আছে এনেদৰে—

*"কপিলী পাৰৰ পৰা কুমাৰ অনাই*
*মাটি খোল গঢ়াইলন্ত শঙ্কৰ গোঁসাই।*
*শালমৰা হইতে মুছিয়াল অনাইল*
*আগে থাকি ভাল মতে খোলক চোৱাইল।*
*কৰ্ কৰা ভাত লোহা গুড়ি মিশ্ৰ কৰি*
*শঙ্কৰে দিয়াইল ঘূণ খোলে সুৰ ধৰি।"*

"কপিলী নদীৰ পাৰৰ পৰা শংকৰদেৱে কুমাৰ মাতি আনি মাটিৰে খোল সজাইছিল। মাত ওলাবৰ বাবে খোলৰ দুয়োফালে কৰক্‌ৰা ভাত আৰু লোহা গুড়ি ভালদৰে মিশ্ৰণ কৰি তাত লগাইছিল। এই খোলৰ জোখ দিছিল বলৰাম

আতৈয়ে। ৰামচৰণ ঠাকুৰৰ চৰিত পুথিত এনেদৰে উল্লেখ আছে—

*বলৰাম আতৈ আসিয়া তেখনে*
*খোলাৰ জোখাক দিলা*
*ত্ৰয়োদশ আঙ্গুল বামভাগে জানা*
*ডাইনে ন আঙ্গুল কৈলা।।*

বাঁয়াৰ ব্যাস ১৩ আঙুলি আৰু দাইনাৰ ব্যাস ৯ আঙুলি। এই জোখ বৰ্তমানৰ খোলৰ জোখৰ লগত নিমিলে। কথা গুৰুচৰিততো খোলৰ জোখ দিয়া আছে এনেদৰে —

*" কপিলীমুখৰ কলঙ্গ কাখৰ কুমাৰত*
*খোল গঢ়ালে জোখা দি, দাইনা সাত*
*আঙ্গুল, বেএগ্ৰ ১৩ আঙ্গুল হ'ল।*
*চালে"।*

শংকৰদেৱে প্ৰচাৰ কৰা সঙ্গীতৰ মুখ্য বাদ্য খোল আৰু তাল। ইয়াৰ উৎপত্তি সম্বন্ধে মুখ বাগৰি অহা যিবোৰ মালিতা পোৱা যায় সেই মালিতাসমূহ মহাপুৰুষৰ পৰৱৰ্তী কালত ৰচিত হৈছে। কোনো কোনো ঠাইত গানিকাৰ পূৰ্বে খোলৰ চৰ্চনী প্ৰসঙ্গত গায়ন বৰাই প্ৰশ্ন কৰে আৰু সেই প্ৰশ্নৰ উত্তৰত বায়ানে খোলৰ আৰু গায়নে তালৰ মালিতা গোৱাৰ নিয়ম আছে। তেনে এটি মালিতা হ'ল এনেধৰণৰ —

*"আসিলেক দেৱবাদ্য স্বৰ্গত ইন্দ্ৰৰ।*
*পৃথিৱীক আনিলন্ত শ্ৰীমন্ত শঙ্কৰ।।*
*বাজানাক চৰ্চিবে গুৰুৰ মন ভৈলা।*
*মহামন্ত্ৰে বিশ্বকৰ্মা ডিমাক গঢ়িলা।।*
*দিগপাল সবে বৰতিক ভৈলা জানি।*
*নক্ষত্ৰ ৰূপহী ভৈল বাসুকী বন্ধনী।।*
*এহিমতে খোল গোট পৃথিৱীক আইল।*
*মহা স্নেহেৰে গুৰু তাক হাতে তুলি লৈল।।"*

খোলৰ অংগ সম্পৰ্কে পৰমাৰ্থ বিচাৰত এটি মালিতা এনেদৰে পোৱা যায়—

*"বাজনা শ্ৰজিবে যেবে ব্ৰহ্মা ইচ্ছা কৈলা।*
*অনাদি পুৰুষ আসি ডিমা গুটি ভৈলা।।*
*সপ্ত আভৰণে আসি ভৈলন্ত ৰূপহী।*
*বৰটি স্বৰূপে আসি দিগপাল ৰহী।।*
*তিনিগুনে ৰং পাল অষ্ট বসুগন।*
*দাইনা বাঁয়া ভৈলা ব্ৰহ্মা বিষ্ণু দুয়োজন।।*
*সাবিত্ৰী কমলা দুয়ো ভৈলন্ত কাটনি।*
*অনন্ত বাসুকী দুই ভৈলন্ত বান্ধনি।।*
*নৱগ্ৰহ নক্ষত্ৰাদি ঘুন হৈয়া আছে।*
*সৰস্বতী আসি তাৰ মাত হৈয়া আছে।।"*

প্ৰচলিত ৰীতি অনুসৰি গায়ন জোৰা উঠাৰ আগতে থাপনাৰ কাষৰ পৰা গায়ন বৰাই বায়ন আৰু গায়নক বাদ্যতত্ত্বৰ বিষয়ে প্ৰশ্ন কৰে। প্ৰশ্নৰ উত্তৰত বায়নে খোলৰ আৰু গায়নে তালৰ উৎপত্তি আৰু তত্ত্বকথা দৰ্শকক শুনায়। এনে কৰাৰ অৰ্থ এয়ে যে ভাওনা চাবলৈ অহা দৰ্শকসকলে যি বজোৱা দেখিব আৰু শুনিব সেই বাদ্য লঘু বাদ্য নহয়। যি বাদ্যৰ ছন্দত শ্ৰীকৃষ্ণ নৃত্যৰত অৱস্থাত সভাত প্ৰৱেশ কৰে, স্বৰ্গৰ দেৱতাসকল আহি সভাত কৃষ্ণলীলা দৰ্শন কৰেহি। ব্ৰজৰ গোপাঙ্গনাসকলেও তন-মন সৰ্বস্ব শ্ৰীকৃষ্ণত অৰ্পণ কৰি নানা ভঙ্গীৰে নৃত্য কৰে, সীতা, ৰুক্মিনী আদি বিদুষী ভক্তাসকলেও আৰাধ্য দেৱতাৰ চৰণ সেৱা লয়লাসে কৰে, সেই বাদ্য গুৰু বাদ্য। দৰ্শকসকলেও এই গুৰু বাদ্যৰ ধ্বনি শ্ৰদ্ধাৰে শ্ৰৱণ কৰিলেহে ভাওনা মধুৰৰো সুমধুৰ, মঙ্গলৰো সুমঙ্গল হৈ উঠিব।

খোল বাদ্যৰ পিছতে নৃত্য, গীত-বাদ্য, নাম প্ৰসঙ্গত তালৰ ব্যৱহাৰ হয়। তাল তিনি প্ৰকাৰৰ। ভোঁৰতাল, পাতিতাল আৰু খুটিতাল। কাঁহ আৰু পিতলৰ তাল তৈয়াৰ কৰে। তালৰ ভাগ তিনিটা - পাত, বেটু আৰু বিন্ধা। তালৰ চৰ্চনত ভকতসকলে তত্ত্বমূলক কথা আৰোপ কৰে। এই বাদ্যভাগ কেতিয়াৰ পৰা প্ৰচলন হ'ল তাক কোৱা টান যদিও ৰাগ মালিতাত এনেদৰে উল্লেখ থকা পোৱা যায়—

*"মহা প্ৰভু ভগৱন্ত বৈকুণ্ঠে আছিল।*
*ৰাগ দেখি সৰস্বতী আপুনি দ্ৰবিল।।*
*ঈশ্বৰ ঘৰ্মজল পৃথিৱীত ৰৈল।*
*তাতেসে চৌষষ্ঠি ধাতু তাম্ৰ কাংস ভৈল।।*
*মহেশে হাতুৰি ব্ৰহ্মা নিয়াৰিক লৈল।*
*আপুনি বিষ্ণু ধৰি তালক গঢ়িল।।*
*শাঙ্খ্য যোগে জ্ঞান যোগে দুটি পাতি তাল।*
*প্ৰেম জৰি কৰিয়া গায়নে লৈছে তাল।।"*

দৰাচলতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে গঠন কৰা সাংস্কৃতিক যাত্ৰাত খোল আৰু তালে এক বিশেষ ভূমিকা পালন কৰিছে। বৰ্তমানেও তৰুণ প্ৰজন্ম এই বাদ্যৰ প্ৰতি আকৰ্ষিত হৈছে। একবিংশ শতিকাত অসমৰ চুকে-কোণে অনুষ্ঠিত প্ৰতিযোগিতামূলক ভাওনাই ইয়াৰ প্ৰসাৰত সহায় কৰিছে। গাঁৱে-ভূঞে বহু শিল্পী এই শিল্প সাধনাত ব্ৰতি হৈছে। বহুতে এই শিল্প সাধনা কৰি জনপ্ৰিয়তা অৰ্জন কৰাৰ লগতে স্বাৱলম্বীও হৈছে। মানৱ মনক, অস্থিৰ চিন্তাক শান্তিৰ সোঁত বোৱাই আধ্যাত্মিকতাৰ লগতে আত্ম-চেতনা জাগ্ৰত কৰাত শংকৰী সংস্কৃতিৰ এই বাদ্যই বিশেষ স্থান দখল কৰিছে।

# চুতীয়াসকলৰ খাদ্যাভ্যাস

**চয়নিকা গোহাঁই**

**চুতীয়া জাতি এক পৰিচয় ঃ**

অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ পথাৰখনলৈ অৱদান আগবঢ়োৱা অসমৰ আদিম অধিবাসীসকলৰ ভিতৰত অন্যতম জনসমষ্টি হৈছে চুতীয়াসকল। চুতীয়াসকল পুৰাণ প্ৰসিদ্ধ বিৰ্দভ ৰাজ বা কুণ্ডিল ৰাজ ভীষ্মকৰ বংশধৰ। অতীতৰ চুতীয়া ৰাজ্যৰ বিস্তৃত অংশ এতিয়া অৰুণাচল প্ৰদেশৰ ভিতৰুৱা হৈ পৰিল। চুতীয়াসকলে আহোম ৰাজত্ব কালৰ বহু বছৰ আগৰে পৰা অসমত ৰাজ্য শাসন কৰি আছিল। ১২২৮ খ্ৰীঃত আহোম ৰজা স্বৰ্গদেও চুকাফাই অসমত ৰাজ্য স্থাপন কৰোঁতে চুতীয়াসকলৰ মাজত লিখিত ভাষা দেখিবলৈ পাইছিল। কিন্তু চুতীয়াসকলে নিজে লিখা বুৰঞ্জী এতিয়াও কতো পোৱা নাই। আনহাতে আহোমসকলে তেতিয়াৰ পৰাই বুৰঞ্জী লিখি গৈছিল; কিয়নো তেওঁলোকৰ মাজত বুৰঞ্জী লিখাৰ প্ৰথা আগৰ পৰাই আছিল। এতিয়া সেই আহোম বুৰঞ্জী আৰু আন্যান্য সমসাময়িক বুৰঞ্জী বা পৰিব্ৰাজক আদিৰ বিৱৰণৰ পৰাহে চুতীয়া বুৰঞ্জীৰ সমল উদ্ধাৰ কৰিব লগা হৈছে।[১]

চুতীয়াসকল নৃতাত্ত্বিক দিশৰ পৰা মঙ্গোলীয় আৰু ভাষাতাত্ত্বিক দিশৰ পৰা চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ অসমবৰ্মীৰ বড়ো উপশাখাৰ অন্তৰ্গত। সেয়েহে চুতীয়াসকলৰ ভাষা বড়ো ভাষাৰ লগত সাদৃশ্য আছে। তিব্বত-বৰ্মীৰ অন্তৰ্গত বড়ো গোষ্ঠীৰ লোকসকলে বিভিন্ন দলত ভাগ হৈ সুবিধাজনক স্থান দখলৰ বাবে সংঘৰ্ষত লিপ্ত হৈছিল। এই দলবোৰ বিভিন্ন স্থানত অৱস্থান কৰোঁতে এই লোকসকলে তেওঁলোকক একো একোটা ভিন্ন নামেৰে নামকৰণ কৰিছিল। যাৰ ফলত বড়ো গোষ্ঠীৰ লোকসকলক ভিন্ন ঠাইত ভিন্ন নামেৰে জনা যায়। যেনে— কোচ, কছাৰী, লালুং বা তিৱা, গাৰো, ৰাভা, মেচ, হাজং, তিপ্ৰা, চুতীয়া, বৰাহী মৰাণ। যিসকল লোক সৌমাৰ খণ্ডতে ৰৈ গ'ল; সেইসকল মাত্ৰ চুতীয়া নামেৰে জনাজাত হৈ থাকিল। প্ৰত্যেকখন ঠাইত শ শ বছৰ বাস কৰি থকাৰ পাছত তেওঁলোকৰ মাজত নিজা একোটা কৃষ্টি, সংস্কৃতিৰ বিকাশ সাধন হয়। ইয়াৰ ফলস্বৰূপে বড়ো গোষ্ঠীৰ অন্তৰ্গত ভিন্ ভিন্ অঞ্চলত বাস কৰা গোষ্ঠীসমূহে পূৰ্বৰ ভাষা-সাহিত্য-সংস্কৃতিৰ পৰা ফালৰি কাটিবলৈ ধৰিলে।

চুতীয়াসকলৰ পূৰ্বৰ বাসস্থান পশ্চিম চীন আৰু ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ মধ্যাংশ। তেওঁলোকে ব্ৰহ্মপুত্ৰ নদীক অনুসৰণ কৰি অসমৰ উত্তৰ পূব পথেদি অসমৰ সৌমাৰ খণ্ডত প্ৰৱেশ কৰিছিল। পূৰ্বতে চীনক চাও-থিয়াচ (chao-thieus) নামেৰে জনা গৈছিল। চাও থিয়াচ শব্দৰ অৰ্থ হৈছে স্বৰ্গভূমি বা দেৱভূমি।[২] এই চাও-থিয়াচ বা চৌ-থিয়াচ শব্দটো পাছত অপভ্ৰংশ হৈ চু-থিচ্ (chuh-this) হয়গৈ আৰু অৰ্থৰ হয়গৈ উচ্চ ভূমি বা উচ্চ স্থান। মানুহৰ কল্পনাত স্বৰ্গই সকলোতেই ওখ ঠাই, সেই বাবেই চৌ-থিয়াচ বা চুথিচৰ পৰা অহা মঙ্গোলয়ড গোষ্ঠীৰ লোকসকলক সৌমাৰ খণ্ডত সাধাৰণভাৱে চৌ-থিয়া, চুই-থিয়া বুলি কোৱা হৈছিল। সেয়ে পাছত অপভ্ৰংশ হৈ চুথীয়া বা চুতীয়া হয়গৈ। এতেকে এই চুতীয়া শব্দৰ অৰ্থ হ'ল স্বৰ্গভূমিৰ লোক বা দেৱভূমিৰ লোক (People coming from the heaven land of Gods)।[৩] অন্য এক মতৰ মতে, মূলতঃ হিমালয়ৰ উত্তৰ দিশত আৰু মানস সৰোবৰ হ্ৰদৰ পূব দিশত স্বাট হ্ৰদৰ চুবুৰীত বাস কৰা বড়োসকলৰ এটা অংশই লোহিত নদীৰ উত্তৰ দিশৰ লগত সংযুক্ত হোৱা সোৱণশিৰি নদীৰ গতিপথেৰে দক্ষিণ দিশলৈ প্ৰব্ৰজন কৰিছিল। বৰ্তমান উত্তৰ লখিমপুৰ মহকুমাৰ পূব অঞ্চলত। খ্ৰীষ্টাব্দ সপ্তম শতিকাৰ মাজ ভাগত বৰ্মন বংশৰ ৰজাসকলে কামৰূপত শাসন কৰি থকাৰ সময়ত তেওঁলোকক কামৰূপৰ লোকসকলে চুতীয়া নামেৰে অভিহিত কৰিছিল। [৪]

সৌমাৰ খণ্ডত বাস কৰা চুতীয়াসকল বিভিন্ন নামেৰে বিভিন্ন শাখাত বিভাজিত হয়। চুতীয়াৰ সেই শাখাবোৰ হৈছে— দেউৰী চুতীয়া, তিৱা বা লালুং চুতীয়া, বৰাহী চুতীয়া, মৰাণ চুতীয়া, বিহীয়া চুতীয়া, সোনোৱাল চুতীয়া। এই বিভাজনৰ উপৰিও চুতীয়াৰ আৰু বিভাজনৰ সৃষ্টি হৈছিল— হিন্দু চুতীয়া, আহোম চুতীয়া, মিচিং বা মিৰি চুতীয়া, খাচী চুতীয়া, জয়ন্তীয়া চুতীয়া, জিন্টেং চুতীয়া, নগা চুতীয়া, হাড় চুতীয়া, বুৰুক চুতীয়া, মটক চুতীয়া, মিচিমি চুতীয়া, চাউদাং চুতীয়া, বহতীয়া চুতীয়া আদি।[৫]

উল্লেখযোগ্য যে চুতীয়া ৰাজত্বৰ বহু বছৰৰ পাছত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱে যেতিয়া গোটেই অসমক চৌৱাই পেলাইছিল; তেতিয়া কিছুমান লোকে আনুষ্ঠানিকভাৱে গুৰুৰ ওচৰত হিন্দু ধৰ্ম গ্ৰহণ কৰি নিজকে 'হিন্দু চুতীয়া' নামেৰে আখ্যা দিছিল। এই হিন্দু চুতীয়াসকলে বৈষ্ণৱ ধৰ্মৰ নিয়ম মানি শাল, শিঙি, কুচিয়া, কেঁকোৰা, মদ, গাহৰী, কুকুৰা, লেটা আদি নাখাইছিল। আহোম চুতীয়া আহোমসকলৰ লগত বৈবাহিক সম্পৰ্ক ঘটাৰ ফলত সৃষ্টি হৈছিল। তেওঁলোকে মদ, গাহৰি, কুকুৰা আদি বৰ্ণহিন্দুৰ নিষিদ্ধ সামগ্ৰীবোৰ সামাজিক উৎসৱ-পাৰ্বণত ব্যৱহাৰ কৰিছিল। দেউৰী চুতীয়াসকল হৈছে চুতীয়াসকলৰ পুৰোহিত শ্ৰেণী।

চুতীয়াসকলৰ মাজত কেঁচাপন্থী আৰু পকাপন্থী নামেৰে দুটা ভাগ আছিল। যিসকল চুতীয়া লোকে হিন্দুধৰ্ম গ্ৰহণ কৰি 'হিন্দু-চুতীয়া' নামেৰে অভিহিত হৈ উচ্চ হিন্দুসকলৰ দৰে মদ, গাহৰি, কুকুৰা, শাল, শিঙি, লেটা আদি নাখায়, উচ্চ হিন্দুসকলৰ দৰে নীতি-নিয়মবোৰ কঠোৰভাৱে পালন কৰি আৰু ধৰ্মীয় অনুষ্ঠানতো এই খাদ্য সামগ্ৰীবোৰ ব্যৱহাৰ নকৰে; সেইসকল চুতীয়া হৈছে কেঁচাপন্থী। আনহাতে যিসকল চুতীয়া লোকে হিন্দু ধৰ্ম গ্ৰহণ কৰি বা নকৰি নিজা আদ্যধৰ্মৰ নিয়মমতে ধৰ্মীয় অনুষ্ঠানবোৰত মদ, গাহৰি, কুকুৰা আদি ব্যৱহাৰ কৰে; সেইসকলক পকাপন্থী বুলি কোৱা হয়।

চুতীয়াসকল শক্তিৰ উপাসক আছিল। তেওলোকৰ উপাস্য দেৱতা হৈছে কুণ্ডি-মামা বা গিৰা-গিৰাচী। বৰ্তমানে কিছু সংখ্যক দেউৰী চুতীয়াৰ বাহিৰে বেছিভাগ চুতীয়া জাতিৰ লোকে বৈষ্ণৱবাদক আকোঁৱালি লৈছিল। চুতীয়াৰ পুৰোহিত শ্ৰেণীয়ে (দেউৰী) নৰ আৰু জীৱ-জন্তু বলি দি কেঁচাইখাতী গোঁসানীক পূজা কৰিছিল।

চুতীয়াসকলৰ ভাষা হৈছে বড়োমূলীয়। চুতীয়াসকল অতীতৰ নিজা ভাষা বৰ্তমানে দেউৰী (পুৰোহিত)সকলৰ মাজতহে বৰ্তি আছে। বৰ্তমান চুতীয়াসকল তিনিচুকীয়া, ডিব্ৰুগড়, লখিমপুৰ, শিৱসাগৰ, যোৰহাট, গোলাঘাট, নগাঁও, তেজপুৰ, দৰং, কামৰূপ, কাছাৰ, গোৱালপাৰা আদি জিলাত বাস কৰি আছে।

চুতীয়াসকল নিজা, ভাষা, সাহিত্য, সংস্কৃতি, ধৰ্মৰে সমৃদ্ধিশালী এটা জাতি। অসমৰ লোক-গাঠনিত চুতীয়াসকলৰ অৱদান উল্লেখনীয়। চুতীয়া জাতিৰ লোক-সংস্কৃতিৰ অন্তৰ্গত খাদ্যাভাসৰ এক চমু আভাস দিবলৈ যত্ন কৰা হৈছে।

**চুতীয়া জাতিৰ পৰম্পৰাগত খাদ্য ঃ**

লোক-সংস্কৃতিৰ অন্যতম অংগ হৈছে খাদ্যাভ্যাস। মানুহৰ মৌলিক প্ৰয়োজনীয় সামগ্ৰীৰ ভিতৰত অন্যতম উপাদান হৈছে খাদ্যাভ্যাস। খাদ্য মানুহৰ জীৱন ধাৰণৰ প্ৰাথমিক উপাদান। খাদ্যসম্ভাৰ আৰু লোক ৰন্ধন প্ৰণালী ভৌতিক সংস্কৃতিৰ এক উপাদান। খাদ্যসম্ভাৰ আৰু ৰন্ধন প্ৰণালী ভৌগোলিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি গঢ় লৈ উঠে। খাদ্যাভ্যাসৰ জৰিয়তে একোটা জাতিৰ পৰিচয় পাব পাৰি। একোটা জাতিৰ খাদ্যাভ্যাসত পৰম্পৰা, ৰীতি-নীতি, লোকবিশ্বাস ইত্যাদি জড়িত হৈ থাকে। লগতে জাতিটোৰ কলাসন্মত ৰুচিবোধৰ ইংগিত পোৱা যায়।

বিশ্বৰ সকলো জাতি জনগোষ্ঠীৰেই বৈশিষ্ট্যপূৰ্ণ খাদ্যাভ্যাস দেখিবলৈ পোৱা যায়। এই খাদ্য সামগ্ৰীবোৰ প্ৰকৃতিৰ পৰা আহৰণ কৰা হয়। মাত্ৰ জাতি-জনগোষ্ঠী ভেদে খাদ্যৰ উপাদানবোৰৰ ৰন্ধন প্ৰণালী, আহাৰ হিচাপে গ্ৰহণ কৰা প্ৰক্ৰিয়া, খাদ্য সংক্ষৰণৰ পদ্ধতিবোৰৰ পৃথকতা দেখিবলৈ পোৱা যায়। ভৌগোলিক পৰিৱেশ অনুযায়ী সাধাৰণতে একো একোটা জনসমষ্টিৰ খাদ্যসম্ভাৰ গঢ় লৈ উঠে। ভৌগোলিক অৱস্থানে খাদ্যসম্ভাৰত প্ৰভাৱ বিস্তাৰ কৰে। অসমৰ ভৌগোলিক পৰিৱেশৰ বাবে অসমত বাস কৰা সকলো জনসমষ্টিৰ প্ৰধান আহাৰ ভাত। কেৱল ৰন্ধন প্ৰণালী আৰু ভাতৰ লগত খোৱা আঞ্জাবোৰ সুকীয়া সুকীয়া হয়। অসমৰ অন্যান্য জাতি-জনগোষ্ঠীবোৰৰ মাজত প্ৰচলিত নানা ধৰণৰ খাদ্যসম্ভাৰৰ লগত চুতীয়া জনগোষ্ঠীৰ খাদ্যসম্ভাৰৰ সাদৃশ্য পৰিলক্ষিত হয় যদিও তেওঁলোকৰ মাজত স্বকীয় বৈশিষ্ট্যসম্পন্ন বহুতো খাদ্যৰ প্ৰচলন দেখা যায়। অৰ্থাৎ চুতীয়াসকলৰ পৰম্পৰাগত খাদ্যসম্ভাৰে তেওঁলোকৰ সাংস্কৃতিক পৰিচয় বহন কৰি আহিছে।

চুতীয়াসকল মূলতঃ কৃষিজীৱি। তেওঁলোকৰ প্ৰধান খেতি হৈছে আহু, শালি আৰু বাও ধান। তেওঁলোকৰ প্ৰধান আহাৰ ভাত। বিশেষকৈ জহা চাউল, বৰা চাউলৰ ভাতৰ প্ৰচলন চুতীয়াসকলৰ মাজত আছে। মাছ হৈছে চুতীয়াসকলৰ অন্যতম প্ৰিয় খাদ্য। বিভিন্ন প্ৰকাৰৰ মাছ তেওঁলোকে পুৰি, পিটিকা কৰি পাতত দি, বিভিন্ন ধৰণৰ আঞ্জা, জালুকীয়া, টেঙা আদি ৰান্ধি খায়।

চুতীয়াসকলৰ মাজত আমিষ আৰু নিৰামিষ দুয়ো প্ৰকাৰৰ খাদ্যসম্ভাৰৰেই প্ৰচলন আছে। অৱশ্যে হিন্দু ধৰ্মই নিষেধ কৰা জীৱ-জন্তুৰ মাংস তেওঁলোকে নাখায়। পইতা ভাত, কৰ্কৰা ভাত; বিভিন্ন প্ৰকাৰৰ বনশাক, খাৰলী, কাহুদী, জা-জলপান আদি হৈছে তেওঁলোকৰ খাদ্য সামগ্ৰী। ঘৰুৱা আৰু বনৰীয়া শাক জবৰা কৰি, বিভিন্ন প্ৰকাৰৰ আঞ্জা তৈয়াৰ কৰি খায়।

চুতীয়াসকল পৰম্পৰাগত খাদ্যসম্ভাৰক ৰন্ধন প্ৰণালী, আহাৰ হিচাপে গ্ৰহণ কৰা প্ৰক্ৰিয়া আৰু খাদ্য সংৰক্ষণৰ পদ্ধতি আদিৰ ভিত্তিত শ্ৰেণীবিভাজন কৰি আলোচনা কৰিব পাৰি। চুতীয়াসকলৰ পৰম্পৰাগত খাদ্যসম্ভাৰক দুই ধৰণে বিভক্ত কৰিব পাৰি— পৰম্পৰাগত বিবিধ খাদ্য আৰু পৰম্পৰাগত পানীয় দ্ৰব্য।

**পৰম্পৰাগত বিবিধ খাদ্য ঃ**

চুতীয়াসকলৰ মাজত বহুতো পৰম্পৰাগত খাদ্যসম্ভাৰ পৰিলক্ষিত হয়। তেওঁলোকে ঘৰুৱাভাৱে শাক-পাচলিৰ বাহিৰেও বহুধৰণৰ বনৰীয়া গছ-গছনিৰ পাত, লতা আদি খাদ্যসম্ভাৰত ব্যৱহাৰ কৰে। চুতীয়াসকলৰ মাছ হৈছে প্ৰিয় খাদ্য। নৈ, জান, জুৰি, বিল, পুখুৰীৰ আদিৰ পৰা মাছ সংগ্ৰহ কৰি খায়। টেঙা, তিতা, খাৰ এই কেইবিধ ব্যঞ্জন তেওঁলোকৰ প্ৰিয় খাদ্য। চুতীয়াসকলৰ তিতাৰ ভিতৰত বেতগাছ, তিতাকেৰেলা, তিতা ভেকুৰী, শোকোতা তিতা আদি তেওঁলোকৰ অতি প্ৰিয়। টেঙাৰ ব্যঞ্জনৰ ক্ষেত্ৰত খৰিচাৰ লগত চিতল আৰু কান্দুলী মাছ, লফা শাকৰ লগত পাভ মাছৰ টেঙা, কুড়ি বা চেনী মাছৰ লগত ঔটেঙা, সৰু মাছৰ লগত ঢেকীয়াৰ টেঙা, মাগুৰ মাছৰ লগত খৰিচা আদি। খাৰৰ ক্ষেত্ৰত চুতীয়সকলে আহিন মাহত ভীমকলৰ মধুনা কাটি ৰ'দত শুকুৱাই পুৰি ছাই কৰি তাত পানী অলপ দি খাৰ কৰি খায়। কেঁচা বটা সৰিয়হত লোণ, তেল খাৰ মিহলাই খাৰলী আৰু খলিহৈৰ লগত আমটেঙা, কচু দি তিনিদিনমান কলপাতত বান্ধি থৈ কাহুদী তৈয়াৰ কৰি পইতা ভাতৰ লগত খায়।

চুতীয়াসকলৰ আখলত পোৱা কিছুমান শাক-পাচলি হৈছে — লফা, খুতৰা, পালেং, চুকা, বাবৰী, লাই, জিলমিল, নলটেঙা, কচু, ঢেঁকীয়া, ডিমৰু, নেফাফু, ঔটেঙা, শোকোতা তিতা, তিতা ভেকুৰী, বেতগাজ, তিতা কেৰেলা, কল পচলা, কলদিল, জাতিলাও, ৰঙালাও কোমোৰা, বেঙেনা, কাঠ আলু, চিনা আলু, মোৱা আলু, পঞ্চমুখীয়া আলু, কোঁৱৰী আলু, বিভিন্ন প্ৰকাৰৰ কচু, লগতে মাটিমাহ, মগুমাহ, খৰিছা, খাৰলি, কাহুদি আদি। চুতীয়াসকলৰ এবিধ প্ৰিয় শাকৰ নাম হৈছে চুতীয়া লফা। উল্লেখ আছে যে আহোম স্বৰ্গদেউ চুকাফাই চুতীয়াৰ বৰাহী কুঁৱৰীৰ ৰন্ধা কচু-ঢেঁকীয়া খাই ইমান ভাল পাইছিল যে তেওঁৰ কথা মতে তেওঁৰ পৰিয়ালৰ লোকক ৰান্ধনি পাতি চাংমাই খেলত অন্তৰ্ভুক্ত কৰিছিল। বৰ্তমান চাংমাইসকলে আহোম বুলি পৰিচয় দিলেও অতীতত তেওঁলোক চুতীয়াহে আছিল।[৬]

চুতীয়াসকলে মাংসৰ ভিতৰত হাঁহ, পাৰ, কুকুৰাৰ মাংস খায়। আগতে হাবিত সহজতে হৰিণা পোৱা গৈছিল। চুতীয়াসকলে মাজে মাজে জাকে-জুমে গৈ জাল দি হাবিৰ হৰিণ ধৰি খাইছিল।[৭]

চুতীয়াসকলে আঞ্জাত মিঠাতেল আৰু হালধিৰ বাহিৰে অন্য মা-মছলা সাধাৰণতে নাখাইছিল।[৮]

চুতীয়াসকল পৰম্পৰাগত খাদ্যসম্ভাৰক ৰন্ধন প্ৰণালী, আহাৰ হিচাপে গ্ৰহণ কৰা প্ৰক্ৰিয়া আৰু খাদ্য সংৰক্ষণৰ পদ্ধতি আদিৰ ভিত্তিত শ্ৰেণীবিভাজন কৰি আলোচনা কৰিব পাৰি—

ক)পাতত দিয়া

খ ) পিটিকা

গ) সিজোৱা

ঘ) পুৰি খোৱা

ঙ) তেল নিদিয়াকৈ ভাজি খোৱা

চ) আঞ্জা

ছ) শুকুৱাই খোৱা খাদ্য

জ) খাৰলী, কাহুদি, খৰিচা

ঝ) তিতা, টেঙা, খাৰ

ঞ) জলপান

**পাতত দিয়া**

চুতীয়াসকলৰ মাজত বহুলভাৱে প্ৰচলিত এক ৰন্ধন প্ৰণালী হৈছে পাতত দিয়া। তেওঁলোকে আমিষ আৰু নিৰামিষ দুয়োবিধ খাদ্যই পাতত দি খায়।

**আমিষ ঃ**

চুতীয়াসকলে সৰু মাছৰ লগতে বিভিন্ন প্ৰকাৰৰ মাছ পাতত দি খায়। বিশেষকৈ মোৱা মাছ, বৰালী মাছ পাতত দি খাইছিল।

**প্ৰস্তুত প্ৰণালী ঃ**

পাতত দিবলৈ পোন প্ৰথমে মাছ ধুই পেটু কাঢ়ি অৰ্থাৎ বাছি লোৱা হয়। বছা মাছখিনিত হালধী, নিমখ, তেল দি সানি লৈ লেৰেলা কলপাত এখনত মেৰিয়াই প্ৰথমতে জুইৰ ফুট ছাইৰ মাজত সুমুৱাই তাৰ ওপৰত পকা অঙঠা দিয়া হয় আৰু কেতিয়াবা খেৰৰ জুমুঠি কৰি জ্বলায়ো প্ৰস্তুত কৰা হয়। মাছ পাতত দিবলৈ কলপাতৰ উপৰিও হালধিৰ পাতো ব্যহৰাৰ কৰা হয়।

**নিৰামিষ ঃ**

নিৰামিষৰ ক্ষেত্ৰত কচু থোৰ, দোৰোণবন আদি বিভিন্ন প্ৰকাৰৰ শাক পাতত দি খায়। শাকৰ লগত মাছ, জালুক, জলকীয়া আদি মিহলি কৰি দিয়া হয়।

**প্ৰস্তুত প্ৰণালী ঃ**

সাধাৰণতে কুমলীয়া কচুৰ ঠাৰি বুটলি আনি তাত কণবিলাহী দি লগতে সোৱাদ হ'বলৈ নিমখ, জলকীয়া দি এখন লেৰেলা কলপাতত মেৰিয়াই জুই দিয়া হয়, প্ৰয়োজন অনুযায়ী নখজুৰাবলৈ নৰসিংহৰ পাত, ভেকুৰি আদিও দিয়া দেখা যায়। দোৰোণ বনো একেই প্ৰক্ৰিয়াৰে পাতত দি খোৱা হয়। কলপাত এখন জুইত লেৰেলাই কোমলীয়া দোৰোণ বনৰ আগ চিঙি আনি কলপাতখনত মেৰিয়াই জুইত দিয়া হয়।

**পুৰি, খৰিকাত দিয়া ঃ**

**পুৰি খোৱা ঃ**

জুই আৱিষ্কাৰ হোৱাৰ ফলত মানৱ জাতিয়ে খাদ্য পুৰি খাবলৈ শিকিলে। খাদ্য পুৰি খোৱা প্ৰথা চুতীয়া জনগোষ্ঠীৰ মাজত অতীজৰে পৰা বৰ্তমান সময়লৈকে প্ৰচলন হৈ আছে। খাদ্য বস্তু পুৰি খোৱাৰো কেইবাটাও কৌশল আছে। যেনে — আঙঠাৰ ওপৰত দি পোৱা, খৰিকাত দি পোৱা। চুতীয়াসকলে বিভিন্ন প্ৰকাৰৰ মাছ আঙঠাৰ ওপৰত দি আৰু খৰিকাত দি পুৰি খায়। লগতে আলু, কচু, বেতৰ আগ আদি জুইত পুৰি খায়। বৰালী মাছ চুতীয়াসকলৰ অতি প্ৰিয়। বৰালী মাছ বিবিধ প্ৰকাৰে আঞ্জা ৰান্ধি খোৱাৰ উপৰিও পুৰি খায়।

**খৰিকাত দিয়া মাছৰ ৰন্ধন প্ৰণালী ঃ**

খৰিকা হৈছে মাছ, মাংস আদি শলাৰে (বাঁহৰ শলাৰে) বিন্ধি জুইত তাপত সিদ্ধ কৰা যতন বা শলা। চুতীয়াসকলে কাৱৈ, পুথি, এলেং, পাভ, কুঢ়ি আদি মাছ খৰিকাত দি খায়। মাছবোৰ প্ৰথমতে ধুই বাছি লয়। কেতিয়াবা মাছবোৰ বাছি তাতেই তেল, নিমখ, হালধী সানি বাঁহৰ খৰিকাত দি জুইৰ আঙঠাত পোৱা হয় আৰু কেতিয়াবা খৰিকাত দি জুইৰ আঙঠাত সেক দিয়াৰ পিছতহে নিমখ, তেল সানি ভাতৰ লগত পৰিৱেশন কৰে। আজিকালি বাঁহৰ খৰিকাৰ উপৰিও লোহা, এলুমিনিয়ামৰ খৰিকাও ব্যৱহাৰ কৰা পৰিলক্ষিত হয়।

**পিটিকা ঃ**

অসমৰ অন্যান্য জাতি-জনজাতিবোৰে খোৱাৰ দৰে চুতীয়াসকলেও নানা খাদ্য পিটিকা কৰি খায়। তেওঁলোকৰ মাজত আমিষ আৰু নিৰামিষ দুয়োধৰণৰ পিটিকাৰ প্ৰচলন আছে।

**আমিষ ঃ**

আলু, কচু, বেঙেনা, বিলাহী, তিতা কেৰেলা, ভাত কেৰেলা, কঠাল গুটি, কণী আদি পুৰি বা সিজাই নিমখ, খাৰ, টেঙা, জলকীয়া আদি সানি পিটিকা কৰি খায়। লগতে পদিনা, আম, তিল, মাহ, সৰিয়হ, দহি কচু, কণবিলাহী আদি বাটি পিটিকি বা চাটনি কৰি খায়। কাঠ আলু, চিনা আলু, মোৱা আলু, পঞ্চমুখীয়া আলু, কুঁৱৰী আলু, বিভিন্ন প্ৰকাৰৰ কচু আদি সিজাই ভাতৰ লগত খায়।

**মাছৰ পিটিকা ঃ**

চুতীয়াসকল অন্যতম প্ৰিয় খাদ্য হৈছে মাছৰ পিটিকা।

**প্ৰস্তুত প্ৰণালী ঃ**

গৰৈ মাছ আঙঠাত পুৰি বা খৰিকাত সেক দি তাত অলপ নেমুৰ ৰস আৰু পকাতেল দি পিটিকা কৰি খায়। আকৌ পোৱা মাছ বা খৰিকাত দিয়া মাছৰ লগত বাঁহ-গাজৰ খৰিচা দি পিটিকা কৰি খায়। লগতে শুকান মাছৰ লগত খৰিচাৰ পিটিকা, অন্যান্য মাছবোৰো পিটিকা কৰি খায়।

**সিজোৰা**

অসমৰ অন্যান্য জাতি জনগোষ্ঠীৰ দৰে চুতীয়সকলে খাদ্য সিজাই খায়। খাদ্য সিজাই খাবলৈ ধাতুৰ পাত্ৰ বিশেষকৈ এলুমিনিয়ামেৰে তৈয়াৰী চচ্‌, বতুৰা জাতীয় পাত্ৰ ব্যৱহাৰ কৰে। আলু, কাঠ আলু, চিনা আলু, মুৱা আলু, পঞ্চমুখীয়া আলু, কুঁৰৰী আলু, বিভিন্ন প্ৰকাৰৰ কচু আদি সিজাই খায়। ইয়াৰ বাহিৰেও অন্যান্য শাক-পাচলি যেনে লাও, কোমোৰাৰ আগ, কচুৰ ঠাৰি, তিতা ভেকুৰী, কুন্দুলী, জিকা, ভেন্দি, কঠাল গুটি আদি সিজাই খায়। খুতৰা, পালেং আদিও সিজাই আঞ্জা তৈয়াৰ কৰে।

**প্ৰস্তুত প্ৰণালী ঃ**

শাক-পাচলিবোৰ প্ৰথমে ধুই কাটি লোৱা হয়। পাত জাতীয় শাক হ'লে মিহি মিহিকৈ কাটি লোৱা হয়। তাৰ পিছত কাটি ধাতুৰ পাত্ৰত পানী গৰম কৰি উতলা পানীত শাক-পাচলিবোৰ ঢালি দিয়া হয়। প্ৰয়োজন অনুসাৰে কিছুমানত নিমখ দিয়া হয় আৰু কিছুমানত দিয়া নহয়।

**আঞ্জা ঃ**

চুতীয়াসকলে লাও, কোমোৰা, বেঙেনা, আলু আদি মিহলি কৰি আৰু অকলশৰে আঞ্জা কৰি খায়। তেওঁলোকৰ আন এক আঞ্জা হৈছে পচলা। কল গছৰ সৰু পুলিৰ পচলা আঞ্জা কৰি খায়। বিভিন্ন প্ৰকাৰৰ কল গছৰ ভিতৰত আঠীয়া কল (ভীমকল)ৰ সৰু পুলিৰ পছলাৰ তৰকাৰী কৰি খায়। লগতে আঠীয়া কলগছৰ কলদিলৰ আঞ্জা তেওঁলোকৰ অন্যতম প্ৰিয় ব্যঞ্জন। মাটিমাহৰ আঞ্জা, মগুমাহৰ আঞ্জা চুতীয়াসকলৰ প্ৰিয় ব্যঞ্জন । তেওঁলোকে বেতৰ আগ মিহিকৈ কুটি আঞ্জা কৰি খাইছিল।

মাছ যিহেতু চুতীয়াসকল প্ৰিয়। মাছ লাও কোমোৰা, বেঙেনা, আলু আদিৰ লগত মিহলি কৰি আঞ্জা ৰান্ধি খায়। কুঢ়ি বা শ'ল মাছ কচু থুৰীৰ লগত জালুকীয়া আঞ্জা, পাভ মাছ আৰু লফা শাকৰ আঞ্জা, কুঢ়ি বা চেনী মাছৰ সৈতে ঔটেঙা দিয়া আঞ্জা, বাঁহ গাজৰ খৰিচাৰ লগত চিতল মাছ আৰু কান্দুলী মাছৰ টেঙা আঞ্জা, মাগুৰ মাছৰ লগত শুকান খৰিচাৰ আঞ্জা—এই সমূহ চুতীয়াসকলৰ অন্যতম প্ৰিয় আঞ্জা। বৰালী মাছ চুতীয়াসকলৰ অতি প্ৰিয়। বৰালী মাছ বিভিন্ন প্ৰকাৰে আঞ্জা কৰি ৰান্ধি খায়। তাৰে এবিধ ব্যঞ্জন হৈছে বৰালী মাছৰ টেঙা আঞ্জা।

মাংসৰ ক্ষেত্ৰত কোমোৰাৰ লগত হাঁহৰ মাংস; কুকুৰা, পাৰ আদিৰ আঞ্জা তেওঁলোকৰ মাজত প্ৰচলন দেখা যায়। হাঁহৰ লগত কোমোৰাৰ আঞ্জা ৰান্ধোতে কেইডালমান গন্ধ কচু দিয়ে যাৰ ফলত আঞ্জাখন সুগন্ধযুক্ত হৈ পৰে।

এই আঞ্জাবোৰ ৰান্ধোতে সাধাৰণতে মিঠাতেল, হালধি নিমখৰ বাহিৰে আন মা-মছলা নিদিয়ে। পূৰ্বতে হাবি-অৰণ্যত যিহেতু হৰিণ পোৱা গৈছিল, তেতিয়া চুতীয়াসকলে অতীজতে মাজে সময়ে হাবিলৈ গৈ হৰিণ ধৰি খাইছিল।

চুতীয়াসকলে জালুকীয়াৰ আঞ্জা খায়। কচু থোৰৰ লগত মাছ আৰু জালুক দি জালুকীয়া আঞ্জা ৰান্ধে। (কাম কৰি গাৰ বিষ মাৰিবলৈ আৰু প্ৰসূতিক মাছ, মাংসৰ জালুকীয়া আঞ্জা খোৱাই। আনকি পূৰ্বতে আহুধান সিঁচোতে জালুকীয়া খোৱাৰ পৰম্পৰা আছিল। খেতিয়কে প্ৰথম আহুধান সিঁচিবৰ দিনা গৃহস্থই পথাৰৰ পৰা বগা কচুৰ ঠুৰি অৰ্থাৎ কচুৰ কোমলীয়া ঠাৰি কাটি আনি শাল, শল বা কুঢ়ি, বৰালী মাছৰ লগত জালুকীয়া কৰি খায়।) মাছৰ লগতে মাংসৰো জালুকীয়া খায়।

খাৰৰ আঞ্জাৰ ভিতৰত হৈছে দোৰোণ শাকৰ খাৰ, অমিতাৰ খাৰ, শুকোতাৰ খাৰ, পছলাৰ খাৰ আদি।

**তেল নিদিয়াকৈ ভাজি খোৱা ঃ**

চুতীয়াসকলৰ এক ৰন্ধন প্ৰণালী হৈছে জবৰা। জবৰা হৈছে লোণ নিদিয়াকৈ সিজোৱা শাকৰ আঞ্জা। লাই, লফা, খুতৰা, পালেং, ঢেঁকীয়া আদি জবৰা কৰি খায়। লগতে তেওঁলোকে লাও, কোমোৰাৰ আগ, কুমলীয়া কচুৰ ঠাৰি আদি তেল নিদিয়াকৈ মাত্ৰ নিমখ দি ভাজি খায়।

**শুকুৱাই খোৱা খাদ্য ঃ**

চুতীয়াসকলৰ খাদ্যসম্ভাৰৰ আন এটা বৈশিষ্ট্যপূৰ্ণ খাদ্য হৈছে শুকান পদ্ধতিৰে সংৰক্ষণ কৰি তৈয়াৰ কৰা মাছ আৰু মাংস।

খাদ্য সামগ্ৰী বহুদিনলৈ ভালকৈ ৰাখিবৰ বাবে শুকুৱাই সংৰক্ষণ কৰাৰব্যৱস্থা প্ৰায়বোৰ জাতি-জনগোষ্ঠীৰ মাজতেদেখিবলৈ পোৱা যায়। চুতীযাসকলৰ মাজতো এনে ব্যৱস্থা পৰিলক্ষিত হয় । তেওঁলোকে শুকান মাছ-মাংস তৈয়াৰ কৰিব জানিছিল। অতীজতে তেওঁলোকে মাছ-মাংস শুকুৱাই সংৰক্ষণ কৰি থৈছিল আৰু অভাৱৰ দিনত উলিয়াই ৰান্ধি খাইছিল। বৰ্তমানে পকাপন্থীৰ চুতীয়াসকলে এনেদৰে খায়।

চুতীয়াসকলে অতি উত্তম শুকান মাছ-মাংস তৈয়াৰ কৰিব জানিছিল বাবেই আহোম বাবেই আহোম ৰজাই চুতীয়াক শুকান মঙহৰ চান্দ ভৰালী পাতিছিল।[৯]

শুকান মাছ চুতীয়াসকলৰ অতি প্ৰিয়। বিভিন্ন প্ৰকাৰৰ মাছ তেওঁলোকে ৰান্ধনিশালৰ ধোঁৱা চাঙত শুকুৱাই কৰকৰীয়া কৰে।

তেওঁলোকৰ শুকুৱাই খোৱা খাদ্যৰ ভিতৰত এক প্ৰকাৰ হৈছে শুকতি। শুকতি হৈছে মাছক দীৰ্ঘদিন সংৰক্ষণ কৰিবৰ পৰা এক উপায়। শুকতি শুকান মাছৰ পৰা প্ৰস্তুত কৰা হয়।

**শুকতি প্ৰস্তুত প্ৰণালী ঃ**

চালনী এখনত মাছ আৰু বিলঙনী পাত দি জুইশালত ওপৰত ওলোমাই শুকাবলৈ দিয়া হয়। শুকুৰা মাছখিনিৰ লগত কচু, জলকীয়া আৰু বিভিন্ন প্ৰকাৰৰ ঔষধি গছৰ পাত দি খুন্দনা, ঢেঁকী বা উৰালত গুড়ি কৰি বাঁহৰ চুঙাত ভৰাই পুনৰ জুইশালত কিছুদিন শুকুৰা হয়।

**শুকান খৰিচা ঃ**

শুকুৰাই সংৰক্ষণ কৰিব পৰা আন এক খাদ্য সামগ্ৰী হৈছে খৰিচা। চুতীয়াসকলে খৰিচা শুকুৰাই থোৱা দেখা। বাঁহৰ গাজ কাটি আনি মিহি মিহিকৈ কুটি আধা খুন্দা গাজখিনি ৰ'দত শুকুৰাই গুড়ি কৰিলে সেই গাজখিনিক কোৱা হয় শুকান খৰিচা বা জিম খৰিচা। শুকান খৰিচা বিভিন্ন মাছৰ আঞ্জাৰ লগত বা পোৰা মাছৰ পিতিকাৰ লগত তেওঁলোকে পৰিৱেশন কৰে। আই ওলোৱা সৰু ল'ৰা-ছোৱালীক সাতদিনৰ দিনাখন মাগুৰ মাছৰ লগত শুকান খৰিচা দি শুকনি দিয়ে।

**খাৰলী, কাহুদী, খৰিচা ঃ**

সৰিয়হৰ পৰা প্ৰস্তুত কৰা এক প্ৰকাৰৰ খাদ্য হৈছে খাৰলী। চুতীয়াসকলে ভাতৰ লগত খাৰলি খায়।

**প্ৰস্তুত প্ৰণালী ঃ**

বটা সৰিয়হত নিমখ দি ভাতৰ লগত খাবৰ বাবে প্ৰস্তুত কৰা খাদ্যই হৈছে খাৰলি। চুতীয়াসকলে কেঁচা সৰিয়হ বটি লোণ, তেল, খাৰ মিহলাই খাৰলী খায়। তেওঁলোকে পঁইতা ভাতৰ লগত জুতি লগাই খায়।

**কাহুদী বা পানীটেঙা ঃ**

চুতীয়াসকলৰ খাদ্যসম্ভাৰত অন্তৰ্ভুক্তহোৱা আন এক খাদ্য সামগ্ৰী হৈছে কাহুদী বা পানী টেঙা। কাহুদী বা পানী টেঙা হৈছে বটা সৰিয়হ(খলিহৈ)ৰ লগত নিমখ, জলকীয়া, থেকেৰা বা তেতেলী টেঙা মিহলাই কৰা খাদ্য।

**পানীটেঙা বা কাহুদী প্ৰস্তুতকৰণ ঃ**

কাহুদী বা পানীটেঙা প্ৰস্তুত কৰিবলৈ শুকান সৰিয়হ খুন্দি লগতে প্ৰয়োজন অনুসৰি জলকীয়া খুন্দি আৰু সোৱাদ অনুসাৰে নিমখ দি টেটেলী টেঙাৰ পানীত বা থেকেৰাৰ সৈতে মিহলি কৰি লাডু সদৃশ কৰি কলপাতেৰে মেৰিয়াই তিনিদিন চাৰিদিন থোৱাৰ পিছত ই খোৱাৰ উপযোগী হৈ পৰে। এই কাহুদী পঁইতা ভাতৰ লগত পিটিকা কৰি জুতি লগাই পৰিৱেশন কৰে।

**কাহুন্দি ঃ**

চকলিওৱা আমত বটা সৰিয়হ লেপি তৈয়াৰ কৰা চাটনিয়েই হৈছে কাহুন্দি।

**কাহুন্দি প্ৰস্তুত প্ৰণালী ঃ**

চুতীয়াসকলে আধা পেৰা সৰিয়হৰ গুড়িৰ লগত কচু আৰু আমটেঙা দি তিনিদিন বান্ধি থৈ কাহুন্দি প্ৰস্তুত কৰে ।

**খৰিচা ঃ**

বাঁহ গাজৰ পৰা প্ৰস্তুত কৰা এবিধ খাদ্য সামগ্ৰী হৈছে খৰিচা। বাঁহৰ গাজ কাটি আনি মিহি মিহিকৈ কুটি আধা খুন্দা কৰি গাজখিনি মাটিৰ কলহত (বৰ্তমানে আন পাত্ৰতো থোৱা হয়) পানী দি থ'লে টেঙা হোৱা গাজখিনিক কোৱা হয় পকা খৰিচা; আনহাতে গাজখিনি ৰ'দত শুকুৰাই গুড়ি কৰিলে, সেই গাজখিনিক কোৱা হয় শুকান খৰিচা বা জিম খৰিচা।

চুতীয়াসকলে খৰিচাৰ লগত চিতল মাছ, কান্দুলী মাছৰ টেঙা আঞ্জা প্ৰস্তুত কৰি খায়। পোৰা মাছৰত লগত খৰিচা দি পিটিকা কৰি খায়। বসন্ত ওলোৱা সৰু-ল'ৰা ছোৱালীক সাতদিনৰ দিনাখন মাগুৰ মাছৰ লগত শুকান খৰিচাৰ দি শুকনি দিয়ে।

**কলাখাৰ, খাৰ ঃ**

চুতীয়াসকলৰ খাদ্যসম্ভাৰত স্থান পোৱা খাদ্য সামগ্ৰী হৈছে কলাখাৰ আৰু খাৰ। এই খাৰ বিভিন্ন আঞ্জাত দি খায়। যেনে- দোৰোণ শাকৰ খাৰ, অমিতাৰ খাৰ, শোকোতাৰ খাৰ, পচলাৰ খাৰ, তিতাফুলৰ খাৰ, গোটা মাটিমাহৰ খাৰ, লাই শাকৰ খাৰ, বৰ বেঙেনাৰ খাৰ, কঠাল গুটিৰ কোমোৰা পাতৰ খাৰ, পকা ভেকুৰী তিতাৰ খাৰ,মাছৰ মূৰৰ খাৰ, মাটিমাহ কোমোৰাৰ খাৰ আদি।

**প্ৰস্তুত প্ৰণালী ঃ**

সাধাৰণতে পকা ভীমকলৰ শুকান বাকলি ৰ'দত শুকুৰাই বা জুইৰ ধোঁৱাত সেকি শুকান কৰি তাৰ পিছত জুইৰ আঙঠাত পুৰি, তাত সামান্য পৰিমাণে পানী দি চাকি প্ৰস্তুত কৰা পানীয়েই হৈছে কলাখাৰ। চুতীয়াসকলে আঠীয়া কলৰ(ভীমকল) বাকলিটো শুকুৰাই পুৰি ছাই কৰি তাত পানী দি কলাখাৰ খায়।

**খাৰৰ প্ৰস্তুত প্ৰণালী ঃ**

কলগছৰ মধূনা বা মূঢ়া বা বাকলি ছিৰিলি ছিৰিলিকৈ ফালি ৰ'দত শুকুৰাই তাৰ পিছত জুইত পুৰি প্ৰস্তুত কৰা ছায়েই হৈছে খাৰ। চুতীয়াসকলে আহিন মাহত আঠীয়াকলৰ (ভীমকল) মধূনাটো কাটি শুকুৰাই থৈ পুৰি ছাই কৰি খাৰ খায়। অৱশ্যে তেওঁলোকে সঘনে খাৰ নাখায়।

**জলপান ঃ**

জলপান হৈছে এক শ্ৰেণীৰ লঘু আহাৰ। কৃষিজীৱি লোকে ধানৰ পৰা চাউল উলিয়াই ভাত খোৱাৰ উপৰিও নানা ধৰণৰ জলপান, পিঠা-পনা আদি মুখৰোচক খাদ্য তৈয়াৰ কৰিবলৈ

শিকিলে। এই ক্ষেত্ৰত চুতীয়া জাতিও ব্যতিক্ৰম নহয়।

জলপানৰ ভিতৰত কোমল চাউল, ভজা বৰাচাউল, চুঙা চাউল, ভাতপিঠা, লুথুৰী পিঠা, সান্দহ, চিৰা, কড়াই, আখৈ, দোৰাই ভজা চিৰা, পায়স আদি। পিঠা-পনা — চুঙাত দিয়া পিঠা, টেকেলিৰ মুখত দিয়া পিঠা, তিল পিঠা, ঘিলা পিঠা, কেঁচাপিঠা বা ভজা পিঠাৰ ভুৰুকীয়া, কলপাতত দি পোৰা পিঠা, তৰা পাতেৰে বান্ধি সিজোৱা পিঠা। লগতে তেওঁলোকে কেঁচা পিঠাৰে গাখীৰ, ঘিউ, গুৰ, জালুক দি মিঠৈ প্ৰস্তুত কৰে।

পকা কঁঠালৰ লগত সান্দহ বা কড়াই গুড়ি, পকা কলৰ লগত সান্দহ বা কড়াই গুড়ি, ম'হৰ দৈ বা এৰা গাখীৰৰ লগত চুঙাচাউলৰ জলপান আদি তেওঁলোকৰ প্ৰিয় জলপানৰ ভিতৰত পৰে।

**পৰিৱেশন ঃ**

চুতীয়াসকলে জা-জলপানসমূহ লঘু আহাৰ হিচাপে বিভিন্ন সময়ত খাই যদিও নিৰ্দিষ্ট কিছুমান উৎসৱ-পাৰ্বণত খোৱাৰ পৰম্পৰা আছে।

তেওঁলোকৰ আন এবিধ পিঠা হৈছে নাঙল ধোৱা পিঠা। এইবিধ পিঠা চাউলৰ গুড়ি তৰা গছৰ পাতেৰে মেৰিয়াই বান্ধি উতলা পানীত সিজাই খায়। এই পিঠা চকল চকলকৈ কাটি গাখীৰৰ লগত বা তৰকাৰীৰ লগত খায়। শালি ধান ৰুই শেষ হ'বৰ দিনা নাঙল ধোৱা পিঠা খোৱা হয়। নাঙল ধোৱা পিঠা চুতীয়া জাতিয়ে পালন কৰা কৃষিৰ লগত জড়িত এক পৰ্ব। গাখীৰৰ পৰা তৈয়াৰ কৰা পায়স, কেঁচা পিঠাগুৰিৰ মিঠৈ, কল, গুৰ আদি আই সকামত দিয়ে। ভাত পিঠা মাকৰ ঘৰলৈ জীয়ৰী আহিলে আৰু পবিত্ৰ ভাদ মাহত জন্ম হোৱা সন্তানক খুওৱা নিয়ম।

মাঘ বিহুত মেজিত নতুন মাহ আৰু নতুন বৰা চাউল কড়াই ভজা প্ৰথমে জুইত ছটিয়াই পিছত খায়। নিজৰ ঘৰত আৰু ওচৰ চুবুৰী আৰু মিটিৰ কুটুমৰ ঘৰত বিভিন্ন প্ৰকাৰৰ জা-জলপান খোৱা নিয়ম। ব'হাগ বিহুৰ বিহু সকামত কোমল চাউল, দৈ বা এৰা গাখীৰ, চিৰা, গুৰ, সান্দহ আদি উপকৰণ হিচাপে দিয়ে। ডাঙৰীয়া সকামত উপকৰণ হিচাপে কেঁচা পিঠাগুৰি, কল আৰু এৰা গাখীৰ দিয়ে। ভকতসেৱা, বৰসবাহত কোমল চাউল, গুৰ দৈ কেঁচা মিঠৈ; অপেছৰী বা ওপৰৰ গোপিনী সকামত কল গুৰ, কেচাঁ পিঠাগুৰি, এৰা গাখীৰ আদি গোপিনীসকলক খাবলৈ দিয়ে।

**পৰম্পৰাগত পানীয় দ্ৰব্য ঃ**

চুতীয়াসকলৰ পৰম্পৰাগত পানীয় দ্ৰব্য বিধৰ নাম হৈছে সাজ বা ফটিকা। সাজ বা ফটিকা চাউলৰ পৰা তৈয়াৰ কৰে।

**সামৰণি ঃ**

চুতীয়াসকলৰ খাদ্যৰ ক্ষেত্ৰত অতীতৰ খাদ্যৰ বহুত পৰিৱৰ্তন ঘটিল। পূৰ্বতে সকলো চুতীয়া লোকৰ সাজ বা ফটিকা, গাহৰি, কুচিয়া,কেকোৰা লেটা আদি সাধাৰণ খাদ্য আছিল। বৰ্তমান কেচাঁপন্থীসকলে সেইবোৰ খাবলৈ এৰি দিছে। এইলোকে হিন্দু ধৰ্ম গ্ৰহণ কৰি হিন্দু চুতীয়া নামেৰে অভিহিত হৈ উচ্চ বৰ্ণ হিন্দুসকলৰ দৰে মদ, গাহৰি, কুকুৰা, শাল, শিঙি আদি ভক্ষণ নকৰে। বৰ্তমান সময়ত বিশ্বায়নৰ প্ৰভাৱে আন জাতি-জনগোষ্ঠীৰ দৰে চুতীয়াসকলৰ খাদ্যাভ্যাসলৈ পৰিৱৰ্তন আনিলে।

**প্ৰসংগসূত্ৰঃ**

১ সূৰ্য্যকান্ত খনিকৰ, *চুতীয়া জাতিৰ ইতিহাস আৰু লোক-সংস্কৃতি*,পৃ. ১

২ China was known in old days by a general term 'Chao-Thieus'- meaning God's Heavenland, and even to this day, the people of northern Burma designate China by the general term 'Thieus'. Chao-Thieus was later on shortend to Chuh -This, and was also pronounced as zuh-This.

- R.M. Nath.Background of Assamese Culture, p. 1-2

৩ সূৰ্যকান্ত খনিকৰ, *পূৰ্বোল্লিখিত*, পৃ. ২৩

৪ R.M. Nath, *Background of Assamese Culture*, p. 68

৫ সূৰ্য্যকান্ত খনিকৰ, *পূৰ্বোল্লিখিত*, পৃ. ১৫২-১৫৭

৬ উল্লিখিত,পৃ.২৭১

৭ উল্লিখিত,প পৃ. ২৭১

৮ উল্লিখিত,পৃ.২৭২

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

খনিকৰ, সূৰ্য্যকান্ত. *চুতীয়া জাতিৰ ইতিহাস আৰু লোক সংস্কৃতি. ১ ম আৰু ২ য় খণ্ড*, ভাস্কৰ প্ৰিন্টাৰ্ছ, জটিয়া, কাহিলিপাৰা ৰোড, ২য় প্ৰকাশ,২০০৩.

গেইট, চাৰ এডোৱাৰ্ড.*অসম বুৰঞ্জী.* লৰ্য়াছ বুক, পুন. মুদ্ৰণ, আগষ্ট ,২০০৫.

পাঠক, তৰণী. *অসম বুৰঞ্জী (প্ৰাক্ ঐতিহাসিক যুগৰ পৰা ২০১৬ খ্ৰীষ্টাব্দলৈকে).* চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী,২০১৭ .

শৰ্মা,দেৱব্ৰত. *চুতীয়াসকলৰ আত্মপৰিচিতিৰ সংগ্ৰাহৰ এক শতিকা.* একলব্য প্ৰকাশন,১৪ ডিচেম্বৰ,২০০৬.

শৰ্মা, শচী. *অসমৰ লোকসাহিত্য.* ষ্টুডেন্টচ ষ্ট'ৰচ্, তৃতীয় সংস্কৰণ, চেপ্তেম্বৰ, ২০১৬.

Nath R.M.*Background of Assamese Culture*. Mimosa Ridge, Nongthyma, Shillong, Assam, First Edition, 1948 .




# Influence of Oral Traditions in some of the poems of Temsula Ao

**Rini Banerjee**

When we speak about the literature of North East the dominant theme that presents itself before us is its uniqueness. This sense of being unique arises from the rich diversity of its culture, customs and social practices through its oral as well as written literatures. This region is unique for its myth, legend, folklores, dance, art and craft and distinct social structures and festivals. For most of the poets from North East these legends, myths and folklores are the main source through which they try to connect the past and the present.

Oral narratives just like written ones play a dominant role in shaping the entire literature as well as the social life of this region. Temsula Ao being a writer from this region sticks to cultural mosaic while conveying

her feelings through her poetry. The Nagas from the North East are known for their rich oral tradition and heritage. Almost every facet of Naga life ranging from history, religious belief, social life, culture, love, romance, marriage etc are deeply embedded in their folktales , folklores, legends etc. Temsula Ao uses these tales to let the entire world aquaint itself with the culture and belief of her community. In *Stone People from Lungterok* she uses the legend concerned with the coming of the first progenitors of her community. The poem brings to light the rich traditional heritage of the Ao Naga community. Here, she speaks of a collection of six stones that are associated with the origin of her community. At the end of the poem she provides a note to her readers where she explains the meaning of 'Lungterok' which is 'Six Stones'.




According to the Ao origin myth the forefathers of the community "emerged out of 'Lungterok,' meaning 'the six stones.' The myth further says that six humans 'burst out' or 'poktet,' of the six stones. Hence the place of origin is known as Lungterok. Out of the six stones, there were three males: Longpok, Tongpok and Longjakrep. The women were Longkapokla, Yongmenala and Elongse. It is a common belief among the Aos that these first patriarchs established the first Ao village called Chungliyimti, where all laws and social norms were established." (Chandra and Sentinaro, *A Discourse on Ao Naga Folktales*)

Ao begins her poem by invoking the place of her origin and in the process brings to lime light the characteristic features of her community.

"Lungterok,
The Six Stones
Where the progenitors
And forebears
Of the stone-people
Were born
Out of the womb
Of the earth."

(Ao, *Stone People from Lungterok*)

Temsula Ao, in the preface to her seminal book *The Ao-Naga Oral Tradition* has said that for the Aos "folklore is culture and culture is folklore". The Aos take tremendous pride in their folklores for they believe that folklores preserve their rich cultural heritage. These culturally rich folklores exist in the form of storytelling as well as in the forms of proverbs, folksongs, myths and folktales. Since time

immemorial story telling has served as an important way of preserving the cultural heritage of any community. Story tellers by retelling stories and tales transmit the culture from one generation to the other and thus pave the way for the preservation of the rich heritage. In due course of time certain folklores were written down while certain others still continued to be orally transmitted from one generation to the other. As it has already been mentioned that the Aos do not have any documented folklores still but they have succeeded to preserve their heritage in the form of oral narratives that has given them a distinct colour of their own.

In oral narratives memory plays a decisive role in the way the folk narratives are told and retold from generation to generation. Memory connects the past to the present where mythic heroes and heroines are brought to the present to encourage children as well as adults to face adverse situations boldly. It is via memory that culture is transmitted to the younger generation by the ancestors. In this way culture remains preserved generation after generation. We can say that culture remains embodied in memory. Oral narratives mostly in the form of stories, poems, poetic-prose either told, chanted or sung are impregnated with deep social meaning that are generally associated with the tribe's custom and tradition. Temsula Ao is deeply rooted in her mythical past and tries to retell the past, the land with the people, the culture, the way of life and the tradition. By retelling those in *Stone People from Lungterok* she has provided a written document of the legends and myths of her community. Since poetry is immortal the myths and legends of her community has been immortalized through "Stone People from Lungterok" and others as well.

In the Ao Naga folklore it is very common that one would often come across forests, trees, animals, spirits etc. These forests, animals, trees, spirits etc form a part of the way of the religious and cultural life of the people. That is why Ao says:

"Stone-people
The Worshippers
Of unknown, unseen
Spirits
Of trees and forests,
Of stones and rivers
Believers of soul"

(Ao, *Stone People from Lungterok*)

Oral narratives provide an identity to the tribal community as it upholds their ethos, social life, religious beliefs, and ethical values and norms. It provides their identity as a distinguishable tribal group whose social and cultural life is very much regulated by these oral narratives. These oral narratives serve as the foundation stone for the various rites, rituals and festivals organized by the Ao Naga community. According to one such narrative the Ao Nagas believe that their ancestors learnt song from the 'Song Tree'. The narrative goes like that: a young girl fell in love with a young boy who appeared before her only during the nights. She once presented him a beautiful hand woven shawl. The next day during taking bath in a nearby pond she saw her shawl tightly wrapped around a tree. On seeing that she began humming. The tree on which the shawl was wrapped started singing and asked her to sing along him. There she

learnt the song from the tree. From then onwards the Ao community believed that people learn different sounds of nature, birds and animals and use those songs to express their feeling and also use as mode for communications. That is why they are:

"Stone-people,
The polyglots,
Knowledgeable
In bird's language
And animal discourse"

(Ao, *Stone People from Lungterok*)

In another folk based poem "Soul-bird" she tries to negotiate the Ao Naga belief and the present world where a child sees a hawk soaring the sky as the ritualistic prayers are offered which is generally considered a good omen considering that the transition are over and this is the last visible sight of the departed soul on earth. The Ao Nagas believe that when a person dies the soul takes the form of a bird, especially a hawk. In the *Soul-bird* the hawk keeps circling on the burial site 'Emitting an unearthly sound'. Here, once again we find the tradition of the ancestor orally transmitting the tale which holds their entire system of rites, rituals and beliefs. The grandmother takes the role of that ancesteral story teller who tells the grandchild:

"See what keening bird in the sky?
That's your mother's soul
Saying her final goodbye,

It is over
Come, Let us go home now."

(Ao, *Soul-bird*)

The North Eastern region of India is a mosaic of different tribal cultures and beliefs. In fact almost all the cultural beliefs are related to the geography of the region. Nature plays a dominant role in all these tales and myths whether written or oral. Like the myths of the Adi tribe of Arunachal where nature and elements of nature play a pivotal role the myths of the Ao Naga tribe is also centred around nature. For Mamang Dai, the 'Mountain' tells stories of change yet it stands permanent as a witness to change, the mountain in Dai becomes the memory where the culture and tradition of the Adi community is preserved.

"I am the place where memory escapes
The myth of time,
I am the sleep in the mind of the mountain"

(Dai, *Voice of the Mountain*)

The river is immortal and has witnessed the rise and fall of civilizations and mythic heroes and heroines. Temsula Ao, too, believes in the permanence of nature as a witness to change. The myths, folksongs, mythical beliefs have always revolved around nature. They consider both the animate and inanimate objects of nature as friends, intimately linked to human life for survival and development. They consider the earth as a living entity where living and non living beings have a purpose and all are intricately linked as one entity. The Adi community of Arunachal like the Ao Nagas is full of respect for nature and believe that everything in nature has a life. Every form of nature – rocks, mountains, rivers, trees, hills and all life are sacred. The concept of 'Donyi-Polo' meaning 'Sun-Moon' is a manifestation of the Supreme Deity in physical form. Mamang Dai calls it 'World Spirit'. In simple words we may

consider it as worship of nature. The Ao Nagas consider the earth as a living entity and they call their Supreme Deity as 'Lizaba' where 'Li' means 'land' and 'Zaba' means 'real' which again brings back the concept of worship of nature. For them the land and the whole of creation are the manifestations of the Supreme Being.

Thus we find that the oral as well as written narratives of the tribal world have given a distinct colour to the literature of this region. The literature particularly the poems are rich in local myths, legends and folktales that have provided a hue of nature which is found only in this part of the country. The Aos consider the oral tradition as not merely a process of telling or retelling the myths, legends associated with their social and cultural life but it has been treated as a lifeline of their community. These folklores connect the past to the present. They have no written script of their own so the preservation of their rich heritage which is nothing but the identity of the community depends on to what extent the new generation accepts it as a part and parcel of their life and their identity. Temsula Ao is full of respect and pride for the oral narratives of her community but she doubts the present generation when she says in *Songs from the Other Life:*

"I have lived my life believing
Story-telling was my proud legacy.

But now a new era has dawned.
Insidiously displacing the old.

My own grandsons dismiss our stories as ancient gibberish.

Who needs rambling stories
When books will do just fine?"

(Ao, *The Old Story Teller*)

***References:***


1. Chandra N.D.R. and I.Sentinaro. "A Discourse on Ao-Naga Folktales." *Open Journal Academic System.Vol2.3*(Jan-Jun,2010).<<http://www.inflibnet.ac.in//accd.12 Dec 2014>>.
2. Dai, Mamang."The Voice of the Mountain". *Kavitayan*.<<http://www.oocities.org//accd.12 Nov 2014>>.
3. ——————— "Oral Narratives and Myth". *Glimpses from the North-East*. National Knowledge Commission, 2009. Print
4. Gahatraj, Narayan Chandra. "Cultural Memory and Rememberance: Exploring Orality and Identity in North East Poetry: *Research Scholar Vol2.II* (May,2014)<<http://www.researchscholar.co.in//accd.12 Nov 2014 >>.
5. Ngangom, Robin Singh and Kynpham Sing Nongkynrih(ed).*Dancing Earth:An Anthology of Poetry from North Eastern India*.New Delhi:Penguin.2009.Print
6. Smith, William Carlos.*The Ao Naga Tribe of Assam:A Study in Ethnology and Sociology*.London:Macmillan and Co.1925.Print



# Role of lullabies in Karbi folklore

**Jerry Timungpi**

The Karbis formerly known as Mikirs, represent one of the oldest ethnic tribes residing in the North Eastern part of India, particularly in the hill districts of Karbi Anglong and West Karbi Anglong. They possess unique tradition and culture distinct from other hill tribes. The Karbis are ethnically Mongoloid and linguistically Tibeto-Burman particularly speaking Kuki-chin sub group of languages. The karbis have unique tradition and culture, rich in material culture but due to lack of records, folktales or folklore forms the only source of information with regard to their early history. In this regard, Lullabies or cradle songs form the main component of Karbi folk literature. It is oral in form and represents the rich culture, tradition, beliefs, costumes of the community. "Lullabies in the opinion of the people are a companion of childhood. They along with other genres contain a powerful force that allows them to develop a speech of preschool children's vocabulary due to the fact that they contain a wide range of information about those objects that are close to the experience of people and attract with their experience" (Gaybullaevich)

According to Jawaharlal Handoo, Folklore is as old as mankind. The term was suggested by William Thoms, a British antiquarian in 1846.The term was earlier being carried on various labels such as "Popular

Antiquities" or "Popular Literature". He therefore suggested a single label to designate this area of enquiry therefore suggested, Folklore meaning the lore of the people.(Sen)

Lullabies in Karbi Language are known as *oso kapedok alun* or *oso kebai alun* where, *Oso* means infant and *kebai* means to lure, *kapedok* means to console and *alun* means song. So basically, *oso kapadok alun* means a song to calm or lure baby to sleep. The song is most often sung by a mother, grandmother or sister. The child is often put on a *ja-e* (cradle) made by tying a piece of cloth on two opposite poles or by carrying the baby on *pih ba* (a hand-woven back strap for carrying baby). There is no particular division of age group for whom the song is to be sung. It is instantaneously sung by mothers after the child is born and it continues until the child is able to pacify or sleep on its own. The *oso kebai/ oso kapadok alun* which have survived till date are:*Tuva eh -aa-aa-aa alun, Aladung ladung alun*, and *Kurdidi alun.*

The '*Tuva eh-aa-aa-aa-aa alun* 'goes as

''Tuva eh-aa-aa-aa-aa
Oh, jang jang ser jang aa
Non samphri phudang aa
Ta volu ver nang aa
Irindi hem jang aa
Deng maro khangjang aa…….."

The mother/father addresses the whimpering infant as *ser jang* where *ser* means gold and *jang* means refine. It reflects deep maternal/paternal love, who wants to convey a message of love, gentleness, simplicity, spirituality, morality and patience. As the baby continues to cry, the mother tries to calm the baby down by pointing towards the *Samphri* (sun). The situation is such that the father had gone to harvest and would be returning soon to have his food. The mother is left to look after the child and is expected to finish all the household chores before his return. The mother thus tries to put him/her to sleep as she needs to go in search of firewood and water. She says that if he/she sleeps now then his father would reward him with casava or sweet potatoes on his return. The *Aladung ladung alun* is also similar in nature. The mother/father who sings the song addresses the son as *ladung* meaning a treasured token. As the child grows older, the word *ladung* is replaced by words such as *lori, vansan, hoidoi* or *tampe*. Another form of lullaby is the *Kurdidi alun*. The song is generally sung by male figure i.e., father, uncle or brother. In this particular form of lullaby, the male figure often lies down on a mat and lift the baby (most often when the child is able to crawl) upward towards his knee by placing the baby on his feet.

The language used in lullabies is simple and objects used are from the natural surroundings such as sun, moon, trees etc. The theme also remains same in all the lullabies. Lullabies are not just a medium of emotional connection between parents and child but is also a medium of resistance toward time and social change.

**References:**

Gaybullaevich, Nurullaev Farrux. *THE ROLE OF FOLKLORE IN THE RAISING OF CHILDREN*. no. 12, 2020.

Sen, Soumen. *Folklore in North-East India*. Omsons Publications, 1985.

# মহাবীৰ লাচিত বৰফুকন

নয়ন মণি ৰাজখোৱা

মহাবীৰ লাচিত বৰফুকনৰ জীৱন গাঁথা ইতিহাসৰ জোলোঙাৰে চালে দেখা যায় যে লুখুৰাখন ফৈদৰ ৰাজ প্ৰতিনিধি মোমাই তামুলী বৰবৰুৱাৰ কনিষ্ঠ পুত্ৰ । সৰুৰে পৰা লাচিত বৰফুকন কৰ্তব্যপৰায়ণ, সুচতুৰ আৰু প্ৰচণ্ড সাহসী আছিল। স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ ৰাজত্ব কালত লাচিতে তিনিটা ৰাজবিষয় ভোগ কৰিছিল। প্ৰথমতে হাতীধৰা বৰুৱা আৰু ঘোঁৰাবৰুৱা আদি সকলো বিষয় নিয়াৰিকৈ পালন কৰা বাবে স্বৰ্গদেউৰ চকুত পৰিছিল। তেওঁৰ ঘৰ আছিল গড়গাঁৱৰ সমীপৰ হাঁহচ'ৰাৰ খুকুটিবাৰীত।

মিৰজুমলাৰ অসম আক্ৰমণৰ পাছত অসম মোগলৰ পৰাধীন হ'ল। স্বৰ্গদেউ চক্ৰধ্বজ সিংহই মোগলৰ পৰাধীন ৰজা হিচাপে ৰাজ্য চলাব লগাত পৰিল। ইফালে মোগল কটকীয়ে অনা এযোৰ পোছাক ৰাজসভাত স্বৰ্গদেউক পিন্ধিবলৈ ক'লে। লাজ-অপমানত ক্ৰোধিত হৈ স্বৰ্গদেউ ঈশ্বৰে ৰাজ সিংহাখনৰ পৰা চিঞৰি উঠিল। এযোৰ চিলাই কৰা কাপোৰৰ বাবে মই মোৰ স্বাধীনতাক বিসৰ্জন দিব লগা হ'ল। মোৰ পুলিন পুঠাও কানো পৰাধীন নাছিল। মই স্বৰ্গ ৰাজ্যৰ ৰাজ বংশৰ ৰজা হৈ মোগলৰ দাসত্ব কেনেকৈ স্বীকাৰ কৰিম। মই এনেকৈ ৰজা হৈ থাকিব নোৱাৰোঁ। আতন বুঢ়াগোহাইয়ে বুজাই-বঢ়াই স্বৰ্গদেউক শান্ত কৰিলে আৰু মোগলৰ বিপক্ষে যুদ্ধ কৰিবলৈ প্ৰস্তুতি চলালে। সেই যুদ্ধৰ সেনাপতি হিচাপে লাচিতক নিৰ্বাচন কৰিলে আৰু ৰাজসভালৈ মাতি পঠালে। লাচিতৰ সাহসিকতাৰ প্ৰমাণ চাবলৈ এজনে লিগিৰাক গোপনে লাচিতে আঠু লোৱাৰ সময়ত মূৰৰ পাগটো খুলি পেলাবলৈ মন্ত্ৰণা দিলে।



প্ৰথমে লিগিৰাই ভয় খাইছিল, স্বৰ্গদেউৰ অভয় দানত মান্তি হ'ল। লাচিত ৰাজসভালৈ আহি ৰজাৰ ওচৰত আঠু লওঁতেই পূৰ্বৰ পৰিকল্পনা মতে লিগিৰাই লাচিতৰ মূৰৰ পাগটো থাপ মাৰি খুলি লৈ গ'ল। খঙত একো নাই হৈ লাচিতে হেংদান লৈ লিগিৰাক কাটিবলৈ খেদি গ'ল। উপায়ন্তৰ হৈ লিগিৰাই ৰজাৰ ৰাজ সিংহাখনৰ তলত সোমালগৈ। স্বৰ্গদেউ সিংহাসনৰ পৰা নামি আহি লাচিতক ক'লে — লাচিত খং নকৰিবা তোমাৰ সাহসিকতাৰ প্ৰমাণ চাবলৈহে মই লিগিৰাক তেনে কৰিবলৈ নিৰ্দেশ দিছিলোঁ। স্বৰ্গদেউৱে এখন সোণৰ হেংদান লাচিতৰ হাতত দি যুদ্ধৰ বাবে প্ৰধান সেনাপতি পাতিলে।


দুবছৰ ব্যাপি অহৰহ যুদ্ধৰ প্ৰস্তুতি চলিল। অস্ত্ৰ নিৰ্মাণ কৰা কাৰখানা ৰাজধানীত বহুৱাই অস্ত্ৰ তৈয়াৰ কৰা কামত ব্ৰতী হ'ল। দিনে নিশাই যুদ্ধৰ প্ৰস্তুতি চলিল। এহেজাৰ পাইকৰ নায়ক পাতি হাজৰিকা বিষয়বাবৰ সৃষ্টি কৰিলে। সকলো কৰতলীয়া ৰজাক ৰাজসভালৈ মাতি আনি যুদ্ধৰ বাবে সৈন্য,খাদ্য সামগ্ৰী যোগান ধৰিবলৈ আদেশ দিয়া হ'ল। স্বৰ্গদেউৱে নিজে সৈন্যসকলক যুদ্ধ শিক্ষা প্ৰদান কৰিলে। যুদ্ধৰ বাবে কৰিব লগা সকলো প্ৰস্তুতি শেষ কৰি হিন্দু মতে আৰু আহোমৰ মতে যুদ্ধ যাত্ৰাৰ বাবে কৰিব লগা মাংগলিক কাৰ্য সমাপন কৰি ১৬৬৭ খ্ৰীষ্টাব্দৰ বাৰিষা তিনি ভাদ বৃহস্পতিবাৰে সৈন্য বাহিনী গুৱাহাটী উদ্ধাৰৰ বাবে ৰাজধানীৰ পৰা দুভাগ হৈ ব্ৰহ্মপুত্ৰইদি যাত্ৰা কৰে। অসমৰ সৈন্য বাহিনীয়ে কলিয়াবৰত শিবিৰ স্থাপন কৰে। গুৱাহাটীৰ মৌজাদাৰ চৈয়দ ফিৰোজ খাঁ এনে আকস্মিক যুদ্ধৰ বাবে প্ৰস্তুত নাছিল। তেওঁলোকক সহায় কৰিবলৈ ৰঙামাটি অথবা ঢাক্কাৰ পৰা সৈন্য বাহিনী আহি পোৱাত পলম হ'ল। অসমৰ সৈন্য বাহিনীয়ে যুদ্ধৰ পাছত যুদ্ধ জয় কৰিবলৈ ধৰিলে।

আহোমৰ চৰবছাই মহিলাৰ বেশ ধৰি মোগলৰ বৰটোপৰ নলীত পানী ভৰাই থয় ফলত বৰটোপ নুফুটা হয়। উপায় নাপাই নৌ সৈন্যই ইটাখুলি যুদ্ধত অৱতীৰ্ণ হ'ল। কিন্তু তেওঁলোক আহোমৰ বৰটোপৰ গুলিৰ আগত তিষ্ঠিব নোৱাৰিলে। ১৫৮৯ শকৰ ১৭ কাতিৰ দিনা মাজনিশা আহোমে ইটাখুলি দখল কৰে। মোগলক মানাহ পাৰ কৰি খেদি দিয়ে। এইদৰে লাচিত বৰফুকনে দুমাহৰ ভিতৰত হেৰোৱা ৰাজ্য পুনৰ উদ্ধাৰ কৰে।

গুৱাহাটী উদ্ধাৰ কৰি ৰক্ষা কৰিবলৈ লাচিত বৰফুকনে যৎপৰোনাস্তি কষ্ট কৰে। তেওঁ চিকাৰ কৰা ভাও ধৰি গুৱাহাটীৰ সমীপৰ বাট-ঘাট, গড়ৰ ওপৰত, পৰ্বতৰ কাষত ভৈয়ামৰ উপযুক্ত ঠাই চাই বৰটোপ পতাৰ ব্যৱস্থা কৰিলে। সেইবিলাক ঠাইত বৰটোপ চলোৱা দক্ষ সৈনিক নিয়োগ কৰিলে। ১৬৬৭ খ্ৰীঃৰ ডিচেম্বৰ মাহত ঔৰংজেবে গুৱাহাটী আহোমে দখল কৰাৰ বাতৰি পাই ৰামসিংহৰ নেতৃত্বত এক বিৰাট মোগল বাহিনী অসম আক্ৰমণ কৰিবলৈ প্ৰেৰণ কৰিলে। লাচিত বৰফুকনেও প্ৰস্তুতি আৰম্ভ কৰিলে। ছয় ফুকন, বাৰগৰাকী ৰাজখোৱাক সৈন্য সামন্ত দি ঠায়ে ঠায়ে নিয়োগ কৰিলে। প্ৰতিজন ফুকনক ছয়হাজাৰ সৈন্য, প্ৰতিজন ৰাজখোৱাক তিনি হাজাৰ সৈন্য দি যুদ্ধত প্ৰবৃত্ত হ'বলৈ আদেশ জাৰি কৰিলে। গড় নিৰ্মাণ কৰা কামত হেমাহি কৰা বাবে নিজৰ মোমায়েক লাহন হিলৈদাৰীক কাটি দুছেও কৰিলে।

আতন বুঢ়াগোহাইৰ সু-পৰামৰ্শ আৰু লাচিত বৰফুকৰনৰ কৰ্তব্যনিষ্ঠাই শৰাইঘাটৰ যুদ্ধত এখনৰ পিছত এখন আহোম সেনাই বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হয়। অৱশেষত বিখ্যাত শৰাইঘাটৰ যুদ্ধৰ সময়ত লাচিত বৰফুকন নৰিয়াত পৰিল। গা লৰচৰ কৰিব নোৱাৰাকৈ দুৰ্বল হ'ল। প্ৰধান সেনাপতিৰ নৰিয়াত আহোম সেনাৰ মন ভাগিল। কোনোৱে যুদ্ধ নকৰি পলোৱাৰ কথা ভাবিলে। অধৈৰ্য হৈ লাচিত বৰফুকনে চাৰিটা ভূএগ্ৰা পোৱালিৰ সহায়ত যুদ্ধৰ নাৱত উঠি চিয়ঁৰি উঠিল , *"মোক স্বৰ্গদেউৱে মোগলৰ লগত যুদ্ধ কৰিবলৈ পঠাইছে। পত্নী-পুত্ৰ আলিঙ্গন লবলৈ নহয়। তোমালোক ঘূৰি যোৱা, মই অকলে মোগলৰ লগত যুদ্ধ কৰিম। চিলা পৰ্বতৰ কাষত এটুকুৰা মাটি লৈ থৈছোঁ মৰিলে সেয়াই মোৰ বাবে যথেষ্ট হ'ব।"* লাচিতৰ কথা শুনি আহোম সেনাই সাহসৰ ওপৰত ভৰ দি মোগলৰ লগত যুদ্ধ কৰিবলৈ উদ্যত হ'ল। নাওঘূলিৰ পৰা ইমান নাও মেলি দিলে যে নাৱৰ ওপৰত খোজ কাঢ়ি ব্ৰহ্মপুত্ৰ ইপাৰ সিপাৰ হ'ব পৰা হ'ল। পাৰৰ পৰা আহোমৰ বৰটোপ গৰ্জি উঠিল। পানী দিহিঙ্গীয়া ৰাজখোৱাৰ এশ সৈন্যই পানীত ডুব মাৰি পানীৰ তলেৰে গৈ মোগলৰ নাও ফুটা কৰি নাও ডুবাই পেলালে। ব্ৰহ্মপুত্ৰ পানীত মোগলৰ সৈন্য নধৰা হ'ল। অৱশেষত আহোম সৈন্যৰ যুদ্ধ কৌশলত তিষ্ঠিব নোৱাৰি মোগলৰ সৈন্যৰ পৰাজয় হ'ল। বৰফুকনে মোগল সৈন্যক পাণ্ডুলৈকে খেদি পঠালে। শৰাইঘাটৰ যুদ্ধৰ অৱসান হ'ল। মোগলে পৰাজয়ৰ গ্লানি শিৰ পাতি লৈ ঘৰমুৱা হ'ল।

শৰাইঘাটৰ যুদ্ধৰ কিছুদিনৰ পাছতে ১৬৭২ খ্ৰীষ্টাব্দৰ কোনো এটা দিনত পঞ্চাছ বছৰ বয়সত লাচিত বৰফুকনৰ দেহৱসান ঘটে। এটা সংগ্ৰামী সত্তা, এটা দেশ প্ৰেম, এক প্ৰচণ্ড সাহসৰ পৰলোকগমন হ'ল। অসম বুৰঞ্জীৰ উজ্জ্বল নক্ষত্ৰৰ পোহৰত অসম সদায় আলোকিত হ'ব। লাচিত বৰফুকনৰ মৃতদেহ গড়গাঁৱলৈ লৈ অনা হৈছিল। কিন্তু যাত্ৰাপথত তেওঁৰ মৃতদেহ ইমান বিগলিত হৈছিল যে নাবিকসকল নাও চলাবলৈ অসমৰ্থ হৈছিল। সেয়েহে স্বৰ্গদেউ উদয়াদিত্য সিংহৰ নিৰ্দেশ মতে যোৰহাটৰ হোলোঙাপাৰ গোহাঁই গাঁৱত লাচিত বৰফুকনক মৈদাম দিয়া হয়।



# স্বাধীনতা সংগ্ৰামলৈ ডিমাছা জনগোষ্ঠীৰ অৱদান ঃ এক অধ্যয়ন

ড° সত্যজিৎ দাস

ডিমাছাসকল মংগোলীয় মূলৰ আৰু বড়ো বা কছাৰী জনগোষ্ঠীৰ এটা ঠাল। ডিমাছাসকলৰ আদি বাসস্থান হ'ল চীনদেশৰ দক্ষিণ অঞ্চল। তেওঁলোকে দক্ষিণ অঞ্চলৰ পৰা ব্ৰহ্মপুত্ৰ, ইৰাৱতী, মেকং, চালুইন, ইয়াংচিকিয়াং নদীয়েদি আহি অসম, ব্ৰহ্মদেশ আদি ঠাইত সিঁচৰতি হৈ পৰে। বৰ্তমান অসম আৰু নাগালেণ্ডত ডিমাছাসকলৰ বসতিস্থান। ডিমাছাসকলে প্ৰথমে ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰিছিল। ১২২০ খ্ৰীঃত আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰি ৰাজ্য বিস্তাৰ আৰম্ভ কৰাত ডিমাছা বংশৰ ৰজাসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত ত্যাগ কৰি দৈয়াং ধনশিৰি নদী উপত্যকাত ৰাজত্ব আৰম্ভ কৰে আৰু ডিমাপুৰত ৰাজধানী পাতে। ডিমাপুৰলৈকে অহাৰ আগেয়ে ডিমাছাসকলে নিজকে বডোছা বুলিয়ে পৰিচয় দিছিল। ডিমাপুৰলৈ অহাৰ পিছত তেওঁলোকে 'ডিমাছা' নামেৰে অভিহিত হয়। বৰ্তমানে অসমৰ উত্তৰ-কাছাৰ পাৰ্বত্য জিলা বা ডিমাহাচাও জিলা হৈছে ডিমাছাসকলৰ প্ৰধান বসতিস্থান। অৱশ্যে নগাওঁ, কাৰ্বি আংলং, কৰিমগঞ্জ জিলাৰ পাহাৰে-ভৈয়ামে, হাইলাকান্দি আদিৰ লগতে নাগালেণ্ডৰ ডিমাপুৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহতো ডিমাছা জনগোষ্ঠীৰ লোক পোৱা যায়। গতিকে ডিমাছা জনগোষ্ঠীও অসমৰ আদিম জনগোষ্ঠী। বৃহত্তৰ অসমীয়া জাতি-গঠন প্ৰক্ৰিয়াত এই জনগোষ্ঠীৰো অৱদান মন কৰিবলগীয়া। অসমত নিগাজীকৈ থাকিবলৈ লোৱাৰ পৰা অসমীয়া ভাষা-সংস্কৃতিকে আকোৱালি ল'লে আৰু নিজকে

বৃহত্তৰ অসমীয়া জাতিৰ ঠাল বুলি পৰিচয় দিবলৈ আৰম্ভ কৰিলে। এই ভাষিক বা সাংস্কৃতিক জাতীয়তাবাদ গঢ় লৈ উঠে বৃটিছ ঔপনিবেশিক শাসন ব্যৱস্থাৰ পৰাই। ছশ বছৰীয়া আহোম ৰাজত্ব ওৰ পেলাই মানৰ শাসন (১৮২১-১৮২৪) আৰম্ভ হয় অসমত। মানৰ শাসনৰ সময়ছোৱাত অসমবাসী যথেষ্ট অত্যাচাৰৰ সন্মুখীন হৈছিল। তেনে সময়তে বৃটিছসকল অসমত প্ৰৱেশ কৰে। বৃটিছ আৰু মানৰ প্ৰথম যুদ্ধ (First Anglo-Burmese) ১৮২৪-১৮২৬ খ্ৰীঃত হয়। ১৮২৩ খ্ৰীঃত ডেভিদ স্কট (David Scott)ক উত্তৰ-পূব সীমান্তৰ গৱৰ্ণৰ জেনেৰেল নিযুক্ত কৰা হয়। বৃটিছে তেওঁলোকৰ অধীনত থকা বংগৰ অঞ্চলসমূহতো মানে আক্ৰমণ চলাব পাৰে বুলি ভাবি মানক অসমতে বাধা দিয়াৰ ব্যৱস্থা কৰে। গৱৰ্ণৰ স্কটে অসমত মানৰ অত্যাচাৰৰ সকলো প্ৰতিবেদন বৃটিছ গৱৰ্ণৰ জেনেৰেললৈ প্ৰেৰণ কৰি আছিল। ১৮২৪ চনত বৃটিছসকলে মানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। দুবছৰ ধৰি চলা যুদ্ধত ১৮২৬ চনত মানে পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হয়। ফলস্বৰূপে ১৮২৬ চনত ২৪ ফ্ৰেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হয় মানৰ ৰজা বা-জি-দ্বা (Ba-Gyi-Dwa) আৰু বৃটিছৰ জেনেৰেল লৰ্ড আৰ্মহাষ্টৰ মাজত। এই চুক্তিমতে অসমৰ লগতে কাছাৰ (Cachar) আৰু জয়ন্তীয়া ৰাজ্য দুখনৰ শাসনৰ দায়িত্ব বৃটিছৰ হাতলৈ যায়। কিন্তু পৰৱৰ্তী সময়ত বৃটিছৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰে। ভাৰতৰ এই স্বাধীনতা আন্দোলনত উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জাতি-জনগোষ্ঠীয়েই অংশগ্ৰহণ কৰিছিল।

উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ অন্যতম এটা জনগোষ্ঠী ডিমাছাসকল। ভাৰতৰ স্বাধীনতা সংগ্ৰামলৈ তেওঁলোকৰ যথেষ্ট অৱদান আছে। ডিমাছা জনগোষ্ঠীৰ অন্তৰ্গত এজন বীৰযোদ্ধা তথা স্বাধীনতা সংগ্ৰামী শম্ভুধন ফংলো (১৮৫০-১৮৮৩)। শম্ভুধন ফংলো সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে এক জাগৰণ। বৃটিছৰ বিৰুদ্ধে সংগ্ৰাম কৰি ডিমাছা ৰাজ্য উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিছিল। শম্ভুধন ফংলোৱে জীৱনৰ প্ৰতিটো মুহূৰ্ততে ডিমাছা মানুহৰ কথাই চিন্তা কৰিছিল। বৃটিছৰ শোষণ নীতিত অতিষ্ঠ হৈ এই ব্যক্তিজনে ইংৰাজক ডিমাছা ৰাজ্যৰ পৰা খেদিবলৈ হাতত তৰোৱাল তুলি লৈছিল। ১৮৩২ চনত দক্ষিণ আৰু উত্তৰ কাছাৰ বৃটিছ নিয়ন্ত্ৰণলৈ যায়। উত্তৰ কাছাৰ শাসন কৰিছিল ডিমাছা জনগোষ্ঠীৰ মহান বীৰ তুলাৰাম সেনাপতি। ১৮৫৪ চনত তুলাৰাম সেনাপতিৰ মৃত্যুৰ পিছত বৃটিছে উত্তৰ কাছাৰৰ পুনৰ ক্ষমতা দখল কৰে। যুদ্ধ জয়ৰ পিছত বৃটিছসকল আনুগত্যহীন হৈ পৰিছিল। আনকি তেওঁলোকে দক্ষিণ কাছাৰৰ লগত উত্তৰ কাছাৰ সংযোজন কৰি দিয়ে। ১৮৬৬ চনত এই অঞ্চলক দ্বিখণ্ডিত কৰি নগাওঁ আৰু নগা পাহাৰ জিলাত বিভক্ত কৰে। শম্ভুধন ফংলো বৃটিছৰ এই বিভাজন আৰু শাসন নীতিৰ দ্বাৰা খিলঞ্জীয়া ডিমাছাসকল প্ৰান্তীয় স্থানত অৱস্থান কৰিছিল। শম্ভুধনে কেতিয়াও বগা চাহাবে তেওঁলোকক শাসন কৰাটো মানি লোৱা নাছিল। সেই কথা বিবেচনা কৰিয়েই স্থানীয় জনসাধাৰণক একত্ৰিত কৰি জনসাধাৰণক সজাগ কৰিছিল যে তেওঁলোকে স্বাধীনতা হেৰুৱাইছে। সমান্তৰালভাৱে ডিমাছাসকলৰে এচাম লোকে যে বৃট্ৰিছসকলৰ বা বিদেশী ক্ষমতা একত্ৰীকৰণত সহায় কৰি আহিছে সেই কথাও বুজাই দিছিল। সেইবাবে শম্ভুধনে কৈছিল— *"To give up one's freedom was to accept slavery. Is it worth it for them to live as slaves under the aliens? Suffering could be tolerated but slvery could not." (https://www.Ineinindegenous.org/post/)*

অৰ্থাৎ বিদেশী নাগৰিকৰ গোলামী হৈ থকাটো সহ্য কৰা নহ'ব বুলি তেওঁ বদ্ধপৰিকৰ। সেইবাবে শম্ভুধন ফংলোৱে বিদ্ৰোহ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ এটা কথা লক্ষ্য কৰিছিল যে, সংশ্লিষ্ট ভূ-খণ্ড সংযোজন কৰা সত্বেও বৃটিছে স্থানীয় জনসাধাৰণৰ মন জয় কৰিব পৰা নাছিল। তেওঁ বিশ্বাস কৰিছিল যে, সকলোখিনি এতিয়াও হেৰুওৱা নাই। শম্ভুধনে বিদ্ৰোহীসকলক সংগঠিত কৰি উত্তৰ কাছাৰ পাহাৰ ভ্ৰমণ কৰিছিল। তেখেতে গাওঁবাসীক বৃটিছৰ বিৰুদ্ধে যুঁজ দিবলৈ উদ্‌গনি যোগাইছিল। তাৰ বাবে তেওঁ ডেকা যুৱকসকলক লৈ এটা বৃহৎ বিপ্লৱী বাহিনী গঠন কৰিছিল। মান সিং নামেৰে এজন যুৱক ফংলোৰ মুখ্য পৰামৰ্শদাতা আৰু মলং খং আছিল তেওঁৰ সহকাৰী অধিনায়ক। পৰৱৰ্তী পৰ্যায়ত তেওঁ সংগ্ৰামখন উত্তৰ কাছাৰতে সীমাবদ্ধ নাৰাখি সমগ্ৰ ডিমাছা ৰাজ্যত বিস্তৃত কৰিছিল।

বৃটিছ প্ৰশাসন শম্ভুধনৰ বৃটিছ বিৰোধী এই সক্ৰিয় কাৰ্যকলাপত অধিক সচেতন হ'ল। সেই সময়ত বৃটিছৰ মহকুমাধিপতি কাৰ্যালয় আছিল গুনজুঙত। বৃটিছ প্ৰসাশনে বিদ্ৰোহীসকলৰ বিপক্ষে বিহিত ব্যৱস্থা ল'বলৈ মহকুমাধিপতিক নিৰ্দেশনা জাৰি কৰে। সেই অনুসৰি মহকুমাধিপতিয়ে শম্ভুধন

আৰু তেওঁৰ সহকাৰী মানসিং আৰু মলখঙলৈ চমন জাৰি কৰিলে। কিন্তু তেওঁলোকে বৃটিছ প্ৰশাসনৰ ওচৰত উপস্থিত হ'বলৈ অস্বীকাৰ কৰিলে। ফলত তেওঁলোকক গ্ৰেপ্তাৰৰ বাবে জাননী জাৰি কৰিলে। লগে লগে মহকুমাধিপতিয়ে আৰক্ষী বিষয়াৰ তত্বাৱধানত ছজনীয়া সশস্ত্ৰ সৈন্যদল মাইবঙলৈ প্ৰেৰণ কৰিলে। আৰক্ষী বাহিনীয়ে উপস্থিত হৈ আচৰিত হ'ল যে শম্ভুধনে ইতিমধ্যে গাওঁবাসীক লৈ এটা বৃহৎ বাহিনী গঠন কৰিছে। শম্ভুধনে বিপদৰ আগজাননী পাইছিল যদিও মাইবং ত্যাগ কৰিবৰ বাবে বৃটিছ সৈন্য বাহিনীলৈ পত্ৰ প্ৰেৰণ কৰিবলৈ মানসিঙক নিৰ্দেশ দিয়ে। পত্ৰখনিত বগা চাহাবসকলক সকিয়নি দিয়া হৈছিল এনেদৰে—

*You White bubbles!*

*If you have any desire for food to eat on this earth. And if you have desire for water to drink on this earth, you leave our country, Before I reach Gonjung.*

অৱশেষত মাইবঙত বৃটিছ সৈন্যত যুদ্ধৰ সময়ত শম্ভুধনৰ শক্তি দেখি তবধ মানিছিল। বৃটিছ সাম্ৰাজ্যৰ আতংকময় পৰিস্থিতি দেখা পাই তেওঁলোকে শম্ভুধন থকা ঠাইখিনি আগুৰি ধৰিলে। চিপাহী দেখা পাই শম্ভুধনে জংগলৰ মাজলৈ দৌৰি যায় আৰু এনেকৈ পলাই যাওঁতে কৰঙণত খুকুৰিৰে আঘাতপ্ৰাপ্ত হৈয়ে শম্ভুধনে মৃত্যুক সাৱটিলে। তথাপিও অকলেই শম্ভুধনে ডিমাছা ৰাজ্য উদ্ধাৰৰ বাবে সীমিত সৈনিকেৰে সাহসেৰে যুঁজ দিছিল।

শম্ভুধন ফংলোৰ উপৰি অন্য এগৰাকী স্বাধীনতা যুঁজাৰু জয়া থাওছেন। জয়া থাওছেনৰ জন্ম হৈছিল ১৯২৫ চনত উত্তৰ কাছাৰৰ পাহাৰৰ জোৰাই কথাৰি গাওঁত। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জয়া থাওছেন কিশোৰ অৱস্থা। যুদ্ধৰ সময়ছোৱাত বৃটিছ সৈন্যসকলে ডিমাছা অধ্যুষিত অঞ্চলসমূহত জোৰ-জুলুমভাৱে যুদ্ধৰ সাহাৰ্য সংগ্ৰহ কৰিছিল। জয়া থাওছেনে মুকলিভাৱেই যুদ্ধৰ বাবে পুঁজি সংগ্ৰহ আৰু খাদ্য সামগ্ৰী সংগ্ৰহ কৰাটো সমালোচনা কৰিছিল। সেয়ে ডিমাছা অধ্যুষিত সাধাৰণ জনসাধাৰণক একগোট কৰি তেওঁলোকক সজাগ কৰিছিল। তদুপৰি ডিমাছা যুৱক-যুৱতীক একগোট কৰি সংগ্ৰামী ডিমাছা আৰ্মী সংগঠন কৰিছিল। তেতিয়া তেওঁৰ বয়স আছিল ১৯ বছৰ মাত্ৰ। তেওঁক সহায় কৰিছিল আৰ্জুন লাংথাছা আৰু জাওটেওদাউ কেম্প্ৰাই। এই সশস্ত্ৰ বাহিনী গঠন কৰা হৈছিল ১৯৪৪ চনত। থাউছেন প্ৰকৃততে ৰাণী ঝান্সীবাইৰ সৈন্যদলত অনুপ্ৰেৰণা লাভ কৰিছিল। ইণ্ডিয়ান নেছনেল আৰ্মী অৰ্থাৎ সুভাষ বসুৱে গঠন কৰা সৈন্যদলৰে সদস্য ৰাণী ঝান্সী। থাউছেনে ৰাণী ঝান্সীৰ সৈন্যদলৰ আজাদ হিন্দ ফৌজৰ লগত তেওঁৰ সৈন্যবাহিনী একত্ৰিত কৰি কহিমালৈ যায়। ১৯৪৪ চনত ৭ এপ্ৰিলত তেওঁলোক ডিমাপুৰৰ ওচৰৰ নাগা হিলছত আক্ৰমণৰ বলি হ'ব লগা হয়। সেই সংঘৰ্ষত অৰ্জুন লাংথাছা আহত হোৱাৰ লগতে ৫৪ জন বিদ্ৰোহী সৈন্য আৰু জয়া থাউছেন শ্বহীদ হয়। জয়াৰ সপোন আছিল ভাৰতীয় ৰাষ্ট্ৰীয় সেনাবাহিনীত যোগদান কৰি দেশমাতৃৰ বাবে সেৱা আগবঢ়োৱা। কিন্তু সেয়া বাস্তৱত পৰিণত নহ'ল।

আলোচনাৰ পৰা দেখা গ'ল যে, ডিমাছা জনগোষ্ঠীৰ প্ৰতিনিধিত্বমূলক শম্ভুধন ফংলো, ছেংয়াজিক জয়া থাউছেন, জেবি হাগজিৰ কথা ক'ব পাৰি। শম্ভুধন ফংলো আৰু জয়া থাউছেনে বিদ্ৰোহী ডিমাছা সৈন্য বাহিনী গঠনৰ কৰি বৃটিছৰ বিৰুদ্ধে যুঁজ দিছিল। ইয়ে তেওঁলোকৰ শক্তিশালী ৰাষ্ট্ৰীয় চেতনা তথা দেশপ্ৰেমৰ নিদৰ্শন দাঙি ধৰিছে। তেওঁলোৱে আত্মবলিদানেৰে দি সাহসেৰে দেশমাতৃৰ সেৱা আগবঢ়াই গৈছে। কিন্তু পৰিতাপৰ কথা যে, যি ধৰণে ডিমাছা জনগোষ্ঠীৰ বীৰ যোদ্ধা তথা স্বাধীনতা সংগ্ৰামীসকলৰ কথা অধ্যয়ন বা আলোচনা হ'ব লাগিছিল তেনেদৰে হোৱা পৰিলক্ষিত হোৱা নাই। সেয়ে এওঁলোকৰ বিষয়ে অধিক অধ্যয়ন হোৱাটো নিতান্তই প্ৰয়োজন।

**গ্ৰন্থপঞ্জী**


ভট্টাচাৰ্য, প্ৰমোদ চন্দ্ৰ (সম্পা.)। অসমৰ জনজাতি। কিৰণ প্ৰকাশন, ২০০৮

Sir. Edward Gait. Ahistory of Assam. Lawyers Book Stall, Guwahati, 1997

Saga of Freedom Struggle! Salute to Assamese freedom fighter Joya Thousen https://youtube/HM7_SGAclwm

Sambhudhan Phonglo : The pride of Dimasa https://www.Indindegenous.org/post/


Sambhudhan Phonglo- the pride of dimasa

# Women In Ancient Assam A Study in A Historical Perspective

**Bipul Das**
Assistant Profesor, Department of History
Sarupathar College

**Introduction**:

Assam is a state situated in the North-Eastern part of the Indian Sub-continent. The earliest name of Assam is Pragjyotisha, while late of came to be known as Kamrapa the name first emerging in the Allahabad pillar Inscription of Samadragupta of the 4th centurtary C.E. Many attempts have been made by scholars to reconstruct the history of region. However, till date not much work has been done to get the status and role of women in the society of the Ancient period. For getting a good picture of the social position of women of Ancient Assam the historical materials at our disposal are meagre and confused that is why we have to depend mainly on secondary date. Except a few women of the upper classes, the lives of general women were not well living. So in short the social justice and equality of women were denied in the society of Ancient Assam the emerging of the Brahmanical ideas and social restrictions impose on women in the society further deteriorated the position of women.



With a patriarchal mindset that was predominant in the society of Ancient Assam. Women were generally discriminated. Role of women was confined to her being a wife and a mother as has been depicted in the inscription. The growth of Brahmonical ideas and the social restrictions imposed on women in the society further deteriorated her position in the society.

**Review of Literature** :

Although women have been playing a vital role from the earliest to till date there has been no concerted study focusing upon the position of women in the society of ancient Assam. In "Comprehensive History of Assam Vol – I" edited by H.K. Barpujari (2004) 'A comprehensive History of Assam" and by S.L. Barua's (1997) Contained s position of women is the focus of only a small chapter and a limited discussion on the social position of women "The History of civilization of the people of Assam" by P.C. Chaudhury discuses marries and the others status of women in the society of Ancient Assam very briefly. So, in their studies too the focus on the women was lacking. However, thought does not provide adequate information to the status of women in the period yet an attempt has been made through this paper taking help from corroborative literary sources to proper focus on the status of women in the society of ancient Assam.

**Discussion**:

**Women In Vedic Period**:

women were lightly respected and they enjoyed high status inside and outside the home from the Vedic period up to 1200 B.C. According to Rig Veda the position of women is very high in their family. The Vedic period is regarded as one of the glorious chapters in Indian history for woman literary and historical researches have now established beyond doubt that women held a position of equality with men during this period. The Vedic women being educated had a voice in the selection of their husband. The dowry system did not stand as important in daughter marriages at that lime. As regards to the Property right, according to the Vedic hymns both husband and wife were joint owners, in spite of the patriarchical prevailing In the religious ceremonies and sacrifices man and woman look part as equal partners.

**Women In Family Life**:

Women possessing good qualities and education are required for a happy domestic life and treating of their children. The wife enjoyed with her husband but religions rights and participated in religions ceremony with him and thus the Rig-veda accorded the highest social status to that qualified woman of the days. By the inscription a women considered motherhood as the outstanding aim her married life in ancient times. The people worshipped mother in ancient Assam as mother. Sakti is the divine energy of God. That the message of spirituality the message of peace though the propagation of the cult of motherhood. According to the Rig-veda, the position of the wife is very high in the Hindu family. She is to be head of the family. But many of the practices of the subsequent period that were to lead to the depreciation of women status many the higher castes had their roots

in the later ear of the Brahmanas and the Uparishadas. The increasing complexity of Brahmonic ritual during this period prefaces a shift in the centre of education from the family home education. The result of this alienation was that the Vedic idea of man and wife as partners in the religious rituals of hospitality and worshiped was undermined and women's social role was redefined, and women's to emphasize only her reproductive function, leading the increased popularity of early marriage for girls of higher castes

**Women In The Society Of Ancient Assam**:

Kamrup is found to enjoy the honour of being an important seat of Sakti worship from the ancient to till now. The ancient history of Kamrupa as Assam was later called throws light on the different aspect of women in different times. Some inscriptions give us a clear picture about the lowest class of women in the society of ancient Assam. According to some epigraphs and literary works prostitution was in existence in parts of Assam. The institution of prostitution existed in India from very early times the Bargaon grant refers to the Vesyas and Varastri. Both meaning countering courtesans and the generally resided in the best streets of the cities they had to give entertainment of the king and their guest. They were treated as precious material rather than as human being and they were given rather low social position. It is likely that the woman of the royal families many have had some sort of education along with knowledge of some allied arts through nothing is mentioned in this regard in the sources. However the portrayal of dancing figures along with women playing various musical instruments in the sculptures found in the region during the period shows that the ordinary women too were apt in the allied arts. A stone slab at Cole Park in Tezpur area shows male figures playing on various musical instruments with woman dancing merrily by their side. In the Assam state Museum, two male and two female figures dancing and playing an musical instrument are preserved. Women must also have been involved in keeping of the accounts of the houses since she was the ideal house keeper. The knowledge of the Vedas the Sastras and sutra literature was undoubtedly confined only to the Brahmanas, outside the grasp of the ordinary people, and definitely beyond the imagination of women.

Regarding the role of women in the economy of the time the conventional sources hardly provide any evidence. This is not surprising since the work done by women have gone unrecognised or thought to be of lesser important regarding their contribution to the Social and economic production the record Keeping the women generally did the household chores and looked after the children the perception of the social towards women at large is invariably pointed out in the Deopani Vishnu image inscription belonging to the 6th century. Where women were equated with the Sadras She must have been gradually debarred from her say in any social or economic important matters. However, of would be wrong to conclude that women were only confined to house hold activities. Being an ideal wife would not really call for active part in the business of their

husband. Women enjoyed economic independence also to a certain extant the women belonging to lower strata took up spinning, weaving and needle work. Clothes were much more expensive in ancient time occupations. The first place must be given to weaving both in cotton and wool, which Supplied clothes to people. It is noteworthy as in later days; both men and women were engaged in this work as well as in the subsidiary process of dying and embroidery.

**Finding of the Studies**:

Above discussion if is obviously clear that women played an important role in the society of ancient Assam. Man should respect women for their own prosperity and interest. The ancient Assam throws light on the different aspect of women. They played a significant role in family and society in ancient period in the field of household affairs women occupied a good place. As a mother woman had right to take any important decision as house wife her duty was to treat her husband and take care of her children and serve the guest. We have discussed above the prostitution and worship at the same time. This custom's reduced the womens position in society as well as lived in a miserable condition. They have no chance get an honourable position in the society. The women were dependent in the ancient society. Yogini Tanta refers that women were punished if they failed in their duties to their husband. With regards to education of women during this period the position of women was not equal with that of men education was mainly provided for the Brahman and the royal families. Thus, we have found that in the ancient society of Assam, the position of society was not uniform. The upper-class women get better condition and the ordinary women's condition was nothing good.

**Conclusion**:

From the above discussion we have find that women played an important role in the ancient society. Most of the time the inscription only inform us about the queens and in some cases about the wives of the Brahmanas, women upon in the society which was made oriented. Indian women have mastered anything and everything which a woman can dream of. But she still has to go a long way to achieve equal status in the minds of Indian men. With the changes of time women have become more powerful in various fields but crimes against women have grown must with the increase in various rights of women. Women are still treated in some respect, in the some old way, yet the perception that women are second to man has not been erased. It should be pointed out that no society can move forward without active participation of the man and women so the role women earn never be obliterated from the pages of the history.

**Reference**:


1. Barpujari HK. The Comprehensive History of Assam. Vol-1
2. Gait. EA, A History of Assam
3. Baruah KL. The early history of Kamrup. Ghy-1933
4. Barua BK. A cultural history of Assam.
5. Barua , SL A Comprehensive history of Assam.
6. Internet, official websites Journals Magazines, etc

## বিশ্লেষণাত্মক প্ৰবন্ধ ঃ

# সৰুপথাৰ অঞ্চলৰ দেৱাল লিখন, বেনাৰ, হৰ্ডিং, বিজ্ঞাপন, সূচনা লিখনত ব্যৱহৃত অসমীয়া ভাষা

যুগল মেধি

ভাষা হৈছে মানুহৰ ভাব প্ৰকাশৰ এক মাধ্যম। সাম্প্ৰতিক সময় বিশ্বায়ন, বিজ্ঞান আৰু তথ্য প্ৰযুক্তিৰ যুগ। বিশ্বৰ অন্যান্য দেশৰ দৰে ভাৰতবৰ্ষতো বিজ্ঞানৰ অভূতপূৰ্ব নতুন নতুন সৃষ্টিত বৈদ্যুতিন তথা ছপা মাধ্যমত প্ৰকাশিত বিজ্ঞাপন তথা সূচনাসমূহে দৈনন্দিন জীৱনত প্ৰভাৱ পেলাই আহিছে। সম্প্ৰতি বৈদ্যুতিন আৰু ছপা মাধ্যমেৰে প্ৰকাশিত বিজ্ঞাপনৰ লগতে দেৱাল লিখন, হৰ্ডিং আদিত প্ৰকাশিত বিজ্ঞাপন তথা সূচনা লিখনসমূহেও বিজ্ঞাপনৰ এক বৃহৎ ক্ষেত্ৰ আগুৰি আছে। অসমীয়া ভাষাৰ ক্ষেত্ৰখনতো বিজ্ঞাপৰ প্ৰয়োগভৰ ঘটিছে। ছপা আৰু বৈদ্যুতিন মাধ্যমৰ লগতে পোষ্টাৰ, বেনাৰ, হৰ্ডিং আদিত অসমীয়া ভাষাত প্ৰকাশিত বিজ্ঞাপন সততে পোৱা যায়। বহুক্ষেত্ৰত বিজ্ঞাপন আকৰ্ষণীয় কৰিবলৈ যাওঁতে অসমীয়া ভাষাৰ সৈতে হিন্দী, ইংৰাজী আদি ভাষাৰ সংমিশ্ৰিত ৰূপৰ লগতে অসমীয়া ভাষাৰ বিকৃত উপস্থাপনো দৃষ্টিগোচৰ হয়। এই সকলোবোৰ দিশ সামৰি গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ দেৱাল লিখন, বেনাৰ, হৰ্ডিং, বিজ্ঞাপন হৰ্ডিং তথা বেনাৰ, সূচনা লিখন আদিত ব্যৱহৃত অসমীয়া ভাষাৰ সমলৰ আধাৰত এই আলোচনা আগবঢ়োৱা হৈছে।

লেখকৰ ব্যক্তি স্বাতন্ত্ৰই গঢ়ি তোলে লেখকৰ শৈলী। লেখকৰ চিন্তন, মনন বা অনুভৱৰ যি ৰীতি সেয়া শৈলীৰ মাধ্যমত প্ৰকাশ ঘটে। এক ব্যতিক্ৰমী প্ৰৱণতাই এজন লেখকক অন্য লেখকৰ পৰা স্বতন্ত্ৰ কৰি তোলে। বিজ্ঞাপনত ব্যৱহৃত অসমীয়া ভাষাৰ বিশ্লেষণত ভাষাত শৈলীৰ অধ্যয়ন গুৰুত্বপূৰ্ণ বিষয়। দেৱাল লিখন, হৰ্ডিং আদিত ব্যৱহৃত বিজ্ঞাপনসমূহ বিশ্লেষণ কৰিলে ভাষাশৈলীৰ অপূৰ্ব ব্যৱহাৰৰ ৰূপ দৃষ্টিগোচৰ হয়। দেৱাল লিখন আৰু বেনাৰ সমূহত ব্যৱহৃত অসমীয়া ভাষাৰ উদাহৰণ হ'ল —

*'আমি আশাবাদী/জিলিকিব ধনশিৰি/শুভেচ্ছাৰে, ধনশিৰি মহকুমা ছাত্ৰ সন্থা।'*

(দেৱাল লিখন, স্থান সৰুপথাৰ)

*'যি জনে নিজক চিনি/নাপায় তেওঁ ভগৱানকো/চিনি নাপায়/আমি/সকলো/ঈশ্বৰৰ/অংশ/নিজক চিনি পাবলৈ/শিককআৰু/সুৱা মুক্ত জীৱন/ যাপন কৰক।'*

(সজাগতামূলক দেৱাল লিখন, স্থান- সৰুপথাৰ)

*'সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)/ধনশিৰি মহকুমা সমিতিৰ উদ্যোগত আৰু ধনশিৰিবাসী ৰাইজৰ/সহযোগত/প্ৰথম বাৰ্ষিক/কৰম উৎসৱ উদ্‌যাপন/স্থানঃ নলনীপথাৰ ৰাজহুৱা খেলপথাৰ/দিনাংকঃ ৩০ ছেপ্তেম্বৰ আৰু১ অক্টোবৰ, ২০২২/জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো ৰাইজৰ উপস্থিতি কামনা কৰিলো।'* (সংগ্ৰহিত বেনাৰত প্ৰকাশিত বিজ্ঞাপন)

'*২০২২ শিক্ষাবৰ্ষৰ পৰা শুভাৰম্ভ/অসমীয়া বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ/(ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত)/অসমীয়া বিভাগ,/সৰুপথাৰ মহাবিদ্যালয়, সৰুপথাৰ,গোলাঘাট/অভিজ্ঞ শিক্ষকৰ দ্বাৰা পাঠদান/যোগাযোগ ঃ অধ্যক্ষৰ কাৰ্যালয়/ছাত্ৰ-ছাত্ৰী নিবাসৰ সুবিধা/উন্নত মানৰ পুথিভঁৰালৰ ব্যৱস্থা/আধুনিক প্ৰযুক্তিৰ শ্ৰেণীকোঠা/সৰুপথাৰ মহাবিদ্যালয়, সৰুপথাৰ* (শিক্ষাৰ্থীক অৱগত কৰোৱা বিজ্ঞাপন)

*২ নং চতিয়নী সাৰ্বজনীন/শ্ৰীশ্ৰী দুৰ্গা পূজা উদ্‌যাপন সমিতি সৰুপথাৰ* (দুৰ্গা পূজাৰ বিজ্ঞাপন)

**অসমীয়া ভাষাত ইংৰাজী, হিন্দী, বাংলা শব্দৰ প্ৰয়োগ ঃ**

সম্প্ৰতি কালত বিজ্ঞাপনসমূহে যথেষ্ট প্ৰসাৰ লাভ কৰিছে। ছপা মাধ্যমেৰে প্ৰকাশিত বিজ্ঞাপনসমূহ তথা বেনাৰসমূহত বিজ্ঞাপনদাতাই বিজ্ঞাপন দিওঁতে জটিলতাৰ পৰিৱৰ্তে সকলোৰে

বোধগম্য হোৱাকৈ সহজ ভাষা ব্যৱহাৰ কৰে। তাৰোপৰি বিজ্ঞাপনসমূহ অধিক আকৰ্ষণীয় হোৱাৰ বাবে ইংৰাজী, হিন্দী, বাংলা আদি শব্দ ব্যৱহাৰ কৰা সততে পৰিলক্ষিত হয়। ইয়াৰ উদাহৰণসহ সংগ্ৰহীত বেনাৰৰ পৰা তুলি দেখুওৱাবলৈ প্ৰয়াস কৰা হৈছে—

*এম. এম. নাচাৰী/ ইয়াত সকলো ধৰণৰ ফুলৰ/পুলি, ফুলৰ টাব, কেঁচুসাৰ,/ককপিট পোৱা যায় ।*

**(অসমীয়া বেনাৰৰ বিজ্ঞাপনত ইংৰাজী শব্দৰ প্ৰয়োগ)**

*মেচাৰ্চ অট ম'বাইল ৱৰ্কচপ/সৰুপথাৰ গালিছ স্কুল তিনিআলি, সৰুপথাৰ/ইয়াত মটৰ চাইকেল, স্কুটি ইত্যাদি/মেৰামতি কৰা হয়।*

**(অসমীয়া বেনাৰৰ বিজ্ঞাপনত ইংৰাজী শব্দৰ প্ৰয়োগ)**

*পূৰবী বিউটি পাৰ্লাৰ/ট্ৰেইনিং চেন্টাৰ/*

**(অসমীয়া বেনাৰৰ বিজ্ঞাপনত ইংৰাজী শব্দৰ প্ৰয়োগ)**

আদিত্য হেয়াৰ কাটিং

**(অসমীয়া বেনাৰৰ বিজ্ঞাপনত ইংৰাজী শব্দৰ প্ৰয়োগ)**

*জেৰক্স/লেমিনেচন/ম'বাইল আৰু লেপটপ/ ৰিপিয়েৰিং*

**(অসমীয়া বেনাৰৰ বিজ্ঞাপনত ইংৰাজী শব্দৰ প্ৰয়োগ)**

*ডালমিয়া চিমেন্ট/ফিউচাৰ টুডে*

**(অসমীয়া বেনাৰৰ বিজ্ঞাপনত ইংৰাজী শব্দৰ প্ৰয়োগ)**

*এচেৰেঙা এন্টাৰপ্ৰাইজ*

**(অসমীয়া বেনাৰৰ বিজ্ঞাপনত ইংৰাজী শব্দৰ প্ৰয়োগ)**

**বিজ্ঞাপনত প্ৰকাশিত অসমীয়া ভাষাৰ ভুল শব্দ ঃ**

সম্প্ৰতি দেখা গৈছে যে অসমীয়া ভাষাত প্ৰকাশিত বেনাৰ, হৰ্ডিং, সূচনা লিখনত আদিত অপূৰ্ব ভাষাশৈলীয়ে নতুন তথ্যৰ যোগেদি সমাজত জনসাধাৰণৰ মাজত যোগাযোগ স্থাপন কৰিবলৈ সক্ষম হৈছে। দেৱাল লিখনৰ জৰিয়তে অসমৰ বন্ধ, ভাৰত বন্ধৰ সঁহাৰি সাফল্যমণ্ডিত হয়। তদুপৰি বেনাৰসমূহত প্ৰকাশিত অসমীয়া শব্দৰ ভুল ব্যৱহাৰে অসমীয়া ভাষালৈ সংকট আনি দিছে। উদাহৰণ —

প্লেটফম লৈ যোবা পথ- ২

**(সৰুপথাৰ ৰেলৱে ষ্টেচনৰ পৰা সংগ্ৰহীত)**

*মেচাৰ্চ অট ম'বাইল ৱৰ্কচপ/সৰুপথাৰ গালিছ স্কুল তিনিআলি, সৰুপথাৰ/ইয়াত মটৰ চাইকেল, স্কুটি ইত্যাদি/মেৰামতি কৰা হয়।*

(গালিছ (**গাৰ্লছ**))

সৰ্বভাৰতীয় সঙ্গীত ও সংস্কৃতি পৰিষদ/মনখুশী কলাকেন্দ্ৰ/চিত্ৰকলা আৰু হাতৰ আখৰ প্ৰশিক্ষণ/ নামভৰ্ত্তি চলি আছে

**(অসমীয়া বিজ্ঞাপনত বাংলা ভাষাৰ 'ও' বাৰহাৰ)**

আমাৰ ইয়াৰ উপলব্ধ চৰকাৰী ও বেচৰকাৰী সেৱা সমূহ যেনে — ১/ স্থায়ী বান্দিাৰ প্ৰমাণ পত্ৰ/২/জ্যেষ্ঠ নাগৰিকৰ প্ৰমাণ পত্ৰ/৩/ জন্ম/মৃত্যুৰ প্ৰমাণ পত্ৰ/৪/ কৃষি পঞ্জীয়ন, কৃষি সামগ্ৰী যোগান

**(অসমীয়া বিজ্ঞাপনত বাংলা ভাষাৰ 'ও' বাৰহাৰ )**

*'পিতিকিণ বৰা পুথিভঁৰালৰ সৌজন্যত বাৰঘৰীয়া ৰাইজৰ উদ্যোগত/ তথা সমূহ দাতীকাষৰীয়া গাঁৱৰ ৰাইজৰ সহযোগত/ শ্ৰী কৃষ্ণৰ/ৰাসলীলা উদ্‌যাপন.........'*

**(অসমীয়া শব্দৰ ভুল ৰূপ)**

ওপৰৰ বিজ্ঞাপনসমূহৰ যেবা (যোৱা), গালিছ (গাৰ্লছ/ছোৱালী), ও (আৰু), দাতীকাষৰীয়া (দাঁতিকাষৰীয়া) আদি শব্দৰ ভুল ৰূপসমূহে বিজ্ঞাপন আকৰ্ষণীয় হলেও শিক্ষিত সমাজত ভাষাৰ ভুল প্ৰয়োগে চিন্তিত কৰি তুলে।

সম্প্ৰতি বিজ্ঞাপনসমূহে প্ৰচাৰৰ এক মাধ্যম হিচাপে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। ছপা মাধ্যমত প্ৰকাশিত বিজ্ঞাপন- বেনাৰ, হৰ্ডিং, দেৱাল লিখন আদিৰ ওপৰি সম্প্ৰতি বৈদ্যুতিন মাধ্যম যেনে- ফেচবুক, হোৱটচ্‌এপ, টুইটাৰ, আদিৰ জৰিয়তেও তথ্য প্ৰচাৰ কৰা বিজ্ঞাপন দৃষ্টিগোচৰ হৈছে।

ইংৰাজী ভাষাৰ বিশ্বব্যাপী প্ৰসাৰতাৰ মাজতে অসমীয়া ভাষাক জীয়াই ৰাখিবলৈ হ'লে আমাৰ দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰত অসমীয়া ভাষাৰ সাৰ্থক প্ৰয়োগ ঘটাবলৈ শিকিব লাগিব। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিজ্ঞাপনসমূহ শুদ্ধ অসমীয়া ভাষাত লিখাৰ প্ৰয়োজনীয়তা আছে। এই বিষয়ত অধিক আলোচনাৰ প্ৰয়োজনীয়তা আছে।

**প্ৰাসংগিক গ্ৰন্থপঞ্জী ঃ**

শৰ্মা, অনুৰাধা; শৈলী আৰু শৈলীবিজ্ঞান, পৰিবৰ্দ্ধিত তৃতীয় সংস্কৰণ-২০১৫, প্ৰকাশক- ৰঞ্জন শৰ্মা, বান্ধৱ, পাণবজাৰ,গুৱাহাটী

গোস্বামী, গোলোকচন্দ্ৰ; অসমীয়া বৰ্ণপ্ৰকাশ, সপ্তম সংস্কৰণ- ২০১৮, বীণা লাইব্ৰেৰী, গুৱাহাটী, অসম

শইকীয়া বৰা, লীলাৱতী; অসমীয়া ভাষাৰ ৰূপতত্ত্ব, তৃতীয় সংস্কৰণ-২০১৫, প্ৰকাশক- অনন্ত হাজৰিকা, বনলতা, পাণবজাৰ,গুৱাহাটী-১




# Value Education And Life Skill

**Barasha Rani Gogoi**

**INTRODUCTION:**

Value oriented education should not be conceived as an enunciation of a series of does and doesn't. Values cannot taught in the same way as lesson of information. Instruction should be less and intimate contact and individual guidance should be more from the parents and teachers, who are the most important person to inculcated values in learner. The aim of education is to impart good values. Every child and every individual is to be directed properly so that he can judge what is good and beneficial and what is bad and harmful. All these problems cannot be effectively tackled through narrow piece meal efforts. What we need under the present circumstances is a drastic change in our very outlook on life, which could be brought about by value education, imparted systematically right from the primary level.

Value education is a stimulated process through which we impart value based education. The idea is about the educational procedure that ingrains moral guidelines to make progressively polite and majority rule social orders. Value education along these limes advances resilience and comprehension well beyond our political, social and strict contrasts, putting extraordinary accentuation on the barrier of human rights, the insurance of ethnic minorities and the most helpless gatherings, and the preservation of nature.

Co-curricular or co scholastic activities are great sources of value Education. Almost all activities, other than academic programmes, come under the ambit of co-curricular activities. They contribute immensely towards personality development of student . These activities , often voluntary, are taken up with involved participation and are therefore highly refreshing and creative. The

knowledge and learning generated by these activities help the child to come in close contact with the teachers and peer groups several times, and it is just the right natural environment for value learning. Life skill education OPJS is to overcome the challenges, anxiety and anger which result in violent behaviour, vandalism and conduct disorders. Improved constructive conflict resolution with peers and improvement in class behaviour. We recognize, appreciate, applaud and foster the fine blend of sensibilities in a child . Life skill education encourages the child creative urges to blossm naturally. As the sying goes, ***A mind like the parachute works best when opened.***

In addition to enhancing knowledge ,our focus is on development of value enhanced life skills in student which would help them in resisting peer-pressure, talking informed decision and making healthy choices.

**METHODOLOGY:**

This study is using descriptive methodology. This methodology described about value education and life skill. This approaches also discuss how the value education help human to become more and more responsible, sensible. And understand the perspective of life in a better way and lead a successful life as a responsible citizen. And how help the student to develop a strong relationship with family and friends.

**OBJECTIVES OF VALUE EDUCATION AND LIFE SKILL:**

- To develop concept of life skills with respect to everyday life.
- To creat awareness about the ten core life skills and their inter relatedness.
- To develop life skill of creative thinking, critical thinking, empathy , copying with stress, coping with emotions, inter personal relationship, communication skills, decision making skill, self awareness and problem solving.

**DISCUSSION:**

The present day world is completely outfitted with informatics , science, advances , pc dominances , and mechanical . For the blast of information the people are compelled to fill in component managing materials . Thus a more extensive hole is keeping up among the people in the general public between their life and their fulfillment. It happens simply because of value less work on the life and value disintegration among them to live with harmony, amicable and palatable, in actuality, circumstances. In this manner the value education is the main source to give each one of those in the human lives and made them into better and better others conscious. There is all inclusive acknowledgement of the way that the essential capacity of education is the advancement of an inside and out and even character of the understudy.

Education is a process of initiating the learner to a good life. In order to live this good life , the learner has to acquire through this education knowledge, skills, attitudes, values and other behaviour patterns. It will incorporate values clarifications stratagies in ones decision making process. This will help the learners to become responsible citizens who will use their values to guide their attitudes and behaviour. It gives a positive

direction to the student to shape their future and even helps them to know the purposes of their life. It teaches them the best way to live that can be beneficial to individual as well as the people around them. Value education also helps the students to become more and more responsible and sensible. It helps them to understand the perspective of life in a better way and lead a successful life as a responsible citizen. Value education shows us the importance of hard work and , at the same time helps us grow and develop. Thus we are able to shape a better society to live in by knowing and respecting rights , laws and regulations.

Value education in another word can be portrayed as character education or good education . it is an education where student take in value from teachers and execute them in the future to have a superior existence, the life of mankind where religion has no significance, what value most is human character.

Value education begins from home and it proceeds for the duration of life however, value education in schools has a significant impact on a mans life so it ought to be instructed in every single school to add values to the kids for their better tomorrow.

**CONCLUSION:**

Youngsters today move through a grueling education system that goes on almost unendingly. Right from when parents send them to kindergarten at a tender age of 4 or 5 completing their graduation, there is a constant barrage of information hurled at them. It is a puzzling task to make sense of this vast amount of unstructured information. On top of that , the bar to perform better than peers and meet expectations is set at a quite high level. This makes a youngster lose their curiosity and creativity under the burden. They know How to do something but fail to answer the Why . They spend their whole childhood and young age without discovering the real meaning of education. This is where the importance of value education should be established in their life. It is important in our lives because it develops physical and emotional aspects, teaches mannerism and develops a sense of brotherhood , instills spirit of patriotism as well as develops religious tolerance in students. Thus it is essential to teach value-based education in school to foster the holistic development of student. The value education is the most important ingredient to change the world, and life skill enables the adolescents to live a happy and successful life. Providing life skill education helps to build the foundation for learning skills of individuals. A proper and relevant life skills education is needed for every youth to effectively adjust and participate in society.

**REFERENCES :**


1. Aggarwal, V.(1988). Inculcating moral values of children, Indian psychological abstracts, 26(1), 50, 15(4), 18-19.
1. Guha,Dr. Sampuana, A. Dr Sudha, Development of value education curriculum for children with intellectual disability.
2. Mohanty, J.(2005) Teaching of moral values development .
3. Kulashrestha Nikhil, Sharma Sandeep, Dutt Sharma Shweta. Value and Ethics.
4. Chaudhary, N.R.(1989). Values and value – oriented education, journal of Indian education, 15(1),15-17.



# Lata Mangeshkar, the Voice of the Millennium

**Pranjal Dutta**

It was 26th January, 1963 — almost two months after India's defeat in the Sino-Indian war of 1962. A sorrowful atmosphere prevailed in the Ramlila Maidan, Chandni Chowk, New Delhi. The lady, when asked to come nearer by a tall gentleman, thought within herself whether there was something wrong in her singing style. But her surmise proved to be wrong when the gentleman said "*Beti, tune mujhe rula diya*!" meaning "Daughter, you have made me wail!"

Yes, that was the power of voice of the lady who is none other than the Melody Queen Lata Mangeshkar who not merely charmed and enchanted

Jawaharlal Nehru, the then Prime Minister of India but also brought tears to his eyes. The song was "*Aye Mere Watan Ke Logon*" written by Kavi Pradeep and composed by C. Ramchandra.

Often referred to as the "Nightingale of India", Lata Mangeshkar has enthralled people for over six decades with her mellifluous voice since she started her career in 1942. Born on 28th September, 1929 as Hema Hardikar (later renamed as Lata) to late Dinanath Mangeskar and Shivanti Mangeshkar in the Princely state of Indore, Lata learnt Gujrati folk songs from her maternal grandmother and acted in her father's musical plays at the age of five. She was dropped out from school at an early age since her teacher did not allow her to bring her ten month old sister Asha with her. It was at the age of 13 that Lata's father died of cardiac arrest and the teenager Lata had to enter the world of singing and acting to earn bread for her family.

In the year 1945 Lata moved to Bombay when Master Vinayak's company moved its headquarters there. Lata played a minor role in the first Hindi film by the company—*Badi Ma* in 1945. She started learning Indian classical music under Ustad Amanat Ali Khan from the *Patiwala gharana*.

Lata debuted Bollywood with the song "*Aap Ki Sewa Mein*" in the year 1947. However, she shot to fame with the hit song from "*Mahal*" (1949) — "*Aayega Aanewala*" —where she playbacked for actress Madhubala. Since then one after another hits followed: "*Uthaye Ja Unke Sitam*", "*Dheere Se Aaja Re*", "*Chale Jana Nahin*", "*Hawa Me Udta Jae*" and "*Jiya Beqarar Hai*". Lata's early numbers were influenced by Noor Jahan's singing style. However, Lata's voice has matured and mellowed, her style has remained distinct. Her voice quality still retains the freshness and innocence of a sixteen year old girl. She has brought film playback a definitive role in delineating the epitome of feminine expression. Generations of composers, heroines and film-makers have looked up to Lata as their source of inspiration.

Films that set the path for this Melody Queen's sublime musical odyssey included *Guide* (1965), *Jab Janb Phool Khile*, *Mera Saaya* (1966), *Milan* (1967), *Doo Raaste* (1969), *Parichay* (1972), *Kora Kagaz* (1974), *Karz* (1980), *Kranti* (1980), *Naseeb*(1980), *Saagar* (1985), *Pyar Jhukta Nahin* (1985), *Ek Pal* (1986), *Sindoor* (1987), *Chandni* (1989), *Souten Ki Beti* (1989), *Maine Pyar Kiya* (1989). Lata's mesmeric reign continues to amaze critics and devotees alike. Lata has continued to dominate billboards with her chartbusters in films like *Lekin* (1991), *Lamhe*(1991), *Saudagar* (1991), *Sanam Bewafa*(1991), *First Love Letter* (1991), *Patthar Ke Phool*(1991), *Darr* (1993), *Rudali*(1993), *Yeh Dillagi* (1994), *Hum Aapke Hain Kaun*(1994), *Dilwale Dulhaniya Le Jayenge*(1995), *Maachis*(1996), *Dil Tu Pagal Hain*(1997), *Dil Se*(1998), *Dushman*(1998), *Jab Pyar Kisise Hota Hain*(1998), Hu Tu Tu(1999), *Kachche Dhaage*(1999), *Mohabbatein* (2000), *Kabhi Khusi Kabhi Gham* (2001) and *Rang De Basanti* (2006). Also hailed as the 'Undisputed and

indispensable queen of India's playback singing', Lata Mangeshkar has charmed her fans with over 50,000 songs in a career spanning more than six decades. She has playbacked for almost all the heroines who walked across the silver screen , from Madhubala, Mina Kumari, Waheeda Rehman, Nutan to Madhuri Dixit, Urmila, Kajol and Preity Zinta.

It was Raj Kapoor who regarded Lataji as the incarnation of goddess Saraswati. It was the magic of her voice that elevated the songs that she sang. A trained and versatile singer, Lata could sing anything from classical to frothy songs. She never lost sight of the value of humility and hard work. She wholeheartedly threw herself into every song. It was her ability to reach inside the lyric, to probe the nuances of moods, so skillfully that made her so much in demand.


Relentless in her quest for perfection, effacingly humble, publicly shy and simple Lata is a much revered non-film performer. Lata is always selective and it is due to her selection of songs as well as her tirade against the loss of poetry and decency in songs of the contemporary Hindi films, she has been able to create in the national mindset an image of a revered *didi* .She is also not happy with the kind of lyrics being written these days and recalls the olden days when there was emotion in the songs. This living legend stated in an interview that her style of singing is no longer suited to the type of lyrics that are being written for the films.

No listeners could ever forget the albums of her *Meera Bhajans*, *Ghazaldom* (composed by Jagjit Singh) and *Sajda*. A good music composer, Lata Mangeshkar composed music for the first time in 1955 for the Marathi film *Ram Ram Pavhana*. She also produced four films so far – *Vadai* (Marathi in 1953), *Jhaanjhar* (Hindi in 1953), *Kanchan* (Hindi 1955) and *Lekin* (Hindi, 1990).

Lata Mangeshkar obtained first Filmfare Award in 1958 for Best Playback Singer for the song "Aaja Re Pardeshi"from the film Madhumati . She continued to receive this award from 1958 to 1966 and she declined to receive the award in 1969 and emphasized promoting fresh talents. She holds the record for oldest recipient of National Film Award for the songs from the film *Lekin*.

Awarded with *Padma Bhushan* (1969) and *Padma Bibhushan* (1999), Lata Mangeshkar is the first Indian singer to perform at Royal Albert Hall in London in the year 1974. She received the Dada Saheb Phalke Award, the highest honour in Hindi cinema. A recipient of *Bharat Ratna* in the year 2001, the highest civilian award of India, Lata has sung in over 36 regional and foreign languages. She is the only Asian to have received Platinum Disc of EMI, London.

It is beyond dispute that Lata Mangeshkar is a living legend and undeniably the most talented singer India has produced so far. Her contribution towards making Hindi songs popular in India and across the globe is incalculable.



# A P J Abdul Kalam's – 'Indomitable Spirit' : A Fountain of solace and Inspiration.

**Moniprova Bora**

*" Great dreams of great dreamers are always trancended "*

**— A P J Abdul Kalam**

একোগৰাকী মহৎ ব্যক্তি যিদৰে ক্ষণজন্মা হয় তেনেদৰে সেই ব্যক্তিসকলৰ চিন্তা-চৰ্চাও যুগজয়ী হয়। বহু মহান মনিষীৰ চিন্তাৰ ফচল সমৃদ্ধ একোখন গ্ৰন্থৰ প্ৰভাৱো চিৰ প্ৰবাহমান হৈ থাকে। এনেবোৰ গ্ৰন্থই দেশ-জাতিৰ পৰিধি ভাঙি বিশ্বৰ জনমানসত সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। এনেদৰে মহৎ গ্ৰন্থৰ মূল্য সৰ্বকাল সকলো স্তৰৰ মানুহৰ বাবে থাকে, য'ৰ পৰা যুগে যুগে উপকৃত হয়। একোবোৰ গ্ৰন্থত সন্নিবিষ্ট শব্দ আৰু বাক্যই মানুহৰ মন-আত্মাক পোহৰাব পাৰে, চিন্তা সলনি কৰিব পাৰে, প্ৰেম-দয়া-ক্ষমা গুণৰ

বিকাশ ঘটাব পাৰে। যৌৱনৰ উন্মাদনাত বিশৃংখল হ'ব খোজা জীৱনক শৃংখলিত কৰিব পাৰে। মহৎ গ্ৰন্থৰ মহাত্ম্যই অন্তৰত জন্ম হোৱা হিংসা-দ্বেষ ঢৌৱাই নিব পাৰে। কেৱল বেদ-বেদাঙ্গ, গীতা-ভাগৱত, কোৰাণ-পুৰাণেহে মানুহক ধৰ্মজ্ঞান দি জীৱনক সংযত কৰিব পাৰে এনে নহয় পৃথিৱীৰ মানৱ সভ্যতাৰ ইতিহাসত এনে হাজাৰ-বিজাৰ গ্ৰন্থ ৰচনা হৈছে যে যিবোৰ গ্ৰন্থই মানুহৰ জীৱনৰ সুকীয়া সুকীয়া দিশক প্ৰভাৱান্বিত কৰি ব্যক্তি জীৱনৰ লগতে সামাজিক জীৱনত হিত সাধন কৰিছে। যুগে যুগে যিবোৰ গ্ৰন্থ বিশ্ববাসীৰ বাবে আদৰণীয়, যিবোৰ গ্ৰন্থই মানৱ জীৱনৰ মহৎ লক্ষ্য পূৰণত অৰিহণা যোগাই আহিছে সিবোৰেই যুগজয়ী আৰু মহৎ গ্ৰন্থ।

এই লেখাৰ আৰম্ভণিতে নিজা দুটামান কথা শিক্ষাৰ্থীসকলক ক'বলৈ বিচাৰিছো যে আমাৰ পৰিয়ালত কিতাপ পঢ়াৰ এটা ধাউতি আমাৰ পৰম আৰাধ্য মাতৃৰ পৰাই গঢ় লৈ উঠিছিল। আমাৰ সৰুকালছোৱাত আজিৰ ছাত্ৰ-ছাত্ৰীয়ে যিদৰে বাতৰি কাকত অথবা অন্যান্য কিতাপ-পত্ৰ পঢ়িবৰ বাবে সুযোগ পাইছে আমি তেনেদৰে কিতাপ পত্ৰ পঢ়িবলৈ পোৱা নাছিলো। কিনি পঢ়িবৰ বাবে আই-বোপাইয়ে টকা পইচাৰো যোগাৰ কৰি দিব পৰা নাছিল। কিতাপ পঢ়া তীব্ৰ ধাউতিৰ বাবে বহুদূৰ বাট খোজ কাঢ়ি কিতাপ থকা পৰিয়ালবিলাকলৈ গৈছিলো। ভোকৰ সময়ত খোৱাৰ প্ৰতি যেনেকৈ লোভ জন্ম হয় মানুহৰ; তেনেকৈ কিতাপবোৰ মানুহৰ ঘৰত দেখিলেও এটা তীব্ৰ মানসিক লোভ আৰু ভোকে অস্থিৰ কৰি তুলিছিল আৰু সেই সময়ত অনুভৱবোৰে আজিও মনত দুখৰ সঞ্চাৰ কৰে কিয়নো বহু সময়ত কিতাপৰ গৰাকীসকলে আমাক কিতাপবোৰ দিবলৈ মুঠেই মন কৰা নাছিল। যি কি নহওক বৰ্তমান নিজে কিতাপ কিনিছো আৰু ভৱিষ্যতৰ গ্ৰন্থপ্ৰেমীৰ বাবে বিভিন্ন বিষয়ক গ্ৰন্থ সংগ্ৰহো কৰা হৈছে। জীৱনত ইতিমধ্যে যিসমূহ গ্ৰন্থ অধ্যয়নৰ সুযোগ লাভ কৰিছো সেই গ্ৰন্থসমূহে জীৱনত নানা প্ৰকাৰে প্ৰভাৱান্বিত কৰিছে। মোৰ প্ৰথম কিতাপ পঢ়া আৰম্ভ হৈছিল এখন বুৰঞ্জীৰ কিতাপেৰে। মই যি শ্ৰেণীত পঢ়িছিলো সেই শ্ৰেণীটোৰ কিতাপ পত্ৰবোৰ পঢ়ি মাত্ৰ কেইদিনমানতে শেষ কৰি পেলাইছিলো আৰু তাৰ পিছত ওপৰৰ শ্ৰেণীৰ সাহিত্য-ভূগোল আৰু বুৰঞ্জীৰ কিতাপবোৰ পঢ়িছিলো। আৰু একেবাৰে কিতাপ নোহোৱা সময়ত ঘৰত থকা লক্ষ্মীচৰিত, ভীম চৰিত, প্ৰহলাদ চৰিত, ধ্ৰুৱ চৰিত, হৰ-গৌৰীৰ বিবাহ আদি কিতাপবিলাকো পঢ়িছিলো। সৰু কালত পঢ়া এই কিতাপবিলাকেও বিমল আনন্দ প্ৰদান কৰিছিল আৰু পুৰণি অসমীয়া ধৰ্মীয় সাহিত্যৰ ধাৰাটোৰ প্ৰতি আগ্ৰহ জন্মাইছিল। কলেৰৰত কিছু ডাঙৰ সম্ভৱত এখন শিশু উপন্যাস 'পাতাল পুৰীৰ সাধু' — মোৰ শৈশৱৰ কালৰ প্ৰথমখন গ্ৰন্থ আছিল যিখন গ্ৰন্থৰ লেখকৰ নাম মোৰ মনত নাই আৰু বহু অনুসন্ধানৰ পিছতো আজিও কিতাপখন মই ক'তো বিচাৰি পোৱা নাই। পৰৱৰ্তী সময়ত আমাৰ মাতৃৰ মুখৰ পৰা ৰামায়ণ-মহাভাৰতৰ লগতে 'বুঢ়ী আইৰ সাধু' ৰ সাধুবোৰ শুনিবলৈ পাইছিলো। সাধুবোৰে আমাক হহুৱাইছিল আৰু কেতিয়াবা কন্দুৱাইছিল। আমি লেখাৰ আৰম্ভণিতে কৈ আহিছো যে প্ৰতিখন কিতাপেই জীৱনৰ সুকীয়া সুকীয়া সময়ত জীৱনত গভীৰভাৱে ৰেখাপাত কৰিছে। সৰুকালত পঢ়িবলৈ পোৱা অনেক গ্ৰন্থই জীৱনটো জীপাল কৰিলে আৰু মানুহৰ প্ৰতি, জীৱৰ প্ৰতি বা প্ৰকৃতিৰ প্ৰতি অনুভূতিশীল হ'বলৈ শিকালে।

ভাৰতবৰ্ষৰ স্বনামধন্য ভূতপূৰ্ব মহামান্য ৰাষ্ট্ৰপতি, বিজ্ঞানী, উন্নত ভাৰতৰ স্পপ্নদ্ৰষ্টা. এ.পি.জে আব্দুল কালাম কেৱল যে এগৰাকী বিজ্ঞানীহে আছিল বা এগৰাকী ৰাষ্ট্ৰপতিহে আছিল এনে নহয় তেখেত এগৰাকী সৃজনীশীল দাৰ্শনিক লেখক। সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ বাবে অনুপ্ৰেৰণামূলক বহুবোৰ গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। তেখেতৰ প্ৰতিখন গ্ৰন্থই ভাৰতবাসীৰ বাবেই নহয় বিশ্ববাসীৰ বাবেও একোটা সোণসেৰীয়া সম্পদ। তেখেতৰ আত্মজীৱনীমূলক গ্ৰন্থ — 'উইংচ অব ফায়াৰ' -তেখেতৰ বৰ্ণিল জীৱনৰ অকপট প্ৰকাশৰ বহু পঠিত আৰু বহু চৰ্চিত এখন গ্ৰন্থ। এই গ্ৰন্থ চীনা ভাষালৈও অনুবাদ কৰা হৈছে। তেখেতৰ সমগ্ৰ গ্ৰন্থৰাজিতে সন্নিবিষ্ট হৈছে - দেশৰ কথা, ৰাষ্ট্ৰৰ কথা, দেশৰ মানুহৰ কথা। দুখ-দৈন্যত জীৱন-যাপন কৰা পীড়িতজনৰ কথা আৰু সেইসকলৰ জীৱনত দুখৰ যন্ত্ৰণা আঁতৰাই মুখত হাঁহি বিৰিঙোৱাৰ কথা। ভাৰতৰ অগনিত মানুহৰ আশা-আকাংশা আৰু স্বপ্নক গভীৰভাৱে উপলব্ধি কৰিব পৰা এই মহান ৰাষ্ট্ৰপতি গৰাকীৰ এখন অনন্য গ্ৰন্থ হৈছে —'Indomitable Spirit' -যিখন গ্ৰন্থ 'অদম্য শক্তি' - নামেৰে অসমীয়ালৈ অনুবাদ কৰিছে অসমৰ এগৰাকী সু অনুবাদক সুৰেশ শৰ্মাই। এই গ্ৰন্থখন অনুবাদ কৰি শৰ্মা ডাঙৰীয়ায়ো এক মহৎ কৰ্ম সাধন কৰিলে। এ. পি. জে. আব্দুল কালামৰ এই 'Indomitable Spirit' — গ্ৰন্থৰ সন্নিবিষ্ট প্ৰতিটো কথাই অতি অনুপ্ৰেৰণাদায় আৰু অন্তহীন উৎসাহ-উদ্যমৰ উৎস। এই গ্ৰন্থৰ আদিতেই মহামান্য ৰাষ্ট্ৰপতিগৰাকীয়ে তেখেতৰ জীৱনক প্ৰভাৱান্বিত কৰা ব্যক্তিসকলৰ ভিতৰত মাতৃৰ লগতে তেখেতৰ শিক্ষাগুৰু স্বামীয়াৰ বিষয়ে উল্লেখ কৰিছে যিগৰাকী অংক শাস্ত্ৰৰ অগাধ পণ্ডিত আছিল আৰু তেখেতে বিনামূলীয়াকৈ বহু ছাত্ৰক শিক্ষাদান কৰিছিল। তেখেতে মহীয়সী মাতৃস্বৰূপ

এম.এছ শুভলক্ষ্মীৰ লগতে বিক্রম সাৰাভাই, অধ্যাপক সতীশ ধাৱান, প্রফেচৰ ব্রহ্ম প্রকাশ, প্রফেচৰ এম.জি.কে মেনন, ড° ৰাজা ৰামান্নাৰ কথা উল্লেখ কৰিছে যিসল লগত মহাকাশ গৱেষণা কাম কৰোঁতে ঘনিষ্ঠ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হৈছিল আৰু অনুপ্রেৰণা লাভ কৰিছিল। তেখেতৰ জীৱনত শিক্ষকৰ প্রভাৱ অপৰিসীম। সেয়ে জাতি তথা ৰাষ্ট্র নির্মাণত শিক্ষকৰ ভূমিকা আৰু গুৰু দায়িত্ব প্রসঙ্গত তেখেতে অতি গুৰুত্ব সহকাৰে লিখিছে। ৰাষ্ট্রপতি গৰাকীয়ে শিক্ষকতা বৃত্তিত অতি মহান বৃত্তি স্বৰূপে গণ্য কৰিছিল। আৰু ৰাষ্ট্রপতি পদৰ পৰা অব্যাহতি পোৱাৰ পিছত তেখেতে শিক্ষকতা বৃত্তিকে গ্রহণ কৰিছিল। মানুহৰ জীৱনক গঢ় দিয়াত বিদ্যালয়ৰ শিক্ষকৰ ভূমিকাই আটাইতকৈ বেছি। তেখেতে কৈছে যে প্রকৃত শিক্ষক হ'বলৈ শিক্ষকে নিজৰ বৃত্তিক ভাল পাব লাগিব, শিক্ষকগৰাকী আজীৱন শিকাৰু হ'ব লাগিব। ড° সর্বপল্লী ৰধাকৃষ্ণণে শিক্ষকসলক উপদেশ দি গৈছে এনদৰে — *"আমি সততে বৌদ্ধিক নিষ্ঠা আৰু বিশ্বজনীন দয়া-মমতাক অন্বেষণ কৰিব লাগে। এই দুটা গুণেই প্রকৃত শিক্ষক এজনক চিহ্নিত কৰে।"* আমি নিজে এজন শিক্ষক স্বৰূপে এই গ্রন্থত সন্নিবিষ্ট থকা শিক্ষকৰ প্রতি যিসমূহ পৰামর্শ সেইসমূহে সদায় নিজৰ কর্তব্যত ব্রতী হ'বলৈ অনুপ্রেৰণা যোগাইছিল আৰু শিক্ষকৰ প্রতি কৰা বাণীসমূহত সদায় নতুনত্ব বিচাৰি পাইছিলো। এই গ্রন্থৰ এঠাইত কৈছে শিক্ষক যিহেতু সমাজৰ নির্মাতা সেয়ে পিতৃ-মাতৃ, অভিভাৱক আৰু শিক্ষক-শিক্ষার্থী সকলোৱে মিলি শিক্ষক দিৱস উদ্‌যাপন কৰিব লাগে। দেশত ভাল শিক্ষা প্রদান প্রকৃততে এক সামূহিক মিছন। গুণগত আৰু শিক্ষাৰ প্রকৃত তাৎপর্য উপলব্ধিয়ে পৃথিৱীখন বাসৰ উপযোগী কৰি তোলে। শিক্ষকে আজীৱন শিকাৰুৰ সৃষ্টি কৰিব লাগিব। এই গ্রন্থত উল্লেখ কৰা এগৰাকী গ্রীক শিক্ষক বেষ্টোলজীৰ এটা উক্তিয়ে মোৰ জীৱনত বিস্ময়কৰ প্রভাৱ বিস্তাৰ কৰি আছে। মন-মগজু আত্মাত সদাই এই উক্তিয়ে জোকাৰণি তুলি যায় আৰু এই উক্তিতেই একোগৰাকী মহৎ শিক্ষকৰ মহত্ব আৰু দেৱত্ব প্রকাশ পায় আৰু শিক্ষকৰ যি অবিস্মৰণীয় অর্ন্তনিহিত শক্তি সেই কথা প্রকাশ পায়। বেষ্টোলজীৰ বিখ্যাত উক্তিটি আছিল এনেদৰে— *"মোক সাত বছৰৰ বাবে এটি শিশু দিয়া। তাৰ পিছত সেই শিশুটিক ঈশ্বৰ বা চয়তান যিয়েই নিয়ক লাগিলে, তেওঁলোকে শিশুটিক চয়তানো কৰিব নোৱাৰে বা দেৱতাও কৰিব নোৱাৰে।"* — এয়েই শিক্ষকৰ ক্ষমতা।

'সৃজনীশীলতা আৰু নতুনত্ব' — এই অধ্যয়ত তেখেতে সৃজনী শক্তিক উদ্‌গনি দিয়াৰ কথা অতি গুৰুত্ব সহকাৰে আলোচনা কৰিছে। প্রতিগৰাকী ব্যক্তিৰ মনত সৃজনীশক্তিৰ বীজ নিহিত থাকে সেয়ে তেখেতে বাৰে বাৰে শিক্ষক আৰু অভিভাৱকক প্রতিভাৰ প্রতিপালনৰ কথা দোহাৰিছো। প্রতিগৰাকী শিক্ষার্থীয়ে হয়তো পিতৃ-মাতৃয়ে ভবাৰ দৰে হৈ দিব নোৱাৰিব পাৰে। চিকিৎসকৰ পুত্র চিকিৎসক নহলে, অভিযন্তাৰ পুত্র অভিযন্তা বা বিশ্ববিদ্যালয়ৰ শিক্ষকৰ সন্তান হ'লেই তেওঁ সেই বৃত্তি পছন্দ নকৰিবও পাৰে। তেওঁৰ কোন দিশত পাৰদর্শিতা আছে সেইমতে প্রতিভাৰ প্রতিপালন কৰাটোত আমি কার্পণ্য কৰিব নালাগে। সৃজনীশীলতা আহে সুন্দৰ মন আৰু উপযুক্ত পৰিৱেশ তথা উদ্যমৰ পৰা। সৃজনী শক্তিয়ে ব্যক্তিৰ জীৱনৰ গতি সলনি কৰি দিয়ে আৰু হাজাৰগৰাকী মানুহৰ জীৱন সলনি হৈ সমাজৰ প্রতিচ্ছবিতে নতুন ৰূপ প্রদান কৰে। **'সৃজনী শক্তিয়ে অসম্ভৱকো সম্ভৱ কৰে'।** আজি কলা-বাণিজ্য, বিজ্ঞান-প্রযুক্তিত যিমানবোৰ অভূতপূর্ব সাফল্য লাভ কৰিবলৈ বিশ্বমানৱ সক্ষম হৈছে এই সকলোবোৰ সৃজনীশীল গুণৰ প্রতিপালনৰ ফলশ্রুতি। **কলা আৰু সাহিত্য** শীর্ষক অধ্যায়ত এইদৰে উল্লেখ আছে— *"কলা প্রকৃতিৰ অর্ন্তলীন বিনন্দীয়া ৰূপৰ মংগলময় প্রকাশ। কার্টুন, ভাস্কর্য, সাহিত্যকৃতি যিয়েই নহওক কিয়, কলাই জীৱনৰ ৰং-ৰূপ চাবলৈ আৰু উপভোগ কৰিবলৈ প্রত্যেকৰ অভ্যন্তৰত উৎসাহ-উদ্দীপনা জগায়। তেনে উদ্দীপনাই নীৰৱ অথচ বাঙ্ময় ভাৱে প্রেম, প্রসন্নতা, স্নেহ আৰু শান্তিৰ বতৰা কঢ়িয়াই আনে। কলাই মানুহক জীৱনীশক্তি প্রদান কৰে। কলাত্মক ভাৱাদর্শৰে দার্শনিক, বিজ্ঞানী, প্রযুক্তিদি, অর্থনীতিবিদ, সমাজবিজ্ঞানী তথা শিল্পী-সাহিত্যিক এই সকলোৱে মানৱ সভ্যতাক সমৃদ্ধ কৰিছে।"* এই অধ্যায়তে তেখেতে লেখকৰ গুৰুত্বৰ বিষয়েও আলোচনা কৰিছে। এজন লেখকৰ ভাল একোখন কিতাপ বহুযুগলৈ বিশাল জ্ঞান সম্পদৰ 'নিধি' হ'ব পাৰে। **সংগীত-নৃত্য আৰু কলাৰ মহাত্ম্য** প্রসঙ্গত ভাৰতবর্ষৰ পাঁচ হাজাৰ বছৰীয়া গৌৰৱ গাঁথা আৰু ঐতিহ্যৰ মহত্বৰ বিষয়ে তেখেতে অতি গুৰুত্ব আৰোপ কৰি কছে যে বিশ্বশান্তি স্থাপনৰ বাবে বা বিশ্ব সন্ত্রাসবাদক ওৰ পেলাবৰ বাবে সংগীত-কলা আমোঘ অস্ত্র হ'ব পাৰে। কলাই যিহেতু মানুহৰ জীৱনত উৎসাহ-উদ্দীপনা বৃদ্ধি কৰে। বিশ্বশান্তি আৰু বিশ্ব ভাতৃত্ববোধৰ মহান যজ্ঞত চলচ্চিত্রৰ প্রভাৱো অপৰিসীম। কোনো এখন ৰাষ্ট্রত প্রকৃত মূল্যায়ন হয় ঐশ্বর্য, ঐতিহ্য-বৈভৱ আৰু কলাৰ জৰিয়তে। কলাই ভোগ-বাসনাৰ অন্তহীন দৌৰত হেৰাই যাব খোজা মানুহৰ জীৱনক সুষমা ঘূৰাই অনাত সহায় কৰে।

**এই গ্রন্থত শ্বাশ্বত প্রমূল্য—** শীর্ষক অধ্যায়ত সন্নিৱিষ্ট ন্যায়নিষ্ঠা সন্দর্ভত কৰা আলোচনা অতি বিজ্ঞানসন্মত আৰু

যুক্তিনিষ্ঠ। ইয়াত ন্যায় নিষ্ঠাৰ জৰিয়তে বিশ্বশান্তিৰ কামনা কৰিছে।

*"হৃদয়ত যদি সদাচাৰ থাকে*
*চৰিত্ৰত থাকে সৌন্দৰ্য।*
*চৰিত্ৰত যদি সৌন্দৰ্য থাকে*
*ঘৰত সুখ-শান্তি বিৰাজ কৰে,*
*দেশত বিৰাজ কৰে শৃংখলতা।*
*দেশত যদি শৃংখলা থাকে*
*শান্তি আহে সমগ্ৰ বিশ্বত।"*

গ্ৰন্থখনত ব্যক্তিৰ প্ৰতি অনুৰোধ জনাই কৈছে যে মনুষ্য জীৱন সাৰ্থক কৰিবলৈ হ'লে বিবেকক উৰ্বৰ কৰিব লাগিব। বিবেক হৈছে আত্মাৰ স্বৰ্গীয় জ্যোতি যি মানুহৰ মন-মন্দিৰত অহৰহ প্ৰজ্বলিত হৈ থাকে। বিবেক সত্যৰ প্ৰতিৰূপ। দুৰ্নীতি ভ্ৰষ্টাচাৰ বিবেকৰ প্ৰহাৰ। একমাত্ৰ বিবেকৰ আহ্বানতহে মানুহে অধৰ্মৰ পৰা আঁতৰত থাকিব পাৰে। ভীৰু কাপুৰুষ, লোভী, স্বাৰ্থান্ধ মানুহে দুৰ্নীতি-ভ্ৰষ্টাচাৰত লিপ্ত হোৱাৰ পৰত ধীৰে ধীৰে বিবেকৰ দংশন অনুভৱ নকৰা হয় আৰু আত্মাৰ সৎ আহ্বানৰ পৰাও বঞ্চিত হয়গৈ। এবাৰ ভুল বা তাতে অপকৰ্ম কৰি বিষয়টো লঘুভাৱে লোৱাৰ বাবে পৰৱৰ্তী সময়ত অপৰাধ কৰিবলৈ সংকোচ নকৰা অৱস্থাটো একোজন ব্যক্তিৰ বাবে জীৱনৰ অধঃপতনৰ একোটা অধ্যায় আৰম্ভ হয়। সেয়ে মানুহৰ জীৱনত অৱক্ষয় প্ৰতিৰোধ কৰিবলৈ যত্ন কৰাটো সমাজৰ নৈতিক কৰ্তব্য। এখন ৰাষ্ট্ৰৰ বাবে বিজ্ঞান চৰ্চা যিমান প্ৰয়োজনীয় নৈতিক আৰু আধ্যাত্মিক চৰ্চাতাতকৈ কোনো গুণে কম প্ৰয়োজনীয় নহয়। ড° এ পি জে আব্দুল কালামে এফালে বিজ্ঞান প্ৰযুক্তিৰ উৎকৰ্ষৰ চিন্তা কৰে অন্যফালে আধ্যাত্মিক চিন্তা আৰু কলা বিকাশৰ প্ৰতিও সমানে অনুৰাগী। এবাৰ এগৰাকী ছাত্ৰীয়ে মহামান্য ৰাষ্ট্ৰপতি গৰাকীক সুধিছিল — ৰাষ্ট্ৰপতি কালাম আৰু 'মিছাইল মেন'ৰ মাজত পাৰ্থক্য কি? তেওঁ উত্তৰ দিছিল যে 'মিছাইল মেন' কালামে দেশক শক্তি আৰু নিৰাপত্তা দিয়াত আত্মনিয়োগ কৰিছিল আৰু ৰাষ্ট্ৰপতি কালামে আত্মনিয়োগ কৰিছিল দেশৰ কোটি কোটি মানুহৰ মুখত হাঁহি বিৰিঙাবলৈ।


**ভৱিষ্যতৰ নাগৰিক** — শীৰ্ষক অধ্যায়ত তেখেতে কৈছে যে যুৱ সমাজ দেশৰ মূল মানৱ সম্পদ। শিশু আৰু তৰুণ সকল জাতিৰ ভৱিষ্যতৰ প্ৰতিচ্ছবি আৰু অনাগত ভৱিষ্যতৰ আশা-ভৰষাৰ স্থল। এই শ্ৰেষ্ঠ সম্পদ শিশুসকলক পূৰ্ণ প্ৰস্ফুটিত হোৱাৰ সুযোগ দিব লাগে। শিক্ষা প্ৰতিজন শিশুৰ মৌলিক অধিকাৰ। একবিংশ শতিকাতো ভৰতবৰ্ষৰ এনে বহু সমাজ আছে য'ত শিশুসকলে বিদ্যালয়লৈ যোৱাৰ পৰিৱৰ্তে ঘৰখন চলাবৰ বাবে শ্ৰমিক স্বৰূপে জীৱন পাত কৰিব লগা হৈছে। এনে হোৱাটো ৰাষ্ট্ৰৰ বাবে অপমানজনক কথা। ৰাষ্ট্ৰৰ উপৰিও এনেদৰে শিক্ষাৰ পৰা বঞ্চিত হোৱা ভৱিষ্যত সন্তানসকলৰ দায়িত্ব আমাৰ প্ৰতিজন নাগৰিকৰে আছে। আমাৰ সন্তানে সু-শিক্ষা পালেই আমি আমাৰ দায়িত্ব শেষ বুলি ধৰি নলৈ সমাজৰ দুৰ্গত শ্ৰেণীৰ সন্তানসকলকো সমাজ আৰু ৰাষ্ট্ৰৰ স্বাৰ্থতে সেইসকলৰ দায়িত্ব আমি পাৰ্যমানে বহন কৰা উচিত।

**স্বপ্ন-চিন্তা আৰু কাৰ্য** — এখন ৰাষ্ট্ৰৰ কোটি কোটি নাগৰিকৰ চিন্তা আৰু স্বপ্ন কৰ্মৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে দেশৰ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ জ্ঞান-প্ৰৰিশ্ৰম আৰু অধ্যৱসায় উৎকৰ্ষ সাধনৰ অন্যতম সোপান। বিদ্যাৰ্থীসকলেও নিজৰ জীৱনক আগবঢ়াই নিয়াৰ সাধনাৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণৰ চিন্তাও তাত সংযুক্ত কৰিব লাগিব। তেওঁ যদি সু-স্বাস্থ্যৰ অধিকাৰী হয় তেতিয়া তেওঁৰ পৰিয়ালটো শক্তিমান হয়। দেশৰ যুৱ শক্তিৰ সু-স্বাস্থ্যই দেশ এখনৰ সু-স্বাস্থ্যকে ইংগিত দিয়ে। শিক্ষাৰ্থীসকলে দেশৰ গৌৰৱ তথা ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ সৰুকালৰ পৰাই শিকিব লাগিব। এই দেশৰ ধৰণীস্বৰূপ শিক্ষাৰ্থীসকলৰ আত্মাক পোহৰাই অবিৰত সজ পথ প্ৰদৰ্শনৰ বাবে উদ্যমশীল নেতৃত্বৰ প্ৰয়োজন। এই সৃজনীশীল, উদ্যমী, নৈতিক নেতৃত্বৰ অধীনত ভৱিষ্যত ৰাষ্ট্ৰ নিৰ্মাতাসকলে প্ৰতিকূল পৰিস্থিতিকো প্ৰত্যাহ্বান জনাবলৈ সাজু হৈ উঠিব। এয়াই হ'ব অদম্য শক্তি।

*বিজয়ৰ বাবে আমাক সাহস লাগে*
*যি সাহসে আমাক এই ধৰাৰ বুকুৰ*
*এডুখৰি ন্যায়সংগত স্থানলৈ লৈ যাব পাৰে*
*যি সাহসে এইটো স্বীকৃতি দিব যে*
*এক গৌৰৱোজ্জ্বল সভ্যতাৰ*
*উত্তৰাধিকাৰী হিচাপে আমি*
*এই গ্ৰহত এডুখৰি ন্যায্য ঠাই পোৱাৰ যোগ্য।*
*সেই অদম্য শক্তি বা সাহস*
*আমাৰ অভ্যন্তৰত জাগৃত কৰিব পাৰিলে*
*ন্যায্য প্ৰাপ্তিৰ পৰা*
*একোৱে আমাক বিৰত কৰিব নোৱাৰে।*

**— ড° এ পি জে আব্দুল কালাম**

(অদম্য শক্তিক জাগ্ৰত কৰি ৰাখিব পৰা অলেখ অনুপ্ৰেৰণাদায়ী বক্তব্যৰ পৰিয়াল আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ মহামন্ত্ৰৰে এই গ্ৰন্থ বাস্তৱিকতে এক অন্তহীন প্ৰেৰণাৰ - উৎস।)




# “তৃতীয় আকাশ” - এমুঠি নিৰ্বাচিত চুটিগল্প ঃ প্ৰসংগ এলজিবিটিকিউ মোৰ সামান্য অনুভৱ

**দীপালি বেজবৰুৱা**

**আলোচিত গ্ৰন্থৰ নাম ঃ** *তৃতীয় আকাশ এমুঠি নিৰ্বাচিত চুটিগল্প ঃ প্ৰসংগ এলজিবিটিকিউ*
**সম্পাদনা ঃ** ড° প্ৰাপ্তি ঠাকুৰ, অধ্যক্ষা, সৰুপথাৰ মহাবিদ্যালয়।
**উন্মোচক ঃ** ড° মকুল শৰ্মা, সহযোগী অধ্যাপক, বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী।
**সমল ব্যক্তি ঃ** মিলিন দত্ত, বিশিষ্ট সমাজকৰ্মী।
**নিৰ্দিষ্ট বক্তা ঃ** ড° ৰঞ্জন ভট্টাচাৰ্য্য, সহযোগী অধ্যাপক, দেৱীচৰণ মহাবিদ্যালয়, যোৰহাট।
**উন্মোচনৰ তাৰিখ ঃ** ৭ জানুৱাৰী
**স্থান ঃ** সৰুপথাৰ মহাবিদ্যালয় সভাকক্ষ, সৰুপথাৰ।
**প্ৰকাশক ঃ** সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষ।

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰে সংকলন আৰু সম্পাদনা কৰা ‘তৃতীয় আকাশ’ এমুঠি নিৰ্বাচিত গল্পৰ সংকলন বিষয় ‘এলজিবিটিকিউ’ নিঃসন্দেহে এক ব্যতিক্ৰমী উচ্চমান বিশিষ্ট গ্ৰন্থ।

‘তৃতীয় আকাশ’ কিতাপখনৰ নামকৰণটোৱেই অৰ্থবহ। ই ব্যতিক্ৰমী কিছু সমল দাঙি ধৰিবলৈ যত্ন কৰিছে বুলি নামতেই ধৰিব পাৰি। অৰ্থাৎ ইয়াৰ সমল পৰম্পৰাগতভাৱে চলি থকা ধাৰাৰ বিপৰীতে কিছু প্ৰকাশিত, অপ্ৰকাশিত


ভিন্নধৰ্মী কাৰকৰ যোগফল ধাৰাবাহিক সোঁতৰ নাৰী, পুৰুষ আৰু তেওঁলোকৰ সাৰ্বজনীন কাৰ্য্যক্ৰম। শাৰিৰীক বা মানসিকভাৱে ব্যতিক্ৰমি কিছু চৰিত্ৰৰ সমাৱেশেৰে গ্ৰন্থখন সজাই তোলা হৈছে। ভিন্ন ব্যক্তিৰ নিৰ্বাচিত গল্প কিতাপখনত অন্তৰ্ভুক্ত কৰা হৈছে। গ্ৰন্থখনৰ ভিতৰচ'ৰাত ৰামধেনু যুগৰ লেখিকা গল্পকাৰৰ পৰা বৰ্তমান গৱেষক ছাত্ৰলৈকে ভিন্ন সময়ৰ ভিন্ন গল্পকাৰৰ গল্প অন্তৰ্ভুক্ত কৰা হৈছে। গ্ৰন্থখন সংকলন আৰু সম্পাদনাত সম্পাদকৰ দক্ষতা, আৰু কৰ্মপতুতাৰ উমান পাব পাৰি।

"সাহিত্য সমাজৰ দাপোন।" সমাজৰ প্ৰতিচ্ছবি প্ৰকাশ হয় সাহিত্যত। লেখক, লেখিকাই তেওঁলোকৰ অভিজ্ঞতা, অনুভৱ, অনুভূতি আৰু অধ্যয়নেৰে সজাই পৰাই সুন্দৰকৈ দাঙি ধৰে পাঠকৰ সন্মুখত। সাম্প্ৰতিক সময়ৰ প্ৰতিচ্ছবিয়ে প্ৰভাৱ পেলায় গল্প, উপন্যাসত। সেই দৃষ্টিকোণৰ পৰাও কিতাপখন উপাদেয়।

পুৰুষ আৰু নাৰী সমাজৰ দুটি চিত্ৰ। তেওঁলোকৰ সম্পৰ্ক চিৰন্তন ধাৰাবাহিক চলি আহিছে। বিবাহ পাশৰ সামাজিক অনুষ্ঠানৰ যোগেদি সম্পৰ্কবোৰে স্বীকৃতি পায়, সৃষ্টি হয় নতুন এক প্ৰজন্ম। পৰস্পৰ বুজাবুজি বা ঘৰুৱাভাৱেও সম্পৰ্কবোৰ নিশ্চিত হয়। ভবামতে কামবোৰ নহলেই সৃষ্টি হয় বিষাদ বেমেজালি। কিন্তু এনে কিছু সম্পৰ্ক আছে যিবোৰ সমাজত বিতৰ্কিত হৈ ৰয়। দুজন পুৰুষৰ বা দুগৰাকী নাৰীৰ মাজৰ সম্পৰ্ক সমাজে ভাল চকুৰে নচায়, ইয়াৰোপৰি কিছুমান লোকৰ সৃষ্টি হয় শাৰিৰীক পৰিৱৰ্তন, অক্ষমতা আৰু সক্ষমতাৰ যোগেদি যাক আমি তৃতীয় লিংগ বুলি কওঁ। প্ৰথম দৃষ্টিত পৰিয়ালৰ মানুহে এইবোৰ লুকাই ৰাখিলেও পৰৱৰ্তী সময়ত সমাজৰ চকুত ফাঁকি দিব নোৱাৰি তেওঁলোকৰ বাবে নিৰ্দ্ধাৰিত স্থানলৈ গৈহে নিৰাপত্তা অনুভৱ কৰে। আচৰ্যজনকভাৱে বহুত তৃতীয় লিঙ্গৰ ব্যক্তি ইমান সুন্দৰ যে তেওঁলোকৰ প্ৰেমত হাবভাবু খোৱা অজস্ৰ ব্যক্তিৰ কাহিনী শুনিবলৈ পোৱা। বহুতে বিয়া বাৰু কৰাই সুন্দৰ সংসাৰো কৰে। এনেবোৰ সম্পৰ্ক অৱশ্যে মহাকাব্যিক দিনৰ পৰাই আছে।

সমাজৰ প্ৰাথমিক স্তৰ পৰিয়াল। বহুতো অভিভাৱকে ল'ৰাক ছোৱালী, ছোৱালীক ল'ৰাৰ সাজপাৰ, সাজোন-কাচোন পিন্ধাই মানসিকভাৱে পৰিচালিত কৰা মনোভাৱে পৰৱৰ্তী সময়ত তেওঁলোকে তেনে মানসিকতাৰে গঢ় লৈ উঠি লিঙ্গ পৰিৱৰ্তনৰ দৰে সিদ্ধান্ত লবলৈ ইচ্ছা কৰে। অৱশ্যে অন্যান্য কাৰকো থাকিব পাৰে। ভিন্নতা থাকিলেও বিষয়বস্তু একেই। প্ৰচলিত সমাজ ব্যৱস্থা, ৰীতি-নীতিৰ বিপৰীতে তেওঁলোকৰ অৱস্থান বিষয়বোৰ আজিৰ নহয়, আৱহমান যুগৰ পৰা চলি অহা। সময় সলনি হৈছে, সলনি হৈছে মানুহৰ মানসিকতাৰো। এনে পৰিস্থিতিত বিষয়বোৰ সহজ হৈ পৰিছে সমাজৰ চকুত। নতুন নতুন আইনেৰে বিষয়বোৰ স্বীকৃতি হোৱাত কথাবোৰ সহজ হৈ পৰিছে। জীয়াই থকাৰ অধিকাৰ সকলোৰে আছে কোনো ব্যতিক্ৰম নহয়।

'তৃতীয় আকাশ' কিতাপখনত গল্পকাৰসকলে বিষয়বস্তুসমূহ প্ৰত্যক্ষ বা পৰোক্ষভাৱে উপস্থাপন কৰিছে। ড° পৰি হিলৈদাৰীৰ পাতনিত গল্পসমূহ সুন্দৰ পৰ্যবেক্ষণ হৈছে। মোৰ একাষাৰত ড° ঠাকুৰে সুন্দৰকৈ বিষয়বস্তু উপস্থাপন কৰিছে। সকলো ফালৰ কিতাপখন নিঃসন্দেহে এক সুখপাঠ্য বুলি ক'ব পাৰি। বৰ্তমান সময়ত পাঠকৰ সংজ্ঞা উদ্বেগজনকভাৱে কমি গৈছে বুলি অভিযোগ শুনা যায়। বহু কথা এতিয়া প্ৰচাৰ মাধ্যমসমূহেও সহজ কৰি তুলিছে। কিতাপখনে ইতিমধ্যে পাঠকৰ অন্তৰ চুইছেই এয়া অনুভৱ কৰিছো। গল্পবোৰ ছেগা চোৰোকাকৈ হয়তো বহুতে পঢ়িছে যদিও এটা বিষয়ৰ কিছু সংখ্যক একেলগে পঢ়িবলৈ পালে সন্তোষ প্ৰকাশ কৰিব। ব্যক্তিগতভাৱে কিতাপখন মোৰ বহুতেই ভাল লাগিছে। ড° প্ৰাপ্তি ঠাকুৰৰ সাহিত্যৰ এই যাত্ৰা, প্ৰচেষ্টা অব্যাহত থাকক তাৰেই কামনা কৰিলো।




# জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথমগৰাকী অসমীয়া কবিৰ জীৱন আৰু সাহিত্য বিষয়ক গ্ৰন্থখন

গ্ৰন্থ ঃ 'নীলমণি ফুকন, জীৱন সৃষ্টি আৰু দৃষ্টি'
গ্ৰন্থকাৰ ঃ ড° মৃণাল কুমাৰ গগৈ, প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ ২০২১, প্ৰকাশক ঃ জয়ন্ত হাজৰিকা, বনলতা,
মূল্য ঃ ৩৫০.০০ টকা, মুঠ পৃষ্ঠা ঃ ৩০৩

অসমীয়া সাহিত্যজগতত এগৰাকী স্বনামধন্য সাহিত্যিক হৈছে নীলমণি ফুকন। তেওঁ অসমীয়া সাহিত্য জগতত কবিতাৰ ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়াইছে। অসমীয়া আধুনিক কবিতা ৰচনাত আগবাঢ়ি থকা কবিসকলৰ ভিতৰত নীলমণি ফুকন হৈছে অন্যতম। তেওঁৰ অবিহনে আধুনিক অসমীয়া কবিতাৰ কথা কল্পনাও কৰিব নোৱাৰি। তেওঁ এতিয়ালৈকে বহুকেইখন কাব্যপুথি ৰচনাৰ জৰিয়তে অসমীয়া কাব্য সাহিত্যৰ ভড়াল চহকী কৰি তুলিছে।

নীলমণি ফুনক হৈছে অসমীয়া কবিতাত প্ৰথমবাৰৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰা ব্যক্তি। তেওঁ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য আৰু মামণি ৰয়ছম গোস্বামীৰ পিছতে তৃতীয়জন জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক। সুদীৰ্ঘ দিনৰে পৰা নীলমণি ফুকনৰ কবিতাই অসমত চৰ্চা লাভ কৰি আহিছে। তেওঁৰ কবিতাৰ বিষয়ে ড° মৃণাল কুমাৰ গগৈয়ে ২০০৬ চনতে গৱেষণা গ্ৰন্থ প্ৰকাশ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পিএইচ.ডি উপাধি লাভ কৰিছে। সেই গ্ৰন্থখনৰে কিছু পৰিমাৰ্জন আৰু সংযোজন কৰি কবিগৰাকীৰ জীৱন আৰু সাহিত্য বিষয়ক গ্ৰন্থ 'নীলমণি ফুকন সৃষ্টি আৰু দৃষ্টি' নামেৰে ২০২১ চনৰ ডিচেম্বৰ মাহত প্ৰকাশ কৰিছে, প্ৰকাশক জয়ন্ত হাজৰিকা, বনলতা। এই গ্ৰন্থখন সকলো পাঠকৰ বাবে অতি সুখপাঠ্য গ্ৰন্থ।

নীলমণি ফুকন জীৱন দৃষ্টি আৰু সৃষ্টি গ্ৰন্থখনত ড° মৃণাল কুমাৰ গগৈয়ে অৱতৰণিকা আৰু সামৰণিৰ লগতে চাৰিটা অধ্যায়ৰ বিষয়ে আলোচনা কৰিছে।

প্ৰথম আৰম্ভণিত নীলমণি ফুকনৰ জীৱনৰ বিষয়ে উল্লেখ কৰিছে। নীলমণি ফুকনৰ জন্মস্থান দেৰগাঁওৰ পৰা আৰম্ভ কৰি গুৱাহাটীৰ শিক্ষাজীৱনলৈকে অতি সুন্দৰভাৱে বৰ্ণনা কৰিছে। তাৰ পিছতে লেখকে 'নীলমণি ফুকনৰ সাহিত্য কৃতিৰ পৰিচয়' নামেৰে সাহিত্যিক জনৰ কাব্যপুথিসমূহৰ লগতে সংস্কৃতি আৰু আত্মজীৱনীমূলক গ্ৰন্থ আৰু আত্মজীৱনীমূলক গ্ৰন্থৰ বিষয়েও আলোচনা কৰিছে। লেখকে আধুনিকতাবাদী কবিতাৰে বিকাশ আৰু নীলমণি ফুকনৰ স্থানৰ বিষয়েও আলোচনা কৰিছে।

প্ৰথম অধ্যায়ত লেখকে নীলমণি ফুকনৰ কাব্য পৰিক্ৰমা, নীলমণি ফুকন ঃ এজন আধুনিক কবি, নীলমণি ফুকনৰ কবিতাত নিসঙ্গতাবোধ আৰু মৃত্যু চেতনা, নীলমণি ফুকনৰ কবিতাত লোক চেতনা আৰু ঐতিহ্যবোধ এইসমূহৰ বিষয়ে তেওঁ বহলভাৱে আলোচনা কৰিছে। ফুকনৰ পশ্চিমীয়া কাব্যসমূহৰ কিছু কিছু ক্ষেত্ৰত প্ৰভাৱ পৰিছে বুলিও ড° মৃণাল কুমাৰ গগৈয়ে উল্লেখ কৰিছে।

নীলমণি ফুকন এজন আধুনিক কবি শিৰোনামেৰে তেওঁ সাহিত্যিক গৰাকীৰ কবিতাৰ বৈশিষ্ট্যসমূহৰ বিষয়েও উল্লেখ কৰিছে। তেওঁ বৈষিষ্ট্যসমূহ উলিয়াই বিস্তৃতভাৱে আলোচনাও কৰিছে।

নীলমণি ফুকনৰ কবিতাত নিসঙ্গতাবোধ আৰু মৃত্যু চেতনাৰ বিষয়ে আলোচনা কৰোতে লেখকে কৈছে, "নীলমণি ফুকনৰ কবিতাত নিসঙ্গবোধ আৰু মৃত্যু চেতনাৰ যন্ত্ৰণা প্ৰৱল এই দুয়োটা উপাদানেই ফুকনৰ কবিতাৰ বিষয়ত সুকীয়া সুকীয়াকৈ জীণ গৈ আছে। মৃত্যু চেতনাৰ ফলত হোৱা নিসঙ্গতাবোধ ফুকনৰ কবিতাত থাকিলেও কেৱল মৃত্যুৱে ফুকনৰ নিসঙ্গতাবোধক পৰিচালিত কৰিব পৰা নাই।"

ইয়াৰ পাছতে লেখকে নীলমণি ফুকনৰ কবিতাত লোক চেতনা আৰু ঐতিহ্য বোধৰ বিষয়েও আলোচনা কৰিছে।


দ্বিতীয় অধ্যায়ত লেখক ড° মৃণাল কুমাৰ গগৈয়ে নীলমণি ফুকনৰ কবিতাত প্ৰতীকৰ ব্যৱহাৰ, নীলমণি ফুকনৰ কবি ৰূপতত্ত্বঃ ছন্দসজ্জা এই তিনিটা দিশত ফুকনদেৱৰ বিভিন্ন ক্ষেত্ৰত কবিতাৰ প্ৰয়োগৰ বিষয়ে উল্লেখ কৰিছে। নীলমণি ফুকনৰ কবিতাত প্ৰতীকৰ ব্যৱহাৰৰ ক্ষেত্ৰত লেখকে উল্লেখ কৰিছে যে, ফুকনৰ প্ৰথম কবিতা পুথি 'সূৰ্য হেনো নামি আহে এই নদীয়েদি' (১৯৩৬) ৰ পৰা পঞ্চম কবিতা পুথি 'কাইট আৰু কাইট' (১৯৭৫)ৰ কবিতাত প্ৰতীকি ভাষাৰ ব্যৱহাৰ বেছি।

তৃতীয় অধ্যায়ত নীলমণি ফুকনে অনুবাদ কবিতাৰ লগতে নীলমণি ফুকন আৰু দেশী-বিদেশী কবিৰ কবিতাৰ দিশত আলোচনাও কৰিছে। ফুকনৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য হ'ল জাপানী কবিতাৰ ধ্বনি-সাম্য বৰ্জন বুলি লেখকে উল্লেখ কৰিছে। নীলমণি ফুকনৰ অনুবাদ তথা 'জাপানী কবিতা', গাৰ্থিয়া নৰকাৰ কবিতা (১৯৮১) আৰু চীনা কবিতা (১৯৯৬) এই কবিতাসমূহৰ বিষয়ে আলোচনা কৰাৰ লগতে লেখক গগৈয়ে সাহিত্যিকজনক ইংৰাজী ভাষাৰ পৰা অনুদিত কবিতাৰ বিষয়েও আলোচনা কৰিছে।

চতুৰ্থ অধ্যায়ত লেখকে নীলমণি ফুকন আৰু বিংশ শতিকাৰ সত্তৰ দশৰ পৰৱৰ্তী কালত ৰচিত অসমীয়া কবিতাৰ বিষয়ে আলোচনা কৰিছে। ইয়াত লেখকে নীলিম কুমাৰৰ পানীত 'টৌ টৌৱাৰ মাছ', ৰফিকুল হুছেইনৰ 'শৰবিফ আকাশ', 'উজজা খানৰ অজ্ঞাতে', গধূলি আৰু সেউজীয়া জোন', নাজমাৰ 'জাপানী কবিতা' আদি কবিতাসমূহৰ লগত নীলমণি ফুকনৰ কিছুমান কবিতাৰ লগত সাদৃশ্যমূলক কবিতাৰ উদাহৰণ দিছে।

লেখকে উল্লেখ কৰিছে যে, 'নীলমণি ফুকনৰ কাব্য চেতনাই শতিকাৰ শেহৰ কবিসকলক এনেদৰে আলোড়িত কৰি ৰাখিছে, যাৰ ফলত কিছুসংখ্যক নবীন কবি ফুকনৰ দ্বাৰা প্ৰত্যক্ষ প্ৰভাৱান্বিত নহলেও তেওঁলোকৰ কবিতাত ফুকনৰ কবিতাৰ কিছুমান পংক্তি সামান্য ৰূপত সলনি লৈ আপুনিয়ে সোমাই পৰিছেহি। সমাজ সচেতন কবি সমীৰ তাঁতীৰ (জন্ম ১৯৫৬)ৰ কবিতাতো ফুকনৰ কাব্য অনুৰণত চকুত পৰে।

গ্ৰন্থখনৰ সামৰণি নামৰ অংশটোত 'নীলমণি ফুকনৰ সাহিত্য জিজ্ঞাসা ঃ এক সামগ্ৰিক মূল্যায়ন' শিৰোনামেৰে সাহিত্যিকগৰাকীৰ আন ৰচনাৰাজিসমূহৰ বিষয়েও উল্লেখ কৰিছে। ইয়াত তেওঁ সাহিত্যিকজনৰ আত্মজীৱনীমূলক গ্ৰন্থ (পাহৰিব নোৱাৰিলো যি)ৰ বিষয়েও উল্লেখ কৰিছে। তেওঁ সাহিত্যিকজনৰ কবিতাত আধুনিক জীৱনৰ দুখ যন্ত্ৰণাৰ অস্থিৰচীৰ প্ৰকট হয় বুলি উল্লেখ কৰিছে। লগতে তেওঁ সাহিত্যিকজনৰ কবিতাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে লিখি নীলমণি ফুকনক অসমৰ এজন বিশেষপূৰ্ণ জাতীয় কবি বুলি উল্লেখ কৰিছে ভোটাতবাস্বৰূপে। তেওঁৰ কবিতাৰ অবিহনে আধুনিক কবিতা অসম্পূৰ্ণ হৈ ৰ'লহেঁতেন। তেওঁৰ কবিতাৰ বাবে অসমীয়া সাহিত্যৰ ক্ষেত্ৰত কবিতাৰ দিশটো অধিক উজ্জ্বল হৈ উঠিছে। গ্ৰন্থখনি অধ্যয়নৰ জৰিয়তে পাঠকে সহজে নীলমণি ফুকনদেৱৰ কাব্য-ৰচনাৰ বিষয়ে জানিব পাৰিব আৰু তেওঁৰ জীৱনৰ লগতে আন সাহিত্য সম্ভাৰৰ বিষয়েও জানিব পাৰিব।



# ভাৰতৰ কনিষ্ঠতম লেখক অয়ন গগৈ গোঁহাইৰ সদ্য প্ৰকাশিত গ্ৰন্থ বামূল বি (Bumble bee)


**পৰশ হাজৰিকা**

শিশুসাহিত্য সাহিত্যৰ এটি আপুৰুগীয়া সম্পদ। শিশু মনস্তত্বৰ প্ৰতিফলন ঘটা শিশু সাহিত্যই শিশুৰ কল্পনাৰ জগতখন অংকিত কৰাৰ লগতে শিশুৰ প্ৰয়োজনীয় দিশসমূহ প্ৰতিনিধিত্ব কৰে। আজি আমাৰ আলোচনাৰ বিষয়বস্তু হ'ল এগৰাকী শিশুৰ চিন্তা চৰ্চাৰ উন্মেষণ ঘটা এখন ইংৰাজী ভাষাৰ ৰচিতগ্ৰন্থ BUMBLE BEE। অয়ন গগৈ গোহাঁই নামৰ লখিমপুৰৰ এটি ৬ বছৰীয়া শিশুৱে লিখি ওলিওৱা এই গ্ৰন্থখনত শিশুমনে চুই যোৱা বিভিন্ন গুৰুত্বপূৰ্ণ দিশ প্ৰতিফলিত হৈছে। ভাৰতৰ কনিষ্ঠতম লেখক হিচাপে স্বীকৃতি পোৱা অয়নৰ এইখন দ্বিতীয় প্ৰকাশিত গ্ৰন্থ। ৬ বছৰীয়া শিশুটিয়ে অনুভৱ কৰা বহুতো সৰু সৰু অথচ গভীৰ চৰ্চা আৰু বাৰ্তাগ্ৰন্থখনিত লিপি বদ্ধ হৈছে। সহজ-সৰল ভাষাত ৰচিত গ্ৰন্থখনিত কনমানি আয়নে জীৱন যাত্ৰাৰ পথ প্ৰদৰ্শক হিচাপে এটি ভোমোৰাক অনুকৰণ কৰিছে আৰু সেই চিন্তাৰে গ্ৰন্থখনিৰ নামকৰণ কৰিছে। মুঠতে সৰু সৰু ২৪ টা অধ্যায়ত বিভক্ত গ্ৰন্থখনিৰ বৰ্ণনা ৰসাল আৰু নিঁভাজ।

প্ৰথম অধ্যায়টিত নামকৰণ কৰা হৈছে উশাহ। এই অধ্যায়টি পাঠকে অয়নক মাক আৰু অন্যান্য পৰিয়ালৰ সদস্যৰ লগত যোগাভ্যাস কৰা অৱস্থাত লগ পাব। প্ৰমথবাৰৰ বাবে সি যোগৰ বাবে মাকৰ লগত বহে। মাকে তাক কয়-উশাহ লোৱা। সি আচৰিত হয়। সি জানে উশাহ লোৱা এক স্বাভাৱিক প্ৰক্ৰিয়া। সকলোৱে উশাহ লয়। সিবৰ আমোদ আৰু ৰস পাই কথাটো। কিন্তু মাকে তাক ধমক দি কয়, উশাহ লোৱা। সি ভীষণ অশান্তি অনুভৱ কৰে। সকলোকে লক্ষ্য কৰে সি সকলোৱে চকু মুদি উশাহ টানিছে এৰিছে। কিন্তু সিতো উশাহ নিশাহ লৈ আছে বিশেষ একো অনুভৱ কৰা নাই সি। লাজতে সি বুজি পালে শীলত আৰু উষ্ণবায়ুৰ মাদকতা। সি অনুভৱক কৰিলে। এক বুজাব নোৱাৰা সুখানুভূতি আৰু মনত বল পালে সি।

উশাহ লোৱা এৰাৰ এই প্ৰক্ৰিয়ালোৰে যে ইমান ভাল লগাব পাৰে সি জনাই নাছিল। সি লিখিছে, সেইদিনাৰ পৰা সি তাৰ প্ৰতিটো দিনৰ আৰম্ভণি এনেকৈ কৰে আৰু মনটো আনন্দিত হৈ পৰে। এনেদৰে প্ৰথম অধ্যায়ৰ সামৰণি কৰে আৰু দ্বিতীয় অধ্যায়বোৰ ক্ৰমে সজোৱা হৈছে অয়নৰ চিন্তাৰ পৰিসৰে ঢুকি পোৱা বৰ্ণনাৰে ধ্যান, চাপমুক্ত মনৰ বাবে কৰিবলগীয়া আভাস, সুষম আহাৰ, সুস্বাস্থ্য, কৃতজ্ঞতা, প্ৰকাশৰ অভ্যাস, সৃষ্টি, আত্মবিশ্বাস পাৰ্থিৱ বস্তুৰ সংগ্ৰহতকৈ স্মৃতিৰ সংগ্ৰহত গুৰুত্ব দিয়া, জীৱন প্ৰণালীৰ মাদকতা, আত্মবিশ্বাস, সততা, আকৰ্ষণ আদি সূক্ষ্ম অথচ গভীৰ বাৰ্তা সম্পন্ন লেখাৰে। তাৰ পুতলাখেলি ভাল ভাল পোৱা মনটোৱে পাইছে এখন সুকীয়া পৃথিৱী। তাৰ দুচকুত ধৰা দিছে ন-ন কথা আৰু সৰলতাই নিগৰিছে শব্দ হৈ। আমাৰ আলোচিত গ্ৰন্থৰ প্ৰথম অধ্যায়তে পাঠকক হয়তো আভাস দিছে লেখকে মানসিক জগতখনৰ কথা।

গ্ৰন্থখন শিশুৰ লগতে অভিভাৱকসকলৰ বাবেও প্ৰয়োজনীয়। শিশুসদায় মুক্ত মনৰ অধিকাৰী। শিশুসকলে যান্ত্ৰিক জীৱনত সমযোজন কৰিলেও নিজৰ সৃষ্টিশীলতা প্ৰকাশত বিফল হয়। মাত্ৰ ৬ বছৰ বয়সতে এনেবোৰ চিন্তাৰ প্ৰকাশ কৰি গ্ৰন্থ ৰচনা কৰা অয়ন অসমৰ এগৰাকী সুযোগ্য সন্তান। গ্ৰন্থখন পঢ়ি সকলোৱে বিশেষ সোৱাদ পাব বুলি আমাৰ বিশ্বাস।




# Marginalized Indians at Home and Abroad: Reading Anita Desai's *Fasting Feasting* from Subaltern Perspective

**Trishmita Borah**

The Indian society, with its diversities has so many issues to be discussed and analyzed. Among these, the issue of social marginalization of different persons or groups of people is perhaps the most sensible issue. Most of the Indian English Novelists, especially in the post – independence period, are aware of the prevailing marginalization in Indian society and they have dealt with these issues in their writings, leaving a scope for the readers to rethink and realize its impacts. Among these Novelists, Anita Desai is a celebrated figure in contemporary Indian literature who is highly sensitized to the essential problems of the modern mind and her novels expressed the deep-rooted anguish of sensitive individuals, who are the constant sufferer of the existing social norms in the materialistic, patriarchal society. *Fasting Feasting* is one of such novels by Anita Desai that reveals human predicament in a society dominated by patriarchal norms.

The issue of social marginalization is generally associated with subaltern theory. 'Subaltern' meaning 'of inferior rank' is a term adopted by Antonio Gramsci to refer to those working class people in Soviet Union

who are subject to the hegemony of the ruling classes. Subaltern classes may include peasants, workers and other groups denied access to hegemonic power. However, in the field of literary theory the concept of subaltern gained increased prominence and currency with Gayatri Spivak's famous essay, "Can the Subaltern Speak?". Subalternity as a modern theory has touched upon from Spivak's view of subaltern as 'other' within dominant elite ideology. She suggests that it is impossible to recover the voice of the subaltern, hinting at the unimaginable extent of colonial recreation and its historical intersection with patriarch- which she illustrates with particular reference to the 'Sati' sacrifice in India.

On the surface, Desai's *Fasting Feasting* is a sharp critique on patriarchy. The narrative of the novel is divided into two parts presenting two different cultures. As the title implies, 'Fasting' represents the Indian culture and 'feasting' the American one. The first part is narrated through the central perspective of Uma, and the later part is narrated through the perspective of her younger brother Arun. The main idea behind this representation of two contrasting world is to show that the silent individual suffering is there in both the worlds and the subaltern crisis is felt at different layers.

The first part of the novel reveals the women predicament in Indian society mainly through the character of Uma, the eldest daughter of her family. The novel begins with a family scene where Uma's parents are sitting together on the "creaking sofa-swing".

The parents sit, rhythmically swinging, back and forth. They could be asleep, dozing- their eyes are hooded- but sometimes they speak. (p.3)

Uma, on the other hand, is seen restless doing one thing after the other following her parents' orders. Somewhere in the middle of the novel, the reader understands that it is the usual scene that goes on in the household of MamaPapa. As for the rule of MamaPapa it is seen that they are inseparable throughout the novel in imposing their authority over the family. With regard to Uma, both of her parents appear to have merged into a single identity MamaPapa/PapaMama, as if they have a "Siamese twin existence". It is not mainly because they love each other but because the father has completely overshadowed the mother.

Under such a dominating existence of MamaPapa, Uma is found repressed, suppressed and imprisoned at home. She turns out to be the dullest of all with a good deal of follies and foibles that make her a failure in every walk of life. The narrative, in flashback describes how Uma ends up as a spinster working for her old parents almost like a servant. Her imprisonment genuinely starts with the birth of her brother Arun after two daughters i.e. Uma and Aruna. The episode of Arun's birth aptly reflects the want of a son in an Indian family.

Mama was frantic to have it terminated. She had never been more ill, and would go through hellfire, she wept, just to stop the nausea that tormented her. But Papa set his jaws. They had two daughters, yes, quite grown-up as anyone could see, but there was no son. Would any man give up the chance of a son? (p.16)

And when a boy was born, Papa was screaming out of pride and over joy. Extra care

has been taken for the son and it was decided that Uma should give up her schooling to look after the baby. As far as Uma is concerned, a pleasant escape from her claustrophobic conditions at home is her school-going. The convent school for her is "streaked with golden promise". This little bit of freedom is also snatched from Uma by her parents. Later, Uma looks forward towards her marriage to give her the much-needed relief, yet, unfortunately, she returns home frustrated after a deceitful marriage and subsequent divorce costing two huge amounts of dowries to her father. Back at home, she gets a rare job offer through Dr. Dutt, but MamaPapa refuse to send her. In like manner, when Uma receives an invitation for a coffee party from Mrs. O'Henry, MamaPapa refuse to send her to the party because of the apprehension that Mrs. O'Henry might ensnare her and convert her into a Christian nun. Reduced thus to a baby-sitter at her earlier days and an unpaid servant for her self-centered parents for the rest of her life, Uma finds no escape from her entrapment.

However, it would be wrong to presuppose that Anita Desai shows Uma's unattractiveness, clumsiness and dullness of mind as causes for her entrapment. Uma's polar opposite, her graceful, beautiful and brilliant cousin, Anamika's confinement is more poignant. While Uma's failure in her school exams pressurizes her to stay at home, Anamika does so excellently in her final school exams, that she wins a scholarship to Oxford. Yet, Anamika lives in a patriarchal society that considers higher education to be the prerogative of males, and marriage as the major preoccupation of females. The scholarship obtained is used only as a means to win her a husband who is considered an equal to the family's prestige. But it is Anamika, who starts another life of entrapment the moment she enters her in-laws' house. Anamika's husband is a typical 'Mama's boy' to the extent he could be a silent witness to his mother's beating of his wife regularly. Anamika, who won scholarship to Oxford, spends her entire time in the kitchen cooking for a very large family that eats in shifts—"first the men, then the children, finally the women". And tragically enough, Uma's family gets the news of Anamika's death. Anamika's family reports it as an act of suicide but according to the gossips, as the neighbours said, after a miscarriage, which followed a brutal beating, and the belief that she could not bear more children, finally, the family ties her up in a nylon saree, pours the kerosene over her, and burns her to death.

Here again, Desai shows the women predicament of women who may not end up a spinster like Uma or a burnt bride like Anamika. In this regard, she portrays the story of Aruna, Uma's smart and pretty younger sister who marries the groom of her own choice. Aruna's marriage to Arvind who has a job in Bombay and a flat in a housing block in Juhu, facing the beach is just a like a dream-come-true. Yet to live that dream-life fully she transforms herself and desperately seeks to introduce change in the lives of others. She cuts her hair, takes her make-up kit wherever she goes, and calls her sister and mother as 'villagers' once they refuse to accept her sophisticated and flashy style of life. For that reason, she avoids visiting her parents' home and the rare occasions of her short visits are

spent in blaming the untidiness of the surrounding and the inhabitants. Even she goes to the extent of scolding her husband when he splits tea in his saucer, or wears a shirt, which does not match, with his trousers. In this way, Aruna's entrapment is different from the rest. She has liberated herself from the customs and dominating home rules that bind the rest of the characters like Uma and Anamika. Yet, in negating those codes, she ensnares herself in her mad pursuit towards a vision of perfection. And in order to reach that perfection she needs to constantly uncover and rectify the flaws of her own family as well as of Arvind's. When none other than Uma sees through the entrapment of Aruna, she feels pity for her:

While the novel's first part shows the marginalization of women under patriarchy, in the next part, the novelist depicts a different world revealing the same individual predicament. Here we see the subaltern crisis faced by Arun, the same Arun who had a privileged position in his Indian family. His father tries to give him the 'best' education while he stops his daughter from going school. He sends Arun to Massachusetts for higher education where Arun ends up finding himself alienated in the strange world. During his first semester, when he stays at the hostel, he tries to keep himself isolated.

Again, while living with the Patton family, Arun does not feel free from this alienation. Being a vegetarian he feels suffocated in the house that is filled with the smell of raw and roasted meat. It is Mrs. Patton who gets pleased to host her guest and tries to cook vegetables for him. But it is not eatable as her daughter Melanie finds it revolting and disgusting. Arun has to eat that food without complaining. He cannot even feel free with the children of the Patton, Rod and Melanie who are of his own age. When he tries to approach Melanie, she treats him rudely. He does not have the guts to tell the Pattons about the illness of Melanie. He keeps himself silent and wants to escape from everything.

In this way, the novel seems to create subaltern at different layers. While it is the Indian women who are being marginalized at home, the male opposition finds himself entrapped in the alien land. Anita Desai, in portraying the stories of entrapment in *Fasting, Feasting*, presents one version after another; each contributing together to a master version, and each simultaneously subverting the other towards an open and contingent version. Accordingly, in the story of Uma, we find her unattractiveness leading to her eventual entrapment. Yet, if we pass a final verdict on this account, we would be proved erroneous since Desai presents the versions of Aruna and Anamika, Further, if we think again that it is Uma's lack of education that has led to her entrapped situation, Desai presents us the subversion of Anamika, where foreign scholarship fetches her an equal match but fails to provide her the required escape, it suffocates and kills her literally. Similarly, if as Uma thinks, "A CAREER. Leaving home. Living alone" would bring in the necessary freedom from entrapment, Desai presents us the story of Arun, who leaves home, lives alone for a career but feels the pangs of entrapment despite it.



# মটৰ চাইকেল যাত্ৰাৰ দিনলিপি ঃ মৰতৰ ভূ-স্বৰ্গ জুকুভেলী

**ঋতুৰাজ বসন্ত**

নাগালেণ্ড আৰু মণিপুৰৰ সীমান্তত অৱস্থিত সৰু সৰু পাহাৰ, বিভিন্ন ৰঙী ফুল আৰু সেউজীয়াৰ দলিচা, য'ত হয় শুকুলা মেঘৰ লুকা-ভাকু সেয়াই হ'ল জুকু ভেলী।

আমাৰ Colours Of North-East on 2 Wheels ৰ দ্বিতীয়টো মিচন আছিল জুকু ভেলি। এইবাৰ আমাৰ লগত তেজপুৰ, শিৱসাগৰ, গোলাঘাটৰ কেইবাজনো দুঃসাহসিক ভ্ৰমণ পিপাসু তথা আমাৰ শুভাকাংক্ষী ওলাল। গোলাঘাটৰ প্ৰশান্তি লজত আমি সকলো আগদিনাই একলগ হ'লো। যাত্ৰা পথৰ সবিশেষ আলোচনা কৰাৰ লগতে নতুন ৰাইডাৰকেইজনক দলৰ নীতি-নিয়মসমূহো অৱগত কৰা হ'ল। এসপ্তাহৰ আগতে আমাৰ দলৰ পুলুৱে জুকু ভেলীলৈ গৈছিল, সি তাৰ চমু আভাস এটা দিলেহি। (অৱশ্যে এইবাৰ দলত আন্না আৰু পুলু দুয়োটাই স্বাস্থ্যজনিত কাৰণত যাব নোৱাৰে, তথাপিও পুলু আৰু আন্নাই আমাক বিদায় দিবলৈ ল'জলৈ আহিল)। সৰ্বমুঠ সদস্য ১৪ জন। মটৰ চাইকেল ৭ খন।

১৩ জুলাই ২০১৮ ত পুৱা ৬ বাজি ৩০ মিনিটত গোলাঘাটৰপৰা আমাৰ যাত্ৰা আৰম্ভ হ'ল। গোলাঘাটৰপৰা জামুগুৰি, বৰপথাৰ, সৰুপথাৰ, নাওজান, চুঙাজান, বোকাজান, ডিমাপুৰ হৈ কহিমা। নামবৰ হাবিৰ ৰাষ্টা খুবেই বেয়া বাবেই আমি এই পথটো বাছি ল'লো। গোলাঘাটৰ পৰা ডিমাপুৰলৈ আমি যোৱা ৰাস্তাটোৰেই ৯৬ কিমি। মোৰ পিছফালে চিটত কলেজীয়া বন্ধু উত্তম কলিতা। সৰুপথাৰৰ পোৱা আগে আগে আমাৰ সতীৰ্থ ৰাইডাৰ নেপ'লিয়ন দাৰ মাক (মনিপ্ৰভা বাইদেউ, মুৰব্বী অধ্যাপিকা, সমাজতত্ত্ব বিভাগ, সৰুপথাৰ মহাবিদ্যালয়) আমালৈ ৰাস্তাতে ৰৈ আছিল। যথেষ্ট উৎসাহ যোগালে বাইদেৱে । এখন গামোচা আৰু খাম এটাত ৫০০ টকা আমাৰ দলপতি প্ৰাঞ্জলৰ হাতত দিলে। শেষত এটা উৰুলীৰে আমাক বিদায় দিলে।

সৰুপথাৰৰ মৌচাক হোটেলতে পুৱাৰ লঘু আহাৰ গ্ৰহণ কৰি মটৰচাইকেলখন ষ্টাৰ্ট কৰোতেই সৰুপথাৰৰ এজন উদ্যমী যুৱক ভাতৃপ্ৰতিম বন্ধু মাধুৰ্য্য গগৈ দা আহি শুভেচ্ছা দিলেহি। পুনৰ যাত্ৰা আৰম্ভ হ'ল, কাৰ্বি আংলঙৰ লাহৰিজান গেটখনতে অসম শেষ কৰি নাগালেণ্ডত সোমালো। ডিমাপুৰ সোমায়ে প্ৰত্যেকৰ বাবে ILP(Inner line Permit) বনোৱাৰ উদ্দেশ্যেৰে চিধা-চিধি কালিবাৰীস্থিত নাগালেণ্ডৰ উপায়ুক্তৰ কাৰ্যালয়লৈ (DC office) গ'লো। তেতিয়া প্ৰায় পুৱা দহ বাজিল, আমাৰ পাপুৱে সকলোৰে বাবে এখন এখন ফৰ্ম আনি দিলেহি। ফৰ্মখনত দহ টকা আৰু জমা দিওতে ১৪০ টকা ল'লে, লগতে দুখন পাছপৰ্ট চাইজ ফটো আৰু ভোটাৰ কাৰ্ড অথবা ড্ৰাইভিং লাইচেঞ্চৰ ফটো কপি এটা। জমা দিয়াৰ পাছত গম পালো যে তিনি ঘন্টামান সময় ৰ'ব লাগিব।। কাৰণ উপায়ুক্ত মহোদয় অহা পলম হ'ব। গতিকে সকলোৱে কাৰ্যালয়ৰ আগফালে গছৰ তলত বহি মহোদয়লৈ বাট চালো। উৎকট গৰম, তাতে আকৌ আমাৰ সকলোৰে ক'লা পোছাক। (বহুতে আকৌ জুকুভেলীলৈ ILP নোহোৱাকৈও গৈ আহিছে। আমি অৱশ্যে তেনেধৰণৰ ৰিস্ক এটা ল'ব নিবিচাৰিলো। তাতে আমাৰ লগত নতুন ৰাইডাৰসকল আছে। প্ৰায় আঢ়ৈ ঘন্টা সময়ৰ পাছত আমি ILP পালো। অৰ্থাৎ নিচিন্ত মনে নাগালেণ্ড ভ্ৰমণৰ

টিকট)। ইমান ভিৰৰ মাজত ভোক এটাও লাগি আহিছিল, ডিমাপুৰতে ভাত খোৱা কথা আছিল যদিও অত্যন্ত ভিৰ আৰু সময়ৰ প্ৰতি লক্ষ্য ৰাখি ডিমাপুৰ- কহিমা ৰাস্তাত থকা ধাবাতে ভাত খোৱাৰ সিদ্ধান্ত কৰি পুনৰ উত্তম কলিতাক পিছফালে তুলি যাত্ৰা আৰম্ভ কৰিলো। ডিমাপুৰত ট্ৰেফিক পুলিছৰ সৌহাদ্যপূৰ্ণ ব্যৱহাৰে আমাক যথেষ্ট উৎসাহ যোগালে। ইমান যান-যটৰ মাজত ট্ৰেফিক পুলিচজনে আনসকলোবোৰ যান-বাহন ৰখাই আমাক যাবলৈ ছিগনেল দিছিল। ডিমাপুৰৰ যানযটৰ পৰা ওলাই আহি আমি কহিমা ৰাস্তালৈ অগ্ৰসৰ হ'লো। মই মটৰচাইকেল দলটোৰ মাজে মাজে আগত কেতিয়াবা পিছত, কাৰণ যাতে নতুনকেইজনৰ কিবা অসুবিধা হ'লে গম পাওঁ। কিছুদুৰৰ পাছতে সন্মুখত কহিমালৈ আদৰণি পকী তোৰণখন (Welcome to kohima, Gate) পালোগৈ। আমি সকলো তোৰণখনৰ সমীপতে ৰ'লোগৈ। বাঁওফালে 'পাটকাই খ্ৰিষ্টিয়ান কলেজ'লৈ যোৱা পথ ।

আকৌ কিছু দূৰ যাওঁতেই বৰষুণ এজাকে বুৰাই পেলালেহি। পথৰ কাষতে মটৰচাইকেলকেইখন ৰখাই Rain coat আৰু লগত নিয়া বেগটোকো Rain cover টো পিন্ধাই সমুখ সমৰলৈ সাজু হ'লো। বৰষুণৰ পৰিমাণ কমিলত আমি আগবাঢ়িলো। ৰাস্তাটোৰ অৱস্থা নাই, একে বাৰে বিধস্ত। বৰষুণজাকে গোটেই ৰাস্তাটো পিচল কৰি পেলাইছে। তাতে অহৰহ গাড়ী অহা যোৱা। বৰষুণজাক নহা হলে ধূলিয়ে আমাক পুতি পেলালেহেতেন। সাহসেই লক্ষী বুলি মন্থৰ গতিৰে আগবাঢ়িলো। নাগালেণ্ডৰ টেক্সী বোৰৰ ৰং হালধীয়া। বেছিকৈ অল্ট' আৰু মাৰুতি ৮০০ লগ পাই গৈছো। ব্যক্তিগত গাড়ীবোৰ টয়টা,জীপ, ইন'ভা। অফ ৰ'ড গাড়ীয়ে বেছি। মাজে মাজে উত্ত আৰু মই পুৰণি গানৰ কলি কেটামান গুণগুণাই গৈছো। আমি একেবাৰে শেষত। আমাৰ গান শুনি আগৰ মটৰচাইকেলকেইখনৰ পৰা হিমানীলহঁতে উকি কেইটামানেৰে সঁহাৰি জনাই। কিনকিনিয়া বৰষুণত বোকা ফালি ফালি এনেদৰে গৈ থাকিলো। বাওঁফালে ৰাস্তাৰ সমীপতে থকা কেইবাখনো লাইন হোটেলৰ কাষত আমালৈ সকলো ৰৈ আছিল। তেতিয়াহে মনলৈ আহিল আমি ভাত খোৱা নাই বুলি। মণিপুৰী হোটেল। তেতিয়া সময় বিয়লি তিনি বাজিছিল। ৰাস্তাৰ গতি দেখি সকলোৰে মুখ শুকাই আছিল। গাহৰি মাংসৰে ভাতসাঁজ খালো। কাষৰ পানদোকান খনত সুধি গম পালো আৰু দুই আঢ়ৈ ঘন্টা লাগিব কহিমা পাবলৈ। বৰষুণজাক এৰিল। পাহাৰবোৰ এতিয়া ধুনীয়াকৈ দেখি। মেঘবোৰে যেন আমাক নগাৰাজ্যখনলৈ হাতবাউল দিছে। প্ৰাকৃতিক দৃশ্য চাই গৈ থাকোতে কাষেদি যোৱা গাড়ীখনে বোকা পানী মাৰি একেবাৰে শুদ্ধিকৰণ কৰি গ'ল। উপাই নাই। উত্তমে চিঞঁৰিলে Thank u । মুখখন বাচিল হেলমেটৰ কাৰণে। প্ৰকাণ্ড গাঁত ৰাস্তাৰ মাজে মাজে। তাৰ মাজতে ভিউ পইন্ট এটাত সকলো ৰৈ ফটো তোলাত ব্যস্ত হ'লো। কোনোবা এটাই চিঞৰিলে 'এতিয়া আৰম্ভ কৰিলে জুকু ভেলীত মেমৰী নাথাকিবই'। আমি মটৰচাইকেল ষ্টাৰ্ট কৰোঁ মানে নেপ'লিয়ন দাৰ ফোন আহিল। আগফালে ৰাস্তা ভয়াবহ পিছল, ক'লা মাটি ওলাই আছে। মই তেওঁলোকক লাহে লাহে আগবাঢ়িবলৈ কৈ দলৰ প্ৰতিজনকৈ সাৱধান বাণী শুনাই দলৰ শেষত আগবাঢ়িলো। নেপ'দাৰ কথা, যোল্ল অনাই সঁচা, ক'লা মাটি আৰম্ভ হোৱা কণৰ পৰা বিৰাট পিছল, আগৰকেইখনৰ পিলিয়ন ৰাইডাৰচ্ (পিছফালে বহা কেইজন) সোঁহাতেৰে ইংগিত দি গৈছে, স্পিড লিমিট, ২০/ কিমি, ১নং গিয়েৰত আগবাঢ়িছো, ৮ কেজি মানৰ পিঠিৰ বেগত বুকু হালে, মাজত ড্ৰোণৰ ( Drone) বাকছটো, তাৰ পাছত উত্তম আৰু তাৰ গধুৰ বেগটো, অলপ খেলিমেলি হ'লেই বোকাই আকোঁৱালি ল'ব। প্ৰায় দুই কিমি তেনেকৈ যোৱাৰ পাছত শিল দিয়া ৰাস্তাটো পালোগৈ। কাষৰ দোকান এখনতে সকলো ৰ'লোগৈ। দলৰ কাৰো একো নহ'ল। দোকানী বাইদেউগৰাকীয়ে ভগা ভগা নাগামিজত ক'লে আমি ভাল নপৰাকৈ আহিলো বুলি। সকলোৱে নেপ'লিয়ন দাক ধন্যবাদ দিলে। কহিমা নৌপাওঁতেই আন্ধাৰ নামিছিল, চেঁচা বতাহ এজাকে চুই গ'লহি, কিছু দূৰ ভাল ৰাস্তা, বহুসময়ৰ পাছত মটৰচাইকেল গিয়েৰ কেইটা আছে গম পালো। গতি বাঢ়িল। অদূৰত পাহাৰখনৰ বিজুলী বাতিৰে চমকি আছিল কহিমাখন। এক মনোৰম দৃশ্য।

আমি আগতিয়াকৈ যোগাযোগ কৰা হোটেল J.N লৈ আগবাঢ়িলো। দোকান পোহাৰবোৰ প্ৰায় বন্ধ হ'লেই। হোটেল পোৱালৈ ঘড়ী কাঁটাই ৭ বাজি ৩০ মিনিট চুলেগৈ। চাৰিটা ৰুমত ভাগে ভাগে সকলো সোমালগৈ। কাপোৰ কানি জোতাৰ অৱস্থা নাই। হোটেলখনো বৰ ঠিক নহয়, সেয়ে সদস্যসকলৰ বিভিন্ন অভাৱ অভিযোগ। দুই তিনিখন হোটেল খবৰ কৰিলোঁ। কিন্তু মটৰ চাইকেল ৰক্ষাৰ নিৰাপদ আস্থান নাপাই পুনৰ বিমৰ্ষমনেৰে J.N হোটেললৈ ওভটিলো। হোটেলখনত ভাত খোৱাৰ সুব্যৱস্থা নথকা কাৰণে সকলোৱে বাহিৰতে ভাত খাই আহিলো। কহিমা চহৰখনৰ প্ৰায় বোৰ ৰাস্তা one way হোৱা কাৰণে আমিও ভাত খাবলৈ এক চক্কৰ ঘূৰিব লগা হ'ল।

হোটেললৈ ঘূৰি আহি সকলোকে ৭ বজাত সাজু হ'বলৈ কৈ নেপ' দা, ৰোহিনী মই তিনি নং মহলাত থকা আমাৰ ৰুমৰ ঠেক বিচনাখনত দীঘল দিলোগৈ। নেপ' দাৰ লগত কথা পাতি নিশা ১:৩০ বাজিল। নিশা দেৰি হোৱাৰ কাৰণটো হ'ল আমি দুয়োজনেই অসমত 'আভ্যন্তৰীণ পাৰ পত্ৰ' Inner line permit (ILP) ৰ প্ৰয়োজনীয়তাৰ কথা আলোচনা কৰি আছিলো। অসমত ILP

থকা হ'লে হেনো বিদেশী সমস্যাৰ কথাটো নাহিলহেঁতেন। কিন্তু জনজাতীয় ৰাজ্য হ'লেহে ILP প্ৰৱৰ্তন কৰিব পাৰে (কিমান সত্য নাজানো)। নাগালেণ্ড আৰু অৰুণাচলত ILP সেৱা আছে বাবেই দুয়োখন ৰাজ্যই বহু সমস্যাৰ পৰা মুক্ত আৰু ILP সেৱাৰ পৰা দুয়োখন চৰকাৰে যথেষ্ট ৰাজহ সংগ্ৰহ কৰিব পাৰিছে। পৰ্যটন ক্ষেত্ৰত আমি যথেষ্ট পিচপৰি ৰৈছো। অকল প্ৰিয়ংকা চোপ্ৰাক এম্বেচেদৰ পাতিলেটো নহব। কৰণীয় বহুখিনি আছে আমাৰ। কথাবোৰ শেষেই নহয় আমাৰ। কথা পাতি পাতিয়েই টোপনি গ'লো।

১৪ জুলাই, পুৱা ছয় বজাতে শুই উঠি পাপুৰে ময়ে বজাৰলৈ ওলাই গ'লো। সকলো সদস্যৰ কাৰণে চকলেট, বিস্কুট, ৰেড্ বুল, ORS, ড্ৰাই ফ্ৰুইটচ্ ল'লো । আগদিনাই বন্দোবস্ত কৰি থোৱা ছুমু ড্ৰাইভাৰ জনে ৮ বজাত সাজু হৈ থাকিবলৈ ফোনযোগে জনালে। ইতিমধ্যে সকলো গা-পা ধুই সাজু হ'লেই । জুকু ভেলী যোৱাৰ উৎসাহ, সেয়ে কোনেও কাকো জগাব লগীয়া নহ'লেহ।

আমি হোটেলখনত বাকী কেইটা ৰুম এৰি এটা ৰুমতে আমাৰ সকলোৰে বয়-বস্তুখনি থলো, যিহেতু হোটেলখনতে আমি আমাৰ বাহনকেইখন এৰি যাম। জুকু ভেলী যোৱা পথত জাখামাতো মটৰচাইকেল থৈ যাব পাৰি । ৰিস্ক ল'বলৈ মন নগ'ল আমাৰ, সেয়ে হোটেলখনৰ পাৰ্কিঙতে থৈ যোৱাৰ সিদ্ধান্ত কৰিছিলো। যিমান পাৰো পিঠিত লোৱা বেগটোৰ ওজন কমাবলৈ চেষ্টা কৰিলো। কাৰণ বহু দূৰ খোজকাঢ়ি যাব লাগিব। সকলোৰে অলাগতিয়াল বস্তুবোৰ ৰুমটোত থৈ তলত ৰৈ থকা চুমু দুখনত ভাগে ভাগে বহিলোগৈ। মই ড্ৰাইভাৰজনৰ কাষত বহিলো। ভগা ভগা নাগামিজ, হিন্দীতে কথা পাতি গ'লো। আংগামী নাগা ড্ৰাইভাৰ জন। বাটতে হোটেল এখনৰ কাষতে ৰখাই সকলোৰে পুৰি-ভাজি চাহ খাই ল'লো। লগতে ফাৰ্মাচী এখনৰ পৰা first aid kit ৰ বস্তু অলপ লৈ ল'লো। ক'হিমা চহৰ এৰি আমি ঠেক ৰাস্তা এটাইদি আগবাঢ়িলো। ক'হিমা চহৰৰ পৰা জুকু ভেলীলৈ যাবলৈ দুটা পথ। এটা হ'ল ভিশ্বেমা (Visema) আৰু আনটো জাখামা (Zakhama) ।ৰাস্তা একেটাই, প্ৰথম জাখামা পাই তাৰ পাছত ভিশ্বেমা। চুমু জাতীয় গাড়ীবোৰ ভিশ্বেমালৈকে যায়, তাৰপৰা খোজকাঢ়িব লাগে, ভিশ্বেমা গৈ বেছি পাহাৰ বগাব নালাগে। জাখামা ৰাস্তাটো ভয়াবহ আৰু ৰোমাঞ্চকৰ। আমি সকলোৰে জাখামা হৈ যোৱাৰ কথা ভাবিলো। আমি জাখামাতে নামিলো। জাখামা হওক বা ভিশ্বেমা ভাড়া সমানেই লয়। অহা যোৱা চাৰি হাজাৰ টকা। বিদায় দিয়াৰ আগতে ড্ৰাইভাৰ কেইজনে পিছদিনা ঘূৰি আহোঁতে নেটৱৰ্ক পোৱা ঠাইৰ পৰা তেওঁলোকলৈ ফোন কৰিবলৈ ক'লে, তেতিয়া তেওঁলোকে আগতীয়াকৈ ৰৈ থাকিব আমালৈ। দুয়োজনকে ধন্যবাদ জনাই বিদায় জনালো।

তেতিয়া সময় প্ৰায় দহ বাজিল। পাপুৰে সকলোৰে এটাকৈ ৰেডবুল, বিস্কুট,পানীৰ বটল, ORS বোৰ ভগাই দিলে। এটা দীঘলীয়া শাৰীৰে দুয়োটা ভৰিক সাৰথি কৰি এটা লুংলুঙীয়া পথেৰে আমাৰ যাত্ৰা আৰম্ভ কৰিলো। পকী খলপ (step)ৰ বোৰ বগাই ওপৰলৈ উঠিছো। আগে পিছে পাহাৰ বগোৱাৰ কাৰো অভিজ্ঞতা নাই, তথাপিও সকলো আগবাঢ়িছে। মই লগত নিয়া খুকুৰীখন লৈ সকলোৰে বাবে গছৰ সৰু ডালবোৰ কাটি যাত্ৰাৰ সহযোগী লাখুটিডাল বনাই ল'লো। আচলতে জাখামাহৈ যোৱাৰ কথা নাছিল, এইফালে গ'লেহে এডভেঞ্চাৰ হ'ব বুলি ভাবি আদবাটতে মই সকলোকে সুধিছিলো, 'ভাইহঁত এডভেঞ্চাৰ লাগে নে?' সকলোৰে একেস্বৰে লাগে বুলি কৈছিল। অলপ দূৰ গৈয়ে বাংলাদেশৰ পৰা অহা যুৱক এজনকো লগ পালো। আমি আচৰিত হৈছিলো তেওঁক অকলে দেখি। তেওঁ আমাৰ সহযোগী হ'ল। থিয় পাহাৰ। সাৱধানে আগবাঢ়িবলগীয়া হৈছে। শেলাই পৰি ষ্টেপবোৰ পিচল হৈ আছিল। যথেষ্ট কষ্টকৰ এই ৰাস্তা। মাজে মাজে ৰৈ ৰৈ যাবলগীয়া হৈছে। বাটতে জুকুভেলীৰপৰা ঘূৰি অহা নাগালেণ্ডৰ বহু যুৱক-যুৱতীক লগ পাইছো। তেওঁলোকে জনালে এই ৰাস্তাইদি যাবলৈ যথেষ্ট কঠিন, কিন্তু উভতি আহিবলৈহে ভাল। আমাৰ ১২০ কেজি ওজনৰ অৰ্ণৱক দেখিও তেওঁলোক একপ্ৰকাৰ আচৰিতো হৈছিল। হয়তো এই ৰাস্তাৰে অৰ্ণৱৰ সেই থুলন্ত চেহেৰাই কেনেকৈ পাহাৰ বগাইছে তাকে ভাবি গৈছে। উভতি অহাৰ প্ৰায়বোৰে অৰ্ণৱৰ ওচৰত ৰৈ তাক উৎসাহ দিছিল। ওপৰলৈ যিমানে বগাই গৈছো, সিমানেই ভয়ংকৰ ৰাস্তা পাইছো, প্ৰকাণ্ড শিলবোৰৰ কাষে কাষে আগবাঢ়ি গৈ থাকিলো, মাজে মাজে অৰ্ণৱক সকলোৰে ওপৰলৈ সহায় কৰি দিয়ে, শহা খোজৰ পৰা কাছৰ খোজৰে লাখুটি ডাল হেঁচুকি দি দি সকলো আগবাঢ়িলো। চন্দন ভাইটিয়ে তাৰ ব্লুটুথ স্পীকাৰত জ'চিলা গানবোৰ লগাই গৈছে, বিশেষকৈ জুবিন দাৰ 'দূৰে দূৰে' গানটো অহৰহ বাজি গৈছিল। (কৌশিক দাৰ কৃপাত) সঁচাকৈ গানৰ এটা অদৃশ্য শক্তিয়ে আমাৰ মনটো সৰল কৰি তুলিছিল। আগত নেপ'লিয়ন দাই কিবা বিপদসংকূল ঠাইবোৰত হুইচেল বজাই গৈছিল। এটা সময়ত ধাৰষাৰ বৰষুণ আহিল, আমি সকলোৰে ৰেইনকোটবোৰ পিন্ধি নিৰাপদ ঠাই এডোখৰত ৰৈ বৰষুণ শেষ হোৱালৈ বাট চালো। আধা ঘন্টামানৰ পিছত বৰষুণ এৰিলে। পথটো আগতকৈও পিচল হৈ পৰিল। অৰ্ণৱে ময়ে একেবাৰে শেষত। সি ধীৰে ধীৰে আৰু মই অলপ আগে আগে ওপৰলৈ গৈ তাৰ বাবে অপেক্ষা কৰি ভাগৰ মাৰো, তালৈ খলপবোৰত লগত নিয়া কাগজবোৰত কিবা সতেজ এলাইন লিখি আহোঁ, সি সেই টুকুৰাবোৰ পঢ়ি উকিয়াই, মই

তেতিয়া অনুমান কৰো সি ক'ত পালেহি।

বিয়লি প্ৰায় চাৰিমান বাজিল। ওপৰৰ উকিকেইটা ওচৰ পোৱা যেন লাগিল। মই তলৰ পৰা উকি মাৰিলো, একেলগে বহুতৰ উকিয়ে মোক সঁহাৰি জনালে। মনটো ভাল লাগি আহিল। তলফালে চালো অৰ্ণৱ মৃদু খোজেৰে আহি আছে। পাহাৰৰ একেবাৰে টিং পালোগৈ, এচাতি চেঁচা বতাহে চুই গ'লহি। কি এক মনোমোহা দৃশ্য। সন্মুখত গোটেই জুকু ভেলীখন। ডাৱৰবোৰৰ মাজত সৰু টিলা সদৃশ সেউজীয়া সৰু সৰু পাহাৰবোৰ। সমস্ত ভাগৰ নিমিষতে নাইকিয়া হৈ গ'ল। বৰ্ণনা কৰিব নোৱাৰা প্ৰকৃতিৰ মোহময়ী ৰূপ। পাহাৰৰ টিংটোৰ পৰাই জুকুভেলীৰ বেচ্ কেম্পটো দেখি থাকি। তাতে জিঅৰ নেটৱৰ্কো পাই সকলোৱে নিজ নিজ ঘৰলৈ খবৰ পঠালে। তাৰ পৰা আগলৈ ক'তো নেটৱৰ্ক নাপাই। সকলোৰে ঘৰত চিন্তা কৰিও আছিল। (তাতে আকৌ নাগালেণ্ড। নিলোৎপল দাহঁতৰ কথাবোৰে ইতিমধ্যেই জোকাৰি গৈছিল আমাক। জুকুলৈ অহাৰ আগত আমি ডকমকা যোৱাৰ কথাই আছিল, ভাৰিছিলো দাদা দুয়োজনৰ স্মৃতিবোৰ তাত জীয়াই ৰাখিবলৈ কিবা এটা কৰি আহিম, কিন্তু সেই সময়ত মানুহৰ অবাধ আহ যাহ চলিল। সেয়ে আমিও পৰিস্থিতি শাম কটাৰ পাছতহে তালৈ যোৱাৰ সিদ্ধান্ত ল'লো। এদিন আমি যাম সেই ঠাইলৈ।) কিছু সময় তাতে জিৰাই সৰু সৰু বাঁহ গছ সদৃশ গছৰ মাজে মাজে ঠেক ৰাস্তাইদি পুনৰ আগবাঢ়িলো। সমতল যদিও মাজে মাজে সৰু সৰু পাহাৰ বগাই যাব লাগে। তাৰ পৰাও বেচ্ কেম্পলৈ দুইঘন্টাৰ বাট। বেলিও লাহে লাহে ডুবি আহি আহিছে। কিছুদূৰ যোৱাৰ পাচতেই বুকুখনত বিষ এটা অনুভৱ কৰিলো। গ্ৰেছটিক বুলি পুৰণা বেমাৰ এটা আছে, তাতে পুৱাতেই পুৰি ভাজি সোমাল। সেয়ে সহযাত্ৰী বিকুৰ পৰা গেছৰ টেবলেট এটা খাই খোজ ল'লো। যিমানে খোজ লৈছো বিষটো বাঢ়ি আহিছে। লগত অকল নেপ'দা। নাই আৰু যাব নোৱাৰো বুলি কাষৰ গছবোৰত আউজি দিলো, নেপ'লিয়ন দাই পিঠি মালিচ কৰি দিলে। পানী অলপমান খাই লাখুটিডাল হেঁচুকিয়াই আগবাঢ়িলো, নেপ'দাই মোৰ পিঠিৰ বেগটো পিন্ধি ল'লে। আমি সকলোতকৈ শেষত। বাকীসকল আমাতকৈ বহু আগত। বুকু বিষ ক্ৰমাত বাঢ়ি গৈ থাকিল, আগলৈ ভৰি নোযোৱা অৱস্থা, অদূৰত বেচ্ কেম্প। তাতে সন্ধ্যা নামি আহিছে। মনলৈ বিবিধ চিন্তা আহিছে, ইয়াতকৈ বেছি হ'লে কি হ'ব? সেই সময়ত মাৰ মুখখন বৰ মনলৈ আহিছিল, প্ৰিয় মানুহবোৰ এফালৰ পৰা চকুৰ আগত ভাঁহি আহিছিল, আগে আগে নেপ'দাই মনোবল বঢ়াবলৈ কিবা কিবি কৈ গৈছিল। মই মাত্ৰ কেঁকাই কেঁকাই খোজ লৈছো। প্ৰতিটো উশাহে বুকুত চুনামী ৰূপ লৈছিল। তেনেকৈ কোনোমতে খোজ কাঢ়ি গৈ বেচ্ কেম্প পালোগৈ। জ্যোতিষ্মানহঁতে মোক ধৰি ধৰি ডাঙৰ ৰুম এটাৰ মজিয়া (floor) মেট্ৰেজ এখনতে শুৱাই দিলেগৈ। মূৰৰ বিষ আৰু বুকুৰ বিষে ইতিমধ্যেই চৰম সীমা চুইছিল। এটাই ভাবিছো, মোৰ এনেকুৱা নহওঁক যাতে আমাৰ দলটোৰ অসুবিধা সন্মুখীন হব লগা হয়। কোনোবাই ভৰিত তেল সানিছে কোনোবাই বুকুখন মালিচ কৰি দিছে। এটাই প্ৰাৰ্থনা ভগৱান জীয়াই ৰাখা আৰু যেনেতেনে। লগৰকেইটাও গম পাইছিল বেছি বিষ হলে যে কহিমাৰ পৰা ডাক্তৰৰ আহি পাই মানে মোৰ হাড়ত বন গজিব। ৰাতি চন্দনহঁতে জোৰ কৰি ভাত খুৱাই দিলে। মাজে মাজে টোপনি যাও, আকৌ সাৰ পাওঁ। নিশা দুপৰলৈকে মই কেঁকাই থাকিলো, মাজতে মোৰ লগে লগে আৰু কোনোবা এজনে কেঁকাই আছে, মই যদি বিষতে মাক মাতিছো, সিজনে আকৌ দেউতাকক, একেই মোৰ দৰে কৰ্কশ শব্দ, গাৰ গৰম কাপোৰবোৰ আঁতৰাই গম ললোঁ, ঠিকেই মোৰ বিপৰীত ফালৰ পৰা আহিছে। তাকে ৰুমটো আন্ধাৰ। অলপ ভয়ো লাগিছে। মোৰ কাষত কোন শুইছে গমো পোৱা নাই, জগাবলৈও বেয়া লাগিল। মূৰটোও ডাঙিব পৰা নাই বিষত। যি হয় দেখা যাব বুলি গায়েমূৰে কম্বলকখন মেৰাই শুবলৈ চেষ্টা কৰিলো।

১৫ জুলাই, ২০১৮ সাৰ পাওতেই ছটা বাজিল। দলৰ প্ৰায়কেইজন সদস্য উঠিল। বাহিৰৰপৰা তেওঁলোকৰ কথোপকথন শুনিয়ে গম পালো। বাহিৰত যথেষ্ট ঠাণ্ডা। ফিৰফিৰিয়া চেঁচা বতাহ। সমুখত জুক' ভেলী। ডাৱৰো কি সৌন্দৰ্য? এক মুহূৰ্তলৈ ক'ত আছো ভাবিবলগীয়া হৈছে।

মুখ হাত ধুই বেচ কেম্প ৰান্ধনীশালাত সোমালোগৈ। আমাৰ লগতে বেচ কেম্পত আন দুটা তিনিটা সৰু সৰু দলো আছে। নগা যুৱক তিনিজনে যিমান পাৰে খাদ্যবস্তুৰ যোগান ধৰিছে। মেগী আৰু লালচাহ যোগান ধৰিছে। তেওঁলোকৰ লগত কথা পাতি গম পালো এই বেচ কেম্পটো নগা ছাত্ৰ সন্থাৰ আঞ্চলিক সমিতিখনে পৰিচালনা কৰাত সহায় কৰে। পৰ্যটকৰ বাবে চাউল, দাইল আদিবোৰ বেচ কেম্পলৈ অনাত গাঁৱৰ ৰাইজে সহায় কৰি দিয়ে। তলৰ পৰা ইমান ওপৰলৈ চাউল, দাইল অনা ইমান সহজো নহয়। ভাৰিয়ে আচৰিত হ'লো। সেয়ে তাত দাম দুগুন। চাহৰ কাপতো লৈ আগফালে থকা বেঞ্চখনত বহি জুক' উপত্যকাৰ নান্দনিক পৰিৱেশ চাই সেউজীয়াৰ মাজত ডুবি গ'লো। ডাৱৰবোৰ আমি থকা বেছকেম্পটোৰ পাহাৰটোতকৈ বহু তলত। চন্দন বড়িৰ সৈতে কথা পাতি পাতি গোটেই বেচ কেম্পটোত এটা চক্কৰ মাৰিলো। বেছ কেম্পটোত ওচৰা ওচৰিকৈ চাৰিটামান ঘৰ। আমাৰ ঘৰটোৱেই আটাইতকৈ ডাঙৰ। লেট্ৰিন আৰু বাৰ্থৰুমৰো সু-ব্যৱস্থা। টেন্টো ভাড়া দিয়ে তাত। সকলোৱে মেগী আৰু ৰঙা চাহ খাই

মূল জুক' উপত্যকালৈ যাবলৈ ওলালো। তাৰ পৰা ডেৰ ঘন্টা খোজ কঢ়াৰ বাট। লুংলুঙীয়া ঠেক বাট এটাৰে পুনৰ আগবাঢ়িলো। কাষে কাষে সেউজীয়া তৃণ উদ্ভিদ। যাত্ৰা পথত মূল জুক' উপত্যকাৰ পৰা ঘূৰি অহা কেইবাজনো বিদেশী পৰ্যটক লগ পালো। বিদেশী পৰ্যটকসকলক লগ পালে মনলৈ বহু প্ৰশ্ন আহে, ইমান দূৰৰ পৰা মস্ত বেগডাল পিঠিত লৈ অলৌ তলৌকৈ আমাৰ উত্তৰ-পূৰ্বাঞ্চলত ঘূৰি ফুৰেহি। আমাৰ মানুহবোৰে আকৌ এইবোৰ ঠাইলৈ নাহি দিল্লী মুম্বাই ফুৰিবলৈ যায়। এনেকুৱা কথাবোৰে মাজে মাজে ক্ৰিয়া-বিক্ৰিয়া কৰি থাকে। আৰু কিছুদূৰ গৈয়ে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ এটা হেলিপেড পালোগৈ। বহু পৰ্যটকে সেই হেলিপেড থকা ঠাইতো কেম্প কৰে। তাতে অলপ দেৰি কটালো। বুকুৰ বিষটো অলপ অলপ আছে। তথাপিও কাকো কোৱা নাই। কালিৰে পৰা নেটৱৰ্ক নোহোৱা ঠাইত আছো। বহিঃবিশ্বৰ পৰা সম্পূৰ্ণ আঁতৰত। মাজে মাজে ঘৰলৈ মনত পৰিছিল। কোনোবা এটাই উত্তমলৈ চাই ঘৰলৈ মনত পৰিছে নেকি বুলি সুধিলে? উত্তৰলৈ বাট নাচাই সকলোৱে হাঁহিলে। মই কথাটো বুজা নাই। পিচতহে আচল কথাটো গম পালো। যোৱা নিশা মোৰ কেকনিৰ লগত মা অ', দেউতা অ' বুলি কেকোৱাজন উত্তমেই আছিল। ঠাণ্ডা পাই বেটাই মা, দেউতাক মাতি আছিল। ময়ো যে তাৰ মাত শুনি ভয় খাইছিলো বুলি কোৱাত সকলোৱে গিৰ্জনি মাৰি হাঁহিলে। হাঁহি ধেমালিৰ মাজেৰে পুনৰ সেউজীয়া দ্বীপটোত খোজ কাঢ়ি গৈ থাকিলো ।

সৰু সৰু মালভূমিসদৃশ পাহাৰ। তাৰ মাজে মাজে বগা গুলপীয়া জুক' লিলি ফুলবোৰ, মাজে মাজে ডাৱৰ। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য। এঘন্টা খোজ কঢ়াৰ অন্তত জুক' উপত্যকাৰ সোঁ-মাজ পালোগৈ। বাওফালেদি ফটফটীয়া পানীৰে এখন সৰু নৈ। নৈখন পাৰ হৈ সিটো পাৰে উঠিলো, সৰু কাঠৰ দলং এখন আছিল পূৰ্বতে দুকাষ দেখিয়ে গম পালো। আমি গৈ গৈ এটা প্ৰকাণ্ড শিলৰ ওপৰত বহিলোগৈ। সঁচাই এক অনাবিল অনুভৱ। চাৰিওফালেই সেউজীয়া। পাহাৰ, ফুল, আকাশ আৰু ডাৱৰৰ মাজত আমি। ইয়াতকৈ আৰু সুখৰ ঠাই কি হ'ব পাৰে। যদি সুখৰ ঠাইখন সৰগ হয় তেন্তে আমাৰ বাবে এয়াই সৰগ। বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। আমি বহা শিলটোৰ তলত কেম্প কৰিব পৰা ঠাই আছে। স্থানীয় নগা যুৱক-যুৱতীৰ দল এটাই তাতে ভাত ৰান্ধি আছিল। তাতে আমাৰ প্ৰায় দুঘন্টামান হ'ল। ভোকো লাগিছিল, পানী বটলৰ বাহিৰে আমাৰ হাতত একো নাছিল। পুনৰ একেটা পথেৰেই বেচ কেম্পলৈ ঘূৰিলো। বেচ কেম্প পাওঁতে দিনৰ ১১ বাজিল। কিছু সময় জিৰালো তাতে । দলৰ কিছুমানে গা-পা ধুই ল'লে। বেচ কেম্পতে সকলোৱে ভাত খালো। কালিৰ পৰা থকা, খোৱা সকলো মিলাই আমাৰ ১৪ জনৰ বিল প্ৰায় ১৮ হাজাৰ মান হ'লগৈ। ১২ বাজি ১৫ মিনিটত আমি বেচ কেম্পৰ পৰা ওভতনি যাত্ৰা আৰম্ভ কৰিলো। আহি থকাৰ মাজতে সিদ্ধান্ত হ'ল যে আমি এইবাৰ ভিশ্বেমাৰ পথটোৰেদি যাম। এইফালেদি অলপ সহজ। ভিশ্বেমা পথেদে আমাৰ যাত্ৰা আৰম্ভ হ'ল। অলপ দূৰ সমতল, তাৰ পৰা পাহাৰ। মাজে মাজে বাটে বাটে ৰৈ ৰৈ গৈছো। কথাৰ মেহফিল। সকলো সদস্যই বেচ ৰসাল। গতিকে ভাগৰ ইমান লগা নাছিল। পৰ্যটক পাই গৈছো পথত অনেক। তেজপুৰ ছোৱালী তিনিজনীক লগ পালো। অকলে আহিছে। আমাৰ দৰে গাইড নোলোৱাকৈ আহিছে। তেওঁলোকৰ উদ্যম সকলোৱে একমুখে প্ৰশংসা কৰিলে।

এনেদৰে আহি আহি নেটৱৰ্ক পোৱা ঠাইখিনিৰ পৰা পাপুৱে আমাক থৈ যোৱা চুমু ড্ৰাইভাৰ জনলৈ ফোন কৰি আনুমানিক সময় এটা দি থলে। সৰুতে পঢ়িছিলো পৰ্বতাৰোহনৰ কথা। কিন্তু কিয় কৰিব লাগে পৰ্বতাৰোহন সেইয়া জুক' উপত্যকাই শিকাই পঠাইছে। খোজ কাঢ়ি গৈ থকা সেই চাৰি পাঁচ ঘন্টা সময় নিজৰ সময়। বাহিৰৰ জগত পৰা সম্পূৰ্ণ আঁতৰত। নিজৰ মাজত নিজক বিচাৰি পোৱাৰ সময়। কিবা যেন নতুন উদ্যম এটা পালো। নিজকে নতুন নতুন যেন অনুভৱ হৈছে। একা বেঁকা পথটোদি ভিশ্বেমা পাওতে ৫ বাজি গ'ল।

ভিশ্বেমাৰ পৰা কহিমা পাওতে সন্ধ্যা ৭ মান বাজিল। আজি দেওবাৰে কহিমা বন্ধ থাকে বুলি ড্ৰাইভাৰজনে জনালে। হোটেলত সন্মুখতে সকলোকে নমালেহি। হোটেলৰ ৰুমটোৰ পৰা সকলোৱে বয়-বস্তু আৰু নিজৰ নিজৰ মটৰচাইকেলকেইখন লৈ আমি হোটেলৰ পৰা NST (Nagaland State Transport)ৰ ওচৰলৈ আহিলো। ভাত খাবলৈও এখন হোটেল নাই। প্ৰায়বোৰ বন্ধ, তাতে ১৪ জন। তেতিয়া ৰাতি প্ৰায় চাৰে আঠ বাজিল। বিচাৰি বিচাৰি অৱশেষত আৰোৱা নামৰ হোটেলখনত ভাতকেইটা খাই ৰাতি সকলো ৰাইদাৰৰ সহিতে গৃহমুখী যাত্ৰা আৰম্ভ কৰিলোঁ।

**জুকুভেলী যোৱাৰ আগত ঃ**

১) দৈনিক দুই-তিনি কিমি খোজ কঢ়াৰ অভ্যাস কৰক।
২) যদি চিগাৰেট সেৱন কৰে তেন্তে দুদিন মানলৈ ত্যাগ কৰক।

**লগত কি কি নিব ?**

১) ৰেইন কোট এযোৰ ছাতি লোৱাতকৈ বেছি সুবিধাজনক।
২) ভাল জোতা, Decatholon ১২০০ টকা মানত পাব।
৩) মোজা দুযোৰ
৪) খুকুৰী জাতীয় এখন। (প্ৰয়োজনত জংঘল কাটিবলৈ )
৫) ৰেডবুল এটা, Ors দুটা মান, বিস্কুট, Dry fruits, চকলেট

অলপ মান। Snickers কেইটা মান ল'লে বেছি ভাল।

৬) এযোৰ গৰম কাপোৰ

৭) Power bank

৮) টৰ্চ লাইট এটা

৯) চেণ্ডেল এযোৰ

১০) আপোনাৰ লগত নিয়া বেগতো বৰষুণৰ পৰা ৰক্ষা কৰিবলৈ পলিথিন জাতীয় কভাৰ লৈ ল'ব।

১১) অলাগতিয়াল বস্তু নিনিয়াই ভাল। যিমান পাৰে পিঠিৰ বেগটোত কম বস্তু লৈ যাবলৈ চেষ্টা কৰক।

**কেনেকৈ যাব—**

১) নিজৰ ব্যক্তিগত বাহন লৈ আনিলে কহিমালৈকে যাব পাৰিব। কহিমাৰ পৰা টাটা চুমু ল'ব লাগিব।

২) ব্যক্তিগত বাহন নানিলে, ডিমাপুৰলৈ বাছ বা ট্ৰেইনত আহিব লাগিব। ডিমাপুৰ পৰা কহিমালৈ গাড়ী পাই যাব। অথবা ভাড়া কৰিও যাব পাৰিব।

৩) মটৰ চাইকেল নিয়াসকলেও কহিমালৈকে যাব পাৰিব। তাৰোপৰি জুকু ভেলী যোৱা পথত জাখামাতো মটৰচাইকেল থৈ যাব পাৰে। কিন্তু নিৰাপদ ঠাই কহিমাহে। ৰিস্ক ল'ব বিচাৰিলে থৈ যাব পাৰে। গোলাঘাটৰ পৰা কহিমালৈ অহা যোৱা কৰিবলৈ ১২০০ টকাৰ ভিতৰত তেলত খৰচ হ'ব।

৪) জুকু ভেলি যাবলৈ একেবাৰে পুৱাতে ওলাব। যিমানে দেৰি কৰিব সিমানেই আপোনালোকৰ লোকচান।

৫) জুকু ভেলি যাবলৈ দুটা পথ আছে। প্ৰথমটো হৈছে জাখামা হৈ, এই পথটো যথেষ্ট ৰোমাঞ্চকৰ, থিয় থিয় শিলৰ পাহাৰ বগাব লাগিব। সময় অলপ বেছি লাগিব। ৫/৬ ঘন্টা লাগিব। দ্বিতীয় পথতো ভিচেমা হৈ, বেছি কষ্টকৰ নহয়, সময়ো কম লাগিব। ৪/৫ ঘন্টা । চুমু গাড়ীয়ে আপোনাক ভিচেমালৈকে থৈ আহিব। প্ৰথমে জাখামা, তাৰ পাছত ভিচেমা পাবা। চুমুত ৭ জন উঠিব পাৰিব। চুমুত অহা যোৱা ভাড়া ৪০০০ (চাৰি হাজাৰ) টকা ।

৬) খোজকাঢ়ি গৈ প্ৰথমে জুকু ভেলি বেচ কেম্প পাব। তাতে থকা খোৱাৰ ব্যৱস্থা আছে। তাৰ পৰা জুকু ভেলীলৈ এক/ডেৰ ঘন্টা লাগিব। আপোনালোকে বেচ কেম্পত থাকি পিচদিনা ৰাতিপুৱাই জুকুভেলী চাবগৈ পাৰে। টেন্টো ভাৰাত পোৱা যায়।

৭) জুকু ভেলীৰ পৰা অহা দিনা ৰাস্তাত নেটৱৰ্ক পাওঁতেই চুমু ড্ৰাইভাৰক ফোন কৰি আনুমানিক সময়তো কৈ থ'ব। তেতিয়া চুমুখন আগতীয়াকৈ ৰৈ থাকিব। সময়ো বাচিব।

৮) জুকু ভেলীত নেটৱৰ্ক নাপাই। বাটতহে পাব। ঠায়ে ঠায়ে। মূল ঠাইত নাপাই।

৯) প্ৰয়োজন হ'লে গাইডো নিব পাৰে। কিন্তু ইমান প্ৰয়োজন নহয়। অহৰহ দেশী বিদেশী পৰ্যটক অহা যোৱা কৰি থাকে।

১০) ডিমাপুৰ আৰু কহিমাৰ দোকান পোহাৰ দেওবাৰে বন্ধ থাকে। যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। আনকি কহিমাত তেল ডিপুও বন্ধ থাকে দেওবাৰে। অৱশ্যে কহিমা-ডিমাপুৰ অহা পথটোত তেল ডিপু খোলা থাকে। পৰাপক্ষত দেওবাৰ দিনটোত কহিমা ভ্ৰমণ পৰিহাৰ কৰি চলক।

**ক'ত ক'ত কিমান খৰচ হ'ব ঃ**

১) ILP এজনৰ ১৪০ টকা। পাচপৰ্ট ফটো দুখন আৰু ভোটাৰ কাৰ্ড অথবা ড্ৰাইভিং লাইচেঞ্চ ৰ Xerox. (পাৰিলে আগতীয়াকৈ লগত লৈ যাব, তাত ফটো তোলা আৰু Xerox অধিক টকা আৰু সময় নষ্ট হয়।)

২) ILP ৰ বাবে বৰ্তমানলৈকে Online সেৱা উপলব্ধ যদিও বৰ্তমানলৈকে কাৰ্যকৰী হোৱা নাই।

৩) ডিমাপুৰৰ পৰা কহিমালৈ ২২০ ৰ পৰা ২৫০ টকা ভিতৰত।

৪) কহিমাত হোটেলত এজনৰ ভাড়া ৫০০ পৰা ৮০০ৰ ভিতৰত।

৫) ভাত ১৫০ -২০০ ভিতৰত (আমিষ)

৬) জুকুলৈ চুমু সেৱা অহা যোৱা ৪০০০ টকা।

৭) জুকু ভেলি বেচ কেম্পত Entry fees ঃ ১০০ টকা,
মেগ্গীঃ ৬০ টকা,
লাল চাহ ঃ ৩০ টকা,
নিৰামিষ ভাত ঃ ২০০ টকা,
গাৰু ঃ ৫০ টকা,
কম্বল ঃ ৫০ টকা,
মেটৰেচ ঃ ৫০ টকা

তাৰোপৰি নিজে বনাই খাবলৈ বাচন -বৰ্তন, Sleeping bag, টেন্ট আদি ভাড়াত পোৱা যায়।

এজন মানুহে ৫০০০ টকাৰ ভিতৰতে জুকু ভেলী চাই আহিব পাৰিব। চকলেট খাই বাকলিটো আপোনাৰ লগত নিয়া বেগতটোতে ভৰাই থ'ব। জুকুভেলীত ফুলবোৰ ফুলিবলৈকে দিয়ক। ফুল চিঙিলে ৫০০০ টকা জৰিমনা ভৰিব লাগিব।



# এজন জোৱানে পত্নীলৈ বুলি লিখা ‘নীলা খামৰ চিঠি’

আকাশী গগৈ

মৰমৰ দুবৰি,

মৰম লবা। কেনে আছা তুমি? মাইনাৰ ভাল নে? মা-দেউতা ভালে আছে নিশ্চয়! তেওঁলোকলৈ মোৰ সেৱা জনাবা আৰু মাইনাক মোৰ মৰম দিবা।

তুমি চাগে মোৰে ওপৰত অভিমান কৰি আছা ন......? বেয়া নাপাবা দুবৰি, তোমাৰ বহুকেইখন চিঠি মই পাইছোঁ। উত্তৰ দিবলৈহে আহৰি পোৱা নাই অ’। আজি অকনমান সময় উলিয়াই তোমালৈ বুলি একলম লিখিবলৈ বহিছো। বেছি দীঘলীয়া কৰিব নোৱাৰোঁ। ইয়াত পৰিস্থিতি একেবাৰে বেয়া, কোন সময়ত যুদ্ধলৈ যাবলগা হয়, কোনো ঠিক নাই। কাশ্মীৰৰ ৰাজৌৰ জিলাত পাকিস্থানে পুনৰ গুলীবৰ্ষণ কৰিছে, য’ত কেইবাজনো ভাৰতীয় সেনাৰ ইতিমধ্যে ছহিদ হৈছে। তুমি চিন্তা নকৰিবা মই ভালে আছো।

বাৰু এইবোৰ এৰিছোঁ, তুমি কোনোবা এখন চিঠিত লিখিছিলা যে — তুমি বোলে বিহুৱান বৈছা? মোলৈ বুলি বিহুৱানখন বৈ গ’ল চাগৈ ন...? আৰু মাইনাই মোক বিচাৰি আমনি কৰিচে নেকি, তাইক তুমি বুজাবা। কাৰণো মন নাযায় দেউতাকৰ মৰমৰ অকনমান উম পাবলৈ...... কিন্তু মই নিৰুপায় জানা, মাইনাক মৰম দিবলৈ মই কাষত নাই। কৰ্তব্যই আপোন-পৰ একো নাচায়। কেতিয়াবা নিজৰ ওপৰত খং উঠে। কৰ্মস্থলী এৰি গুচি যাবৰ মন যায়, তোমালোকৰ কাষলৈ। কিন্তু কি হ’ব, কাশ্মীৰখনক এতিয়া আমাৰ প্ৰয়োজন। ...... এয়া আকৌ আদেশ আহিছে, যুদ্ধলৈ যাব লাগে। বেয়া নাপাবা, চিঠিখন আজিও ডাকত দিয়া নহ’ব। আজিলৈ সামৰিছোঁ। ভালে থাকা।

অ’..... আৰু এটা কথা..... এইবাৰো বিহুত ঘৰলৈ যোৱা নহ’ব। তুমি অভিমান কৰি নাথাকিবা, মোৰ বিহুৱানখন সযতনে সামৰি থবা পাছৰ ব’হাগত একেলগে দুয়ো বিহু নাচিম। মাইনালৈ পুনৰ মোৰ পৰম দিবা।

ইতি
তোমাৰ স্বামী
জোনাক



# ‘সোঁৱৰণী পৃষ্ঠাৰ মৰম’
## (এখন চিঠি)

**দুলুমণি সন্দিকৈ**

মৰমৰ জোন,

কেনে আছা তুমি। বহু দিনেই হ’ল তোমাৰ বাতৰি নোপোৱা। আজি বহু দিনৰ বিৰতিৰ পাছত তোমালৈ একলম লিখো বুলি হাতত কলম তুলি লৈছো। তুমি চাগৈ এতিয়া ব্যস্ত, তোমাৰ ব্যস্ত জীৱনৰ মেৰপাকত। কিমান দিন যে হ’ল তোমাৰ ওঁঠত অনবৰতে ওলমি ৰোৱা সেই মিচিকিয়া হাঁহিটিৰে সৈতে তোমাক নেদেখা। তোমাৰ বাৰু মোলৈ মনত পৰেনে। সোঁৱৰণীৰ গৰ্ভত লোপ পাবলৈ ধৰা আমাৰ সেই সোনোৱালী ক্ষণবোৰ তুমি বাৰু কেতিয়াবা ভাৱিবলৈ আহৰি পোৱানে। হয়তো নোপোৱা। জানানে জোন, আজি কালি মোৰ নিজকে বৰ নিঃসংগ যেন লাগে। মনৰ ভিতৰত উবুৰি খাই থকা কথাবোৰ ক’বলৈ তুমি যে কাষত নাই। সেয়ে এতিয়া কিতাপৰ সৈতে মই এক নতুন সম্বন্ধ গঢ়ি তুলিছো। মই যে অসমৰ্থ তোমাৰ স্মৃতিক দলিয়াই পেলাবলৈ। মই বাৰু পাহৰণিৰ গৰ্ভত বিলুপ্তপ্ৰায় নেকি তোমাৰ মন সাগৰত। কেতিয়াবা এই কথা ভাবিলে মোৰ বুকুখন বিষাই উঠে জানানে জোন।

তুমি যোৱাৰ পাছত কেইবাখনো চিঠি পঠালো তোমাৰ ঠিকনাত। পিছে, তুমি এখনৰো উত্তৰ



নিদিলা। তুমি চাগৈ ব্যস্ত আছিলা। আমাৰ গাঁওখন আগতকৈ যথেষ্ট সলনি হ'ল। গাঁওবুঢ়া বৰদেউতাৰ ডাঙৰজন ককাইদেউৰে চহৰলৈ গৈ খেতি কৰাৰ আধুনিক পদ্ধতিবোৰ প্ৰশিক্ষণ লৈ আহি গাঁৱৰ ৰাইজক ভালকৈ বুজাই খেতি কৰিবলৈ শিকাইছে। গাঁৱৰ মানুহবোৰ যথেষ্ট উপকৃত হৈছে। এইবাৰ আগৰ তুলনাত আমাৰো কেইমোনমান ধান বেছিকৈ পালো। আগৰ দুটা বছৰে চেচা নৈৰ বাঢ়নী পানীয়ে গাঁওখনক বৰকৈ জুৰুলা কৰিলে। এইবাৰৰ খেতিটোৱে সকলোৰে মুখত হাঁহি বিৰিঙাই তুলিছে। জানানে জোন, গাঁৱৰ মাজৰ বাঁহৰ পুথিভঁৰালটোও গাঁৱৰ ৰাইজৰ সহযোগত পকী হ'ল। প্ৰতি দেওবাৰে মই তাতে গাঁৱৰ কন-কন শিশুবোৰক কবিতা আবৃত্তি, নৃত্য, গীত আদি শিকোৱাৰ দায়িত্ব লৈছো। আমাৰ গাঁৱৰ বিহু দলটিয়ে এইবাৰ গাঁৱৰ মুকলি বিহু প্ৰতিযোগিতাত প্ৰথম স্থান পালে। কেতিয়াবা আহৰি পালে আহিবাচোন আমাৰ চেনেহৰ গাঁওখনলৈ। এবাৰ চাই যাবাহি, শৈশৱতে খোজকাঢ়ি বিদ্যালয়লৈ অহা-যোৱা কৰা বোকাময় আলিটো এতিয়া পকী হ'ল। গাঁৱৰ ৰাইজৰ সহযোগত বাঁহ-কাঠেৰে গঢ়ি উঠা শিশুসকলৰ একমাত্ৰ শিক্ষাৰ স্থল গাঁৱৰ বিদ্যালয়খনো এতিয়া চৰকাৰী হ'ল। বিদ্যালয়খনৰ পৰীক্ষাৰ ফলাফলো আগতকৈ দুগুণে ভাল গ'ল। চহৰৰ পৰা বিদ্যালয়খনলৈ অহা শিক্ষক দুজনো বৰ ভাল জানানে। ল'ৰা-ছোৱালীবোৰক বৰ মৰম কৰে। গাঁৱৰ মানুহবোৰেও তেওঁলোকক বৰ ভাল পায় গাঁৱৰ মাজৰ বৰনামঘৰৰ সন্মুখত বিশ্ব পৰিৱেশ দিৱসৰ দিনা গাঁৱৰ ৰাইজে মিলি ৰোৱা বকুল দুজোপাই বৰনামঘৰৰ জেউতী দুগুণে চৰাইছে। আমি যে আগতে খেলা পথাৰখন এতিয়া এক বিৰাট আকাৰৰ পুখুৰী হ'ল। সময়বোৰ সলনি হ'ল, সময়ৰ লগে লগে দিন, মাহ, বছৰ পাৰহৈ পৰিৱেশবোৰো সলনি হ'ল। মাথো মোৰ বুকুত তোমাৰ প্ৰতি থকা অনুভূতিবোৰহে আজিও একেই হৈ ৰ'ল জোন। তুমি চাগৈ বিৰক্তিয়ে পাইছা না! বেয়া নাপাবা দেই। বহু দিনৰ পৰা তোমাক ক'ম ক'ম বুলি বুকুত সাঁচি থোৱা কথাবোৰে আজি কলমেৰে প্ৰাণ পাই উঠিছে। ...... আজিলৈ আৰু নিলিখো দিয়া। জানানে জোন, তোমাক যে মোৰ আৰু কিমান কথা ক'বলৈ ৰৈ গ'ল। মনত মাথোঁ এটাই হেঁপাহ বান্ধি লৈ ফুৰিছো। তোমাক আকৌ এবাৰ লগ পোৱা হ'লে, নিজানত বহি অন্তহীন আবেগৰ কথা পাতি অভিমানৰ অশ্ৰুৰে তোমাৰ বুকু তিয়াই দিলোহেঁতেন। আৰু এক স্বস্তিৰ নিশ্বাস এৰি এবুকু শান্তিৰে শুই পৰিলো হয় তোমাৰ কোলাত এটি নৱ জন্মা শিশুৰ দৰে।

নিলিখো বুলিও বহুতেই লিখিলো বেয়া নাপাবা জোন। পাৰিলে চিঠিৰ উত্তৰ দিবা। লগতে ঘৰৰ সকলোটিৰে খবৰ জনাবলৈ নাপাহৰিবা দেই।

ইতি

তোমাৰ সোঁৱৰণী পৃষ্ঠাৰ মৰম

# চিঠি

প্ৰিয়মপলা চুতীয়া

প্ৰতি,

মৰমৰ নীলাভ

সাঁচতীয়া মৰমবোৰ যাচিছো, ল'বা। আশা কৰো তোমাৰ ভাল। মই ঠিকে আছো। সিদিনা মোলৈ দি যোৱা ৰঙবোৰ শেষেই হোৱা নাই। অনবৰতে থৰ লাগিছো জানা। মা-দেউতাক আমাৰ ঘৰৰ সকলোৱে বৰ ভাল পাইছে। দেউতাই যাবৰ সময়ত মূৰত হাত বুলাই যে আশীৰ্বাদ দিছিল মোক সেই আশীৰ্বাদ এতিয়াও লাগি আছে মোৰ দেহত। অনুভৱবোৰতে জী আছো। লিখিবলৈ লৈয়ো শব্দৰ অভাৱত কলমটো ৰৈ গৈছে। বিয়াৰ দিন ঠিক কৰিব অহা মাহত; ঘৰত কথা পাতি থকা শুনিছো আৰু দৌৰি আহি এয়া তোমালৈ লিখিছো। 'তুমি' আৰু 'মই'ৰ পৰা এয়া 'আমি' হোৱাৰ দিনবোৰ চাপি আহিছে। সিদিনা তোমাৰ কথা কৈ থাকোতে মোৰ মুখত ফুটি উঠা ৰং বোৰ দেখি নবৌহঁতে জোকাইছিল মই হেনো তোমাক লগত ৰাখিহে কামবোৰ কৰো আজিকালি। বাৰু বাদ দিয়া সেইবোৰ, তুমিও বাৰু অনুভৱবোৰত মোৰ দৰেই ডুবিছানে...?? শুকান পাতখিলাটো ৰং বিচাৰি পাইছানে...? সিদিনা পথাৰৰ মাজৰ দীঘল বাটটোৰে গৈ থাকোতে ৰ লাগি কিয় চাইছিলা? তোমাৰ মৰমৰ ভৰ সহিব নোৱাৰি তলমূৰ কৰিছিলো মই। অনুভৱবোৰ নতুন সুকীয়া কিবা যেন ভাল লগা। কৃষ্ণচূড়াৰ ৰঙৰ দৰেই ৰঙা হ'ব খোজো তোমাৰ সতে মই। তুমি যে লগ হোৱাৰ পৰা আজিলৈকে প্ৰতিদিনেই ৰং হৈ এসোপা ভাললগাৰে ওপচাই পেলোৱাহি মোক। সেইবাবেই ভাল পাওঁ মই তোমাক। ভাগৰত ফোপাই থকা বুকুৰ ধপ্ ধপ্নিৰ উমান লৈ মোক জিৰাবলৈ ঠাই যাচি দিছা তুমি; সুখী নহৈ পাৰি জানো কোৱা? দুখৰ হুমুনিয়াহবোৰ আতৰাই মাত্ৰ বিচাৰো এচমকা ৰং য'ত তুমি মই আমি হৈ জীৰাম। দেহটোৱে ভাগৰিবলৈ এৰিলে। এতিয়া মাথো সজীৱ সজীৱ ভাব সকলোতে। দুখৰ মদিৰাবোৰ পাণ কৰি সুখবোৰত জী উঠাৰ নতুন হেঁপাহ...। সোঁ হাতৰ আঙুলিৰ আঙঠিটোলৈ ৰ' লাগি চাওঁ... এয়া মই তোমাৰ হোৱাৰ প্ৰথমটো খোজৰ চিন। আৰু শুনা... ইয়াৰ পিছৰ সময়খিনি ভাল লগা হ'ব আমালৈ। এহ.... নকওঁ দিয়া বুকুতে থাওক.... আৰু..... আৰু ইয়াৰ পিছৰ সময়খিনিত তোমাৰ ওঁঠৰ হাঁহিটো আৰু উজ্জ্বল কৰি তোলাৰ সম্পূৰ্ণ দায়িত্ব মোৰ। শেষত বুকুৰ হেঁপাহ আৰু ভালপোৱা তোমালৈ..... আজিলৈ সামৰো, মায়ে মাতিছে তাঁতখন সম্পূৰ্ণ কৰিব লাগে সোনকালে.......।

পুন ঃ অ' এটা কথা পাহৰিছিলোৱে..... দৰামূলীয়া গামোচাখন সম্পূৰ্ণ কৰিলো আজি। মোৰ হেঁপাহবোৰ থুপ খুৱাই বৈ উলিওৱা গামোচাখন তোমাৰ কান্ধত দেখিলে অনুভৱত কঁপিম চাগে মই। বাৰু হ'ব আজিলৈ সামৰো; বৈ যাম দিয়া আমি অসীমলৈ..........।

ইতি

তোমাৰ জোনাকী



# এটি কলি দুটি পাত
## (চাহ বাগিচাৰ ডায়েৰী)

ৰাখী দত্ত শইকীয়া

'এটি কলি দুটি পাত' (Two leaves and a bud ) এটি সুন্দৰ কাব্যিক বাক্য, এবিধ মূল্যবান গছৰ পাতকেইটাৰ পৰা 'চাহ' (পানীয়) তৈয়াৰ কৰা হয়। চাহপাতৰ বৈজ্ঞানিক নাম Camellia. ইংৰাজীত Tea, হিন্দীত Chai, তামিলত Thangial, অসমত চাহ। শেহতীয়াকৈ চাহ অসমৰ পানীয় State Drink of Assam।

দক্ষিণ-পূব এছিয়াত চাহগছ জংঘলী গছ আছিল, যেতিয়ালৈকে চাহ খেতি হোৱা নাছিল। অসম, বাৰ্মা, থাইলেণ্ড, লাউচ, কম্বোডিয়া, ভিয়েটনাম আৰু দক্ষিণ চীনত চাহ গছ জংঘলত পোৱা গৈছিল। প্ৰথমতে চীনত চাহগছৰ ঔষধি গুণ থকাৰ বাবে ঔষধ হিচাপে ব্যৱহাৰ কৰিছিল, লাহে লাহে চীনত চাহখেতি আৰম্ভ হৈছিল। জাপানৰ বৌদ্ধ ভিক্ষুসকলে চীনলৈ দীক্ষা ল'বলৈ আহোতে চাহৰ গুণগত মানৰ বাবে জাপানলৈ চাহগছ লৈ গৈছিল, জাপানত প্ৰধান পানীয় হিচাপে গ্ৰহণ কৰিছিল। অসম ইংৰাজ শাসনৰ অধীনলৈ অহাৰ পিছতে অসম প্ৰাকৃতিক সম্পদেৰে যে উভৈনদী জানিব পাৰিলে। নদ-নদী, হাবি-জংঘলেৰে ভৰা অসমৰ এক আন ৰূপ। ৰবাৰ্ট ব্ৰুছ স্কটিছ পৰ্যটকজনে



মণিৰাম দেৱানক (যি অসমৰ প্ৰথমজন অসমীয়া চাহ খেতিয়ক) লগত লৈ বৈচিত্ৰতাৰে ভৰা অসমক পৰিদৰ্শন কৰি আছিল। সেই তেতিয়াই উজনিৰ এখন চিংফৌ গাঁৱৰ গাওঁবুঢ়া বচা গামৰ ঘৰত চাহপানী সেৱন কৰিছিল, সেই চাহ বাটিয়েই যেন তেওঁৰ ভাগৰুৱা দেহৰ অৱসাদ দূৰ কৰিছিল। তেতিয়াও তেওঁ এইবিধ বনৰীয়া পাতৰ বিষয়ে, ইয়াৰ ঔষধি গুণৰ বিষয়ে বচা গামক সুধিলে। বচা গামে জংঘলৰ পৰা এই গছ পাত সংগ্ৰহ কৰে বুলি জনোৱাত তেওঁ ইয়াৰ গুণগত মানৰ ওপৰত ভালকৈ পৰীক্ষা কৰাৰ কথা চিন্তা কৰি থাকোতেই মৃত্যু হৈছিল আৰু তেতিয়া তেওঁৰ ভাতৃ ছাৰলেছ ব্ৰুছে এই পাতবিধ সংগ্ৰহ কৰি কলিকতাৰ Botanical Garden লৈ পৰীক্ষাৰ বাবে পঠিয়াইছিল। এই বনৰীয়া পাত গছ হৈছে Camellia Sinersis, কিন্তু এই চাহগছৰ লগত চীনদেশীয় চাহগছৰ গুণ বেলেগ।

অসমৰ চাহ গছবোৰত বৰ কম পৰিমাণে ফুল ফুলে আৰু সেই কাৰণে চাহৰ গুটিৰ পৰিমাণ অতি কম। কিন্তু ফুল কম ফুলা আৰু গুটি কম হোৱা অসমৰ চাহপাতত ৰস বৰ বেছি আৰু ইয়াৰ দ্বাৰা চাহৰ গুণ বৰ ভাল হয়; চাহৰ বৰণ ৰঙা, সুগন্ধি আৰু সোৱাদযুক্ত হয়। আৰম্ভণিতে চীনৰ পৰা চাহৰ পুলি, গুটি, সংগ্ৰহ কৰিছিল যদিও অসমত চীনদেশীয় চাহগছে ভাল ফল নিদিলে। দাৰ্জিলিঙত চীনদেশীয় চাহগছে ঠন ধৰি উঠিল, যাৰ বাবে দাৰ্জিলিং আৰু অসমৰ চাহৰ সোৱাদ বেলেগ।

**চাহখেতিৰ সংগ্ৰামত এজন জাৰ্মান বাগিচা পৰিচালক আৰু শ্ৰমিকঃ**

আমি ইংৰাজসকলৰ প্ৰতি কৃতজ্ঞতা জনাব লাগে। কিয়নো আজি আমি চাহক লৈ, চাহ বাগিচাক লৈ গৌৰৱ কৰোঁ, ৰাজনৈতিক নেতাসকলে, গাদীত বহা চৰকাৰে, তেওঁলোকৰ ভোটবেংক চাহ বাগিচাৰ শ্ৰমিকক লৈ যি খেল খেলিব পাৰিছে, ইংৰাজসকলে চাহ বাগিচা প্ৰতিষ্ঠা নকৰাহেঁতেন অসমৰ অৰ্থনীতি, সামাজিক দৃশ্যপট সলনি হ'ল হয়।

জাৰ্মান নাগৰিক অস্কাৰ ফ্লেকছৰ 'অসম ১৮৬৪' এই গ্ৰন্থখনিয়ে অসমৰ চাহ বাগিচা, অসমৰ জনজীৱন, অসমৰ ভাষা-সংস্কৃতি, অসমৰ প্ৰাকৃতিক পৰিৱেশ, যাতায়াত, নদ-নদী, জীৱ-জন্তুসহিতে ১৯ শতিকাৰ বিৱৰণ পঢ়িবলৈ পাই অতিকৈ আনন্দিত হৈছিলো। কিয়নো এই গ্ৰন্থখনিৰ পৰাই ১৯ শতিকাৰ অসমৰ ছবি এখন প্ৰতিফলিত হৈছিল। জাৰ্মান ভাষাৰ পৰা অনূদিত এই গ্ৰন্থখনে আমাক বহুতো কথা অৱগত কৰালে। জাৰ্মান প্ৰৱাসী অসমীয়া পণ্ডিত সমাজ বিজ্ঞানী ড° চেলিম আলীয়ে জাৰ্মান ভাষাত লিখা এই মূল্যৱান গ্ৰন্থখন যদি অনুবাদ নকৰাহলে বহু কথা নজনাকৈয়ে থাকি গ'লহেতেন।

অস্কাৰ ফ্লেকছ আছিল এজন জাৰ্মান নাগৰিক। ১৮৬৪ চনত তেওঁ অসমৰ ইষ্ট ইণ্ডিয়া কোম্পানীত এছিষ্টেন্ট মেনেজাৰ হিচাপে কামত যোগদান কৰি অসমলৈ আহিছিল। জীৱন যুদ্ধৰ সংগ্ৰামত অসমৰ সেমেকা জলবায়ুত তিষ্ঠি থাকি চাহ বাগিচা সম্প্ৰসাৰণ আৰু চাহখেতিৰ প্ৰাৰম্ভিক যি সমস্যা, শ্ৰমিকক লৈ যি সুবিধা-অসুবিধা, স্থানীয় মানুহৰ লগত সদ্ভাৱ আৰু সেই সময়ত চাহপাত বিক্ৰীক লৈ সন্মুখীন হোৱা সমস্যা, চাহ কোম্পানীবোৰৰ লাভ-লোকচানৰ এক সুন্দৰ আলোকপাত কৰি থৈ গৈছে।

ব্ৰিটিছ শাসনকালতে চাহখেতিৰ যি ঐতিহাসিক তথা যুগান্তকাৰী অৱদান ব্ৰিটিছে অসমক দি থৈ গৈছিল; যি সংগ্ৰাম গঢ়ি গৈছিল, আজিও সেই সংগ্ৰামৰ যতি পৰা নাই। অস্কাৰ ফ্লেকছৰ লেখাৰ পৰাই গম পোৱা যায় যে প্ৰথমতে চাহখেতি কৰাটো ইমান সহজ নাছিল, অসমৰ মাটি, জলবায়ু যদিও চাহখেতিৰ বাবে উপযোগী আছিল ব্ৰিটিছ চাহ খেতিয়কসকলে বহুতো কষ্ট কৰিবলগীয়া হৈছিল।

অস্কাৰে প্ৰথম যিদিনাখন যেতিয়া বাগিচাৰ বৰ চাহাব মি অৰ্ল্ডহেম (তেতিয়াৰ লম্বাটিং, বৰ্তমান ডফলাটিং, তিতাবৰ)ক লগ ধৰিছিল, মি অল্ডহেমৰ ব্যক্তিত্বই তেওঁক মোহিত কৰিছিল। এজন আছিল ব্ৰিটিছ আৰু আনজন আইছল জাৰ্মান। ইউৰোপৰ দুয়োটা জাতিয়ে ভিন্ন ধৰণৰ, এটা যদি ঔপনিৱেশিক, আনটো নিজস্ব সংস্কাৰ-ভাষাক লৈ গৌৰৱ কৰা বিধৰ। মি অৰ্ল্ডহেমক লগ পাইহে অস্কাৰে বুজিলে আৰু খবৰ কাগজত লিখাৰ দৰে সম্পূৰ্ণ বিপৰীত। সেই খবৰ কাগজবোৰৰ মতে অসমলৈ অহা ইউৰোপীয়বোৰ জগতৰ লাভখোৰ দল। দুঃসাহসিক আৰু অনৈতিক পদ্ধতিৰে ধন ঘটিবলৈ বিচাৰে, যি নেকি মাতাল হে মজদুৰক অত্যাচাৰ কৰে।

সৰ্বসাধাৰণৰ মনত সেই তাহানি দিনৰ লগতে আজিও মানুহে মনত এটা ভ্ৰান্ত ধাৰণা পুহি ৰাখিছে যে যিমানেই ডাঙৰ চাহ বাগিচা সিমানেই বেছি চাহগছ, বেছি চাহপাত আৰু তাৰপৰা হোৱা লাভ। এয়া হ'ল সাধাৰণ অংক আৰু ধাৰণা। কিন্তু বাস্তৱত পৰিণত কৰাৰ বাবে উপযোগী আহিলা কম। অৰ্থাৎ পইচা আৰু মজদুৰৰ সমস্যা।

অস্কাৰে তেওঁৰ অধ্যয়ন অনুসৰি ধাৰণা কৰিছিল যে, চাহখতি বৰ্তমান আটাইতকৈ লাভজনক উদ্যোগ আৰু আমদানি কৰি অনা মজদুৰৰ পৰিমাণো যথেষ্ট। কিন্তু মি. অৰ্ল্ডহেমে অস্কাৰক সেই সময়ৰ বাস্তৱ ছবিখন দাঙি ধৰি কৈছিল— 'সেয়া বাহিৰৰ খবৰৰ কথা, অসমৰ আচল অৱস্থাৰ কথা সিঁহতে নাজানে, চাহখেতিত লাভ আছে, যদিহে অতি কম সময়তে অতি বেছি লাভ কৰাৰ কথা চেষ্টা কৰা নহয়। চাহখেতিৰ ভ্ৰম বা চাহ খেতিৰ পাগলামিয়ে

বৰ্তমান ইয়াৰ শীৰ্ষস্থান পালেগৈ আৰু এতিয়া আমি এক ভয়ানক আৰ্থিক বিপৰ্যয়ৰ সন্মুখীন হ'ম। চাহখেতিৰ বাবে কোম্পানী আৰু প্ৰাইভেট চাহখেতিয়কে চৰকাৰৰ পৰা হাজাৰ হাজাৰ হেক্টৰ মাটি লৈছে। কিন্তু ইয়াৰ খুব কম মাটিতহে চাহ গছ ৰুব পৰা যায়। যিবোৰ ঠাইত বহু পৰিমাণে পইচা খৰচ কৰি চাহ গছ ৰোৱা হ'ল, সেই গছবোৰৰ পৰা চতুৰ্থ বছৰৰ আগেয়ে পাত তুলিব নোৱাৰি। চাহগছবোৰ ৰোৱাৰ পিছত ইয়াৰ যত্ন লোৱা খুবেই আৱশ্যক। কিন্তু ইয়াৰ বাবে আমাৰ মজদুৰৰ অভাৱ, যিবোৰ অসমীয়াই এই কাম কৰিব বিচাৰে, সিহঁতৰ সংখ্যা খুবেই কম। সিহঁতে বৰ্তমান সুলভ অৱস্থাত প্ৰায় স্বাধীনভাৱে থাকে। আমদানি কৰি অনা মজদুৰৰ বাবে খৰচ বৰ বেছি আৰু ইয়াৰ তুলনাত লাভ বিশেষ নহয়। এই মজদুৰবোৰে ইয়াৰ হাৱা-পানীৰ সৈতে মিলিবৰ বাবে আৰু কামৰ উপযোগী হ'বৰ বাবে এবছৰ সময় লয় আৰু এই সময়খিনিতে ইহঁতৰ তিনিভাগৰ দুভাগ মৰি থাকে, অৰ্থাৎ ১০০ জন আমদানি কৰি অনা মজদুৰৰ ৬৩ জনেই প্ৰথম বছৰতেই মৃত্যুবৰণ কৰে। বাকী জীৱিতবোৰে কাম শিকি ভালদৰে কাম কৰিব পৰা হোৱালৈকে সিহঁতৰ কামৰ চুক্তি অন্ত পৰে। আমি আৰম্ভণিৰে পৰা এই প্ৰথা পুনৰাবৃত্তি কৰিব লাগে। কাম চলাই যাবৰ বাবে আমি অতিমাত্ৰা সুদ দি আৰু শস্যৰ আগধন লৈ খৰচবোৰ বহন কৰো। চাহৰ উৎপাদন বঢ়াবৰ বাবে এই অৱস্থাত চাহৰ কোৱালিটিৰ ঠাইত ইয়াৰ পৰিমাণৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হয় আৰু ফলস্বৰূপে চাহৰ মান কমে, অৰ্থাৎ বেয়া চাহত ভাল দাম পোৱা নাযায়।'

মি অৰ্ল্ডহেমৰ কথাৰ পৰাই জানিব পৰা যায় যে চাহ বাগিচাৰ খেতিয়কসকলে কেনেধৰণৰ সমস্যাৰ সন্মুখীন হ'ব লগাত পৰে। বাগান চলোৱাতো কিমান কষ্টৰ কাম উপলব্ধি কৰিব পাৰি। ইয়াকো জানিব পাৰি মি অৰ্ল্ডহেমে, অস্কাৰ ফ্লেকছৰ নিচিনা মৰমিয়াল মেনেজাৰ সেই সময়তো আছিল। সকলো মেনেজাৰ বা মালিকে কাঢ়া শাসন কৰিব লগাত পৰিলেও তেওঁলোকৰ অন্তৰখন হৃদয়হীন নহয়।

অস্কাৰ ফ্লেকছ যেতিয়া অসমলৈ আহিছিল, মধ্য ভাৰতত থাকোঁতেই হিন্দী আৰু উৰ্দু শিকি আহিছিল। যাৰ বাবে তেওঁ অতি সহজে মহৰী-বনুৱাৰ লগত জাৰ্মান হৈও অসুবিধাৰ সন্মুখীন হোৱা নাছিল। টেঙামৰা এতিয়াৰ চকীটিং বাগিচাত তেওঁ কৰ্মজীৱন আৰম্ভ কৰিছিল আৰু এজন ভাল মেনেজাৰৰূপে প্ৰতিষ্ঠিত হৈছিল। তেওঁ বুজিব পাৰিছিল এই বনুৱাসকলৰ পৰা কাম আদায় কৰিববলৈ হ'লে তেওঁলোকৰ মাজৰ এজন বন্ধু হৈ উঠিব লাগিব। অস্কাৰ ফ্লেকছে কৈছে — "দিনক দিনে মোৰ ইয়াত কাম কৰি ভাল লগা হৈছে। এই নিৰ্জন অকলশৰীয়া ঐশ্বৰ্যপূৰ্ণ প্ৰকৃতিয়ে মোক উদ্যম, মনত সাহস, আৰু শাৰীৰিক অৱস্থাৰ ক্ৰমোন্নতি ঘটাইছে। মজদুৰৰ সৈতে মোৰ সম্বন্ধ বেছি ভাল। বাঙালী মজদুৰবোৰে ভাবে যে মই সিহঁতৰ দেশৰ মানুহ আৰু সিহঁতৰ ফলীয়া, অসমীয়া আৰু কছাৰীবোৰে মোৰ বিপক্ষে একো প্ৰদৰ্শন নকৰে, তদুপৰি মই দ্বিতীয় কেৰাণীৰ পৰা প্ৰত্যেক সন্ধিয়া অতি হেঁপাহেৰে অসমীয়া শিকাৰ পাঠ লওঁ। এই কথাত সিহঁতে বৰ ভাল পায়। সন্ধিয়া যেতিয়া কামবোৰ শেষ হৈ যায়, শীতল বতাহ বলে, মই মজদুৰবোৰৰ লাইনত গৈ মই সিহঁতৰ বাৰাণ্ডাত বহি আড্ডা মাৰো, সিহঁতৰ দেশৰ কাহিনী শুনো। ল'ৰা-ছোৱালীবোৰক গান গাবলৈ কওঁ আৰু সিহঁতৰ দৈনিক সুখ-দুখৰ ভাগ লওঁ।"

অস্কাৰ ফ্লেকছে আৰু এঠাইত লিখিছে — সেয়া আছিল ১৮৬৫ চনৰ ফেব্ৰুৱাৰী মাহৰ আৰম্ভণি, যেতিয়া সুদূৰ কলিকতাৰ পৰা আমাৰ বৰ্ড অব্ ডাইৰেক্টৰছ মি বছ আমাৰ বাগান চাবলৈ আহিছিল। ফেক্টৰী, বাগান, কাগজ-বহীৰ হিচাপ-পত্ৰ আদি দেখি খুবেই সন্তুষ্ট হ'ল। বিশেষকৈ মজদুৰ আৰু বাগানৰ পৰিচালকৰ সৈতে গঢ়ি উঠা সম্পৰ্ক, বিশ্বাস, ভৰসা আৰু পৰস্পৰক বৰ বেছিকৈ প্ৰশংসা কৰিলে, আমাৰ মেনেজাৰ মি অৰ্ল্ডহমে ইংলেণ্ডলৈ যোৱাৰ আগেয়ে মই তেওঁৰ সমগ্ৰ শিৱসাগৰ জিলাত থকা একমাত্ৰ প্ৰকাণ্ড পিয়ানোটো কিনি ৰাখিছিলো। মোৰ সেই জহি যোৱা বাংলোত সেই প্ৰসিদ্ধ Broadwood and Son ৰ পিয়ানোটো দেখি মি বছে এই বিষয়ে জানিবলৈ অতি উৎসাহিত হ'ল।

'মই এই পিয়ানোত মজদুৰবোৰৰ সন্মুখত Mozart আৰু Beethoven বজাই শুনাওঁ, মি বছক মই গৌৰৱেৰে কলো।' দেওবাৰৰ দিনটো চৰকাৰী বন্ধ যদিও বাগিচাত সেই দিনটো বন্ধ নথকাত শ্ৰমিকসকলৰ বাবে বহুত অসুবিধা হয়, অস্কাৰ ফ্লেকছে মেনেজাৰ মি অ'ল্ডহেমক দেওবাৰৰ দিনটো ছুটী দিবলৈ অনুৰোধ কৰিলে। তেওঁ কাৰণ দেখুৱালে মজদুৰবোৰক দিনে-ৰাতিয়ে মেচিনৰ দৰে কামত লগোৱাৰ কাৰণেই ঘৰ, কাপোৰ আদিত পৰিষ্কাৰ-পৰিচ্ছন্নতা কৰাৰ কোনো সময় নাপায়, সেই জঘন্য অৱস্থাতে কাম কৰি ফুৰে। নতুবা বেমাৰত পৰে। যদিহে সপ্তাহ এটা দিন অৰ্থাৎ দেওবাৰটোত কামৰ ছুটী দিবপৰা যায়, নিশ্চয় সিহঁতৰ জীৱনলৈ এটা ভাল পৰিৱৰ্তন আহিব, স্বাস্থ্যৱান হ'ব আৰু লগতে বাগিচাৰো অধিক উন্নতি হ'ব। টেঙামৰা চকীটিং এখন সৰু বাগিচা; য'ত এই দেওবাৰৰ ছুটীৰ দিনটো সীমিত আৰু পৰীক্ষামূলকভাৱে কৰাৰ অনুমতি বিচাৰিলো। বহু ভবা-গুণা কৰাৰ পিছত তেওঁ মোক অনুমতি দিলে আৰু লগতে ক'লে অহা বছৰ তেওঁ ঘূৰি আহিব, তেতিয়া তেওঁ ইয়াৰ সফলতাৰ হিচাপ ল'ব।

অস্কাৰে তেওঁ বাগিচালৈ ঘূৰি আহি যেতিয়া দেওবাৰৰ দিনটো বন্ধৰ দিন ঘোষণা কৰিলে, মজদুৰকলে উল্লাসতে নাচ-বাগ কৰিলে। তেতিয়া তেওঁ সিহঁতক ক'লে— 'দেওবাৰে বন্ধ, কাম কৰিব নালাগে, ইয়াৰ অৰ্থ যে মদ খাই শুই থাকিবি বা কাজিয়া কৰিবি বৰঞ্চ সেই দিনটো ঘৰ-বাৰী চাফা কৰা, কাপোৰ ধোৱা, গা ধোৱা, স্বাস্থ্যৰ প্ৰতি যত্ন লোৱা, আৰাম কৰা, অহা ছটা দিনত কৰিব লগা কামৰ বাবে শক্তি যোগাৰ কৰা, যদিহে কোনোৱে এই কাম কৰা নাই, তেওঁক দেওবাৰৰ দৰমহা কটা হ'ব আৰু দ্বিতীয়টো দেওবাৰত কোনোবাই পুনৰ কথা নামানিলে তেওঁক আকৌ কামলৈ পঠোৱা হ'ব। বিনা দৰমহাৰে কাম কৰিব লাগিব।' এনে এজন মহান মানুহক পৰিচালক হিচাপে পাই টেঙামৰা (চকীটিং) বাগিচাৰ মজদুৰসকলে এজন পিতৃপুৰুষ বুলি আখ্যা দিছিল। তেওঁ যেতিয়া প্ৰমোশ্যন পাই লম্বাটিং (ডফলাটিং) বৰ মেনেজাৰ হৈছিল, তেতিয়া মজদুৰসকলে বহুত দুখ কৰিছিল। কিয়নো তেওঁলোকক এৰি অস্কাৰ চাহেব গুচি যাব।

অস্কাৰ ফ্লেকছৰ অসম ১৮৬৪ চনৰ গ্ৰন্থখনেই যেন অসমৰ বাগিচাৰ ইতিহাস জনাই থৈ গৈছিল। তেওঁ কাম কৰা বাগিচাখন বৰ্তমানৰ গোলাঘাট জিলাতেই আছিল, যাৰ নাম বৰ্তমান চকীটিং চাহ বাগিচা। কাকডোঙাই ভাগ কৰা গোলাঘাট-যোৰহাটৰ সীমাতে ডফলাটিং চাহ বাগিচা। গতিকে আমি সেই ১৯ শতিকাৰ গোলাঘাটৰ, যোৰহাটৰ বিষয়ে জানিব পাৰিলো। যিখন গ্ৰন্থ অসমৰ সকলো গ্ৰন্থপ্ৰেমীয়ে পঢ়া উচিত।




# সংবাদ মাধ্যমো হ'ব পাৰে আকৰ্ষণীয় কেৰিয়াৰ

**দ্বীপেন কুমাৰ বৰা**

সংবাদ মাধ্যমৰ সৃষ্টি কেনেদৰে ক'ত আৰু কেতিয়া হৈছিল ইতিহাসৰ পৃষ্ঠাত ইয়াৰ সঠিক তথ্য আৰু ব্যাখ্যা পাবলৈ নাই। মানুহে ইজনে সিজনৰ ভাব অনুভূতিক আদান-প্ৰদান কৰিবলৈ ইংৰাজীত যাক কোৱা হয় Communicate কৰাৰ যি ব্যৱস্থাৰ সৃষ্টি হৈছিল তাৰ বহুল প্ৰচাৰৰ ব্যৱস্থাটোৱে পৰৱৰ্তী সময়ত গণমাধ্যমৰূপ ল'লে। উল্লেখ্য যে সাংবাদিকতাৰ শুভাৰম্ভণিৰ প্ৰামাণিক সম্ভেদ নাথাকিলেও নাৰদকে পৃথিৱীৰ আদিতম বাৰ্তাবাহকজন বুলি গণ্য কৰি অহা হৈছে। সাংবাদিকতাৰ আৰম্ভণিৰ ইতিহাস ধূসৰ যদিও ইয়াৰ ক্ৰমবিকাশ কিন্তু অত্যন্ত দ্ৰুত আৰু গতিশীল। সম্প্ৰতি সংবাদ মাধ্যম অতি জনপ্ৰিয়তা আৰু ঈৰ্ষণীয় বৃত্তি হিচাপে পৰিগণিত হৈছে। সাম্প্ৰতিক কালত সমগ্ৰ বিশ্বতে সাংবাদিকতা (Journalism), গণসংযোগ (Mass Communication) অথবা গণমাধ্যম অতি জনপ্ৰিয় আৰু আকৰ্ষণীয় বৃত্তি হৈ পৰা বাবেই সাংবাদিকতাৰ ক্ষেত্ৰখনলৈ নবীন প্ৰজন্মৰ একপ্ৰকাৰৰ সোঁত বৈছে বুলি কলেও বঢ়াই কোৱা নহ'ব। এই আগমন সাংবাদিকতাৰ বাবে উৎসাজনক যদিও বাচ-বিছাৰ নোহোৱা এচামৰ আগমনে সংবাদ ক্ষেত্ৰখনক কলংকিত কৰিছে। এনে শংকা আৰু দুৰ্ভাৱনাৰ মাজতো আশাৰ সম্ভাৱনা সঞ্চাৰ কৰা খবৰটো হ'ব প্ৰতিভাৱান যুৱক-যুৱতী সাংবাদিকতাৰ প্ৰতি ধাৱিত হৈছে। এইসকল নবীন সাংবাদিকে গণতন্ত্ৰক শক্তিশালী কৰাত অৰিহণা যোগোৱাৰ লগতে সংবাদ মাধ্যম অথবা গণমাধ্যমক সেৱাৰ পৰিৱৰ্তে বৃত্তিলৈ পৰিণত কৰিছে। এই আশাব্যঞ্জক খবৰে সাংবাদিকতাৰ প্ৰতি আকৰ্ষিত কৰি তুলিছে বহু প্ৰতিভাধৰক। এনেকুৱাও কিছুলোক সাংবাদিকতাত আছে যি ক'তো একো উপায় কৰিব নোৱাৰি যিকোনো প্ৰকাৰে সাংবাদিকতাৰ পৰিচয় পত্ৰখন লৈ পৰিচয়পত্ৰখনকে জীৱন আৰু জীৱিকাৰ হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰিছে। অপ্ৰিয় হ'লেও ই একেবাৰে সত্য। এনেধৰণৰ নিৰাশাজনক কথাই কিছুলোকক হতাশ কৰিলেও নিৰাশাৰ কাৰণ

নাই। প্ৰতিটো বস্তুৰে ভাল আৰু বেয়া দুয়োটা দিশ এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠিৰ দৰে। গ্ৰহণ কৰোঁতাৰ ওপৰত নিৰ্ভৰ কৰিব তেওঁ কোনটো দিশৰ প্ৰতি আগ্ৰহী।

সাংবাদিকতাৰ সাম্প্ৰতিক পৰিৱেশ আৰু পৰিস্থিতি যিদৰে সলনি হৈছে প্ৰকৃতাৰ্থতে জ্ঞান আৰু প্ৰজ্ঞাৰ আলোকেৰে আলোকিত হ'ব নোৱাৰাজন সংবাদক্ষেত্ৰত অথবা গণমাধ্যমত তিস্তি থকাটো একেবাৰে সম্ভৱ নোহোৱা হৈ পৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভুতপূৰ্ব উন্নয়নে সংবাদ বা গণমাধ্যমক বিদ্যুত গতিত পৰিৱৰ্তন সাধিছে। ছপা আখৰৰ পৰা ৰেডিঅ' টেলিভিছনলৈ পৰিৱৰ্তিত হোৱা গণমাধ্যমত ইণ্টাৰনেটৰ সংযোজনে অসম্ভৱকো সম্ভৱ কৰি তুলিছে। এই পৰিৱৰ্তনৰে Magic, Miracle আৱিষ্কাৰ আমি হাতে হাতে লৈ ফুৰা মোবাইলটোৱে পৃথিৱীখনকে সংকুচিত কৰি তুলিলে। পকেটত লৈ ফুৰা সৰু মোবাইলটোত Google নামৰ পাঁচটা আখৰৰ সমষ্টি শব্দটো Search কৰাৰ লগে লগে বিশ্বব্ৰহ্মাণ্ডখন চকুৰ আগত ভাঁহি উঠা সময়ত Whatsahp, facebook, twitter, youtube ৰ সৃষ্টিয়ে সংবাদ মাধ্যমক ঈৰ্ষণীয় জনপ্ৰিয়তা দিয়াই নহয় গণমাধ্যমক আৰু অধিক শক্তিশালী কৰি তুলিছে। গণতান্ত্ৰিক দেশ এখনত গণমাধ্যমে জনমত গঠন কৰাত কিমান শক্তিশালী ভূমিকা পালন কৰিব পাৰে 'কা' আন্দোলনৰ সময়ছোৱাৰ কথা লক্ষ্য কৰিলে ইয়াৰ উমান পোৱা যাব। 'কা' আন্দোলনৰ সময়ত গণমাধ্যমৰ শক্তিত ত্ৰস্তমান গণতান্ত্ৰিক চৰকাৰখনে দীৰ্ঘদিনৰ বাবে ইণ্টাৰনেট সেৱা কৰ্তন কৰিবলগীয়া হৈছিল। গণতন্ত্ৰ অথবা গণতান্ত্ৰিক দেশ বা ৰাজ্য এখনৰ উত্থান আৰু পতনত গণমাধ্যমৰ ভূমিকা বুজাবলৈ ইয়াৰ বেছি উদাহৰণ দাঙি ধৰাৰ নিশ্চয় প্ৰয়োজন নাই। সেয়ে হয়তো আব্ৰাহাম লিংকনে কৈছিল Democracy is the government of the people, by the people and for the people। লিংকনৰ সেই সোণসেৰীয়া কথাৰ আঁত ধৰি কোৱা হয় গণতন্ত্ৰত ৰাইজেই ৰজা।

এখন গণতান্ত্ৰিক দেশত কাক ৰজা পাতিব কাক নাপাতিব তাৰ গুৰি বঠা ৰাইজে ধৰি আহিছে। আমাৰ দেশ ভাৰতবৰ্ষও এখন বৃহৎ গণতান্ত্ৰিক গণৰাজ্য। আমাৰ দেশতো সংবাদ মাধ্যমে বহু সময়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। দেশৰ বিপৰ্যয়ৰ সময়ত জনতাক সংগঠিত কৰাত সাংবাদিকতা অথবা গণমাধ্যমসমূহে শক্তিশালী ভূমিকা পালন কৰি আহিছে। আজিৰ প্ৰেক্ষাপটতত সংবাদ মাধ্যমক দমন আৰু প্ৰলোভনেৰে ইয়াৰ স্বাধীনতা বহুক্ষেত্ৰত খৰ্ব কৰা হৈছে। বহু সময়ত চৰকাৰৰ ভুল-ত্ৰুটিসমূহ আঙুলিয়াই দিয়া সংবাদ মাধ্যমৰ ওপৰত দমনমূলক নীতিৰে তেনে চৰকাৰ আৰু প্ৰশাসনে গণতান্ত্ৰিক ব্যৱস্থাটোৰ প্ৰতি অশনি সংকেত কঢ়িয়াই আনিছে। এনে প্ৰত্যাহ্বানৰ মাজতো দেশ আৰু জাতিৰ স্বাৰ্থত বহু সাংবাদিকে স্বাভিমানেৰে সংবাদ আৰু সাংবাদিকতাৰ জগতখন আগবঢ়াই লৈ গৈছে। ইণ্টাৰনেটৰ আৱিষ্কাৰে এইসকল সাংবাদিকক আৰু অধিক শক্তিশালী কৰি তুলিছে। চৰকাৰৰ হেঁচাত মূল সুঁতিৰ সংবাদ মাধ্যমৰ পৰা আঁতৰাই পঠোৱা বহু প্ৰখ্যাত সাংবাদিকে ইণ্টাৰনেটৰ জৰিয়তে নিজাববীয়াকৈ গঢ়ি তোলা সংবাদ ক্ষেত্ৰখনে তেওঁলোকক আৰ্থিক, মানসিক আৰু ৰাজনৈতিকভাবে শক্তিশালী কৰি তুলিছে। মুঠৰ ওপৰত এটা কথা নিশ্চিত যে হাজাৰ প্ৰত্যাহ্বানৰ মাজতো সংবাদ তথা সামগ্ৰিকভাবে সমগ্ৰ গণমাধ্যমটোৱে আজি বেছ জনপ্ৰিয়তা লাভ কৰি অধিক শক্তিশালী ৰূপ লৈছে। জনপ্ৰিয়তাৰ সমানে গ্লেমাৰসৰ্বচ্চ গণমাধ্যমক আজিৰ প্ৰজন্মই কেৰিয়াৰ হিচাপে গঢ়ি তোলাৰ পৰিৱেশ গঢ় লৈ উঠিছে। ফলস্বৰূপে এই দিশৰ প্ৰতি ধাউতি থকা বহু প্ৰতিভাবান মেধাসম্পন্ন যুৱক-যুৱতী সংবাদ মাধ্যমৰ প্ৰতি আকৰ্ষিত হবলৈ লৈছে। বহু প্ৰতিভাধৰে স্বকীয় প্ৰতিভা আৰু সাধনাৰে সাংবাদিকতাক বৃত্তি হিচাপে গ্ৰহণ কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ লগতে বহু সা-সুবিধাৰে আৰ্থিকভাৱে সচল জীৱন অতিবাহিত কৰা দেখা গৈছে। এই চুটি লেখাত উদাহৰণসহ লিখা সম্ভৱ নহয়। কিন্তু এই দিশত ভূ-ৰখাজনে নিশ্চিতভাবে জানে অথবা জনাৰ আগ্ৰহীসকলে ইয়াৰ বহু তথ্য অনায়াসে উলিয়াই ল'ব পাৰিব। এনেবোৰ দিশৰ পৰা এটা কথা নিশ্চিত যে নবীন প্ৰজন্মৰ বাবে আজি গণমাধ্যম অথবা সংবাদ মাধ্যম সেৱা হৈ থকা নাই সংবাদ মাধ্যম অথবা সাংবাদিকতা অতি আকৰ্ষণীয় কেৰিয়াৰ হৈ উঠিছে। য'ত শেহতীয়াকৈ সংযোজন ঘটিছে জনপ্ৰিয়তা আৰু গ্লেমাৰৰ সামান্তৰাল ভাৱে অৰ্থনৈতিক স্বাৱলম্বীতাৰ। এই দিশত আগ্ৰহী ছাত্ৰ ছাত্ৰীক প্ৰয়োজনীয় শিক্ষা আৰু অভিজ্ঞতাৰ পুষ্ট কৰি তুলিবলৈ ৰাষ্ট্ৰীয় আন্তঃৰাষ্টীয় প্ৰেক্ষাপটৰ লগতে আমাৰ ৰাজ্যখনতো বহুতো Mass Communication তথা সাংবাদিকতা শিক্ষাৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান গঢ়লৈ উঠিছে। আগ্ৰহীসকলক এই দিশত নিশ্চিতভাৱে Google ইণ্টাৰনেটে সহায় কৰিব। তদুপৰি সাংবাদিকতাত নিষ্ঠাৰে জড়িতসকলেও নবীন চামক সঠিক পথেৰে আগুৱাই নিয়াত অত্যন্ত আগ্ৰহী। জ্ঞান আৰু প্ৰজ্ঞাৰ সাধক প্ৰতিভাধৰ সকল আগবাঢ়ি আহিলে কেৱল সংবাদ মাধ্যমে যে শক্তিশালী হ'ব এনে নহয়, শক্তিশালী গণতন্ত্ৰ বৰ্তাই ৰখাটো তেওঁলোকৰ অৱদান চিৰস্মৰণীয় কৰিব পাৰিব। প্ৰয়োজন হ'ব জ্ঞান আৰু প্ৰজ্ঞাৰ লগতে বৃত্তিটোৰ প্ৰতি নিষ্ঠা আৰু সততা।



# কবিতা হওক এটা জাতিৰ সত্ত্বা

**প্ৰাৰ্থনা শইকীয়া**

বিশ্বৰ প্ৰথম কবিতা বুলি আদি কবি বাল্মিকীৰ মুখেৰে নিগৰিত 'মা নিষাধ প্ৰতিষ্ঠাং ত্বম গমঃ শাশ্বতী গমা যৎক্ৰোঞ্চ মিথুনাদেক মাধৱীঃ কাম মহিতম'ক আজিও বিশ্বৰ সৰহসংখ্যক পণ্ডিতে মত পোষণ কৰি আহিছে। কবিতাৰ সৃষ্টি হয় কবিৰ আন্তৰিক অনুভূতিৰ পৰা। এই অনুভূতিবোৰ কেতিয়াবা নিগৰি আহে কবিৰ প্ৰেম, ঘৃণা, সৃষ্টিৰ আদিম বাসনা আদিৰ পৰা।

অনুভূতি অবিহনে কোনোকালে কেতিয়াও কবিতাৰ সৃষ্টি হোৱা নাই, হবও নোৱাৰে। কবিৰ অনুভূতিখিনিক কাব্যিকতাৰে আংগিক ৰূপত চিত্ৰকল্প আৰু ব্যঞ্জনাসমৃদ্ধ কৰিব পাৰিলেই ই কবিতা হৈ পৰে।

কবিতাৰ অগ্ৰগতি আৰু ইয়াৰ প্ৰতি মানৱ সমাজৰ আগ্ৰহ আজিৰ নহয়। যেতিয়া লিপিৰ আৱিস্কাৰ হোৱা নাছিল, তেতিয়াও কবিতাৰ প্ৰচলন আছিল। মানুহে কথা-বতৰা পাতিছিল কবিতাৰ ৰূপত আৰু এনেদৰে মুখ বাগৰি কেতিয়াবা সেইবোৰে বিকৃত ৰূপ লোৱাও দেখা গৈছিল।

ছন্দযুক্ত পদ্যৰ পৰা গতি লৈ আজিৰ কবিতাই উত্তৰ আধুনিক ৰূপত আত্মপ্ৰকাশ কৰিছে। ইয়াৰ গঠন আৰু শৈলীও দেশভেদে সুকীয়া হৈ পৰিছে। জলবায়ু, ভৌগোলিক পৰিসীমা, জীৱন ধাৰণাৰ মান, সমাজ জীৱনৰ গাঁথনি আদিয়েও কবিতাৰ দিশ নিৰ্ণায়কৰ ভূমিকা পালন কৰা দেখা গৈছে।

কবিতা হওক জীৱন-জীৱিকা আৰু এটা জাতিৰ দাপোন। আমি ভাৰতীয় সংস্কৃতিৰ লগত সংপৃক্ত আৰু সেইবাবেই বহু অনৈক্যৰ মাজতো আমি বিচাৰি পাওঁ ঐক্যৰ বান্ধোন। আমি যেন একো একোজন আমি ভাৰতীয় সংস্কৃতিৰ পূজাৰী। বৃহত্তৰ ভাৰতীয় প্ৰেক্ষাপটত প্ৰথম কবিতাৰ সৃষ্টি হৈছিল সংস্কৃত ভাষাত। আনহাতে অসমীয়া ভাষাৰ প্ৰথমফাঁকি কবিতা বিচাৰিবলৈ গলে আমি বিশ্লেষণ কৰিবলগীয়া হয়। অসমীয়া ভাষাই লিপিবদ্ধ ৰূপ পোৱাৰ আগতেই কবিতাৰ প্ৰচলন আছিল, মুখে মুখে বাগৰি অহা আইনাম, ধাইনাম আৰু বিহুগীতৰ জৰিয়তে। কিন্তু ইয়াত অসুবিধাৰ সন্মুখীন হ'ব লগা হয়, কিয়নো যিকোনো সাহিত্যৰ বুৰঞ্জীৰ কথা ক'বলৈ গ'লেই প্ৰয়োজন হৈ উঠে এটা ভাষাৰ লিপিবদ্ধ ৰূপৰ আৰু লোক সাহিত্যৰ। এইক্ষেত্ৰত আমাক বিশেষ সহায় কৰিব নোৱাৰে। অৱশ্যে মুখে মুখে বাগৰি অহা লোক-সাহিত্যই অসমীয়া সাহিত্যক বিশেষকৈ কবিতাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক ভূমিকা লোৱা নাছিল বুলি পোনচাটেই কোৱাটো সমীচীন নহ'ব। অসমীয়া কবিতাৰ বিকাশৰ ক্ষেত্ৰত অসমীয়া লোক সাহিত্যৰ উল্লেখযোগ্য ভূমিকা আছিল বুলি স্বীকাৰ কৰিবই লাগিব।

কবিতা যি ৰূপতেই লিপিবদ্ধ নহওক কিয়, ই হওক এটা জাতিৰ নেতৃত্ব। যি নেতৃত্বই জাতিটোক প্ৰদান কৰিব মান-মৰ্যাদা আৰু ঐশ্বৰ্য। কবিতা হওক মানৱ জাতিৰ সংগ্ৰামৰ হাতিয়াৰ, ভোকৰ ভাত আৰু জন্মগত অধিকাৰ সাব্যস্ত কৰাৰ সম্বল। আন্ধাৰৰ পৰা পোহৰলৈ নিয়াৰ বাট, সম্পদ।

অসমীয়া কবিতাই তেতিয়াহে জগত সভাত ঠাই পাব, যেতিয়া অসমীয়া কবিতা অসমীয়া জাতিৰ-জাতীয় সত্তা, জাতীয় গৌৰৱ, জাতীয় সংস্কৃতিৰ বাহক হৈ পৰিব। আমি অসমীয়া কবিসকলক লৈ আশাবাদী। তেওঁলোকৰ কবিতাত উজ্বলি উঠক দীন-দৰিদ্ৰ জনগণক উদ্ধাৰৰ প্ৰতিচ্ছবি, শোষকৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰাম।



# গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা

যতীন গগৈ

সাম্প্ৰতিক সময়ত গ্ৰন্থ অধ্যয়ন আৰু ইয়াৰ প্ৰয়োজনীয়তা নামৰ বিষয়টোৱে যথেষ্ট তাৎপৰ্য বহন কৰে। প্ৰযুক্তিবিদ্যাৰ উত্থানৰ লগে লগে বৰ্তমান যথেষ্ট হাৰত গ্ৰন্থ অধ্যয়ন প্ৰক্ৰিয়াটো কমি আহিছে। এইয়াই যুৱ চামৰ মাজতেই হওক বা মধ্য বয়সীয়া লোকৰ মাজতেই হওক। এই কথা পুথি প্ৰকাশক তথা পুথি বিক্ৰী কৰা দোকানসমূহত খবৰ কৰিলেই উমান পোৱা যাব।

গ্ৰন্থ অধ্যনৰ প্ৰয়োজনীয়তা যথেষ্ট। সকলো বস্তুৱেই ম'বাইল বা ইন্টাৰনেটত পোৱা নাযায়, সাম্প্ৰতিক সময়ৰ সমূহ তথ্য ইন্টাৰনেটৰ জৰিয়তে পাব পাৰি কিন্তু গ্ৰন্থ অধ্যয়নৰ অবিহনে মানুহৰ লিখাৰ কৌশল বা গুণসমূহ আয়ত্ব কৰিব নোৱাৰিবও পাৰে।

গ্ৰন্থ অধ্যয়নৰ ফলত মানুহ এজনে নিজৰ মানসিক শক্তি, বৌদ্ধিক শক্তি কথা কোৱাৰ কৌশল, স্মৃতি শক্তি আদিৰ বিকাশ সাধন কৰিব পাৰে। বৰ্তমান সময়ত আমাৰ শিক্ষা ব্যৱস্থাত নম্বৰভিত্তিক শিক্ষা ব্যৱস্থাই গা কৰি উঠিছে। পৰীক্ষা বহীৰ ফলাফলৰ মোটা অংকৰ হাৰত শিক্ষাৰ্থীৰ পাৰদৰ্শিতাক প্ৰাধান্য দিয়া হয়। তাৰ বাবেই গ্ৰন্থ অধ্যয়নৰ যথেষ্ট প্ৰয়োজনীয়তা আছে।

গ্ৰন্থৰ দ্বাৰা বা গ্ৰন্থ অধ্যয়নৰ পৰা লাভ কৰা জ্ঞানসমূহৰ পৰাই নিজকে কাৰ্যক্ষম কৰি তুলিব পাৰি। কিবা এটা নিযুক্তি পৰীক্ষাত বাছনি হ'বৰ বাবে প্ৰয়োজনীয় জ্ঞানসমূহ গ্ৰন্থ অধ্যয়নৰ জৰিয়তেই আহৰণ কৰিব লাগিব। মুঠতে গ্ৰন্থ অধ্যয়ন নামৰ বিষয়টোৱে যথেষ্ট গুৰুত্ব বহন কৰে।

গাঁও অঞ্চল বা চহৰ যিহতেই নহওক, যুৱচাম বা আদহীয়া যি কোনো ব্যক্তিয়েই নহওক এই গ্ৰন্থ অধ্যয়নৰ প্ৰক্ৰিয়াটো প্ৰযুক্তিৰ লগত সমন্তৰালভাৱে চলাই নিয়াটো অতিকে জৰুৰী। সেইবাবেই প্ৰতিখন কলেজ বা স্কুলতেই সকলো ধৰণৰ কিতাপ উপলব্ধ হ'ব পৰাকৈ পুথিভঁৰালৰ ব্যৱস্থা কৰা হয়। গ্ৰন্থ অধ্যয়নে মানুহৰ সামগ্ৰিক, বৌদ্ধিক, মানসিক, সাংস্কৃতিক সকলো দিশৰে বিকাশ সামৰি লয়, সেইবাবে গ্ৰন্থ অধ্যয়ন বিষয়টো অতিকে গুৰুত্ব বুলি বিবেচিত হয়।

# ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন আৰম্ভ কৰাৰ প্ৰাক্‌ক্ষণত এজন ছাত্ৰ হিচাপে প্ৰথমতেই সেইসকল স্বনামধন্য মহান ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো যিসকলৰ অশেষ ত্যাগ আৰু প্ৰচেষ্টাত সৰুপথাৰ মহাবিদ্যালয় নামৰ 'জ্ঞান মন্দিৰ' বৰ্তমান অৱস্থাত উপনীত হৈছেহি।

সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদত অধিষ্ঠিত কৰি এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীলৈ এই সুযোগতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমি ছাত্ৰ একতা সভাই দায়িত্বভাৰ গ্ৰহণ কৰিছিলো এক ৰাজকীয় পৰিৱেশত। আমাক এই দায়িত্ব অৰ্পণ কৰা সমূহ ছাত্ৰ-ছাত্ৰী আৰু আমাৰ অতিকৈ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ সাক্ষাতত।

মহাবিদ্যালয় সপ্তাহ, তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, শংকৰদেৱৰ তিথি, শিক্ষক দিৱস, সৰস্বতী পূজা, নৱাগত আদৰণি সভাকে ধৰি বিভিন্ন কাৰ্যসূচী নিয়াৰীকৈ সকলোৰে লগত লগ হৈ সুচাৰুৰূপে সম্পন্ন কৰিবলৈ চেষ্টা কৰিছিলো।

সৰুপথাৰ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক পদত থাকি মহাবিদ্যালয়খনৰ বাবে কি কৰিব পাৰিলো সেয়া কেৱল সমূহ ছাত্ৰ-ছাত্ৰীৰ বাবে বিচাৰ্যৰ বিষয়। তথাপিও যোৱা ১২ টা মাহত মহাবিদ্যালয়খনৰ হকে যিমান পাৰো সিমান উদ্যমেৰে কাম কৰিছিলো। একতা সভাৰ প্ৰতিজন সম্পাদকৰ প্ৰতিটো কামত সহায় সহযোগিতা কৰিছিলো। সৰুপথাৰ মহাবিদ্যালয়ৰ নাম জাকত জিলিকা কৰি তুলিবলৈ মহাবিদ্যালয়ত থকা প্ৰতিভাসমূহ বিভিন্ন মঞ্চত আত্ম প্ৰকাশ কৰাৰ সুবিধা দিছিলো।

২০২১-২২ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে মই কিমান সফলতাৰে সমূহ ছাত্ৰ-ছাত্ৰীৰ নেতৃত্ব দিব পাৰিলো সেইয়া আপোনালোকে বিচাৰ কৰিব। কৰ্তব্য আৰু দায়িত্বৰ তাগিদাত কেতিয়াবা হয়তো ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ বাক্য ব্যৱহাৰ কৰিছিলো, অথবা তেওঁলোকে বিচৰা ধৰণে কেতিয়াবা ব্যৱস্থা কৰি দিব পৰা নাছিলো, সেই আটাইলৈকে মই ক্ষমা বিচাৰিলো। ইয়াৰোপৰি শিক্ষক-শিক্ষয়িত্ৰী মহাবিদ্যালয়ৰ কৰ্মচাৰী ওচৰতো মোৰ দোষ ৰৈ যাব পাৰে তেওঁলোক সকলোৰে ওচৰত মই ক্ষমা বিচাৰিলোঁ।

মোৰ এই কাৰ্যকালত যিসকল শিক্ষাগুৰুৱে বহু দিহা-পৰামৰ্শৰে সহায় সহযোগিতা আগবঢ়ালে প্ৰতিজন শিক্ষাগুৰুকে আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জনালো। মোৰ সকলো কাৰ্যসূচীতে মোৰ লগত থাকি উৎসাহ দিয়া তথা অনুষ্ঠান সাফল্যমণ্ডিত কৰা ছাত্ৰ একতা সভাৰ লগতে প্ৰতিজন দাদা-বাইদেউ, ভাইটি-ভন্টী, বন্ধু-বান্ধৱীলৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত সৰুপথাৰ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত তথা উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰিলো।

জয়তু সৰুপথাৰ মহাবিদ্যালয়

**অভিৰাম খাকলাৰী**
**সাধাৰণ সম্পাদক**
**২০২১-২২ বৰ্ষ**

# ছাত্র একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

পোনপ্ৰথমে মই সেইসকল স্বনামধন্য মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো; যিসকলৰ সীমাহীন পৰিশ্ৰম, ঐক্যবদ্ধ প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত সৰুপথাৰ মহাবিদ্যালয়খনে আজি সোণালী জয়ন্তী বৰ্ষত উপনীত হৈছে। জ্ঞানৰ বটবৃক্ষ স্বৰূপ এই মহাবিদ্যালয়খনক লৈ বিভিন্নজনে দেখা সপোনবোৰক বাস্তৱত ৰূপায়িত কৰি; বৰ্তমানৰ গোলকীয় সমাজখনত একো একোজন মানৱ সম্পদ হিচাপে গঢ় দিবলৈ সক্ষম হৈছে।

প্ৰতিবছৰৰ দৰে ২০২১-২২ বৰ্ষতো সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ ঐতিহ্যমণ্ডিত সৰুপথাৰ মহাবিদ্যালয়খনিত ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল। কিন্তু বিগত বৰ্ষসমূহতকৈ এই নিৰ্বাচন আছিল প্ৰত্যাহ্বান আৰু ব্যতিক্ৰমী; কিয়নো ক'ৰনা মহামাৰীৰ বিৰূপ প্ৰভাৱে সমগ্ৰ বিশ্বকে প্ৰভাৱিত কৰি তুলিছিল। যাৰ প্ৰভাৱৰ পৰা সাৰি যোৱা নাছিল সৰুপথাৰ মহাবিদ্যালয়ো। এনে জটিল সময়ছোৱাত মনত অনেক সপোন লৈ মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াবলৈ মই বিভিন্নজনৰ পৰামৰ্শ তথা সমৰ্থন লাভ কৰি সহকাৰী সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দিতা আগবঢ়াই সৰ্বাধিক ভোটেৰে জয় লাভ কৰিছিলোঁ। এয়া মোৰ বাবে সচাঁকৈয়ে সৌভাগ্যৰ ক্ষণ আছিল। ছাত্ৰ-ছাত্ৰীসকলে মোৰ প্ৰতি দেখুওৱা এনে আস্থা-বিশ্বাসে মোক কাম কৰিব যাবলৈ অধিক আগ্ৰহী কৰি তুলিছিল। এই ছেগতে মই প্ৰত্যেকগৰাকী মোৰ শুভাকাংখীলৈ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

- এগৰাকী সহকাৰী সাধাৰণ সম্পাদক হিচাপে মই ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ অনুপস্থিতিত তেওঁলোকৰ কামবিলাক নিষ্ঠাসহকাৰে কৰিছিলোঁ ।
- মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশ সাধনৰ উদ্দেশ্যে 'বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ' ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসহ আয়োজন কৰিছিলোঁ।
- ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে বিভিন্ন ধৰণৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে 'কেৰিয়াৰ কাউন্সিলিং' অনুষ্ঠান আয়োজন কৰিছিলোঁ।

- বৰ্তমান সময়ত নিচাজাতীয় দ্ৰব্য ব্যৱহাৰেই আমাৰ সমাজখন কলুষিত কৰি তুলিছে, তাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীসকলক ইয়াৰ পৰা বিৰত ৰখাৰ উদ্দেশ্যে ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সজাগতা সমদল উলিওৱা হৈছিল।
- এগৰাকী সহঃ সাধাৰণ সম্পাদক হিচাপে মই সৰুপথাৰ উন্নয়ন খণ্ডত আয়োজন কৰা 'মতবিনিময়' অনুষ্ঠানত কেন্দ্ৰীয় আইন আৰু ন্যায়িক দপ্তৰৰ মন্ত্ৰী শ্ৰী কিৰেণ ৰিজিজু মহোদয়ৰ উপস্থিতিত তেখেতৰ ওচৰত বক্তব্য দাঙি ধৰিছিলোঁ।
- সৰুপথাৰ মহাবিদ্যালয়খনক প্ৰতিনিধিত্ব কৰি, ১২ জানুৱাৰী ২০২৩ তাৰিখে গুৱাহাটীত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক যুৱ দিৱসত উপস্থিত থাকি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেবিনেট মন্ত্ৰীদ্বয়ৰ উপস্থিতিত মহাবিদ্যালয়খনত শিক্ষক নিযুক্তি দিয়াৰ অনুৰোধ জনোৱাৰ লগতে বিভিন্ন সমস্যাসমূহৰ সম্পৰ্কে অৱগত কৰোঁ।
- মহাবিদ্যালয়ৰ উশ্বু খেলুৱৈসকলক আৰ্থিক ভাৱে সামান্য সকাহ প্ৰদান কৰাৰ উদ্দেশ্যে এমহীয়া বিনামূলীয়া প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা সাধাৰণ সম্পাদৰ সৈতে কৰিছিলোঁ। উল্লেখযোগ্য যে, এই বৰ্ষতে তেওঁলোকে ১৫ জনৰ ভিতৰত ১০ জন খেলুৱৈয়ে সোণৰ পদক আৰু ২ জন খেলুৱৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয় (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় উশ্বু চেম্পিয়নশ্বিপ)

ইয়াৰোপৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত তেওঁলোকৰ সপক্ষে মাত-মাতি আহিছিলো।

প্ৰতিবেদনৰ শেষত মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰ বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ। তেখেতে প্ৰতিটো ক্ষেত্ৰতে নিজস্ব সৎ বিবেচনাৰে ছাত্ৰ একতা সভাক সদায় সু-দিহা পৰামৰ্শ, সহায় সহযোগিতা আগবঢ়াই আহিছিল। লগতে প্ৰাক্তন অধ্যক্ষা শ্ৰদ্ধাৰ মণিপ্ৰভা বৰা বাইদেউলৈ অলেখ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেখেতে দিয়া পৰামৰ্শ আৰু আদৰ্শৰ প্ৰতি বশৱৰ্তী হৈ গ্ৰহণ কৰা প্ৰতিটো কাৰ্যসূচীয়েই আমাৰ সাফল্যমণ্ডিত হৈছে; আৰু মহাবিদ্যালয়ৰ সন্মানীয় উপাধ্যক্ষ অঞ্জন গোস্বামী ছাৰ তথা উপাধ্যক্ষা ড° ৰীতা কুমাৰী বৰা বাইদেউ প্ৰমূখ্যে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু -বান্ধৱী, সতীৰ্থলৈ পুনৰবাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**ৰিতুল গড়**
সহকাৰী সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
সৰুপথাৰ মহাবিদ্যালয় ২০২১-২২

# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

"বহল অৰ্থত সংস্কৃতিৰ অৰ্থ হৈছে জনসাধাৰণৰ সুকুমাৰ অনুভূতিৰ প্ৰকাশ।"

—হেম বৰুৱা

ব্ৰহ্মপুত্ৰৰ দৰে গভীৰ আৰু বিশাল অসমীয়া সংস্কৃতি। উঠি অহা প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীক এই সংস্কৃতিৰ প্ৰতি ধাউতি যোগোৱাৰ উদ্দেশ্যে অসমৰ প্ৰতিখন মহাবিদ্যালয়তে সংস্কৃতিৰ এটা বিভাগ আছে। কাৰণ সংস্কৃতিৰ বুনিয়াদ হ'ল মানুহৰ জীৱনৰ লক্ষ্য পূৰণৰ ভেটি। এই উদ্দেশ্যেৰে অসমৰ ভিতৰত বৰ্তমান এখন উল্লেখযোগ্য মহাবিদ্যালয় হিচাপে আমাৰ সৰুপথাৰ মহাবিদ্যালয়ৰ ২০২১-২০২২ বৰ্ষৰ সাংস্কৃতিক বিভাগত মই প্ৰতিদ্বন্দ্বিতা কৰি সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে জয়ী হৈছিলো।

প্ৰতিবেদন আৰম্ভ কৰাৰ প্ৰাক্ লগ্নত যি সকল মহৎ ব্যক্তিয়ে নিজস্ব উৎকৃষ্ট সাধনাৰে 'সৰুপথাৰ মহাবিদ্যালয়' নামৰ জ্ঞান বন্তিগছি জ্বলাই তাৰ আলোকেৰে আলোকিত হোৱাৰ পথ দেখুৱাই থৈ গৈছে সেই সকল মহৎ লোকৰ প্ৰতি মই মোৰ সশ্ৰদ্ধ প্ৰণিপাত জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীসকল, তথা সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সংস্কৃতিয়ে এটা জাতিৰ মান নিৰূপণ কৰে। এটা জাতিৰ জাতীয় সত্বাক সংস্কৃতিয়ে প্ৰতিফলিত কৰে। অসমীয়া সংস্কৃতিক বিশ্বজগতত এক সুকীয়া মৰ্যাদা দিয়াত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে আগভাগ লব লাগিব। এই ক্ষেত্ৰত অসমীয়া ছাত্ৰ-ছাত্ৰী কোনো গুণেই পিছপৰা নহয়। প্ৰাথমিক পৰ্যায়ৰ পৰা অনুষ্ঠিত কৰা বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাবিলাকৰ মাজেদিয়ে কিছুমান সুপ্ত প্ৰতিভাক বিকশিত হোৱাত সহায় কৰিব পাৰি। এই উদ্দেশ্যেৰে মহাবিদ্যালয়ত 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তেনেই সেৰেঙা যদিও প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়।

মই সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি এটা কথাৰ ওপৰত গুৰুত্ব দিছিলো যে 'মহাবিদ্যালয় সপ্তাহ' বা আন আন প্ৰতিযোগিতা সমূহত আন কেইবছৰতকৈ প্ৰতিযোগীৰ সংখ্যা সৰহ হওক। কিন্তু অতি দুখৰ কথা যে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ উপৰিও দৰ্শক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিও তেনেই নগণ্য আছিল। অতি পৰিতাপৰ কথা যে মহাবিদ্যালয়ত নাটক, মুকাভিনয়, একক অভিনয় আদি বহুতো প্ৰতিযোগিতাতছাত্ৰ-ছাত্ৰীসকলে কিয় অংশগ্ৰহণ নকৰে সিও এটা সাঁথৰ।

মোৰ কাৰ্যকালৰ সময়ত সকলোবোৰ ক্ষেত্ৰত মোক বিশেষভাৱে সহায়-সহযোগ দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা প্ৰশান্ত পোদ্দাৰ চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাই সমূহ শিক্ষাগুৰু কৰ্মচাৰীবৃন্দৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰিলো। সম্পাদিকা হিচাপে কাৰ্যভাৰ চলাই যাওতে যদি কোনো শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰীৰ ওচৰত আৰু প্ৰতিবেদনত অজ্ঞাতে ভুল ত্ৰুটি হৈছে তাৰ বাবে ক্ষমা বিচাৰিলো।

মোৰ কাৰ্যকাল বৰ্ষত ডিগবৈ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে পাচোঁটাকৈ পুৰষ্কাৰ লাভ কৰি আমাক গৌৰৱান্বিত কৰিছে। ষষ্ঠ যান্মাসিকৰ ছাত্ৰ শিৱাশিষ শৰ্মাই দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। বৰগীত আৰু ৰাভা সংগীতত আকাংক্ষা মহন্ত, নাটকত জাগৃতি গগৈ, সৌৰভ বৰা আৰু পাৰ্থ প্ৰতিম চুতীয়াই বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। সাফল্যৰ এই যাত্ৰা হওক অসীম অনন্ত।

সদৌ শেষত ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা শিক্ষক উপদেষ্টালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

জয়তু সৰুপথাৰ মহাবিদ্যালয়

জয়শ্ৰী হাজৰিকা

সাংস্কৃতিক সম্পাদিকা

২০২১-২০২২ বৰ্ষ

# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনখনিৰ আৰম্ভণিতে মই অতি শ্ৰদ্ধাৰে সোঁৱৰিছো সেই সকল ব্যক্তিক, যিসকলৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলশ্ৰুতিত 'সৰুপথাৰ মহাবিদ্যালয়' নামকৰণেৰে জ্ঞানৰ বটবৃক্ষজোপা বৰ্তমানৰ এই অৱস্থাত উপনীত হৈছেহি।

সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক হিচাপে সৰুপথাৰ মহাবিদ্যালয়ৰ হকে কাম কৰাৰ যি প্ৰবল ইচ্ছা আছিল তাক পূৰ্ণ সমৰ্থন কৰি মোক এই দায়িত্ব অৰ্পণ কৰা প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিলো।

**দায়িত্বভাৰ গ্ৰহণ ঃ**

আমি ছাত্ৰ একতা সভাই দায়িত্বভাৰ গ্ৰহণ কৰিলো, আমাক এই দায়িত্ব অৰ্পণ কৰা সমূহ ছাত্ৰ-ছাত্ৰী আৰু আমাৰ অতিকৈ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ সাক্ষাতত। দায়িত্বভাৰ গ্ৰহণ কৰিয়েই প্ৰতিশ্ৰুতিবদ্ধ হৈছিলো আমাৰ স্বাভিমান মহাবিদ্যালয়খনিৰ হকে অনাগত দিনবোৰত কাম কৰি যাবলৈ।

প্ৰতিটো বছৰে আয়োজন কৰা 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ' এই বছৰো আয়োজন কৰিলোঁ। মোৰ বিভাগত থকা প্ৰতিটো প্ৰতিযোগিতা সফলতাৰে আয়োজন কৰিবলৈ সক্ষম হ'লো। লগতে ছাত্ৰ একতা সভাৰ প্ৰত্যেকজন বিষয়ববীয়াৰ বিভাগৰ কাম কাজত সমৰ্থন কৰাৰ উপৰিও সহায়-সহযোগিতা আগবঢ়ালো।

মহাবিদ্যালয়ৰ হকে কাম কৰাৰ প্ৰৱল ইচ্ছা থকাৰ স্বত্বেও কিছু সপোন আধৰুৱা হৈ ৰ'ল তাৰ বাবে ক্ষমাপ্ৰাৰ্থী যদিও দায়িত্বভাৰ গ্ৰহণ কৰা পাছতেই (নিজৰ নিজৰ বিভাগ হৈ) বিভাগীয় কুইজ প্ৰতিযোগিতা আয়োজন কৰাৰ যি সপোন আছিল সেই সপোন পূৰণ কৰিবলৈ সক্ষম হ'লো।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

আমাৰ কাৰ্যকালত ছাত্ৰ একতা সভাৰ বিষয়ববীয়াই অনুষ্ঠিত কৰা প্ৰত্যেকটো উৎসৱ অনুষ্ঠানত সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে সু-দিহা পৰামৰ্শ দিয়া প্ৰত্যেকজন ব্যক্তিকে শ্ৰদ্ধাৰে ধন্যবাদ জ্ঞাপন কৰিছো। সদৌ শেষত আমাৰ স্বভিমানী মহাবিদ্যালয়খনিৰ উন্নতি কামনা কৰিলোঁ।

জয়তু সৰুপথাৰ মহাবিদ্যালয়

জয়তু সৰুপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**পাৰ্শ্বজ্যোতি বুঢ়াগোহাঁই**
তৰ্ক আৰু আলোচনা সম্পাদক
২০২১-২২ বৰ্ষ

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদন লিখাৰ আগমুহূৰ্ততে মাতৃভাষাৰ অস্তিত্ব ৰক্ষাৰ হেতুকে প্ৰাণ আহুতি দিয়া প্ৰতি গৰাকী স্বনামধন্য ব্যক্তিলৈ মই এই চেগতে শ্ৰদ্ধা নিবেদিছো। লগতে সেইসকল ব্যক্তিক যিসকলৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলশ্ৰুতিত 'সৰুপথাৰ মহাবিদ্যালয়' নামকৰণেৰে জ্ঞানৰ বটবৃক্ষ জোপা বৰ্তমানৰ অৱস্থাত উপনীত হৈছেহি।

মোৰ কাৰ্যকালত সন্মানীয় অধ্যাপিকা ড০ ববিতা দত্ত বাইদেউৰ সহায়-সহযোগিতা আৰু দিহা পৰামৰ্শৰ বাবে মই চিৰকৃতজ্ঞ হৈ ৰ'ম। ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে সৰুপথাৰ মহাবিদ্যালয়ৰ হকে কাম কৰাৰ যি প্ৰবল ইচ্ছা আছিল তাক পূৰ্ণ সমৰ্থন কৰি মোক এই দায়িত্ব অৰ্পণ কৰা প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিলো।

প্ৰত্যেক বছৰৰ দৰে এই বছৰতো মহাবিদ্যালয়ত 'মহাবিদ্যালয় সপ্তাহ' সুকলমে আয়োজন কৰা হয়। মোক মহাবিদ্যালয় সপ্তাহৰ লগতে অন্যান্য দিশত দিহা পৰামৰ্শ আৰু সহায়-সহযোগিতা কৰি যোৱা বন্ধু-বান্ধৱী সকল ক্ৰমে — চাহিতা ৰায়, বিনোদ ৰায়, অভিৰাম খাখলাৰী, বিতুল গড়, ৰাশি, জয়শ্ৰী, দিপাঞ্জলী, সোন বড়ো, বিতুল হাচদা, তালিচমান পুলামী, হৰিষ বড়ো, পাৰ্শ্বজ্যোতি, বিনন্দ, শ্ৰুতি দাস, পূজা গোৱালা, ৰীমা বড়ো প্ৰত্যেকলৈ আন্তৰিক ধন্যবাদ জনাইছো।

শেষত সৰুপথাৰ মহাবিদ্যালয়ৰ উন্নতি কামনাৰে প্ৰতিবেদন সামৰণি কৰিলো।

জয়তু সৰুপথাৰ মহাবিদ্যালয়
জয়তু সৰুপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**অমিষা ৰায়**
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদিকা
২০২১-২২ বৰ্ষ

# লেখক পৰিচিতি ঃ

*সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা ঃ*

মণিপ্ৰভা বৰা, প্ৰাক্তন অধ্যক্ষ, সমাজতত্ত্ব বিভাগ
ড° ৰীতা বৰা, উপাধ্যক্ষ, অসমীয়া বিভাগ
দীপালি বেজবৰুৱা, বাণিজ্য বিভাগ
ড° প্ৰণৱ ঢেকিয়াল ফুকন, অসমীয়া বিভাগ
ড° ববিতা দত্ত, অসমীয়া বিভাগ (বাণিজ্য শাখা)
ড° অৰ্চনা গগৈ, শিক্ষাতত্ত্ব বিভাগ
ড° অমৰ শইকীয়া, অসমীয়া বিভাগ
প্ৰাঞ্জল দত্ত, ইংৰাজী বিভাগ (বাণিজ্য শাখা)
ৰিণি বেনাৰ্জী, ইংৰাজী বিভাগ
কৃষ্ণ কোঁৱৰ, সমাজতত্ত্ব বিভাগ
তৃষ্মিতা বৰা, ইংৰাজী বিভাগ
জেৰি তিমুংপি, ইংৰাজী বিভাগ
বিপুল দাস, ইতিহাস বিভাগ
জেৰী তিমুংপী, ইংৰাজী বিভাগ
বৰষাৰাণী গগৈ, শিক্ষাতত্ত্ব বিভাগ
সুশীল শইকীয়া, অসমীয়া বিভাগ
সুশীল বৰা, কাৰ্যালয় সহায়ক

*সৰুপথাৰ মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী ঃ*

শিৰাশীষ শৰ্মা, স্নাতক মহলা, ৰাজনীতি বিজ্ঞান বিভাগ
বৰষা বড়া, স্নাতক মহলা, ৰাজনীতি বিজ্ঞান বিভাগ
পৰশ হাজৰিকা, স্নাতক মহলা, ইতিহাস বিভাগ
দুলুমণি সন্দিকৈ, স্নাতক মহলা, অসমীয়া বিভাগ
প্ৰাৰ্থনা শইকীয়া, স্নাতক মহলা, অসমীয়া বিভাগ
দীপজ্যোতি বৰা, স্নাতক মহলা, শিক্ষা বিভাগ
আকাশী গগৈ, স্নাতক মহলা, অসমীয়া বিভাগ
প্ৰিয়া শুৰ, স্নাতক মহলা, অসমীয়া বিভাগ
নেহা গড়, স্নাতক মহলা, অসমীয়া বিভাগ

নুৰিস্মিতা গগৈ, স্নাতক মহলা, ইতিহাস বিভাগ
তেলিছ্মান পুলামী, স্নাতক মহলা, ইতিহাস বিভাগ
দীপশিখা ডেকা, স্নাতক মহলা, ইতিহাস বিভাগ
প্ৰণতি হেমৰম, স্নাতক মহলা, অসমীয়া বিভাগ

*সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ঃ*

অৰ্পণা হাজৰিকা (উদীয়মান কবি), মহেশ্বৰ বসুমতাৰী, চয়নিকা গোহাঁই, সান্ত্বনা বড়া, যুগল মেধি, পাহাৰী গগৈ, প্ৰিয়মপলা চুতীয়া, বিষ্ণু বৰা, অনুপম কলিতা, সান্ত্বনা বৰা, যতিন গগৈ, তৰালী গগৈ, পৰশ হাজৰিকা, যতীন গগৈ, ঋতুৰাজ বসন্ত

*অতিথি চ'ৰা ঃ*

ড° সত্যজিৎ দাস, সহকাৰী অধ্যাপক, অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ
ৰাখী দত্ত শইকীয়া, বিশিষ্ট চাহ ব্যৱসায়ী আৰু উদ্যোগী মহিলা
নয়ন মণি ৰাজখোৱা, প্ৰবীন সাংস্কৃতি কৰ্মী
চয়নিকা চেতিয়া, উদীয়মান গল্পকাৰ, শিক্ষয়িত্ৰী, পুলিবৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়
অচ্যুত কুমাৰ বৰা, উদীয়মান কবি
প্ৰিয়াংশু প্ৰাঞ্জল, উদীয়মান কবি, বোকাখাত

# মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ



অসমীয়া বিভাগ ঃ
সোঁফালৰ পৰা ক্ৰমে ঃ ড° প্ৰাপ্তি ঠাকুৰ (বৰ্তমানৰ অধ্যক্ষ), ভাৰতী শইকীয়া, ড° প্ৰণৱ ফুকন,
ড° ৰীতা বৰা (উপাধ্যক্ষ), ড° অমৰ শইকীয়া



অৰ্থনীতি বিভাগ ঃ
বাওঁফালৰ পৰা ক্ৰমে ঃ নৰেশ্বৰ বসুমতাৰী,
কৰবী বিশ্বাস, জয়শ্ৰী বৰদলৈ



ইংৰাজী বিভাগ ঃ
বাওঁফালৰ পৰা ক্ৰমে ঃ জেৰী তিমুংপী,
ৰিণি বেনাৰ্জী, তৃস্মিতা শইকীয়া



বাণিজ্য বিভাগ ঃ
বাওঁফালৰ পৰা ক্ৰমে ঃ প্ৰথম শাৰীত — ড° ববিতা দত্ত, দিপালী বেজবৰুৱা
দ্বিতীয় শাৰীত — অতুল শইকীয়া, অগ্নি বাহাদুৰ ছেত্ৰী, হেমন্ত গগৈ, পৰাগ ভূঞা, প্ৰশান্ত পোদ্দাৰ,
প্ৰাঞ্জল দত্ত, বিকাশ বৰা, অঞ্জন গোস্বামী, নৰজ্যোতি গোস্বামী



ৰাজনীতি বিজ্ঞান বিভাগ ঃ
সোঁফালৰ পৰা ক্ৰমে ঃ জয়ন্ত কুমাৰ বৰা, চুনচুনা গগৈ,
ড° ৰিদিপ খনিকৰ



শিক্ষাতত্ত্ব বিভাগ ঃ
বাওঁফালৰ পৰা ক্ৰমে ঃ ৰূপজ্যোতি গগৈ,
ড° অৰ্চনা গগৈ, বৰষাৰাণী গগৈ



সমাজতত্ত্ব বিভাগ ঃ
বাওঁফালৰ পৰা ক্ৰমে ঃ কৃষ্ণ কোঁৱৰ, ড° প্ৰেমকান্ত বৰা, মণিপ্ৰভা বৰা, জয়ন্ত ফুকন



বুৰঞ্জী বিভাগ ঃ
বাওঁফালৰ পৰা ক্ৰমে ঃ সত্যব্ৰত দত্ত, সন্ধান হাজৰিকা, বিপুল দাস

মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ



গ্ৰন্থাগাৰ ঃ
সোঁফালৰপৰা ক্ৰমে ঃ  নৰোত্তম ৰাভা, স্মিতা চেতিয়া (গ্ৰন্থাগাৰিক), নিতুমণি দত্ত



কাৰ্যালয়ৰ কৰ্মচাৰীবৃন্দ ঃ
সোঁফালৰ পৰা ক্ৰমে ঃ ৰেণুমাই চাহু, বিউটি শইকীয়া, বৰুণ কৰ্মকাৰ, অভিজিত তপ্ন, ৰামকৃষ্ণ পাল, তিলক ডেকা, কোষেশ্বৰ শইকীয়া, জয়ন্ত দাস, বিতু গঞ্জু, অসীম গগৈ, উৎপল সন্দিকৈ

# সৰুপথাৰ মহাবিদ্যালয়ত প্ৰতিভাৰ জিলিঙনি



**তৃষ্ণা বৰা**

(২০২১-২২ বৰ্ষৰ স্নাতক মহলাৰ চূড়ান্ত পৰীক্ষাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগত নৱম স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়)



**সঞ্জনা ভুজেলে**

(২০২১-২২ বৰ্ষৰ স্নাতক মহলাৰ চূড়ান্ত পৰীক্ষাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগত অষ্টাদশ স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়)



**সান্ত্বনা বৰা**

(অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰী, ২০২২ বৰ্ষত অনুষ্ঠিত সৰ্বভাৰতীয় নেট তথা কণিষ্ঠ গৱেষকৰ বাবে হোৱা পৰীক্ষাত (UGC NET JRF) উত্তীৰ্ণ হৈ তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত পিএইচ.ডি. গৱেষণাত নামভৰ্তি কৰিছে।)



**চয়নিকা গোহাঁই**

(অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰী, ২০২১ বৰ্ষত অনুষ্ঠিত সৰ্বভাৰতীয় নেট তথা কণিষ্ঠ গৱেষকৰ বাবে হোৱা পৰীক্ষাত (UGC NET JRF) উত্তীৰ্ণ হৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পিএইচ.ডি. গৱেষণাত নামভৰ্তি কৰিছে।





গৱেষণা আৰু বিদ্যায়তনিক দিশত আগবঢ়োৱা উল্লেখনীয় অৱদানৰ বাবে অসমৰ উচ্চ শিক্ষা বিভাগৰ দ্বাৰা সন্মানীত মহাবিদ্যালয়ৰ শিক্ষকদ্বয় ক্ৰমে ড° প্ৰাপ্তি ঠাকুৰ (বৰ্তমানৰ অধ্যক্ষ) আৰু ড° প্ৰণৱ ফুকন।

## মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিভা ঃ ২০২১-২০২২ বৰ্ষ



মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ সাহিত্যিক ঃ
আকাশী গগৈ



মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ ক্ৰীড়াবিদ (ল'ৰা) ঃ
বিক্ৰম বসুমতাৰী



মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ ক্ৰীড়াবিদ (ছোৱালী) ঃ
মাৰ্ভুজা খাতুন



মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ তাৰ্কিক ঃ
শিৱাশীষ শৰ্মা



২০২১-২০২২ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত নাটকৰ চৰিত্ৰ ৰূপায়ণত বিচাৰকৰ বিশেষ বঁটাপ্ৰাপ্ত ঃ
সৌৰভ বৰা



মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ সংগীত শিল্পী আৰু মহাবিদ্যালয়ৰ সৌন্দৰ্য প্ৰতিযোগিতাৰ বিজয়িনী ঃ
আকাংক্ষা মহন্ত